মাধৱচন্দ্ৰ বেজবৰুৱা

(জীৱনী গ্ৰন্থ)

সম্পাদনা

এম্ ইব্ৰাহীম আলি

প্ৰকাশক

শ্ৰী ৰাণা প্ৰতাপ বেজবৰুৱা

নাৰিকল বাৰী, ৩ নং উপপথ,

গুৱাহাটী - ৭৮১ ০২৪

Madhab Chandra Bezbaroa - a detailed biographical discourse, edited by M. Ibrahim Ali and Published by Sri Rana Pratap Bezboruah, Narikal Bari, Guwahati - 781024.

প্ৰকাশক ঃ শ্ৰী ৰাণা প্ৰতাপ বেজবৰুৱা,
নাৰিকলবাৰী,
৩ নং উপপথ,
গুৱাহাটী - ৭৮১০২৪

প্ৰথম প্ৰকাশ ঃ অক্টোবৰ, ১৯৭৪

দ্বিতীয় প্ৰকাশ ঃ জানুৱাৰী, ২০০১

মূল্য ঃ ৭৫.০০ টকা (সাধাৰণ সংস্কৰণ)
১৫০.০০ টকা (লাইব্ৰেৰী সংস্কৰণ)

মুদ্ৰক ঃ বাণীপ্ৰকাশ মুদ্ৰণী,
উদ্যোগপাম, বামুণীমৈদাম,
গুৱাহাটী - ৭৮১০২১

নতুন সংস্কৰণৰ বিষয়ে একাষাৰ

অসমী মাতৃৰ উন্নতিৰ হকে জীৱনপাত কৰি যোৱা সুসন্তানসকলৰ অন্যতম মাধৱচন্দ্ৰ বেজবৰুৱাৰ স্মৃতি সময়ৰ ধূলি-মাকতিয়ে ম্লান কৰিবলৈ ধৰাৰ সময়তে ঁবেজবৰুৱাদেৱৰ একান্ত গুণমুগ্ধ, নিজকে এগৰাকী ঁবেজবৰুৱাৰ অনুজ বুলি গৌৰৱত গৌৰৱান্বিত আমাৰ পিতৃ মৰহুম এম্ ইব্ৰাহীম আলিয়ে তেখেতৰ স্মৃতি পুনৰোজ্জীৱিত কৰি তোলাৰ মানসেৰে ঁমাধৱচন্দ্ৰ বেজবৰুৱা গ্ৰন্থখনি সংকলন আৰু সম্পাদনাৰ পৰিকল্পনা লৈছিল। নিজৰ দেওৰেকৰ দৰে অকৃত্ৰিম স্নেহপাশেৰে আৱদ্ধ কৰি ৰখা দেউতাক ঁবেজবৰুৱাৰ মহীয়সী পত্নী স্বৰ্গীয়া উষা বেজবৰুৱাই এই মহৎ আৰু পৱিত্ৰ কামটিত সক্ৰিয় সহযোগ আগবঢ়াইছিল। গ্ৰন্থখনিৰ পৰিকল্পনা সম্পাদনা ছপাকাৰ্য আদিত আমাৰ পিতৃ দেৱতাই কেনে একাগ্ৰতাৰে আগবাঢ়িছিল আমি নিজ চকুৰে দেখিছিলোঁ আৰু সহজে অনুভৱ কৰিব পাৰিছো ঁবেজবৰুৱাৰ স'তে পিতৃৰ কেনে আত্মিক সম্পৰ্ক আছিল — কেনে গভীৰ আছিল শ্ৰদ্ধাৰ পাৰাকণ্ঠা। ব্যক্তিগত সম্পৰ্কৰ উপৰি এই উদ্যোগৰ স'তে সম্পৃক্ত হৈ আছিল এগৰাকী নিভাঁজ স্বদেশপ্ৰেমীৰ প্ৰতি আন এগৰাকী অসমপ্ৰেমীৰ কৃতজ্ঞতা প্ৰকাশৰ অকৃত্ৰিম উচ্ছ্বাস।

'বাঁহী' কাকতৰ সম্পাদনাৰ মাজেদি সদায় অসমৰ জাতীয় স্বাৰ্থৰ হকে সেৱা আগবঢ়াই ধন্য হোৱা ঁমাধৱচন্দ্ৰ বেজবৰুৱাই অসমৰ জ্ঞানপীঠ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে যি অৰিহনা আগবঢ়াই থৈ গৈছে সি যুগমীয়া কীৰ্তি ৰূপে সদায় জিলিকি থাকিব। য'তে অসমৰ স্বাৰ্থৰ প্ৰশ্ন জড়িত আছিল ঁমাধৱচন্দ্ৰ বেজবৰুৱাই তাতে আত্মোৎছৰ্গাৰ মনোভাৱেৰে জঁপিয়াই পৰিছিল। তেনে এক কৰ্মযোগী আত্মত্যাগী অসমপ্ৰাণ ব্যক্তিক অকালতে, হেৰুৱাবলগীয়া হোৱাটো দেশমাতৃৰ বাবে চৰম দুৰ্ভগ্যজনক কথা। তেওঁ কৰি যোৱা মহান কাৰ্যাৱলীৰ প্ৰতি সামান্য

কৃতজ্ঞতা প্ৰকাশৰ পবিত্ৰ কৰ্ম হৈছে — এই "মাধৱচন্দ্ৰ বেজবৰুৱা" গ্ৰন্থখনিৰ পৰিকল্পনা আৰু সম্পাদনা। আমাৰ পিতৃ মৰহুম এম্ ইব্ৰাহীম আলিয়ে এই দায়িত্ব লৈ আমাকো এফেৰি গৌৰবৰ অধিকাৰী কৰি থৈ গৈছে।

১৯৭৪ চনতে অসম চৰকাৰৰ আৰ্থিক অনুদানেৰে দেউতাই ব্যক্তিগতভাৱেই এই গ্ৰন্থখনি প্ৰকাশ কৰি উলিয়াইছিল। মাত্ৰ ১২.৫০ পইচা মূল্যৰ এই গ্ৰন্থখনৰ প্ৰথম প্ৰকাশ কেতিয়াবাই শেষ হৈ যায়। ঁবেজবৰুৱাৰ জীৱনীখনৰ চাহিদা এতিয়াও হ্ৰাস পোৱা নাই। এতিয়াও অনেকে কিতাপখন সাগ্ৰহেৰে বিচাৰে। বিশেষকৈ নতুন প্ৰজন্মৰ বাবে ঁবেজবৰুৱাদেৱৰ জীৱন কৰ্ম আৰু আদৰ্শৰ ব্যাপক প্ৰচাৰৰ একান্ত প্ৰয়োজন আহি পৰিছে। এনে সময়ত ঁবেজবৰুৱাদেৱৰ সুযোগ্য একমাত্ৰ পুত্ৰ শ্ৰী ৰাণাপ্ৰতাপ বেজবৰুৱাই "মাধৱচন্দ্ৰ বেজবৰুৱা" গ্ৰন্থখনি পুনৰ প্ৰকাশৰ বাবে স্বেচ্ছাৰে আগবাঢ়ি অহাত মই তথা আমাৰ পৰিয়ালৰ সদস্যবৰ্গই পৰম তৃপ্তি লাভ কৰিছোঁ।

আশা ৰাখিছোঁ প্ৰথম সংস্কৰণৰ লেখীয়াকৈ পুনৰ মুদ্ৰিত সংস্কৰণেও অসম বাসীৰ পৰা সমাদৰ লাভ কৰিব আৰু সাম্প্ৰতিক কালৰ যুৱক যুৱতীসকলক মহান ব্যক্তি গৰাকীৰ জীৱন আৰু কৰ্মৰাজিয়ে অনুপ্ৰাণিত কৰিব। ইতি —

মঙ্গলদৈ

৮/১২/২০০০ — ইদ্ৰিছ্ আলি

আমাৰ কথা

হাড়ে হিমজুৰে প্ৰকৃত অসমীয়া, দুৰদৃষ্টি সম্পন্ন, অসম প্ৰেমী, শিৱসাগৰৰ বিখ্যাত বেজবৰুৱা পৰিয়ালৰ অন্যতম মাধৱচন্দ্ৰ বেজবৰুৱা এনে এগৰাকী ব্যক্তি যি গৰাকী ব্যক্তিৰ উদ্দাত্ত আহ্বানে এটা সময়ত সমগ্ৰ অসমবাসীক তেওঁলোকৰ সাহিত্য-সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি তথা সামাজিক দিশৰ অস্তিত্বৰ প্ৰতি সজাগ কৰি তুলিছিল। "ডেকাবেজ" ৰূপে খ্যাত এইগৰাকী ব্যক্তিয়ে জীৱনৰ মাত্ৰ ৩৪টা বছৰত যি অসাধ্য সাধন কৰি দেখুৱাইছিল সেই স্মৃতি বিজৰিত কাহিনীসমূহ অসমৰ ইতিহাসত সোণালী আখৰেৰে সদায়ে জিলিকি থাকিব।। এনে এগৰাকী মহান ব্যক্তিৰ মহৎ কাৰ্যসমূহ একগোট কৰি লিপিবদ্ধ আকাৰে ৰাখিব পৰা কথাটো সহজ নহয়। কিন্তু এনে অসাধ্য সাধনো কৰি তুলিছিল আন এগৰাকী মহান ব্যক্তিয়ে। সেইজনেই হ'ল সু-সাহিত্যিক, শিক্ষাবিদ এম্ ইব্ৰাহীম আলি ডাঙৰীয়া।

"মাধৱচন্দ্ৰ বেজবৰুৱা" নামাকৰণৰ জীৱনী গ্ৰন্থ খন সম্পাদনা কৰাৰ উপৰিও•১৯৭৪ চনতেই শিক্ষা বিভাগৰ অৰ্থ সাহায্যত প্ৰকাশ কৰিও উলিয়াইছিল। গ্ৰন্থখনৰ মুখ্য পৰিৱেশক আছিল পানবজাৰৰ (গুৱাহাটী) লয়াৰ্ছ বুক ষ্টল আৰু মুদ্ৰক আছিল কলিকতা চহৰৰ ৬৬ গ্ৰেগু ষ্ট্ৰীটৰ থকা নৱজীৱন প্ৰেছৰ কালীচৰণ পাল। মাত্ৰ ১২.৫০ টকা মূল্যৰ গ্ৰন্থ খনে ১৯৭৪ চনৰ অক্টোবৰত প্ৰথম প্ৰকাশ পাইছিল আৰু ছপা হৈছিল মাত্ৰ এক হাজাৰ কপি।

এতিয়া ২০০১ চন। গ্ৰন্থখনৰ নায়ক সম্পাদক প্ৰকাশক আৰু প্ৰায়ভাগ লিখকেই আমাৰ মাজত নাই। গ্ৰন্থখনত লিপিবদ্ধ কথাবিলাকে ডেকাবেজৰ অভূতপূৰ্ব কৰ্মৰাজিয়ে কিন্তু আজিও অসমৰ প্ৰত্যেকজন ডেকা-গাভৰুক ভৱাই তুলিব পাৰে ডেকা বেজৰ ভাষাৰেই — "অসমক ভাল পোৱা মানে ভাৰতক ঘিণ কৰা নুবুজায়"। সেইবাবেই ডেকা বেজৰ অতি অন্তৰঙ্গ মহেন্দ্ৰ নাথ

ডেকাফুকনে কৈ গৈছিল — অসমৰ ডেকা গাভৰুহঁতক জনাই দিয়ক গৈ যে "শৰীৰ মত্ত মাধৱতকৈ অশৰীৰী মাধৱৰ প্ৰভাৱ লক্ষ্যগুণে অধিক"।

ইতিমধ্যে প্ৰকাশিত গ্ৰন্থখনৰ সম্পাদকসহ বহু লেখকেই ইহসংসাৰত নাই। আলি চাহাবে অশেষ কষ্ট স্বীকাৰ কৰি সম্পাদনা কৰি উলিওৱা তেওঁৰ লিখনিকে ধৰি সংগ্ৰহ কৰি প্ৰকাশ কৰা বিশিষ্ট লোকৰ লিখনিসমূহৰ ওপৰত-যিহেতু আমাৰ কোনো কৰ্ত্তৃত্ব নাই, গতিকে সেইবোৰ একেদৰেই ৰাখি গলো। দাৰি, কমা এটাৰ ওপৰতো হস্তক্ষেপ নকৰিলোঁ। মাথোন ঁআনন্দচন্দ্ৰ বেজবৰুৱা, শ্ৰীযুত অৱনীন্দ্ৰ বৰা আৰু শ্ৰীযুতা প্ৰীতি বৰুৱাৰ প্ৰবন্ধ তিনিটা আৰু দুই চাৰিখন ছবি সংযোগ কৰা হ'ল আলি চাহাবৰ ওচৰত ক্ষমা বিছাৰি।

গ্ৰন্থখনৰ নায়ক ডেকাবেজ মাধৱচন্দ্ৰ বেজবৰুৱা, সম্পাদক এম্ ইব্ৰাহীম আলি আৰু যি সকল গুণী-জ্ঞানী প্ৰবন্ধকাৰ আজি আৰু নাই সেই সকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিছাৰিলো আৰু সেই সকলৰ আত্মাৰ চিৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। যিসকল আজিও বিদ্যমান তেওঁলোকৰ পৰা আশীষ বিছাৰিলো।

লগতে দিহা পৰামৰ্শ আৰু অন্যান্য কামত সহায় কৰাৰ বাবে শ্ৰীদেৱেশ শৰ্মা আৰু ছপাশাল বাণী প্ৰকাশ মুদ্ৰণীৰ স্বত্বাধিকাৰী শ্ৰীজ্যোতিপদ দেৱচৌধুৰী আ · কৰ্মকৰ্তা সকলৰ শলাগ ললো।

অনিচ্ছাকৃত দোষ-ত্ৰুটী, ভুল-ভ্ৰান্তি সমূহ ক্ষমা কৰি আধুনিক অসমীয়া জাতীয় জীৱনৰ ভেটি নিৰ্মাণত অৰিহনা যোগোৱা ডেকাবেজৰ জীৱনী গ্ৰন্থখন পঢ়ুৱৈ সমাজে আদৰি লব বুলি আশা ৰাখিলো।

জানুৱাৰী, ২০০১ — প্ৰকাশক গোষ্ঠী

সূচী

প্ৰবন্ধ	লিখক	পৃষ্ঠা
মাধৱচন্দ্ৰ বেজবৰুৱা ঃ মানুহজন	এম্. ইব্ৰাহীম আলি	২১
কৰ্মকুশলী মাধৱ বেজবৰুৱা	ঐ	৩৯
পূৰ্বপুৰুষ পৰিচিতি ঃ		
জন্ম আৰু বাল্যকাল ঃ		
স্মৃতি তৰ্পণ ঃ		৪৯
অসমৰ ডেকাবেজ	অধ্যক্ষ ভুবনচন্দ্ৰ সন্দিকৈ	৫৫
মাধৱ বেজবৰুৱা	ঐ	৬১
মাধৱ বেজবৰুৱা (ছাত্ৰ-জীৱনৰ আন এটা দিশ)	...	৬৭
বন্তি নুমুৱাৰ আগতে	ঊষা বেজবৰুৱা	৭১
মাধৱচন্দ্ৰ বেজবৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়	হৰেন্দ্ৰনাথ কলিতা	৭৯
মাধৱ বেজবৰুৱাৰ স্মৃতি	নিৰ্মলেশ্বৰ শৰ্মা	৯৩
মাধৱ বেজবৰুৱা	বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য	১০০
ডেকা বেজবৰুৱা মাধৱচন্দ্ৰৰ লগত	পদ্মধৰ বৰা	১০৪
মাধৱ বেজবৰুৱাৰ সান্নিধ্য	অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী	১১৩
অতীতৰ জিলিঙণি	অধ্যাপক নৰেন্দ্ৰনাথ কেওট	১১৭
দাদা মাধৱ বেজবৰুৱাৰ সৈতে আমাৰ পৰিচয়	হৰিপ্ৰসাদ গোৰ্খাৰায়	১২৫

প্ৰবন্ধ	লিখক	পৃষ্ঠা
মাধৱ বেজবৰুৱাক লগ পাইছিলোঁ	নীলৰঞ্জন বৰঠাকুৰ	১২৯
শ্ৰদ্ধেয় মাধৱ বেজবৰুৱা	মদনচন্দ্ৰ বৰুৱা	১৩৪
মাধৱ বেজবৰুৱাৰ সোঁৱৰণী	গুণীন্দ্ৰ চন্দ্ৰ হাজৰিকা	১৩৮
মাধৱচন্দ্ৰ বেজবৰুৱা	হৰিবিলাস হাজৰিকা	১৪৩
মাধৱ তৰ্পণ	ডেকাফুকন	১৪৬
'মাধৱ'	,,	১৪৭
'মাধৱ বেজবৰুৱা	সম্পাদকীয় (অসমীয়া)	১৫২
,,	,, (পয়গাম)	১৫৩
মাধৱ বেজবৰুৱালৈ মনত পৰি	অধ্যক্ষ আব্দুছ্ চাত্তাৰ	১৫৫
গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মকথা আৰু মাধৱচন্দ্ৰ বেজবৰুৱা	প্ৰীতি বৰুৱা	১৫৭
বাঁহীযুগৰ কৰ্মবীৰ মাধৱচন্দ্ৰ বেজবৰুৱা	অৱনীন্দ্ৰ বৰা	১৬৭
মাধৱচন্দ্ৰ বেজবৰুৱা	আনন্দচন্দ্ৰ বেজবৰুৱা	১৭৩
পৰিশিষ্ট		১৮১



ডেকাবেজৰ পিতৃ
বিনন্দচন্দ্ৰ বেজবৰুৱা

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা

ডেকাবেজৰ দদাইদেৱেক

"অসময়ে কথা লৈ অসময়ে কথা কৈ
আলিয়া বলিয়া হৈ দিহিং দিপাং।
যুঁজিলে বীৰৰ দৰে সুখ-দুখ অকাতৰে
নিজৰ কাৰণে যেন নাই চকুকাণ।।"

এম ইব্ৰাহীম আলি

(বছেৰেকীয়া বৰদৈচিলাৰ সৌজন্যত)

শুভেচ্ছা– আশীৰ্ব্বাদ (১)

মৰমৰ ইব্ৰাহীম,

মাধৱ বেজবৰুৱা ছাত্ৰ জীৱনতে মোৰ সংশ্ৰৱত অহা। ডেকাফুকন আৰু মাধৱ বেজবৰুৱা সংৰক্ষিণী নীতিৰ প্ৰধান চাৰণ আছিল। অসম কেশৰী অম্বিকাগিৰি, লগতে আমি নিজেও সেই নীতিত অনুপ্ৰাণিত হওঁ। অসম বিশ্ববিদ্যালয় স্থাপন কাৰ্য্যত মাধৱ বেজবৰুৱাই কঠোৰ পৰিশ্ৰম কৰি অকালত ইহধাম পৰিত্যাগ কৰে। আজি জয়সাগৰৰ পাৰত (জয়সাগৰত) তৰুণ শক্তিৰ চেষ্টাত মাধৱ বেজবৰুৱা হল, আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত ছাত্ৰাবাস এটি স্থাপন কৰি তেওঁৰ স্মৃতি-সৌধ তোলাত দেশে, বিশেষকৈ তৰুণ শক্তিয়ে আদৰ্শমুখী হোৱাত সন্তোষ পাইছো। চিৰজীৱি মাধৱ। তুমি অমৰলোকপৰা তৰুণ অসমক প্ৰেৰণা দি আছা বুলি অনুভৱ কৰিছোঁ।

যোৰহাট   ককা
৪। ৩।৭৩   **শ্ৰীনীলমণি ফুকন**

শুভেচ্ছা - আশীৰ্ব্বাদ (২)

স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাৰ জীৱনীখনি প্ৰকাশিত হৈছে বুলি জানি আমি আনন্দ লাভ কৰিছো। আশা কৰো এই প্ৰচেষ্টাত কৃতিত্ব লাভ কৰাৰ বাবে স্নেহভাজন ছাত্ৰ শ্ৰীমান এম্ ইব্ৰাহীম আলি বাপাৰ এই উদ্যম আমাৰ চিৰ প্ৰশংসাৰ বিষয় হৈ থাকিব।

যোৰহাট   **শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, অধিকাৰ**
৪। ৩।৭৩

শুভেচ্ছা - আশীৰ্ব্বাদ (৩)

স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাৰ দেহাটোহে নাইকিয়া হ'ল কিন্তু তেওঁৰ প্ৰাণটো যেন এতিয়াও আমাৰ আকাশে-বতাহে বনাই ফুৰিছে— এনেহে মনত ধাৰণা হয়। সাহিত্যৰথী বেজবৰুৱাৰ ভতিজাক মাধৱ আছিল লাচিতৰ দৰে এজন বীৰ। অসমীয়া সমাজৰ হ্‌ক ৰক্ষা কৰিবলৈ মাধৱ নিজৰ বুকুখন ফিন্দাই সকলো কামতে অসীম সাহসেৰে আগবাঢ়ি যাবলৈ এটা অদম্য প্ৰেৰণা লাভ কৰিছিল। কলেজত পঢ়ি থকা দিনৰেপৰা তেওঁ অসমীয়া কবি সাহিত্যিকসকলক পৰম শ্ৰদ্ধা কৰিছিল। মোৰ প্ৰতি ব্যক্তিগতভাৱে মাধৱৰ অসীম শ্ৰদ্ধা আছিল। মনত আছে, ১৯৩৪-৩৫ চনত এদিন সন্ধ্যা সময়ত তেওঁ মটৰ এখনেৰে গৈ মোৰ গাঁৱৰ ঘৰত – 'বুকলবন'ত উপস্থিত হৈছিল গৈ। লগত আছিল বাগ্মীবৰ নীলমণি ফুকন, ডেকাফুকন মহেন্দ্ৰনাথ, যোৰহাটৰ কৰ্মাচিয়েল ট্ৰেইনিং স্কুলৰ প্ৰতিষ্ঠাতা শ্ৰী দেৱানন্দ ভঁড়ালী (শ্ৰীদেউৰাম ভঁড়ালী) মাঘ বিহুৰ ২/৩ দিনৰ পিছত। মোক কলেগৈ, — আপুনি নতুন কি লেখিছে তাকে জানিবলৈ আহিলো।"

তেতিয়া তেওঁ 'বাঁহী' কাকতখন চলাই আছিল। মোৰ চোতালৰ আগত থকা বেলগছজোপাৰ তলখন পকা মাটিৰ বৰ পৰিষ্কাৰ ঠাই। জোনাক পৰি আছে। তাঁতে এখন সভা পাতি সকলোকে বহুৱালোঁ। 'তেজীমলা'ৰ সাধুটো গ্ৰেমোফোন ৰেকৰ্ড কৰিবলৈ নাটক আকাৰে লিখি থৈছিলো। তাকো পঢ়ি শুনোলো। শুনাৰ শেহত মাধৱে ক'লে-- এখন বৰ সুন্দৰ কথাছবি হ'ব। দিয়ক, মই 'বাহী'ত প্ৰকাশ কৰিম'।............

সভাস্থলতে বিহু জলপান আদি খোৱা হ'ল। ডেকাফুকনে কবিতা গালে, ফুকন ডাঙৰীয়াই কথা প্ৰসঙ্গ আগবঢ়ালে। নিজান গাঁৱৰ সেই সন্ধ্যাটো আৰু মাধৱ বেজবৰুৱাৰ স্মৃতি মোৰ মানসপটত এতিয়াও ফটফটীয়া হৈ আছে। মাধৱ বেজবৰুৱা অসমৰ এটা অমূল্য ৰত্ন আছিল।

যোৰহাট, ৫।৩।৭৩ **শ্ৰীআনন্দচন্দ্ৰ বৰুৱা**

শুভেচ্ছা - আশীৰ্ব্বাদ (৪)

কলেজীয়া সহপাঠী স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱা অকালতে অস্ত পৰা বৈচিত্ৰ্য পূৰ্ণ কৰ্ম্ম বহুল জীৱন চিৰস্মৰণীয় কৰাত সাহিত্যিক এম্ ইব্ৰাহীম আলি চাহাবে যি অৱদান দিলে তাৰ কাৰণে তেখেত ধন্যবাদৰ পাত্ৰ।

স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাৰ কৰ্ম্ম-প্ৰেৰণাৰে অসমৰ বিশ্ববিদ্যালয় গঢ়ি উঠিল। তেখেতৰ বিয়োগ অসমৰ কাৰণে অপূৰণীয় ক্ষতি ।

আশা কৰো বিশেষকৈ আমাৰ অসমৰ ডেকাচামে তেখেতৰ আদৰ্শত অনুপ্ৰাণিত হ'ব।

বাংলা পুখুৰী, যোৰহাট-২ **কামালউদ্দীন আহমেদ্**

৩। ৩।৭৩

শুভেচ্ছা - আশীৰ্ব্বাদ (৫)

মোৰ সোদৰোপম বন্ধু স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাৰ জীৱন বৃত্তান্ত এটিৰ অভাৱ পূৰণ কৰিবৰ নিমিত্তে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ বাতৰি পাই পৰম সন্তোষ পাইছোঁ। তেওঁৰ কৰ্ম্মকুশল জীৱন অকালতে অস্ত পৰাৰ লগে লগে তেওঁৰ স্মৃতি জাগ্ৰত কৰি ৰাখিবৰ অৰ্থে তেওঁৰ জীৱনী এখনিৰ অভাৱ অনুভৱ কৰি অহা হৈছিল। এতিয়া এম্ ইব্ৰাহীম আলি চাহাবে সেই অভাৱ পূৰণ কৰি এটি ডাঙৰ কাম কৰিলে।

যোৰহাট **শ্ৰীমোহনচন্দ্ৰ মহন্ত**

৪। ৩।৭৩ অধিবক্তা

চিৰং জীৱতু ডেকাবেজ মাধৱচন্দ্ৰ

পূৰ্বতে অগ্নিঋষি কমলাকান্তক আৰু পিছত ৰায়চৌধুৰী অম্বিকাগিৰি, ডেকাফুকন মহেন্দ্ৰনাথ আৰু ডেকাবেজ মাধৱচন্দ্ৰ এই তিনিজনক বিধাতা পুৰুষে নিশ্চয় একে ধাতুৰেই গঢ়িছিল বুলি কব পৰা যায়। এই আটাই কেউজনৰে জীৱনৰ মূলনীতি আছিল তীব্ৰ জাতীয় প্ৰেম তথা অসম প্ৰেম। দুৰ্ভাগ্যৰ বিষয় কৰ্ম্মপ্ৰাণ চন্দ্ৰনাথ শৰ্মা আৰু দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ দৰে ডেকাবেজ মাধৱ বেজবৰুৱাৰ জীৱনেও পৰিপূৰ্ণ লাভ কৰিব নোৱাৰিলে। ঢোপাকলি কলিতে মৰহি গ'ল। তথাপি বয়সৰ লেখেৰে মানুহ জীৱনৰ জোখ মাখ কৰা নেযায়। মাধৱ বেজবৰুৱাই ভৰ ডেকা বয়সতে সংসাৰ ত্যাগ কৰিলে যদিও এই কম সময় ছোৱাতে তেওঁ অসমীয়া ভাষা আৰু শিক্ষা সংস্কৃতিৰ কাৰণে যিখিনি কাম কৰি গ'ল তাৰ তুলনা নাই। মাধৱচন্দ্ৰ বিশেষকৈ অসমৰ জ্ঞানপীঠ গুৱাহাটী বিশ্ববিদ্যালয়ৰ মূল ভেঁটিটোতে নিজৰ বুকুৰ তেজৰ আহুতি দি গৈছে। এই বিষয়ে মই নকলেও হব, জানোতাই যথাস্থানত বিবৰি কৈছে নিশ্চয়। ইয়াৰ উপৰিও ডেকাবেজৰ জীৱনত আৰু কেবাটাও উজ্বল দিশ আছে। আজি ডেকাসকলক সেইবোৰে আকৃষ্ট কৰা উচিত ।

বৰেণ্য সকল ক্ৰমাৎ বিস্মৃতিৰ অন্তৰালত বিলীন হৈ যোৱাটো আমাৰ দেশৰ এটা বেয়া পৰম্পৰা হৈ পৰিছে। মহৎ লোকক আমি স্মৰণ কৰিব নেজানোঁ। তেওঁলোকে যিবোৰ ভাল কাম কৰি গ'ল, বহু ক্ষেত্ৰত সেইবোৰৰ সম্পৰ্কে আমাৰ স্পষ্ট ধাৰণা একো নাই । চৰকাৰী তালিকা ভুক্ত মুক্তি যুজাৰু কেইজন আৰু সাহিত্যিক পেঞ্চনাৰ কেইজনাৰ বাহিৰেও যে আন কোনো দেশ সেৱক নাছিল বা নাই এনে নহয়। আছে, বহুত আছে; কিন্তু ভিন্ন ক্ষেত্ৰত।

সেইসকলৰ ভিতৰত ডেকাবেজ মাধৱচন্দ্ৰও অন্যতম। এই সলক স্মৃতিপটত জল জল পট্ পট্কৈ বৰ্ণাবলৈ ডঃ স্বৰ্গীয় সূৰ্য্যকুমাৰ ভূঞাৰ আদিয়ে সফলতাৰে প্ৰচেষ্টা চলাইছিল। কিন্তু সেই সকলৰ উজ্বল আহিঁ আমি কেইজনে গ্ৰহণ কৰিছোঁ।

নিৰাশাৰ মাজতে একণি আশাৰ ৰেঙণি যে মঙ্গলদৈৰ মোৰ প্ৰিয় ছাত্ৰ এম্ ইব্ৰাহীম আলিয়ে একেৰাহে কেবাবছৰো কঠোৰ পৰিশ্ৰম কৰি ডেকাবেজ মাধৱচন্দ্ৰ বেজবৰুৱাৰ এই জীৱন আলেখ্যখনি যুগুত কৰি উলিয়াইছে। কালে মচি পেলাব খোজা এখনি উজ্জ্বল মুখ, এযুৰি তেজোদীপ্ত চকু শ্ৰীমান, আলিয়ে লোক চক্ষুৰ আগলৈ আলফুলকৈ উলিয়াই আনিছে— নিষ্ঠাৰে, শ্ৰদ্ধাৰে। শ্ৰীমানৰ এই সজ প্ৰচেষ্টা দেখি গুৱাহটী বিশ্ববিদ্যালয়ৰ অন্যতম নিৰ্ম্মাতা মাধৱ বেজবৰুৱাৰ আত্মাই নিশ্চয় তৃপ্তি পাইছে— আমিও আনন্দ পাইছোঁ।

এই সজ প্ৰচেষ্টাৰ বাবে শ্ৰীমান ইব্ৰাহীম আলিলৈ আশীৰ্বাদেৰে—

তপোবন
গুৱাহাটী-৭৮১ ০০১
১৫। ৮।৭৪

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
প্ৰাক্তন সভাপতি
অসম সাহিত্য সভা।

Bezbarua, Madhab Chandra:

I Knew Madhab very intimately when he was a student of the Cotton College and a boarder of the Old Block Hostel of which I was the superintendent at the time . He was a spirited young man, he distinguished himself by his zeal for public service, specially when it was a matter relating to the advancement of his Assamese countrymen. His intimate colleagues were Mahendranath Deka phukan, Devendranath Bezbarua and Narayan Bezbarua, Madhab published sevreal bulletins pleading for the early establishment of a University in Assam, and worked hard for the cause: He edited for some years the Assamese magazine Banhi, founded by his uncle Lakshminath Bezbarua. He possessed Great organizing capacity which he brought to bear upon his numerous activities. He died on October,19, 1946, and his premature death was universally mourned in Assam. The example of his selfless patriotism is still cherished by his countrymen.

Dr, S.K. Bhuyan,
from "MEN I HAVE MET"

উছৰ্গা

অসমৰ নতুন পুৰুষৰ

ডেকা-গাভৰুসকলৰ হাতত

এম্ ইব্ৰাহীম আলি

সম্পাদকৰ শৰাই (১)

কৰ্মকুশলী সাহিত্যসেৱী ডেকা বেজবৰুৱা ডাঙৰীয়া হেৰাই যোৱা জীৱনটিৰ বুটলি সামৰি অনা এই প্ৰবন্ধ কেইটিৰ সম্পাদনাৰ ভাৰ যে এই অভাজনৰ হাততে পৰিব বা তেখেতৰ অকাল বিয়োগৰ বজ্ৰাহত হৈ হতাশ হ'ব লাগিব তাক সপোনৰ আগোচৰ বুলিয়েই ভাবিছিলো। বিধিৰ বিপাক, ভগৱানৰ ইচ্ছাৰ বাটত আমি বাধা দিবলৈ কোন? আমি যি কথা ভাবিছিলো, যি ছবি আঁকিছিলো আৰু যি সপোন দেখি হাঁহিছিলো, সেই সকলোবোৰ কালৰ নেদেখা হাতে নিৰ্ম্মমভাৱে মোহাৰি পেলালে।

তেখেতৰ প্ৰিয়তমা পত্নী, প্ৰাণাধিক পুত্ৰ আৰু আত্মীয়-স্বজনক দিবলৈ আমাৰ সান্ত্বনাৰ ভাষা নাই। আমাৰ নিজৰেই সান্ত্বনা নাহে; কিন্তু আজি তেখেতৰ আত্মীয় স্বজনক এষাৰি মাথোঁ কথা কৈ আমিও সান্ত্বনা পাওঁ এই বুলিয়ে যে মাধৱচন্দ্ৰ বেজবৰুৱাৰ বিয়োগত তেখেতসকলৰ যি ক্ষতি আৰু শোক সি সদৌ অসমীয়া ৰাইজৰ। পৰিয়ালৰ অপূৰণীয় ক্ষতিৰ লগে লগে দেশৰো এটা অভাৱনীয় ক্ষতি হৈ গ'ল মাধৱ বেজবৰুৱাৰ অকাল বিয়োগত।

পুথিখনিত শ্ৰীযুতা ঊষা বেজবৰুৱা ডাঙৰীয়ানীয়ে স্বৰ্গীয় ডেকা বেজবৰুৱাৰ 'বস্তি নুমুবাৰ আগতে' জ্বলি উঠা পোহৰখিনিৰ এটি ৰেখা আঁকি দিছে। অধ্যক্ষ ভুবনচন্দ্ৰ সন্দিকৈদেৱে এই সংগ্ৰহত আগভাগ লৈ সহায় কৰাৰ উপৰিও কলেজীয়া জীৱনৰ এটি সুন্দৰ পৰিচয় লিখি দিছে। পূব প্ৰান্তৰ পৰ্বতৰ মনিপুৰ স্বৰ্গীয় ডঃ লইৰেন সিংহ ডাঙৰীয়াই মণিপুৰ ৰাজ্যত বেজবৰুৱাদেৱৰ কাৰ্য্যাৱলীৰ এটি টোকা (*) দি সহায় কৰিছিল। তাৰ উপৰিও সাময়িক বাতৰি আৰু আলোচনীসমূহত ওলোৱা স্বৰ্গীয় বেজবৰুৱা সম্পৰ্কীয় আলোচনাখিনি

* এই টোকাটো হেৰাই গ'ল। তাৰ কাৰণে সঁচাকৈয়ে সম্পাদকে নিজকে জগৰীয়া বুলি ভাবিছে। ডঃ সিং আৰু আজি ইহ-সংসাৰত নাই।

যিহকে য'তে পালো ইয়াতে অন্তৰ্ভূক্ত কৰি ৰাইজৰ সন্মুখলৈ আগবঢ়ালো। ইয়াতে যি ভুল ভ্ৰান্তি বা ত্ৰুটি ৰৈ গ'ল সকলো দোষ সম্পাদকে শিৰ পাতি লৈ ৰাইজৰ ওচৰত ক্ষমা মাগিছে। কোনো সদাশয়ে অনুগ্ৰহকৈ যদি উপদেশ আৰু বেজবৰুৱা ডাঙৰীয়াৰ বিষয়ে জানিবলগীয়া কোনো তথ্য পাতিৰ যোগান দি বাধিত কৰে, তেনেহলে তাকো আগলৈ অতি আগ্ৰহেৰে গ্ৰহণ কৰা হ'ব। ইতি

শিৱসাগৰ
১।১২।৪৬

বিনীত
এম্ ইব্ৰাহীম আলি
সম্পাদক

সম্পাদকৰ শৰাই (২)

আজি প্ৰায় দুটাকৈ অধিক ব্যৱধানত স্বৰ্গীয় ডেকা বেজৰ জীৱনীখনি পুনৰ সম্পাদনাৰ আয়োজন কৰা হ'ল। ১৯৪৬ চনত সম্পাদনাৰ আৰম্ভণি আৰু '৪৭ চনত সামৰণি মাৰি দুই এটি অধ্যায়ৰ কাৰণে ইটো-সিটো বহুতো কিবা-কিবিৰ সন্ধানত বৈ থাকোতেই কিছুদিন পাৰ হৈ যায়। জীৱনী এখন সম্পাদনাৰ কাম পোনতে আমাৰ হাতলৈ তুলি লোৱা হৈছিল মোৰ ব্যক্তিগত ইচ্ছা আৰু তেওঁৰ পৰিয়ালৰ অনুৰোধৰ দুতৰপীয়া দায়িত্বত। কিন্তু তাকে কৰিবলৈ স্বাভাৱিক নানা আলৈ আহুকালৰ উপৰিও দেশখনৰ ওপৰেদি বহু পৰিবৰ্তনৰ বামাৰলি বৈ গৈছে। নানাপ্ৰকাৰ ৰাজনৈতিক সালসলনি ঘটিল। দেশখন স্বাধীন হ'ল। এখন ভাৰতবৰ্ষ ভাঙি দুখন হ'ল। এখন ভাঙিল; কিন্তু তাৰ পিছত আনখনো ভাগিল। মুঠতে আমাৰ জীৱনটোৰ এই চমু সময়ছোৱাত অসম আৰু ভাৰতবৰ্ষ উভয়ৰ ওপৰতে অনেক ৰাজনৈতিক পৰিবৰ্তন আৰু প্ৰাকৃতিক সাল-সলনি ঘটিছে। এখন বৃহৎ অসম ৰাজ্য ভাগিছিগি কেবাখনো ৰাজ্য বা অঞ্চল হ'ল। নতুন ৰাজ্য, নতুন জিলা আৰু নতুন বিশ্ববিদ্যালয় গঢ়ি উঠিছে। এখন বিশ্ববিদ্যালয়ৰ ঠাইত এতিয়া কেবাখনো হৈছে; হয়তো আৰু দুই এখন গঢ়ি উঠাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। কিন্তু আমাৰ ডেকাবেজৰ জীৱনী সম্পাদনাৰ কাম নিখুতকৈ কৰি তোলাৰ স্বপ্নটি এদিন আমাৰ হঠাতে ভগ্ন হৈ গ'ল।

কাৰণ— অৰ্দ্ধসমাপ্ত প্ৰায় সম্পাদনাৰ দায়িত্ব-পূৰ্ণ সমাপ্তিৰ পৰ্যায়ত উপনীত হোৱাৰ আগ মুহূৰ্ত্তত আন এগৰাকী প্ৰবীন সাহিত্যিকে স্বৰ্গীয় মাধৱ বেজবৰুৱাৰ জীৱনী এখনি লিখি উলিয়াই প্ৰেছত দিয়াৰ বাতৰি আৰু তাৰ কিছুদিনৰ আগতে শ্ৰীযুতা বেজবৰুৱা ডাঙৰীয়ানীৰ চিঠি পাই আমি স্বস্তিৰ নিশ্বাস সলালোঁ। কাৰণ কামটো আমাৰ কাৰণে যিমান সহজ হব বুলি আমি পোনতে ভাবিছিলো আচলতে ই তিমান সহজ নাছিল বুলি ইতিমধ্যে মনে প্ৰত্যয় মানিছিল। গতিকে জীৱনী ৰচনাৰ কাম এগৰাকী যোগ্য ব্যক্তিয়ে সমাপ্ত

কৰা বুলি জানি যোগ্যজনৰ হাতত‌ে বিষয়টি অৰ্পিত হোৱাত অন্তৰত বৰ শান্তি লভিলো। আমাৰো যি য'ত সমল আছিল সোপাকে সামৰি থলো।

কিন্তু 'আলচা কৰ্ম নহয় সিদ্ধি, বাটতে আছে কণা বিধি। ইতিমধ্যে শুনিবলৈ পালো যে স্বৰ্গীয় মাধৱ বেজবৰুৱাৰ জীৱনীৰ উক্ত 'প্ৰেছ্ কপিটো কেনেবাকৈ হেৰাইছে। দুই এবছৰ বাট চাই আমি শ্ৰীযুতা বেজবৰুৱানীৰ ইচ্ছা আৰু নিৰ্দেশ ক্ৰমে পুৰণি কাকতৰ টোপোলা মেলি চাওঁ যে আমাৰ পৰিশ্ৰমৰ ভালেখিনি অথলে গৈছে। বহুকিটা প্ৰৱন্ধ পোকে খাইছে আৰু বিশেষকৈ কেইখনমান চিঠি একেবাৰে নষ্ট হৈ গৈছে। মণিপুৰৰ ডঃস্বৰ্গীয় লইৰেন সিংদেৱৰ সুন্দৰ চিঁঠিখনি বহু কষ্টকৈ সংগ্ৰহ কৰিছিলোঁ। কিন্তু চিঠিখন টোপোলাতে জাহ গ'ল। তাক আৰু উদ্ধাৰ কৰাৰ সম্ভাৱনা একেবাৰে নাথাকিল। কিছুদিনৰ আগতে ডঃ সিঙৰো পৰলোক প্ৰাপ্তি ঘটাত এই অধ্যায়টো, তথা মণিপুৰ ৰাজ্যত স্বৰ্গীয় মাধৱ বেজবৰুৱাৰ কাৰ্যকলাপ আৰু সংগঠন আদিৰ কথা অসমাপ্ত হৈ ৰ'ল। অৱশ্যে ইয়াৰ দুই এক প্ৰৱন্ধত এই কথা যৎসামান্য আলোচিত নোহোৱাকৈ থকা নাই।

শেষত বন্ধুমহলৰ যত্ন আৰু সহৃদয়তাৰ গুণত কিছু সমল পুনৰ আমাৰ হাতলৈ অহাত এই বেলি সম্পাদনাৰ কাম টৌতে খৰ মাৰি সমাপ্ত কৰিবলৈ লোৱা হ'ল। এই কামৰ কাৰণে কেবাবাৰো গুৱাহাটীৰপৰা ডিবৰু আৰু এবাৰ ধুবুৰীৰ পৰা উত্তৰ লক্ষীমপুৰ আদি ঠাইলৈ ভ্ৰমণ কৰাৰ উপৰিও ধিং, মৰিগাঁও, বৰদোৱা আদি ঠাইৰপৰা ভালেখিনি সমল ব্যক্তিগতভাৱে সংগ্ৰহ কৰা হ'ল। আমাৰ এই প্ৰচেষ্টাত যিসকলে সহায় কৰিলে তেখেতসকললৈ অন্তৰভৰা কৃতজ্ঞতা প্ৰকাশৰ বাহিৰে আৰু দিবলৈ আন একোৱেই নাই। সম্ভৱস্থলত অন্যত্ৰ তেখেতসকলৰ বিষয়ে উল্লেখ কৰা হৈছে।

যিখনি বিশ্ববিদ্যালয়ৰ পাতনি তৰিবলৈ স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাই আপ্ৰাণ যত্ন কৰিছিল, শক্তিয়ে আটেমানে বৰঙণি, কায়িক আৰু মানসিক দান কৰিছিল; আৰু যিখন বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠিত ৰূপটো দেখাৰ আগতে সুদূৰ দক্ষিণাত্যৰ চিকিৎসালয়ত হাঁড় পেলাইছিল, সেইখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হৈ

আজি পঁচিশ বছৰ সমাপ্ত হ'ল, ৰজত জয়ন্তী উৎসৱ আদিৰো সমাপ্তি হৈ গ'ল। বিশ্ববিদ্যালয়ৰ হাউলিৰ চাৰি বেৰৰ অন্তৰ্গত গুণীসকলে স্বৰ্গীয় বেজবৰুৱাৰ নামত ছাত্ৰাবাসৰ ভৱন নিৰ্মাণ কৰিছে আৰু নামাকৰণো কৰিছে। অসমৰ ৰাইজে মাধৱক পাহৰা নাই। অসমৰ ডেকা-গাভৰুৱেও মাধৱক নেপাহৰে, পাহৰিব নোৱাৰেও। এয়া তাৰে নীৰৱ স্বাক্ষৰ। বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ তোৰণ-দ্বাৰত স্বৰ্গীয় বেজবৰুৱাৰ তৈলচিত্ৰ চাবলৈ গৈ ক্ষন্তেক থমকি ৰৈ সেয়া সমীপৰ অতীতক এবাৰ সুঁৱৰিছো। সাধ্যমতে দায়িত্বৰভাৰ বহন কৰিবলৈ চেষ্টা কৰিছো। দোষ-ত্ৰুটিৰ কাৰণে নতশিৰে অসম আৰু অসমীয়া ৰাইজৰ ওচৰত ক্ষমা ভিক্ষাৰ আঁজলি পাতিলো। আমাৰ অনিচ্ছাকৃত শতদোষ মৰিষণ কৰে যেন। কৰবাত যদি কোনোবাখিনিত কিবা অপ্ৰিয় নাইবা অনাৱশ্যকীয় বিষয় কিম্বা কথাই কাৰোবাক আমনি দিয়ে সেই দোষ অভাজন সম্পাদকৰ কেঁচা হাতৰ পৰশত হে ঘটিছে বুলি সুধীজনে ধৰি লয় যেন।

সামৰণি আমাৰ অপ্ৰকাশ কৃতজ্ঞতা সিসকল গুণগ্ৰাহী ব্যক্তিলৈ — যিসকলে আমাক সৰ্বতোভাৱে সহায়, সহানুভূতি আৰু দিহা-পৰামৰ্শ উদাৰ ভাৱে দান কৰি আজীৱন ঋণীকৈ ৰাখিলে— আৰু সিসবলৈও— যিসকলে নীৰৱ অৱদানৰ কথাও প্ৰকাশ নকৰিবলৈকে অনুৰোধ জনাই সৰৱ সঁহাৰিৰে অৰিহণা যোগালে। সঁচাকৈয়ে আজি আকৌ এবেলি তেখেতসকল সবাকে শ্ৰদ্ধাৰে স্মৰণ কৰিছো আৰু সুঁৱৰিছো—'ডেকা বেজৰ' পৰিয়ালৰ পৰা পোৱা সহায়, সমল আৰু অত্যাৱশ্যকীয় দিহা-পৰামৰ্শ আদিৰ কথা।

সম্পাদনাৰ কামৰ সফলতাৰ কথা সেয়া সহৃদয় ৰাইজৰ বিচাৰ্য্য বিষয়। আমি সফলতাৰ গৌৰৱ কিম্বা বিফলতাৰ গ্লানি সমভাৱে বৰণ কৰি ললো। সফলতাই দিয়া গৌৰৱ বা বিফলতাৰ গ্লানি এটাকো সৰহ দিন বহন কৰিবলৈ যোগ্যতা , বয়স নাইবা সময় আমাৰ আৰু নহ্বগৈও। কেৱল এইকণ দায়িত্বৰ বোজা আমাৰ মূৰত পৰিছিল, তাকে পালন কৰিবলৈ এয়া এক নিঃকিন প্ৰচেষ্টা মাথোন। ঋণমুক্ত হবলৈ নহয়, কৰ্তব্য পালন কৰিবলৈও নহয়— এয়া একুৰা স্মৃতিৰ অন্তৰভৰা জুই জ্বলাবলৈ হে.......।

স্বৰ্গীয় মাধৱ বেজবৰুৱাৰ জীৱনীৰ ই এটি অসমাপ্ত প্ৰচেষ্টা মাথো আমাৰ

কেঁচা হাতৰ পৰশত সিওঁ হয়তো চেঁচা পৰি গৈছে। বঢ়া-টুটা দোষ যেন সুধীজনে নিজগুণে মৰিষণ কৰে।

বৰ ল'ৰা বোপা ইদ্রিছ আলীৰ তত্ত্বাৱধানত নগাওঁ মহিলা মহাবিদ্যালয়ৰ কেবাগৰাকীও ছাত্রীয়ে প্রেছ কপি দুটাকৈ লিখি-মেলি সাজুকৈ দিছে। তেওঁলোককলৈ শলাগ জনালোঁ। লয়ার্ছ বুক ষ্টলৰ ডেকা স্বত্বাধিকাৰ শ্ৰীমান খগেন্দ্রনাৰায়ণ দত্তবৰুৱাই পুথি বিতৰণৰ দায়িত্ব লোৱা হেতুকে আৰু নৱজীৱন প্রেছৰ গৰাকী শ্ৰীকালীচৰণ পালদেৱে ছপা-কার্যৰ বাবে লোৱা বিশেষ তৎপৰতাৰ কাৰণেও আমি কৃতজ্ঞ থাকিলোঁ।

সদৌ শেষত — আমাৰ ল'ৰা ছোৱালীহঁতে যিকণ সহায় কৰিলে তাক নকলেও হৱ। আনহাতে শ্ৰীমান (অধ্যাপক) তফজ্জুল আলি আৰু শ্ৰীমতী (অধ্যাপিকা) নাহাৰুননেছাৰ দিহা-পৰামর্শৰ কথাও নকৈ নোৱাৰিলো। পুথিৰ পাণ্ডুলিপিৰ প্রতিখিলা পাততে এওঁলোকৰ শ্রদ্ধাৰ পৰশ লাগি থাকিল।

নিকুঞ্জ বন
চিলং -১
১৫ আগষ্ট '৭২

ইতি
এম্ ইব্রাহীম আলি

সম্পাদনা শৰাই (৩)

পাণ্ডুলিপিৰ ব্যৱস্থাপনাত কিছু পলম হোৱাত আমি কিছুমান বিশেষ অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰিলো ছপা কাকতৰ মূল্য অতিপাত বাঢ়ি গ'ল ইয়াৰ ভিতৰতে। ফলত ভালেখিনি সমল (পৰিশিষ্টত) বাদ পৰিল, আনহাতে পুথিৰ মূল্যও কিছু বাঢ়ি গ'ল, তাৰ বাবে আমি দুঃখিত।

গুৱাহাটী ১
১৫ আগষ্ট ৭৪

সম্পাদক

এম. ইব্রাহীম আলি

ডেকাবেক্ত আৰু পত্নী উষা বেজবৰুৱা

মাধৱচন্দ্ৰ বেজবৰুৱা ঃ মানুহজন

এম্ ইব্ৰাহীম আলি

১৯৩৬ চনৰ কোনোবা এদিন দেড়কুৰি বছৰৰো ওপৰৰ কথা। যোৰহাটৰ এখন ছাত্ৰ সভাত বক্তৃতা দিয়াৰ পিছত স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাক আমি কেজনমান ছাত্ৰই লগ ধৰি সুধিলোঁ, "আপুনি যে পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ কথা ক'লে আৰু পৰ্বতীয়া ভাইসকলৰ মাজত অসমীয়া ভাষা প্ৰচাৰৰ কাৰণে উঠি-পৰি লাগিছে এই বিষয়ে কিবা আঁচনি আপোনাৰ হাতত আছে নেকি?"

"আঁচনি নাই তেনে; কিন্তু আঁচনি কৰি লব লাগিব। আৰু আঁচনি নো কেলেই? অসমৰ পৰ্বত-ভৈয়াম সদায় মিলাপ্ৰীতিৰেই আছিল— আৰু আজিও আছে। কিন্তু এটা প্ৰতিক্ৰিয়াশীল শক্তিয়ে অসমৰ এই ঐক্যত কেৰোণ লগাবলৈ চেষ্টা কৰি আহিছে। তাৰ কাৰণে প্ৰতিকাৰৰ চেষ্টা কৰিব লাগিব। মই আশা কৰো,— প্ৰতিজন ডেকা অসমীয়া এই বিষয়ে সজাগ থাকিলে আৰু এই বিষয়ে সংগঠিত হলে সেয়ে আঁচনি আৰু সেয়ে পন্থা।"

এইখিনি আছিল তেখেতৰ কথাৰ সাৰ । তাৰ পিছত — ' আমি সদায় সাজু আছো আপোনালোকৰ লগতে। যেতিয়াই দৰ্কাৰ হয় আৱশ্যক বুজি পৰ্বত-পাহাৰলৈ যাবলৈকে আমি সাজু থাকিলো।" এই বুলি কৈ আমি তেখেতৰপৰা সেইদিনালৈ বিদায় ললো। তেখেতে আমাৰ নাম-ঠিকনা লিখি লৈ আমাক বিদায় জনালে। এয়া প্ৰথম আমাৰ ডেকা বেজৰ লগত সাক্ষাৎ। নাম মাত্ৰ পৰিচয় হ'ল....................

আজি তাকেই সুঁৱৰিছোঁ। তাকেই সুঁৱৰি মনৰ মাজত আনুষঙ্গিক অনেক স্মৃতিয়ে উক দিছেহি।..................

১৯৪৬ ইংৰাজী চনৰ অক্টোবৰ মাহৰ ১৯ তাৰিখ। সেইদিনা লক্ষ্মী পূৰ্ণিমা, শুক্ৰবাৰ। আবেলি ৪ বজাত সুদূৰ দাক্ষিণাত্যৰ আৰোগ্যবৰম্ স্বাস্থ্যনিবাসত

মাথোন ৩৪ বছৰ বয়সত ভৰি দিওঁতেই অসমৰ আদৰৰ ডেকাগিৰি শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱাই ইহলীলা সম্বৰণ কৰিলে।

আজিৰ পৰা ঠিক ৩৪ বছৰ আগতেই এই ৰংপুৰ নগৰৰ দিখৌ পাৰত ডেকাবেজ মাধৱৰ জন্ম হয়। তেওঁৰ পিতৃদেৱৰ নাম আছিল বিনন্দ চন্দ্ৰ বেজবৰুৱা, ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ পুত্ৰ আৰু স্বনামধন্য সাহিত্যৰথী স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ অন্যতম ককাইদেৱেক। বেজবৰুৱা পৰিয়ালৰ বৈশিষ্ট্য আৰু প্ৰতিভা লৈয়েই ভাৰস্ততৈ আহিছিল মাধৱ আৰু জীয়াই থকা নিচেই চমু দিনকেইটাও সেই প্ৰতিভাৰ প্ৰতিটো ৰেখাৰে জিলিকাই থৈ গ'ল মাধৱে।

স্বৰ্গীয় বিনন্দচন্দ্ৰ বেজবৰুৱা ডাঙৰীয়া আছিল অসীম সাহসী, বুদ্ধিমান, সৰবৰহী আৰু দেখনিয়াৰ পুৰুষ । এসময়ত শিৱসাগৰ পুখুৰীত নাও খেল খেলিবলৈ ডেকা-বুঢ়াৰ এটি অনিয়মীয়া দল গঠিত হৈছিল। এসময়ৰ ডেপুটী কমিছনাৰ শ্ৰীযুত ৰতিকান্ত শৰ্মা আৰু এসময়ৰ স্কুলসমূহৰ এঃ ইন্সপেক্টৰ স্বৰ্গীয় শান্ত পাল দাসদেৱো আছিল এই দলৰ একোজন। স্বৰ্গীয় শান্ত পাল দাসদেৱে এদিন শিৱসাগৰৰ চাৰ্কুইট হাউচৰ দুৱাৰমুখত গল্প কৰিছিল (২৪।১১।৪৬ ইং ৰবিবাৰ ৫ বজাত)। "লাহে লাহে বুঢ়াইঁতৰ সংখ্যা বেছি হবলৈ ধৰিলে। ইফালে নাৱত কম মানুহ ধৰে। এদিন কোনোবা এজন ডেকাই বুঢ়াসকলক ভয় দেখুৱাবৰ কাৰণে নাওখন পুখুৰীৰ মাজ পাও নৌপাওঁ হওঁতেই ক'লে 'দিয়া নাৱত এটি ফুটা কৰি বুঢ়াকেজনৰ ৰং চাওঁ।" ডাঙৰীয়া বিনন্দ বেজবৰুৱাই তৎক্ষণাত কৈ উঠিল 'দেচোন ফুটা এটা কৰি— চাওঁ বুঢ়াই জীয়ে নে ডেকাই জীয়ে? তোমালোকে হৰলিক্স আৰু বাৰ্লি খাই ডাঙৰ হৈছা,— আমি ডাঙৰ হৈছোঁ ভীমকল আৰু লুথুৰি খাই।............." ইত্যাদি।

এইদৰেই অতি সামান্য কথা বতৰা আৰু ঘটনাৱলীৰ মাজতো বেজবৰুৱা পৰিয়ালৰ কেইগৰাকীমান পুৰুষৰ প্ৰতিভা আৰু সাহসৰ চিন পোৱা যায়। সাহিত্যৰথী বেজবৰুৱা ডাঙৰীয়াই তেখেতৰ 'জীৱন সোঁৱৰণী'ত লিখা কথাখিনিৰ যি বহল আভাস দিছে সেইখিনি যেন এধানিও অতিৰঞ্জিত নহয়।

নেপোলিয়নৰ সেই এষাৰ অমৰ বাণী— ল'ৰাৰ জন্মৰ ত্ৰিশ বছৰৰ পূৰ্বেই তাৰ চৰিত্ৰ গঠিত হয়। এই কথাষাৰি আমি ডেকা বেজৰ চৌত্ৰিশ

বছৰীয়া জীৱন কালটিত আখৰে আকৰে প্ৰতিফলিত হোৱা দেখোঁ।

যি বয়সত শিশু ছাত্ৰই স্কুলঘৰৰ পৰা ওলায়েই কঁকালৰ টনা হাতত লৈ খেলিবলৈ লৰ মাৰে সেই বয়সতেই মাধৱ বেজবৰুৱাই সঙ্গীসকলক লগত লৈ চ'ৰা ঘৰত, তৰ্ক কৰিব লাগিছে— " খেৰি ঘৰ ভাল নে টিনৰ ঘৰ ভাল ?" সেই বয়সতেই সমাজ সংগঠনৰ নায়কত্বৰ চিন আৰু ব্যক্তিত্বই ডেকাবেজৰ চাল চলনত ভুমুকি মাৰিছিলহি।

কিশোৰ মাধৱ আৰু তেওঁৰ স্কুলৰ বন্ধুসকলৰ গণসেৱা এটি লেখৰ কৰ্তব্য আছিল। ওচৰ-চুবুৰীয়া কাৰোবাৰ অসুখ-বিসুখ হলে কিশোৰ নেতা মাধৱৰ দল গৈ হাজিৰ । আজি হৰিজনসকলৰ কাৰণে মন্দিৰৰ দুৱাৰ এতিয়াও মেল খোৱা নাই । কিন্তু এসময়ত বাৰ চৈধ্য বছৰীয়া মাধৱে 'হৰিজন'ৰ ঘৰত বেমাৰীৰ আল ধৰি অনেকৰ অপ্ৰিয় পাত্ৰতো হলেই অনেকে আকৌ 'খবৰদাৰ' আজিৰ পৰা যদি মাধৱৰ লগ হোৱা দেখো" বুলি পুতেকহঁতক গুজৰি-গুমৰি ধমক দি উদাৰ শিশু মাধৱৰ দলৰপৰা আঁতৰাই নিয়াও দেখা গৈছিল।

"ছাত্ৰ হিচাবে স্বৰ্গীয় বেজবৰুৱা বৰ তজবজীয়া নাছিল; কিন্তু তেওঁৰ গঠন ক্ষমতা বৰ শলাগিব লগীয়া আছিল।" (স্বৰ্গীয় বিমলাপ্ৰসাদ চলিহা) তজবজীয়া নহলেও খেল-ধেমালিত জানো তেখেত পিচপৰা আছিল?

মিঃ মজিদ চাহাব আছিল সেইসময়ত শিৱসাগৰৰ মহকুমাধিপতি। মাধৱ বেজবৰুৱা তেতিয়া স্থানীয় ইংৰাজী হাইস্কুলৰ ৮ ম মানৰ ছাত্ৰ। মজিদ চাহাব নিজেও খেলুৱৈ আছিল আৰু আনকো খেলোৱাৰ হিচাবে চাই ভাল পায়। তেখেতেই শিৱসাগৰ পুখুৰীতো দৌৰি এপাক ঘূৰি আহি (প্ৰায় দু মাইল বাট) যিয়ে প্ৰথম হব পাৰিব তেওঁক এটা পদক উপহাৰ দিব বুলি ঘোষণা কৰিলে। লগে লগে প্ৰতিয়োগিতাৰ দিন আৰু অন্যান্য সংগঠন হৈ গ'ল। যথা সময়ত দৌৰ আৰম্ভ হল আৰু প্ৰথম হল মাধৱ বেজবৰুৱা। অসমলৈ সেই সময়তে ভাৰতৰ স্বনামধন্য শৰীৰ-সাধক ৰামমূৰ্তি আহিল। ৰামমূৰ্তিৰ আদৰ্শত অনুপ্ৰাণিত হ'ল পোনতে কোন? সেইজন মাধৱ বেজবৰুৱা । ৰংপুৰৰ পৰা ৩৫ মাইল বাট সদলবলে খোজ কাঢ়ি মাধৱ গৈ যোৰহাট পালেগৈ। "আমি নাজানিছিলো অৱশ্যে মাধৱ বেজবৰুৱাৰ গাত সেইসময়ত (ছাত্ৰ অৱস্থাত) কি গুণ আছিল; কিন্তু আমি তেখেতক সন্মানৰ চকুৰে চাইছিলো আৰু তেখেতক মানি চলিবলৈ ভাল

পাইছিলো।" (শ্ৰীযুত সুধীৰ বৰুৱা বি. এচ. চি)।

অসমৰ এই কীৰ্তিমন্ত সন্তানৰ অকাল বিয়োগত সঁচাকৈয়ে আজি অসমীয়া মাত্ৰেই মৰ্মান্তিক বেজাৰ পালে – পাহৰিব নোৱাৰা শোক পালে। অসমৰ কথাই নাই ; অসমৰ বাহিৰত থকা কৰাচীৰ 'বিজ্ঞান চহৰতো' (এতিয়া পাকিস্থানত) এমুঠি অসমীয়া ডেকাই মাধৱ বেজবৰুৱা ডাঙৰীয়াৰ অকাল মৃত্যুত হোৱা ক্ষতি স্বীকাৰ কৰিছিল আৰু শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰিলে।

ডেকা বেজ নাছিল ক'ত? য'ত কাম, য'ত দেশৰ মঙ্গল আৰু য'ত ৰাইজৰ শুভ কাৰ্য্য সমাপন কৰিবৰ পাল তাতেই উপস্থিত 'ডেকাবেজ'। অসম ছাত্ৰ সন্মিলনৰ সম্পাদক, তাতো তেওঁ অপ্ৰতিদ্বন্দ্বী। শিৱসাগৰৰ মুকলি অধিবেশনত বিপুল ভোটাধিক্যত বেজবৰুৱা অসম ছাত্ৰ সন্মিলনৰ সম্পাদক নিৰ্বাচিত হ'ল। পিছত কলেজত হ'লগৈ 'কলেজ ইউনিয়ন'ৰ এজন অপৰিসীম পাৰদৰ্শী চেক্ৰেটৰী। কলেজত থকা অবস্থাতেই হৈ-চৈ লাগিল; গুৱাহাটীত অসমৰ গভৰ্ণৰ; ভিন ভিন বাতৰি যোগনীয়াৰ (Press Reporter) সকল গৈ বৈধভাৱে বাতৰি যোগান কাৰ্য সমাপন কৰিলে। মাধৱ বেজবৰুৱাও ওলাল তালৈ। কিন্তু তেওঁলৈ আইনৰ বাধা। শেষত গৈ লাগিল সেই গোলমালখন । বন্দুক বেয়নেট লৈ অৱশেষত মিলিটেৰীৰ অৱতাৰ'। (শ্ৰীযুত ভুবনচন্দ্ৰ সন্দিকৈ) শেষত হলগৈ মাধৱ বেজবৰুৱাৰ জয়।

কলেজৰ অধ্যয়ন শেষ হল; এনেতে আহি পাৰিল গধুৰ বোজা এটি তেওঁৰ মূৰত । সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ অকাল বিয়োগ ঘটিল। তেওঁৰ আদৰৰ বাঁহীৰ ফুঁটিত হঠাতে কিবা খেলি-মেলিখন লাগি পৰিল। গুৱাহাটী, তেজপুৰ আদি নানা ঠাইত লটি-ঘটি হৈও বাঁহীৰ পুৰণি সুৰটি আৰু দুনাই বাজি উঠাৰ আশা দেখা নগল। শেষত বাঁহী গৈ শ্ৰীযুত অমিয় দাসৰ (এসময়ত শিক্ষামন্ত্ৰী) হাতত পৰিও যেতিয়া সুৰৰ কেনা নাভাগিল, তেতিয়া আৰু ডেকাবেজৰ প্ৰাণে নসহিলে। "হাতত টকা নাই, হিচাব-কিতাপতো কোনেও একো নিদিলেই ; শেষত মৰসাহ কৰি বাঁহীখন হাতত ললোঁ।" এই বুলি এদিন স্বৰ্গীয় ডেকাবেজে কলিকতাৰ এটি আলিবাটত গৈ থাকোতে কৈ গৈছিল।

"আৰু? তেতিয়া বাঁহীৰ গ্ৰাহক আছিল মাথোন এজন........।"

তেজপুৰৰ স্বৰ্গীয় বসন্তকুমাৰ বৰুৱা বি. এ. বি. টি. দেৱৰ প্ৰথমা কন্যা উষাদেৱীৰ লগত ডেকা বেজৰ শুভ পৰিণয় ঘটে। সেইদিন ধৰি দুয়ো "মাধৱ আৰু মাধৱীয়ে" বাঁহীৰ জীৱনী-শক্তিৰ যোগান ধৰিবলৈ লাগি যায়। এজন সম্পাদক, এগৰাকী সম্পাদিকা; দুয়োজনাই বাঁহীৰ উন্নতিৰ কাৰণে দেহে-কেহে খাটিলে। কিন্তু আজি ভগৱানৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিছে । বাঁহীৰ ভৱিষ্যত জীৱন। এই ডেকা কৰ্মীৰ সেই অবৰ্ণনীয় কষ্ট স্বীকাৰখিনি যেন অথলে নেযায়। যদি যায় তেনেহলে বৰ শোকৰ কথা। ('বাঁহী'ৰ সুৰ আৰু নাবাজিল। লিঃ)

কলেজীয়া ডেকা ছাত্ৰ মাধবৰ প্ৰতিভা কলেজৰ বেৰ চাৰিখনৰ ভিতৰতে যদি আৱদ্ধ থাকিলহেঁতেন, তেনেহলে হয়তো আজি চকুলো টুকি টুকি তেওঁৰ চমু জীৱন কালছোৱাৰ কথা ভাবি হাতত কলম লৈ কি লিখিম কি নিলিখিম বুলি চিন্তা কৰিবৰ কাৰণো নাছিল। অসমীয়া ডেকা লৰাই বি. এ. এম. এ পাচ কৰে চাকৰি বিচাৰে, চাকৰি কৰে, 'হাকিম' 'হুজুৰ' হৈ বৰ মানুহ বোলাই বুকু ফিন্দাই ফুৰে দহৰ আগত— এইটোৱেই আছিল আমাৰ গতানুগতিক ৰীতি। কিন্তু ৰাইজৰ ওপৰত 'হাকিম' নহৈ মাধৱ বেজবৰুৱা আহিছিল এজন ৰাইজৰ সেৱক হিচাবে হে। তাৰ বাবেই লোকৰ নিন্দা, ইতিকিং আৰু অবৰ্ণনীয় শাৰীৰিক কষ্ট, আৰ্থিক অনাটন , সকলোখিনিৰ বিৰুদ্ধে পাৰেমানে যুঁজিলে, যুঁজত মৃত্যুকো বৰণ কৰিলে। তথাপি তেওঁৰেই জয় হ'ল।

ডেকা বেজবৰুৱাই কলেজীয়া ছাত্ৰ অৱস্থাতেই ' দুৰ্জয়-লিঙ্গ'ৰ (দাৰ্জিলিং) পৰা কুমাৰিকালৈ ভ্ৰমণ কৰি ভ্ৰমণৰ হেঁপাহ পলুৱালে। (বেজবৰুৱাৰ ভ্ৰমণ কাহিনী আৱাহনত ধাৰাবাহিক হিচাবে প্ৰকাশ হৈছিল। লিখক) অসমৰ বাহিৰততেওঁ বুকু ফিন্দাই ঘোষণা কৰিলেগৈ "("I have come from Rangpur the last capital of once independent Assam") (স্বৰ্গীয় দুৰবাদেৱ) (মই সৌ সুদুৰ ৰংপুৰ নগৰীৰ পৰা আহিছোঁ। যিখন ৰংপুৰ আছিল স্বাধীন অসমৰ শেষ ৰাজধানী) প্ৰচাৰ কৰিলেগৈ অসমৰ ঐতিহাসিক সম্পদৰাজি দৌল-পুখুৰী ইত্যাদিৰ প্ৰাচীন কাহিনী । অনা-অসমীয়াক বুজাই দিলেগৈ অসমৰ স্বাভাৱিক বৈশিষ্ট আৰু স্বাভাৱিক প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা।

ডেকা বেজবৰুৱা ডাঙৰীয়াৰ বাঁহী অসমৰ সাময়িক ইতিহাস আৰু

স্বজাতিৰ কাৰণে সঞ্জীৱনী শক্তি আছিল। কোনোবাই যদি কেতিয়াবা যোৱা দহ বছৰৰ অসমীয়া ভাষা আৰু অসমীয়া জাতিৰ উত্থান পতনৰ কাহিনী লিখে, বা লিখিবলগীয়া হয় তেনেহ'লে পোনতে ডাঙৰ ডাঙৰ আখৰেৰে 'মাধৱ বেজবৰুৱাৰ' নামটি লিখি লৈ তেওঁৰ তাকৰীয়া জীৱন-কালখিনিৰ দিনকেইটি আলোচনা কৰক। তাত নাপাব কি? তাত আছে জাতিৰ সাহিত্যৰ জীৱন-মৰণৰ সন্ধিক্ষণৰ বা-বাতৰি,. তাত আছে মৰণমুখী অসমীয়া জাতিৰ জীয়াই উঠাৰ আন্দোলন। তাত আছে অসমীয়া সংৰক্ষণৰ সঞ্জীৱনী মন্ত্ৰ; তাত পাব বেজবৰুৱা ডাঙৰীয়াৰ অসাম্প্ৰদায়িক উদাৰতাৰ কষ্টিশিলত সোণ জিলিকা আদৰ্শৰ ৰেখা।

বাঁহীক প্ৰাণ দিলে। বাঁহীৰ লগতে জী উঠিলে অসমীয়া সাহিত্যৰ অন্যতম পুৰন্দৰ স্বৰ্গীয় পদ্মনাথ গোহাঞিবৰুৱাৰ আদৰৰ জীয়ৰী 'উষা'। ডেকা প্ৰাণৰ তেজ-টুপিৰ পৰশ পাই ভুমুকি মাৰিলে বাঁহীৰ কোঁচত 'ডেকা ফুকন' মহেন্দ্ৰ নাথৰ 'কুঁহিপাত' খিলাই। এসময়ৰ বাঁহী আৰু উষা দুয়োখনি 'সতিনী' জুৰীয়া হৈও অসমীয়া ভাষা আৰু সাহিত্যৰ সেৱা কৰিছিল আৰু এই ডেকাবেজৰ মোহিনী মন্ত্ৰৰ ফু পাই দুই 'সতিনী' সৈমান হৈ একেখনি তৰণীৰ আঁৰ লৈ ভাষা জননীৰ পূজাৰ বেদীত অৰ্চনা কৰিছিল।

ব্যক্তিৰ বিকাশ সাধনাত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ অসীম। পাৰিপাৰ্শ্বিকতাকো পৰাভৱ কৰি ব্যক্তিয়ে ব্যক্তিত্ব লৈ ভুমুকি মৰা উদাহৰণ বৰ সৰহ নহয়। কিন্তু মাধৱ আছিল এই শেষৰ শ্ৰেণীৰ জাকত-জিলিকা। যি সময়ত আমাৰ আদৰ্শ হৈ পৰিছিল ভিতৰি মিলিটেৰীৰ ঠিকা লোৱা আৰু মুখত 'কুইট ইণ্ডিয়া'ৰ মন্ত্ৰ উচ্চাৰণ কৰা, সেই সময়তো মাধৱ 'কুইট ইণ্ডিয়া'তেই ৰ'ল। একে নিশাই লাখপতি হোৱাৰ সপোন দেখি ঠিকাৰ চনদ লৈ মাধৱ বেজবৰুৱা বিমানঘাটিলৈ লৰি যাব নোৱাৰিলে। বাঁহীৰ বাবে পোৱা কাকতৰ 'কোটা' ক'লা বজাৰত চাৰিগুণ দামত বিক্ৰী কৰি কিতাপ ছপোৱাৰ বা ধন ঘটাৰ প্ৰবৃত্তি তেওঁৰ অন্তৰত নাজাগিলে। ৰূপৰ ৰণ্‌জননি আৰু নতুন নোটৰ খমখমনিত জানো মাধৱ বেজবৰুৱা ভোল যাব পাৰে? সেই সময়তেই মাধৱৰ আৱশ্যক হৈছিল অসমত; অসমকো মাধৱে পাইছিল। বাঁহী প্ৰেছৰ ঘিৰঘিৰণি আৰু চিয়াহীৰ গাঢ় কলা কড়ালখিনি লৈয়ে তেখেত সন্তুষ্ট থাকিল, তেখেতৰ কৰ্তব্যৰ পৰা অকণো পিছলি নগল।

" কলিকতাত আছিল মাধৱ অসমৰ 'কন্‌চাল জেনেৰেল' । অসমৰ মানুহ গলে আগবঢ়াবলৈ আহিব লাগিব মাধৱ, গাড়ীত উঠাই দি বিদায় দিবলৈ আহিব মাধৱ আৰু কলিকতাত নোহোৱা নোপোজা 'মেজি ঘৰ' সাজি মাঘ বিহু উৎসৱ পালন কৰিব খোজে মাধৱে।"

(স্বৰ্গীয় যতীন্দ্ৰনাথ দুৱৰা)

'চাৰ, মোৰপৰা নাভূত নাশ্ৰুত একো আশা নকৰিব।" (Sir, do not expect any miracle from me–) এই বুলি এসময়ত এজন মাৰ্কিন দেশীয় সৈনিকে তেওঁক প্ৰমোচনৰ 'বেজ' পিন্ধাবৰ সময়ত তেওঁৰ 'কামাণ্ডাৰ'ক কৈছিল। মানুহে কৰিব পৰা এনে কামৰ একোটা ভগৱানে দিয়া স্বাভাৱিক সীমা আছে। তাতোকৈ বেছি অলৌকিক কিবা এটা মানুহে মানুহৰ পৰা আশা কৰাটো এটা ডাঙৰ ভুল। মাধৱ বেজবৰুৱাইও মানৱ দেহাৰ ভিতৰত অমৰ আত্মাটি লৈ মানুহৰ সীমাৰ কৰ্তব্যখিনিকে পালন কৰিছিল। তাক আমি অতিৰঞ্জিত কৰি দেখুৱাবলৈ যোৱা নাই। আমাৰ আন্তৰিকতাই যদি তেখেতৰ সোঁৱৰণী লিখা কামত কিবা অতিৰঞ্জিতকৈ তেখেতৰ সমালোচক আৰু প্ৰতিদ্বন্দ্বীসকলক কিবা অসুবিধাত পেলায় সেইবাবে আমি ক্ষমা বিচাৰিছোঁ।

১৯৪৩-৪৪ চনৰ পৰা এই সোঁৱৰণী লিখক থাকিবলগীয়া হৈছিল তেতিয়াৰ উত্তৰবঙ্গৰ পাৰ্বতীপুৰ জংচনত; হঠাতে টেলিগ্ৰাম এখন পালো– "লীভিং বাঁঈ আসাম মেইল টু- নাইট' (leaving by Assam Mail tonight)। তাৰ পিচত কি কৰিব লাগিব মোৰ জনা আছিল। এইবাৰ তেখেত আহিল বিশ্ববিদ্যালয়ৰ প্ৰচাৰ কামত আৰু সেই উদ্দেশ্যে তেখেতে ভ্ৰমণসূচী ঠিক কৰি লৈ অসমৰ প্ৰায় সকলো ঠাই ফুৰি যাব প্ৰচাৰ কাৰ্য্যত। তেখেতে যাতে গন্তব্যস্থানলৈ আৰামত যাব পাৰে তাৰবাবে মোৰ চেষ্টাৰ ত্ৰুটি কৰা হোৱা নাই। মোৰ নিজৰ নামত বা কেতিয়াবা তেখেতৰ নিজৰ নামতে 'বাৰ্থ' ৰিৰ্জাভ কৰি তেখেতৰ ভ্ৰমণৰ সুবিধা কৰি দিয়া হয় । ১৯৪২-৪৩ চনত পাৰ্বতীপুৰৰ ৰেলৰ ওপৰ শ্ৰেণীত নালাগে, নিম্নশ্ৰেণীতো থিয় হৈ যাবলৈকে ঠাইৰ কিমান নাটনি হৈছিল তাক আজি ক'লে হয়তোবা বহুতে বিশ্বাসকে নকৰিব; কৰিবলৈ টান পাব। কিন্তু যিসকলে সেই সময়ত কলিকতা বা ভাৰতবৰ্ষৰ অন্যান্য ঠাইলৈ যাবলগীয়া হৈছিল তেখেতসকলে সেইদিনৰ ভ্ৰমণৰ কষ্টৰ কথা জীৱনত

কেতিয়াও পাহৰিব নোৱাৰে।

সি যিয়ে নহওঁক , মাধৱদা কলিকতাৰ গাড়ীৰপৰা নামিলহি। গাত সেই আকাশী নীলা ' হাৱাইন' ছাৰ্টটো আৰু গতিত ত্ৰস্ততা লৈ আহোতেই মোৰ লগত তেখেতৰ দেখা হ'ল। "মিঃ আলি, হোৱেৰ ইজ ইয়ৰ বেজবৰুৱা?" (Where is your Bezborua?) ৰিজাৰ্ভেচনৰ পঞ্জাবী অফিচাৰজনে মোক সুধিলেহি । মই কলোঁ ' এয়া; এয়া মিষ্টাৰ বেজবৰুৱা।" (Here is Mr. Bezborua- he who gives you lots of troubles) দুয়োয়ে হাঁহিলে আৰু দুয়োয়ে হাত তুলি অভিবাদন জনালে। "মই নথকা দিনতো যেন আপুনি তেখেতক এইকণ সহায় কৰি দিয়ে।" (I hope you would not mind to help him in my absence too) মই কলোঁ । তিনিওৱে আকৌ এবাৰ হাঁহিলো । লৰালৰিকৈ বিচনা পত্ৰ গাড়ীত তুলি দিয়াই মাধৱদাক ৰিফ্ৰেছমেণ্ট ৰুমতে (Refreshment room) ততাতৈয়াকৈ কিবাকিবি খুৱাই গাড়ীত তুলি দিলোঁ নিশা প্ৰায় এঘাৰ বজাত। অসম মেইলে দীঘলীয়া উকি মাৰি পাৰ্বতীপুৰ এৰিলে।

ইতিমধ্যে মই তেখেতৰ সাম্ভাব্য ভ্ৰমণৰ কথা লিখি কলিকতাৰ ২০৩।২১ ৰাছা ৰোড চাইথ (203/21, Russa Road South) লৈ চিঠি লিখিছিলোঁ । তাৰ উত্তৰত শ্ৰদ্ধেয়া উষাদেৱী বেজবৰুৱাই লিখিলে —

মৰমৰ ইব্ৰাহীম।

মোৰ মৰম সম্ভাষণ জানিবা। বছেৰেকৰ ৰঙালী বিহুটিত যাঁচিবলৈ কলিকতীয়ানীৰ হাতত একোৱেই নাই। মৰমৰ সঁফুৰাত গন্ধৰো আটক । তাৰে অকণ যাঁচিলো। দুয়ো লবা, পোনাটিকো দিবা।

আশাকৰোঁ তোমালোকৰ সৰ্বতোভাৱে মঙ্গল। আমাৰ একপ্ৰকাৰ চলিছে। ৰাণাৰ হে বৰ কাঁহ হৈছিল। এতিয়া ভাল পাইছে।

ককাইদেৱেৰা যোৱা সোমবাৰে অসমলৈ ৰাওনা হৈছে। তেওঁ আজি কালি ইমান ব্যস্ত যে পুৱা চাহ খাবৰ সময়ত ১৫ মিনিট, দুপৰীয়া ভাত খাবৰ সময়ত ১৫ মিনিট কথা-বাৰ্তা হয়। ভাত খাওঁতে কেতিয়াবা দিনৰ তিনি বাজে আৰু ৰাতি চাৰে এঘাৰমান বাজে। 'মেচিন' মৰা, 'কমপোজ' কৰা, 'প্ৰুফ চোৱা'

সম্পাদকীয় লিখা সকলো কামকে কৰে। তাতেই তেওঁৰ আনন্দ।

বাঁহী দুয়োখনেই বিহু সংখ্যা হিচাবে ওলাইছিল। মাহেকীয়াখন অৱশ্যে বিশ্ববিদ্যালয় সংখ্যা হে। পঠোৱা হৈছে। সময় মতে পাবা কিজানি ।

বিশেষ নাই। আজিলৈ ইমানতে দেই । ইতি

তোমাৰ—

নবৌ

শ্ৰীযুতা বেজবৰুৱানীৰ চিঠি পাই সকলো বুজিলো। 'বিশ্ববিদ্যালয় সংখ্যা' বাঁহী লৈ বেজবৰুৱাই অসমলৈ লৰ দিছে। অসমত তেওঁ প্ৰচাৰ কৰিব অসমত বিশ্ববিদ্যালয় লগাৰ বাতৰি। ইতিমধ্যে বিশ্ববিদ্যালয়ৰ আৱশ্যকতা দেখুৱাই তেখেতে এখন পুস্তিকাও ছপা কৰি উলিয়াইছিল। আৰু কেবাখনো উলিওৱাৰ কথা। এই ডেকা জীৱনটি যেন ভগৱানে অসমলৈ পঠিয়াইছিল কেৱল বাঁহীক জীয়াই ৰাখি অসমীয়া ভাষা, সাহিত্যসেৱা আৰু অসম বিশ্ববিদ্যালয় প্ৰতিষ্ঠাত আত্মনিয়োগ কৰিবলৈ বুলি হে। বাঁহী আৰু অসম বিশ্ববিদ্যালয়ৰ কাৰণে ডেকা বেজবৰুৱাই যিখিনি কঠোৰ পৰিশ্ৰম কৰিলে, যিমান খাটিলে, বোধকৰো সেয়েই তেখেতক শয্যাশায়ী কৰিলে আৰু অৱশেষত ৰাজৰোগত ভোগালে। তেখেতে এই দুৰাৰোগ্য ৰোগত ভুগি জীৱনৰ ক্ষণবোৰ এটি এটিকৈ গণিবলৈ ধৰিলে.............। সন্মুখত মৰণৰ আগজান; কিন্তু মৰণৰ কাল মূৰ্তিকো চেৰ পেলাই তেওঁৰ চকুত বাঁহী আৰু বিশ্ববিদ্যালয়ৰ বিজয় কলচী কল্পনাৰ দীপ্ত চকুযুৰিত হাঁহি উঠিল। মৰণলৈ তেওঁৰ ভ্ৰূক্ষেপ নাই। তেওঁৰ চিকিৎসা চলিব লাগিছে ভাৰতৰ শ্ৰেষ্ঠ চিকিৎসালয়ত— তাৰ বাবে তেওঁক যথেষ্ট টকা-পইচা লাগিব; তালৈকো তেওঁৰ চিন্তা নাই। কিন্তু তেওঁৰ চিন্তা হ'ল বাঁহীক জীয়াই ৰখাটো। তাৰ বাবেই তেওঁৰ চিন্তা বাবেই তেওঁৰ লেৰেলি যোৱা, শুকাই যোৱা, অসীম সাহসী অদম্য হিয়াখনিৰ কৰুণ অনুৰোধ এটি বাঁহীৰ পিঠিত ক'লা ৰেখাৰ মেৰ লৈ ছপা হ'ল। "বাঁহী জীয়াই থাকিলে মইও জীয়াই থাকিম.........।"

দ্বিতীয় মহাসমৰ। ১৯৪২ ইং চনৰ ২৪ ডিচেম্বৰৰ দিনা কলিকতা চহৰত জাপানে প্ৰথমবাৰ বোমা পেলালেহি । মই ৰাতিপুৱা চাৰিমান বজাত আমাৰ কলিকতীয়া অফিচৰ পৰা টেলিফোনৰ যোগে বাতৰি পালো। পাৰ্বতীপুৰৰ চিভিলিয়ান 'ষ্টাফ' ভয়ত থৰহৰি কম্পমান। মই ৰাতিপুৱাই বেজবৰুৱাদেৱলৈ

লিখিলোঁ "আপোনালোক কেনে আছে, কি কৰিব খোজে" ইত্যাদি। কঠোৰ মিলিটেৰী! 'চেন্সৰ' ইয়াতকৈ আৰু একো বিশেষ লিখিব নোৱাৰি। তাৰ উত্তৰত তেখেতে লিখিলে "...... আমাৰ কাৰণে তুমি যে চিন্তিত হৈ আছা বুজিছো। পিচে চিন্তা নকৰিবা, ঈশ্বৰে সকলোকে কুশলে ৰাখিব। ইমান ভয় কৰা উচিত নহয়। তাতে কৰ্মৰ ব্ৰত এৰি যোৱাটোও নহব। ইয়াতে থাকিম, যিমান দিন পাৰো কোনো চিন্তা নকৰিবা।

বিশেষ— ইয়ালৈ আহি শিৱসাগৰৰ এম্-এল্ এ. শ্ৰীযুত সোণাৰাম দত্ত আছিলহি চিকিৎসাৰ কাৰণে, মানুহজন এতিয়াওঁ অসুস্থ। তথাপি ১।২ তাৰিখত ঘৰলৈ যাব খোজে। এই তিনি দিনৰ অসম মেইলত চাবা আৰু যেনেতেনে গাড়ীত উঠা-মেলাত সহায় কৰিবা। ধৰম হব । ইতি

তোমাৰ মাধৱদা।

মানুহৰ জীৱনৰ ত্ৰাস। কলিকতাত প্ৰলয়-শঙ্কিত অৱস্থা। কিন্তু তেওঁৰ প্ৰতিজ্ঞা "ইয়াতেই থাকিম যিমান দিন পাৰো" তেওঁৰ ভয় আছিল এই দুৰ্যোগৰ সময়ত এবাৰ কলিকতা এৰিলে আৰু বাঁহী জীয়াই ৰখা সম্ভৱ নহব; গতিকে জীৱনকো তুচ্ছ কৰিলে তেওঁ কলিকতাত থাকিবলৈ অৰ্থাৎ বাঁহীক জীয়াই ৰাখি বই লাগিব।

এপ্ৰিল মাহৰ ১১ তাৰিখ (১৯৪৫ ইং) শ্ৰীযুতা বেজবৰুৱানীৰ চিঠিখনিত ডেকা বেজবৰুৱাৰ কৰ্মতৎপৰতাৰ এটি চমু আভাষ পাওঁ। কিন্তু অসম-ভ্ৰমণ সমাপণ কৰি ঘূৰি আহি বেজবৰুৱাদেৱে যিদিন দোক্‌মোকালিতে আকৌ পাৰ্বতীপুৰ পাইছিলহি সেইদিনা মোৰ মনটোও কেনেবা লাগিছিল তেখেতৰ মুখৰ চেহেৰা আৰু চকুদুটি দেখি। কিন্তু মই একোকে নকলো কবলৈ বেয়াও লাগিল। তেখেতৰ চাল-চলনত বিশেষ পৰিবৰ্তন একো পৰিলক্ষিত নহল যে তেখেতৰ শৰীৰ দুৰ্বল । কেৱল কলে যে— তেজপুৰৰ বাণ থিয়েটাৰ হলত বিহু উপলক্ষে হোৱা এখন মিটিঙত তেখেত নিৰ্দিষ্ট বক্তা আছিল। কিন্তু সেই কাৰ্য্যৰ বাবে তেখেতে ধিঙৰ- পৰা একেদিনে কেবাবাৰো ব্ৰহ্মপুত্ৰ কেবাটাও সুতি আৰু চাপৰি পাৰ হবলগীয়া হৈছিল। কাৰণ সময় কম; ইফালে তেজপুৰত বিহু সন্মিলন পাবই লাগিব গৈ। "ঠিক মুৰামুৰি সময়ত মই সভা পালোগৈ, সভাখন বৰ সুন্দৰ হৈছিল।"

বিশ্ববিদ্যালয়ৰ কাৰ্য্যৰ সূচনা কেনে দেখিলে বুলি সোধাত তেখেতে কলে– "সন্তোষজনক। অসমৰ ডেকা-বুঢ়া সকলোৱে উঠি পৰি লাগিছে, এইবাৰ বিশ্ববিদ্যালয় কৰিহে এৰিব।"

এইখিনিতে এষাৰ অবান্তৰ কথা নকৈ নোৱাৰিলো। এদিন সময় সন্ধ্যা। স্থান নামনি অসমৰ এখন বিতোপন চহৰ।

বাতৰি কাকত এখনি হাতত লৈ দুজন বঙালী ভদ্ৰলোকে কথা পাতিছিল--- "হেঃ এবাৰতো কৰ্বেহি - ওৰা যখন লেগেছে ইউনিভাৰ্সিটি কৰ্বেহি বোধ হয়।"

"না মশায়, এত সহজ হলেতো গ্ৰামে গ্ৰামে ইউনিবাৰ্সিটি হত।"

গা-মন তৰতৰাই উঠিছিল। কিন্তু 'সহিলে সম্পদ' ভাবি আঁতৰি আহিলো। সাধাৰণ দুজন ভদ্ৰলোকৰ ইমান হেয় ভাৱ আমাৰ প্ৰতি, অসমৰ প্ৰতি, কেলেই? অৱশ্যে আমাৰো দোষ আছে। ই আমাৰ নৈতিক দোষো হ'ব পাৰে। কিন্তু বেজবৰুৱাক দেখি ধাৰণা হ'ল-- 'নিশ্চয় এইবাৰ বুৰ্বক গছত নালগি পৌৰাণিক পাণ্ডুৰ নগৰত লাগিবহি বোধহয়।' "মাধৱদাকো কথাটি কলো। তেখেতে এবাৰ মিচিকিয়াই হাঁহিলে মাথোঁ। চকুত দেখিলো সেই অটল প্ৰতিজ্ঞা আৰু ওঠ দুটি চেপি ধৰি গহীন হোৱা স্বাভাৱিক ভংগীটো সি যিয়ে নহওক, তেখেত কলিকতালৈ গ'লগৈ। মই মোৰ বাসস্থানলৈ উলটিলোঁ।

সেইদিনাই আবেলি। আমাৰ থকা খেৰীঘৰটো চহৰৰ (পাৰ্বতীপুৰ) এমূৰীয়াকৈ। ঘৰখনত আমি দুজন থাকোঁ। এজন মাদ্ৰাজী বন্ধু; ইণ্ডিয়ান খৃষ্টান। ত্ৰিবাঙ্কুৰৰ এখন মিচন হাইস্কুলৰ শিক্ষক আছিল। দেশৰ ভাল খা-খবৰ ৰাখে। সেই দিনৰ কলিকতাৰ এখন দৈনিক কাকতত অসমৰ বিশ্ববিদ্যালয়ৰ নামাকৰণ আৰু ঠাই বাছনিৰ বিষয়ে এটা আলোচনী ছপা হৈছিল। এইলৈয়ে তেখেতে মোক সুধিছিল। অৱশ্যে তেখেতে কথা-বাৰ্তা সদায় ইংৰাজীতেই কৈছিল।

"মিঃ আলি, তোমালোকৰ বিশ্ববিদ্যালয় শ্বিলঙত নাপাতি গুৱাহাটীতে পতাটো কেলেই সমৰ্থন কৰা?"

মই কলো, "গুৱাহাটীৰ অসমৰ দুৱাৰমুখ, অসম বুলিলে প্ৰধানতঃ যি অংশটোৰ অৰ্থ কৰা হয় সেই অংশৰ কেন্দ্ৰস্থান।"

"কিন্তু গুৱাহাটীৰ নাম আমি ইয়ালৈ আহিহে শুনিবলৈ পাওঁ শ্বিলঙৰ

হ'লে আগতে জানো। অসমৰ ৰাজধানী বুলি।"

"শ্বিলং অসমৰ এতিয়াৰ ৰাজধানী, কিন্তু অসমীয়াৰ নহয়। শ্বিলং আৰু অসমীয়া ৰাইজৰ মাজত এখন প্ৰকাণ্ড বেৰ আছে। আপুনি আচৰিত হ'ব যে ১৯৩৫ চনৰ নতুন শাসনতন্ত্ৰ প্ৰৱৰ্তৰ আগলৈকে নতুনকৈ হোৱা কেবাজনো এম. এল. এ.ই হেনো শ্বিলংখনকে দেখা নাছিল।"

"হয় নেকি?" (Is it so, Mr. Ali) বুলি কৈ তেওঁ হাঁহিবলৈ ধৰিলে।

"Have you got some booklets on this subject" (বিশ্ববিদ্যালয় সম্পৰ্কে)

"Oh yes! But very few in English. I think we have just started our work amongst our people first, and for that we are to publish some booklets on the proposed University in Assamese. Any way, I shall give you some 'pucca' informations on this Issue."

"I shall write an article on your University in my paper" (মাতৃভূমি -দাক্ষিণাত্য)

"It would be a very kind service."

মই ইমানলৈকে আমাৰ সিদিনাৰ আলোচনা সিমানতে শেষ কৰি বেজবৰুৱাদেৱলৈ লিখিলোঁ যে ইউনিভাৰ্চিটিৰ প্ৰচাৰ কাৰ্য অকল অসমীয়াতেই নচলিব। কিছুমান ইংৰাজী পামফ্লেট চপাই দিয়ক। অ', ইতিমধ্যে মোৰ আঁকোৰগোজালি মনোভাৱ দেখি সেই বিদ্বান ত্ৰিবাঙ্কুৰীয় বন্ধুজনে ক'লে— "Assam University should not be only for Assamese. A university is a common property and cultural centre. It does not belong to any particular cast, community or nationality."

বিদ্বান সৈনিক বন্ধুৰ সাৰুৱা কথাযাৰ হলে আজিও পাহৰিব পৰা নাই। কিন্তু কাৰ্য্যক্ষেত্ৰত অসমৰ বিশ্ববিদ্যালয়ে কি আকাৰ লয় সময়ে নিৰ্ণয় কৰিব নিশ্চয়। (১৯৪৬ চনত লিখা কথা। আজি গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱা ২৫ বছৰ হ'ল -- ৰজত জয়ন্তীও সমাৰোহেৰে পালন কৰা হৈ গ'ল ইতিমধ্যে। লিঃ)

১৯৪৫ চনৰ চেপ্তেম্বৰ মাহ । হঠাৎ শ্ৰীযুক্তা বেজবৰুৱানীৰ হাতৰ চিঠি এখনি পাই হতাশ হলোঁ। "তেখেতৰ গা বৰ বেয়া। চিকিৎসা চলিছে। তোমালোকে হয়তো সুধিবা তেখেতৰ কি হৈছে। কিন্তু তাৰ উত্তৰ নো মই কি বুলি দিম। মানুহৰ খোৱা-লোৱাত অনিয়মীয়া আৰু অতিৰিক্ত পৰিশ্ৰমত যি সৰ্বনাশ হব পাৰে সেয়েই হ'ল। তথাপি ধৈৰ্য্য থাকিব লাগিব। হতাশ হলে নচলিব।............।"

চিঠি পাই আৰু থিৰেৰে থাকিব পৰা নহ'ল । কিন্তু মোৰ ছুটীৰ ব্যৱস্থা কোনো ৰকমেই হৈ নুঠে। তথাপি অশেষ চেষ্টাৰ মূৰেকত ছুটীৰ ব্যৱস্থা হ'ল। নিশাই পাৰ্বতীপুৰৰ পৰা নৰ্থ বেঙ্গল এক্সপ্ৰেছত উঠি দোকমোকালিতে শিয়ালদহ ষ্টেচন পালোঁগৈ আৰু তাৰ পৰা চিধা টালিগঞ্জ বুলি ৰাওনা হলো। ট্ৰামৰপৰা নামিয়েই সন্মুখত কলবাৰীখন। তাতেই আঁৰি থোৱা আছে এখন চাইনবোৰ্ড — "বাঁহী পাবলিচিং হাউচ।" এদিন মাধৱদাই মোক কৈছিল, "তুমি যাবা, মোৰ প্ৰেছটো চাই আহিবাগৈ।"

আকৌ আন এদিন কৈছিল "মোৰ ঘৰ বিচাৰি উলিওৱাত একো কষ্ট নহয়। সন্মুখত এখনি কলবাৰী, কলিকতাত এনে এখন কলৰ বাৰী বিচাৰি পাবলৈ সতকাই টান।" অৱশ্যে ইতিমধ্যে মই টালিগঞ্জলৈ কেবাবাৰো গৈছোঁ আৰু সৰুসুৰা কেবাটোও ঘটনাৰ স্মৃতিয়ে এতিয়াও মোৰ মনত ভুমুকি মাৰেহি।

• সেইদিনা দুখোজমান গৈয়েই দেখিলোঁ দূৰৰ পৰা শ্ৰীযুতা বেজবৰুৱানীয়ে ভিতৰৰ বাৰান্দাত থিয় দি বাহিৰলৈ চাই আছে। পোহৰ হৈছে, সকলোৰে বিচনা এৰিছে, মইও গৈ বাহিৰৰ দুৱাৰত টুকুৰি মাৰি দিলোঁ।

"এ তোমাক মই চিনিবই পৰা নাছিলোঁ। বেজবৰুৱানীয়ে কলে। অৱশ্যে মোৰ গাত সেইদিনা সম্পূৰ্ণ আচহুৱা সাজ-পাৰ আছিল। ৰান্ধনি লৰাটি আহি ক'লে — 'মই হ'লে দূৰতে ধৰিছোঁ, আপুনি কিন্তু বৰ শকত হ'ল।"

"তেখেত ক'ত ?" মই সুধিলোঁ। তেখেতৰ আচুতীয়াকৈ দিয়াশোৱনি কোঠাটো বেজবৰুৱানীয়ে মোক দেখুৱাই দিলে। "মই ভিতৰলৈ যাব পাৰিমনে?"

"নিশ্চয়" তেখেতে ক'লে।

মই সোমাই গলো। গাত এখন এড়ী চাদৰ লৈ ডেকাবেজ শুই আছে।

মোক দেখি কোঠালিটোৰ ভিতৰতে অলপ দূৰত থকা চকী এখনত বহিবলৈ ইঙ্গিত দিলে। মই বহিলো । "তোমাৰ ভাল নে? তেখেতে সুধিলে। "হয় আছো একৰকম।" মোৰ আৰু সুধিবলৈ সাহস নহল যে আপুনি কেনে আছে। কেৱল নীৰৱে তেখেতক চাইছো বেজবৰুৱানীও আহি বহিলহি। দুই চাৰিষাৰ সাধাৰণ কথা পতাৰ পিছত বাঁহীৰ ছপা কাৰ্য্যৰ কথা উলিওৱাত তেখেত অলপ উত্তেজিত হোৱা যেন অনুমান কৰিলো।

"এৰা বুজিছা, ডাক্তৰে সম্পূৰ্ণ জিৰণি ল'বলৈ কৈছে, কিন্তু জিৰণি ক'ত?"

" আপুনি স্থিৰ হৈ থাকক, বাঁহী চলি থাকিব ; আপুনি ভাবিব নালাগে।" মই কলোঁ।

"প্ৰেছটো চালা নে? চাই আহাঁগৈ এবাৰ ওপৰত।"

বাঁহী প্ৰেছ।

(২০৩/২১ ৰচা ৰোড চাউথ)। আহল বহল কম্পাউণ্ডটোৰে ধুনীয়া সৰু পকীঘৰটো। ট্ৰামৰোডৰ পৰা অলপ সোমাই গৈ গোলমলীয়া কলিকতাৰ ই এক প্ৰকাৰৰ নীৰৱ-নিজান শান্তিপূৰ্ণ আশ্ৰমখনি যেনেই লাগে। ঘৰটোৰ সন্মুখত মুকলি ঠাইত এখনি শাকনিও; বেজবৰুৱানীয়ে নিজে তত্বাৱধান লৈ কৰোৱা । সৰু বাটটোৰ ঠিক বিপৰীত পিনে থাকে মিঃ বেনাৰ্জী, এখনি 'পলিটেকনিক' স্কুলৰ প্ৰিন্সিপাল। স্কুলখন বোধহয় এতিয়া কলেজলৈ উঠিছে। অলপ দূৰত শিৱসাগৰৰ চলিহা পৰিয়ালৰ. বাসস্থান। (স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাৰ ককাইদেৱেক স্বৰ্গীয় যাদৱপ্ৰসাদ চলিহা) এইখন ঘৰতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ '৪২ চনৰ আন্দোলনৰ সময়ত গোপনে আছিলহি। তাতেই তেখেতৰ লগত আমাৰ দুই-এবেলি দেখাও হৈছিল। দক্ষিণৰ সাগৰৰ মুকলি বতাহ আৰু পোহৰ; শান্তিয়ে বাঁহী প্ৰেছৰ স্বাভাৱিক শোভা আৰু পৰিৱেশ সদায় ৰক্ষা কৰি আহিছে।

তলৰ কোঠালিৰ ভিতৰত এটিত বেজবৰুৱা শুই আছে। আন এটি বেজবৰুৱানীৰ শোৱনি কোঠা আৰু তৃতীয়টোত প্ৰেছৰ মেছিনটো। 'প্ৰেছৰুম' আৰু পাকঘৰৰ মাজতে ধুনীয়া বাৰান্দাখন আৰু পানীৰ কলটো (Water reservoir) । পাকঘৰৰ পাছ পিনে 'বাথৰুম' আৰু 'চেনিটেৰী' পায়খানাটো। বাঁওঁ পিনে কম্পাউণ্ডৰ বেৰখন। এয়েই বাঁহী প্ৰেছৰ তলভাগ।

ওপৰলৈ উঠিলো। ওপৰৰ ছাদখনি আগেয়ে খালী আছিল। তেতিয়া বাঁহী প্ৰেছৰ জন্ম হোৱা নাই আৰু বাঁহী আলোচনীখন অ'ত-ত'ত চফা কৰিবলগীয়া হৈছিল। এনে কৰিবলগীয়া হোৱাত কিমান যে অসুবিধা হৈছিল, কিমান গ্ৰাহকৰ খেচখেচনি দিনে-নিশাই সম্পাদকৰ ওচৰ পাইছিলহি কাকত নিয়ম মতে উলিয়াব নোৱাৰাৰ কাৰণে, তাক ভুক্তভোগীয়েহে জানে।

কোঠালিৰ অভাৱত ছাদখনৰ ওপৰত কাঠ-বাঁহৰ 'ফ্ৰেম' আৰু তাৰ ওপৰত টালি আৰু কিবা-কিবিৰে ছালি এখন। এই ৰভাৰ দৰে ছালিখনৰ তলতে বাঁহী প্ৰেছ আৰু বাঁহী কাকতৰ অফিচ, কম্পজিং ৰুম, সহকাৰীসলৰ শোৱনি কোঠা আৰু পাকঘৰ। বাঁহী প্ৰেছৰ বিৰাট আৰম্ভণিটো দেখি এফালে মোৰ আনন্দৰ পাৰ নাই। আনফালে এইবোৰ কৰিবলৈ গৈয়েই অযথা শৰীৰটো পানী কৰিলে বুলি মাধৱদালৈ পেটে পেটে মোৰ খং।

পুৱাৰ কাম আৰম্ভ হৈছে। বাঁহীৰ সহকাৰী সম্পাদক শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু প্ৰেছৰ মেনেজাৰ শ্ৰীপদ্মনাথ বৰা। অফিচৰ কাম আৰম্ভ হৈছে। তেখেতসকলে আনকি তেতিয়ালৈকে পুৱাৰ চাহটুপিও খাবৰ সময় পোৱা নাই। বৰাদেৱক বহুদিনৰ আগৰেপৰাই চিনি পাওঁ। তেখেতে ভট্টাচাৰ্য্যৰ লগত মোক পৰিচয় কৰাই দিলে। ভট্টাচাৰ্য্য নতুন সাংবাদিক, লিখেও ভাল; গতিকে (ইয়াৰুইঙ্গ ম লিখা আৰু ৰাষ্ট্ৰীয় বঁটা লাভৰ এয়া প্ৰায় এযুগমানৰ আগৰ কথা) বেজবৰুৱাৰ এই অৱস্থাত বৰাক অজৰাই দিবলৈ তেখেতৰ আগমণত বৰ আশান্বিত হলো যে বাঁহীখন অন্ততঃ বেজবৰুৱাই গা-টঙাই উঠে গৈ মানে জীয়াই থাকিব। অলপ আগতে শ্ৰীযুতা বেজবৰুৱানীয়ে কৈছিল যে "এতিয়া আৰু ভয়ৰ কাৰণ নাই; চিকিৎসাত অলপো ব্যাঘাত হোৱা নাই।" গতিকে আমি ভাবিছিলো মাধৱ বেজবৰুৱাৰ মৃত্যু হ'ব নোৱাৰে; মাধৱ মৰিব নোৱাৰে। অসমৰ হাজাৰ হাজাৰ ডেকা-গাভৰুৰ উদ্যম উৎসাহ আৰু আশীৰ্বাদ লৈ তেখেত জী উঠিব। তেখেতে নৰিয়া পাটি এৰি আকৌ আগৰ অপ্ৰতিদ্বন্দ্বী কৰ্মী হৈ অসম মৰিলে আমিও মৰিম' বুলি বাঁহীৰ বাকলি পিঠিত ডাঙৰ আখৰেৰে ছপাই দিব "**দেশতকৈ কোনোৱেই ডাঙৰ নহয়**" বুলি। কিন্তু হায়! নাই সেয়া নহ'ল!! সকলো মিছা হ'ল।

অফিচ ৰুমত বৰা (শ্ৰীপদ্ম বৰা) আৰু ভট্টাচাৰ্য্যদেৱৰ (শ্ৰী বীঃ কুঃ

ভঃ এই নামেৰে প্ৰবন্ধ-গল্প আদি লিখে) লগত কিছু আলোচনা হ'ল। শ্ৰীবৰাৰ বুকুত এধাৰি সমতাৰ তেজ। কংগ্ৰেছৰ সমৰ্থক। কিন্তু ভট্টাচাৰ্য্য ডাঙৰীয়াক কংগ্ৰেছৰ সোঁ-পন্থী যেন লাগিল। মনতে ভাবিলো। "বাঁহীৰ নিৰপেক্ষতা আৰু সুকীয়া বৈশিষ্ট্য ৰক্ষা পৰিবগৈ চাগে..........।"

ছালিখনিৰ তলত আহল বহল ঠাইখন। কাকত-পত্ৰ প্ৰবন্ধ প্ৰুফ আদি সিঁচৰিত হৈ এভাগ আৰু আন ভাগত আখৰৰ সৰু বাকচবোৰ। "বৰষুণ দিলে উৰুখে; বৰ আমনি পাইছো, বুজিছে।" কোনে যেন কলে মনত নাই।

তললৈ নামি আহি প্ৰেছৰ মেচিনটো চালোহি, প্ৰকাণ্ড মেছিন। বাঁহীৰ কভাৰবোৰ চপাই সাজুকৈ ৰখা হৈছে। বেজবৰুৱানীয়ে নিজে দেখুৱালে এইবোৰ। তাৰ পিছত আকৌ নৰিয়াৰ শোৱনি কুঠৰীত সোমালোঁগৈ। "এই যুদ্ধৰ বজাৰতো ইমানবোৰ কৰিছে আপুনি?' এই এটি সাধাৰণ মন্তব্য প্ৰকাশ কৰিলো। "এতিয়া ৰাখিবগৈ পৰাটো হে হৈছে" তাৰ উত্তৰত তেখেতে কলে। মাতষাৰিত এটা প্ৰবল অনুভূতি আৰু এটা অনিৰ্দিষ্ট ইঙ্গিত।

"বৰকটকী (শ্ৰীযুত মুনীন বৰকটকী) আহিম বুলিছিল, এতিয়ালৈকে নাহিল। আজি কেবাদিনো চিঠি-পত্ৰও পোৱা নাই।" তেখেতে কলে। শ্ৰীযুত বৰকটকীয়ে বাঁহীৰ সম্পাদনাৰ ভাৰ লোৱাৰ কথা আছিল। এই কথা বেজবৰুৱাই মোক কেবাবাৰো কৈছিল। শেষত তেখেতে কলে যে কোনোবা দুই এজন আহিছিল হেনো বাঁহীখন লবলৈ; কোনো কোনো আহিছে আকৌ প্ৰেছটো দখবলৈ ইত্যাদি। "মই মোৰ কাকত (বাঁহী) ইলেকচনৰ প্ৰপেগেণ্ডা বুলিটিন কৰিবলৈ এৰি দিব নোৱাৰোঁ।" মৰণ শয্যাত শুই শুয়েই তেখেতে গৰজি উঠিল।

শ্ৰীযুতা বেজবৰুৱানীৰ ৰুমতে পুৰণি কিতাপ-পত্ৰ আৰু ঘৰুৱা বয়-বস্তু। তাতে বহি মই এটুপি চাহ খালো। ভাতৰ নিমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰিলো। কাৰণ মই পাৰ্বতীপুৰৰ জমিদাৰ বাবু লাৱণ্য কুমাৰ চেটাৰ্জীৰ কলিকতাৰ ঘৰত ইতিমধ্যে আগদিনাই নিমন্ত্ৰণ গ্ৰহণ কৰি থৈ গৈছিলো। শেষত সকলোৰে পৰা বিদায় লৈ শেষবাৰলৈ মাধৱদাক দেখা কৰি বাঁহী প্ৰেছ এৰিলো।.......... মই বুজিছিলো— যদিও ডাক্তৰী চিকিৎসাৰ অভিজ্ঞতা মোৰ নাই -- যে এই শুই থকা সিংহ জানো কেতিয়াবা সাৰ পাই উঠিবগৈ? স্বৰ্গীয় লক্ষ্মীধৰ নুঠিলে, স্বৰ্গীয় চন্দ্ৰনাথ নুঠিল। স্বৰ্গীয় গণেশ গগৈয়েও তিলতিলকৈ ভুগিলে। কোনোৱে

নিজ্জীলে। এই ডেকাবেজ আগৰ দুৰ্দান্ত মাধৱ হৈ দিহিঙে দিপাঙে হিল-দল ভাঙি, অসমৰ ইমুৰ-সিমুৰ, ভাৰতৰ ইমূৰ-সিমূৰ পাত পাত কৰি ফুৰিবলৈ দুনাই সক্ষম হ'বগৈ জানো? মনটো এনেয়ে নিৰাশ হ'ল, এনেয়ে উদাস হ'ল। তথাপি অন্তৰৰ কথা কাকো জানিবলৈ নিদি গধুৰ মনেৰে গধুলি বেলিকা কলিকতা এৰিলো।

মই আহিবৰ সময়ত বেজবৰুৱানীয়ে কৈছিল যে তেখেতৰ চিকিৎসাৰ কাৰণে 'আৰোগ্যবৰমত' সকলো বন্দবস্তু হ'ব লাগিছে। অতি সোনকালে তাঁলৈ নি ভাল চিকিৎসা কৰা হ'ব।

তেখেত সুদূৰ আৰোগ্যবৰমলৈ গ'লগৈ। চিকিৎসাৰ কাৰণে আৰোগ্য লাভৰ কাৰণে । গৈ পায়েই তেখেতে মোলৈ লিখিলে।

"মৰমৰ ইব্ৰাহীম,

তোমাক সিদিনা কলিকতাত পায়ো ভালদৰে কথা-বাৰ্তা হ'ব নোৱাৰি এনে বেয়া লাগি আছিল। মই ইয়ালৈ আহোতে ৰেলত যি কষ্ট পলো সিয়ে মোক এসপ্তাহ বিচনাত পেলাই ৰাখিলে। কালিৰ পৰা হে অলপ গাটো ভাল পাইছো। চিকিৎসা চলিছে। ভালদৰেই ফল দিছে। ভগৱানে কৰিলে সোনকালেই যাব পাৰিম বুলি ভাবো। অৱশ্যে তেওঁ যদি মোক সোনকালে আৰোগ্য কৰি নিয়াৰ আৱশ্যাক যেন দেখে। মই সকলো ভগৱানৰ ওপৰত পেলাই দিছো।

অসমৰ খবৰ একো পোৱা নাই । সেই কাৰণে মনটোও বৰ বেয়া লাগি আছে।............। খবৰ কাগজখন এতিয়ালৈকে পোৱাহি নাই। বাঁহী ওলাই আছে..... ....। মৰম লবা।"

আন এখন চিঠিত তেখেতে আকৌ লিখিলে।

"মোৰ গা একৰকম ভালেই। কেতিয়া আৰোগ্য হৈ যাব পাৰো। ভগৱানে হে জানে। সেই কাৰণে ভগৱানৰ ওপৰত সকলো পেলাই দিছো...........।"

মাধৱদাৰ পৰা মই পোৱা এইখিনিয়ে শেষ চিঠি আছিল। ইষাৰ-সিষাৰ বহুত কথা লিখা যায়। তাত তেখেতেও নানা আলোচনাত মত দিব গতিকে মই একেবাৰে নীৰব হৈ বাঁহী প্ৰেছৰ মেনেজাৰ শ্ৰীযুত পদ্ম বৰাৰ যোগেদি সকলো খা-খবৰ লবলৈ ধৰিলোঁ.

"বাহী জীয়াই থাকিলে মইও জীয়াই থাকিম।" বেজবৰুৱাই কৈছিল। গতিকেই আমি সকলো প্ৰকাৰে বাঁহীৰ জীৱনীশক্তিৰ যোগান ধৰিবলৈ চেষ্টা কৰিলো। এনেতে এদিন বৰাদেৱৰ পৰা এখন চিঠি পালো। "বাঁহীখন ভাল কৰিবৰ ইচ্ছা আছিল। কিন্তু টকা পইচা আৰু মানুহৰ অসুবিধাতে পৰা নাই। চেষ্টাৰ ত্ৰুটি কৰা নাই।"

বৰাদেৱৰ সৰলতা আৰু সাহসত যথেষ্ট বিশ্বাস আমাৰ আছিল। কিন্তু ভগৱানে বেজবৰুৱাক আমাৰ মাজত জীয়াই থাকিবলৈ নিদিলে। ভগৱানৰ ইচ্চা হয়তোবা বেজবৰুৱাৰ আৰু আমাৰ মাজত কোনো আৱশ্যকো নাছিল। সেয়েহে বেজবৰুৱাক তেওঁৰ ওচৰলৈ অতি সোনকালে চপাই লৈ গ'ল। ডেকাবেজে এই চমু জীৱন কালটিত যিখিনি কৰি থৈ গ'ল, সকলোখিনি কেৱল অসমীয়াৰ কাৰণেই কৰিলে। নিজৰ কাৰণে, নিজৰ পো-পৰিয়ালৰ কাৰণে ভাবিলেই কি, কৰিলেই বা কি? অসমত যি সময়ত তেওঁৰ আৱশ্যক আছিল ভগৱানে পঠিয়াইছিল; তাৰ পিছত আৱশ্যক নাছিল—তেওঁক সামৰি ললে।

"দেশতকৈ কোনোৱেই ডাঙৰ নহয়।" এয়ে আছিল ডেকাবেজৰ মূলমন্ত্ৰ। গালে মুখেৰে, মনেৰে; আৰু পালন কৰি গল জীৱনৰ শেষ মুহূৰ্তলৈ। কলিজাৰ প্ৰতিটো বিন্দু তেজ ঢালি, আদৰ্শক জীয়াই থৈ গ'ল। *বেজবৰুৱা মৰণশীল মানুহ আছিল। মৰণৰ মুখৰপৰা আমি কাঢ়ি আনিব নোৱাৰিলোঁ। কিন্তু মাধৱ বেজবৰুৱা নমৰে, মৰিব নোৱাৰে। বেজবৰুৱাই অসমৰ ধূলিয়ে-বালিয়ে প্ৰতিভাৰ সোঁৱৰণি, আদৰ্শৰ জীৱন্ত আগ্ৰহ আৰু চানেকীৰ কটকটীয়া নিদৰ্শন আমালৈ, ভৱিষ্যতৰ ডেকা অসমলৈ এৰি থৈ গ'ল।

ডেকা বেজবৰুৱাই ডেকাবেজ নামৰ পদবীৰ সাৰ্থকতা লভি ডেকা কালতে মৰণক সাৱটি ললে। আমি তেওঁৰ জীৱন কাল আয়ুসৰ বছৰেৰে নেলেখি কৰ্মৰ ওজনেৰে হে জুখিব লাগিব।

শিৱসাগৰ

১৯৪৬-৪৭

---

*আলি ডাঙৰীয়াৰ ১৯৭৫ চনত মৃত্যু হৈছিল।

কৰ্মকুশলী মাধৱ বেজবৰুৱা

পূৰ্বপুৰুষ পৰিচিতি ঃ

আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকাল অসমত কলা-সংস্কৃতি, একতা-সংহতি আৰু শক্তি-সংগঠনৰ এক নৱ-জাগৰণৰ যুগ। চুকাফা স্বৰ্গদেৱে অসমৰ পূব প্ৰান্তেদি এক নতুন শাসন-প্ৰেৰণা লৈ অসমত প্ৰৱেশ কৰিছিলহি, অসমত আহোম ৰাজত্বৰ পাতনি মেলিছিলহি আৰু অসমৰ সিঁচৰিত শক্তি-সমূহক একগোট কৰি এখনি আহোম বা অসম ৰাজ্য প্ৰতিষ্ঠাৰ প্ৰতিজ্ঞা লৈছিলহি। পূবৰ টাই-বংশৰ প্ৰতিভাৰে প্ৰতিষ্ঠিত সুদূৰদৰ্শী আহোম স্বৰ্গদেউসকলে বুৰঞ্জীৰ ভেঁটিত যুগমীয়া স্মৃতিৰ দৌল সজাই দি থৈ গৈছে; তাক দোহাৰিবৰ প্ৰয়োজন নাই। পশ্চিমৰ পাটচাহ আৰু পূবৰ স্বৰ্গদেউসকলৰ নানা প্ৰকাৰৰ আদান-প্ৰদানৰ এটা সজীৱ বোৱতী সুঁতিৰে এই অসমভূমিত যুদ্ধ-বিগ্ৰহ, সন্ধি-সন্দেশ আৰু কৃষ্টি-সংস্কৃতিৰ নৱন্যাসৰ যুগৰ অভিনৱ বাতৰি অসমৰ ৰাইজৰ আগত দাঙি ধৰিছিল— তাক কোনেও নুই কৰিব নোৱাৰে। সংঘাত ঘটিছিল সঁচা; কিন্তু এই সংঘাতৰ প্ৰতিক্ৰিয়া কেতিয়াবা কেতিয়াবা ভয়াবহ নহৈ হৈছিল পূব-পশ্চিম ভাৰতবৰ্ষৰ একোটিহঁত মণিকাঞ্চনৰ সংযোগ। পশ্চিমৰপৰা ৰণুৱা, বনুৱা, পুৰোহিত, প্ৰচাৰক আৰু পণ্ডিত লোকৰ সমাগমত অসমৰ সমৃদ্ধি ঘটিছিল নানা দিশত, নানা ক্ষেত্ৰত আৰু নানা পৰিবেশত।

এই আহোম বংশৰে বুঢ়া ৰজা স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনতে পৰাক্ৰমী মোগল সেনাপতি মিৰজুম্লাই অসমৰ গড়গাঁৱলৈ খেদি আহিছিল। ৰজা পলাই গৈ চৰাইদেও পৰ্বতত উঠিছিল আৰু শেষত সন্ধি-চৰ্তত আৱদ্ধ হৈ নিজৰ হেৰোৱা ৰাজ্যৰ উদ্ধাৰ সাধন কৰিছিল। এইগৰাকী ৰজাই অসমৰ আহোম সিংহাসনত ১৬৪৮ খৃঃ ৰ পৰা ১৬৬৩ খৃঃলৈ ৰাজপাট খাইছিল। এইগৰাকী স্বৰ্গদেৱৰ দিনতে পশ্চিমৰ কনৌজ দেশৰ এগৰাকী ব্ৰাহ্মণ পৰ্যটক তীৰ্থভ্ৰমণ কৰিবলৈ বুলি কামৰূপ দেশলৈ আহিছিল। তেওঁৰ নাম আছিল কলিবৰ। কলিবৰ

আছিল পণ্ডিত লোক। বেদ-বেদাঙ্গ, ব্ৰাহ্মণ-উপনিষদ আদি শাস্ত্ৰত প্ৰগাঢ় পণ্ডিত আৰু আয়ুৰ্বেদ শাস্ত্ৰতো আছিল এগৰাকী নিপুণ সিদ্ধ-হস্ত পুৰুষ। ভাটী-কামৰূপৰ কামাখ্যা, কেদাৰ, মাধৱ আদি তীৰ্থ পৰ্যটন কৰি কলিবৰ পণ্ডিত উজনীমুখী হ'ল। গুণীৰ গুণ বুজা স্বৰ্গদেউ জয়ধ্বজ সিংহই তেওঁৰ গুণ-গৰিমাৰ কথা শুনি, বিশেষকৈ আয়ুৰ্বেদ শাস্ত্ৰৰ নৈপুণ্যৰ কথা জানি ৰাজচ'ৰালৈ মতাই অনালে আৰু ৰজাঘৰীয়া মুখিয়াল বেজ পাতি বেজবৰুৱা খিতাপ দান কৰিলে। উত্তৰ লক্ষীমপুৰ আদি ঠাইত ১০০০ পুৰা অৰ্থাৎ ৪০০০ হেজাৰ বিঘা নিষ্কৰ মাটি ব্ৰহ্মোত্তৰকৈ দি অনেক ধন আৰু দাস-দাসী দিলে।

"ইদেশত যত বৈদ্যগণ আছিলন্ত।
তাহাৰ বৰুৱা পাতি মান্যক দিলন্ত।।
সিটো কাল হন্তে আসামৰ ঘৰে আত।
বেজবৰুৱা নাম ভৈলন্ত প্ৰখ্যাত।।"

—বেজবৰুৱা বংশাৱলী

এই প্ৰতিভাৱান পৰিয়ালতে কেবাগৰাকীও অসম-ৰত্নই জন্ম লাভ কৰে। স্বৰ্গীয় দীননাথ বেজবৰুৱা, স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা (অভিধানখ্যাত), সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আদি এই বংশৰে একো একো গছি উজ্জ্বল প্ৰদীপ। তেওঁলোকে অসমৰ ভাষা, সাহিত্য, সংস্কৃতিৰ প্ৰতি অমৰ অৱদান এৰি থৈ গৈছে। আজি আমি যি গৰাকী পুৰুষক সুঁৱৰি হাতত কাপ-ময়লাম তুলি লবলৈ দুঃসাহস কৰিছোঁ, সেইগৰাকী কৰ্মকুশলী, সমাজসেৱী, সাহিত্যসেৱী, অফুৰন্ত শক্তি আৰু সংগঠনত এগৰাকী প্ৰতিভাৱান পুৰুষ অসমৰ 'ডেকাবেজ', স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাও এই পুৰুষ-পৰম্পৰাৰে নাতি-পুতি। পূৰ্বপুৰুষসকলৰ প্ৰতিভাৰে পুষ্ঠ সেৱা-সংস্কৃতিৰ অফুৰন্ত উৎস লৈ মাধৱ বেজবৰুৱাই অসমত জন্মগ্ৰহণ কৰিছিলহি। কিন্তু অসম আৰু অসমীয়াৰ দুৰ্ভাগ্য যে এই ডেকো তেজৰ ডেকা বীৰ ডেকাবেজ মাধৱ বেজবৰুৱাৰ অকাল বিয়োগ ঘটিল। অসম আৰু অসমীয়াৰ কাৰণে তেওঁ কৰ্মৰ বিশাল পাতনি মেলিলে, কিন্তু তাৰ বিকাশ সাধন কিম্বা ফলাফল উপভোগ কৰিবলৈ ঈশ্বৰ পুৰুষে সময় নিদিলে। এয়া অসমৰ তথা অসমীয়া ৰাইজৰ কাৰণে আৰু অসমীয়া ডেকাদলৰ কাৰণে এক অপূৰণীয় ক্ষতি। এই কথা সুধীজনে স্বীকাৰ কৰিছে আৰু অনাগত হেজাৰজনে

স্বীকাৰ কৰিব এই সত্য।

বেজবৰুৱা পৰিয়ালৰ বংশলতাত উল্লেখিত "পুৰুষোত্তম বৰুৱা এজনা ক্ষমতাশালী ৰাজ-বিষয়া আছিল। তেৱেঁই পোনতে উজনীৰ মহাপুৰুষীয়া ধৰ্মৰ ঘাই সত্ৰ কমলাবাৰীৰ সংস্থাপক বদুলা আতা বা পদ্ম আতাৰ ওচৰত বৈষ্ণৱ ধৰ্ম গ্ৰহন কৰে। কমলাবাৰীখন পূৰ্বত পুৰুষোত্তম বৰুৱাৰ কমলাটেঙা অৰ্থাৎ সুমথিৰা টেঙাৰ বাৰী আছিল। বদুলা আতাই সেইখনকে খুজি লৈ তাত সত্ৰ স্থাপন কৰে।"

অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী

পুৰুষোত্তম বৰুৱাৰ পুতেক নিৰঞ্জন ৰজাঘৰীয়া বেজবৰুৱা আছিল আৰু তেওঁৰ পুত্ৰ জগন্নাথে বৰভঁৰালী বৰুৱাৰ বিষয়-বাব খাইছিল। উল্লেখযোগ্য যে এইগৰাকী পুৰুষৰ বৰজনা পত্নীৰ পৰা বঢ়া ঠালটোৰপৰাই আভিধানিক হেমচন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল। জগন্নাথ বৰভঁৰালী বৰুৱাৰ পুত্ৰ অঙ্গদ আৰু অঙ্গদ বেজবৰুৱাৰ পুত্ৰ কৃষ্ণৰাম বেজবৰুৱা। অঙ্গদ আৰু কৃষ্ণৰাম বেজবৰুৱা দুয়োগৰাকীয়ে স্বৰ্গদেউসকলৰ ৰজাঘৰীয়া বেজবৰুৱা আছিল।

কৈ থোৱা ভাল হব যে তাহানিৰ ডা-ডাঙৰীয়াসকলৰ প্ৰায়ে দুগৰাকীকৈ ভাৰ্য্যা আছিল। ডাঙৰ গৰাকী 'বৰঘৈণী' আৰু সৰু গৰাকী 'সৰুঘৈণী'—বৰ গৃহিণী আৰু সৰু গৃহিণী। কৃষ্ণৰামৰো দুগৰাকী ভাৰ্য্যা আছিল। বৰগৃহিণী চন্দ্ৰাৱলীৰ পুত্ৰ হলিৰাম বেজবৰুৱাৰ ঔৰসত অসমৰ স্বনামধন্য চাহ-খেতিয়ক সিংহপুৰুষ চন্দ্ৰকমল বেজবৰুৱাৰ জন্ম হৈছিল।

কৃষ্ণৰামৰ সৰুগৰাকী ভাৰ্য্যাৰ নাম আছিল গোমতী দেৱী। গোমতী দেৱীৰ পাঁচজনী কন্যা আৰু এজন মাথোঁ পুত্ৰ সন্তান। এৱেঁই বিখ্যাত ডাঙৰীয়া দীননাথ বেজবৰুৱা—যিগৰাকী পুৰুষে প্ৰাচীন বেজবৰুৱা পৰিয়ালৰ ভিতৰচ'ৰালৈ লৈ আহিল এহাতে প্ৰবীণতাৰ আভিজাত্য আৰু আনহাতে আধুনিক যুগৰ নৱন্যাসৰ সোণালী চন্দ্ৰতাপখনি; উভয়কে ৰজিতা খুৱাই এটি পৰিয়ালৰ শিলৰ ভেটিত সোণ-পানী ছটিয়ালে খিলঞ্জীয়াকৈ।

দীননাথে বাল্যকালত হলিৰামৰ ওচৰত বেজালি বিদ্যা নিয়াৰিকৈ শিকে আৰু সংস্কৃত টোলত সংস্কৃত পঢ়ি শাস্ত্ৰৰ গভীৰ জ্ঞানৰ অধিকাৰী হয়। ডাঙৰীয়া দীননাথে ১৯ বছৰ বয়সলৈকে সংস্কৃত বিদ্যা অধ্যয়ন কৰিছিল। অধ্যয়নৰ

অন্তত প্ৰথমা পত্নীৰ পাণি গ্ৰহন কৰে। বিবাহৰ কিছুদিনৰ পিছতে পিতৃ কৃষ্ণৰামৰ বিয়োগ ঘটে। দীননাথ বেজবৰুৱাৰ অন্যতম পুত্ৰ-ৰত্ন সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। আজিৰখন অসমত লক্ষ্মীনাথ বেজবৰুৱা জীৱিত নাই। কিন্তু বেজবৰুৱা বুলিলে এতিয়াও সৰ্বসাধাৰণে লক্ষ্মীনাথ বেজবৰুৱাকে বুজে। তেখেতৰ সাহিত্য-প্ৰতিভা আৰু সাহিত্যিক অৱদানৰ কথা অসমীয়া ভাষা সাহিত্যৰ ইতিহাসত সোণ-পানী চৰোৱা বৰ বৰ আখৰেৰে লিখা আছে। সাহিত্যৰথী বেজবৰুৱাই তেখেতৰ পিতৃ-পুৰুষ দীননাথ ডাঙৰীয়াৰ কথা এইদৰে লিখিছেঃ—

"......দীননাথ বেজবৰুৱা দেউতাৰ শাস্ত্ৰ-জ্ঞান, ধৰ্মনিষ্ঠা, কৰ্ম-কুশলতা আৰু ৰাইজৰ সাধাৰণ কাৰ্য্যত উৎসাহে সেইকালৰ শিৱসাগৰ কিয় অসমৰ ভিতৰত শ্ৰেষ্ঠ আসনৰ অধিকাৰী কৰি লৈছিল।" (বাঁহী)

ডাঙৰীয়া দীননাথ বেজবৰুৱাই তেওঁলোকৰ বংশাৱলী ১৭৬৬ শকত (বেজবৰুৱা বংশাৱলী) ৰচনা কৰে আৰু পিছত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তাক ১৮৪৮ শঁকৰ চ'ত মাহত ছপাই প্ৰথম প্ৰকাশ কৰে।

দীননাথ বেজবৰুৱা ডাঙৰীয়া এহাতে যেনেকৈ সমাজ-সেৱক পণ্ডিত পুৰুষ আৰু প্ৰতিভাশালী চিকিৎসক আছিল, আনহাতে তেনেকৈ সেইকালৰ ইংৰাজ চৰকাৰৰ অধীনত এগৰাকী সৰবৰহী ৰাজ-বিষয়াও আছিল। অসমদেশ কোম্পানীৰ হাতলৈ যোৱাৰ সময়ত আহোম ৰজাৰ ৰাজ-বিষয়া স্বৰ্গীয় দীননাথ বেজবৰুৱাক কোম্পানী চৰকাৰে 'প্ৰধান এচিষ্টেন্ট কমিচনাৰ' পদত নিয়োগ কৰে। এইপদ আজি-কালিৰ উপায়ুক্ত পদৰ সমপৰ্যায়ৰ আছিল। এই পদত সুখ্যাতিৰে চাকৰি কৰি অসমৰ নানা ঠাইত ভ্ৰমণ কৰে। অৱশেষত গুৱাহাটীৰ পৰা একষ্ট্ৰা এচিষ্টেন্ট কমিচনাৰ পদৰপৰা অৱসৰ গ্ৰহণ কৰে। ১৮৯৫ খৃষ্টাব্দৰ ২৭ মে তাৰিখে ৮২ বছৰ বয়সত তেখেতে কমলাবাৰী সত্ৰত নৰতনু ত্যাগ কৰে। তেখেতেই পোনতে শিৱসাগৰ চহৰৰ বেজবৰুৱা উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠা কৰি শিক্ষাবিদ পুত্ৰ গোবিন্দ বেজবৰুৱাক পৰিচালনাৰ দায়িত্বত অধিষ্ঠিত কৰিছিল।

ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ প্ৰথমা পত্নীৰ কথা আগতে উল্লেখ কৰা হৈছে। এই গৰাকী পত্নীৰ গৰ্ভত ছয় পুত্ৰ আৰু চাৰি গৰাকী কন্যাৰ জন্ম হৈছিল। দ্বিতীয়া গৰাকী পত্নীৰ নাম আছিল থানেশ্বৰী দেৱী। থানেশ্বৰী দেৱী

বংশলতাৰ ডালৰপৰা অসমৰ প্ৰথিতযশা প্ৰাচীন সাহিত্যিক অনন্ত কন্দলীৰ বংশোদ্ভৱা। থানেশ্বৰী দেৱীৰ সন্তানসকলৰ অন্যতম হ'ল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু লক্ষ্মীনাথৰ অগ্ৰজ ডাঙৰীয়া বিনন্দচন্দ্ৰ বেজবৰুৱা। এই গৰাকী পুৰুষৰ (স্ত্ৰী...ইন্দুমতী) পুত্ৰ হ'ল মাধৱচন্দ্ৰ বেজবৰুৱা তথা অসমৰ 'ডেকাবেজ', যাৰ জীৱনী-লিপি পৰম্পৰাৰ এই খিলা পাতনি হে।

জন্ম আৰু বাল্যকাল ঃ

ইংৰাজী ১৯১২ চনৰ মহাপুৰুষ মাধৱদেৱৰ জন্মতিথিৰ দিনা শিৱসাগৰ চহৰত মাধৱ বেজবৰুৱাৰ জন্ম হয়। তেওঁৰ পিতৃদেৱতাৰ নাম বিনন্দচন্দ্ৰ বেজবৰুৱা আৰু মাতৃদেৱীৰ নাম আছিল ইন্দুমতী দেৱী। মহাপুৰুষ মাধৱদেৱৰ জন্ম দিনত জন্ম লাভ কৰা কাৰণে তেওঁৰ নামো ৰখা হ'ল মাধৱ। মাধৱচন্দ্ৰ বেজবৰুৱাই পিছলৈ অসমীয়া ডেকা গাভৰুৰ চিৰ পৰিচিত 'ডেকাবেজ' নামে পৰিচিত হয়। সেই গৰাকী পুৰুষক সুঁৱৰি সুঁৱৰি আজি আমি তেখেতৰ জীৱন স্মৃতিৰ ছবি আঁকিবলৈ সশ্ৰদ্ধ যত্ন-বদ্ধপৰিকৰ। সফলতা ভগৱানৰ দান আৰু ৰাইজৰ আশীৰ্বাদৰ ফল। আৰু বিফলতা? বিফলতাই আমাৰ নিজস্ব অযোগ্যতাৰ পৰিচায়ক; ই সদায় ক্ষমাৰ স্থান পাব সুধী সমাজৰ ওচৰত; ই ধ্ৰুব সত্য।

যি লাই বাঢ়িব বোলে তাৰ দুপতীয়াতে চিন। মাধৱ বেজবৰুৱাৰ বাল্য-জীৱনতো এনে কিছুমান বিশেষ বিশেষ গুণৰ পৰিচয় ফুটি উঠিছিল যে সেয়ে তেওঁৰ আগলৈ দায়িত্ব বহনৰ বহুখিনি পৰিচয় ফুটাই তুলিছিল। "এটি কথা মনত ৰাখিব লগীয়া যে গুৰিগছ ভাল হলে সকলো ভাল। আজি কালি অৱশ্যে বৃহৎ গণতন্ত্ৰৰ দিনত এনে কথা কব লগীয়া নহয়। তথাপি অসমীয়া সমাজে ইয়াক এৰিব পৰা নাই।" (ভূবন সন্দিকৈ)। অসমীয়া সমাজ নালাগে, পৃথিৱীৰ সকলো সভ্য দেশতে পুৰুষ-পৰম্পৰা আৰু বংশৰ তেজৰ ধাৰাৰ প্ৰতিশ্ৰুতিৰ কথা একমুখে স্বীকাৰ কৰি আহিছে আৰু সদায় কৰিবও। কাৰণ ঔৰ গছত ঔটেঙা হে লাগে—বেল নালাগে। লাগিব নোৱাৰেও, ই প্ৰকৃতিৰ নিৰ্বন্ধ নিয়ম।

অসমৰ এটি স্বনামধন্য সাধক পৰিয়ালৰ সৰ্বতোমুখী প্ৰতিভাৰে

টোকা ঃ- "মাধৱ বেজবৰুৱাৰ নেতৃত্বত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাৰ অৰ্থে সদৌ অসমজোৰা পোনপ্ৰথম 'কনভেনচন'খন অনুষ্ঠিত হৈছিল ইয়াতেই (শিৱসাগৰত)। সভাপতি আছিল বেণুধৰ ৰাজখোৱা ডাঙৰীয়া।

— *অধ্যক্ষ পৰাগ চলিহা*

প্ৰতিভামণ্ডিত আৰু মাতৃকুলৰপৰাও বৰেণ্যজনৰ জ্ঞানৰ আলোকধৌত মহিমামণ্ডিত এধাৰি তেজৰ সোঁত শিৰে শিৰে লৈ মাধৱচন্দ্ৰই ভূ-ভাৰত্তত ভৰি দিছিলহি।

সেয়েহে তেওঁ ছাত্ৰ অৱস্থাৰপৰাই নিৰ্ভীক উৎসাহী আৰু সকলো সমজুৱা কামতে আগৰণুৱা হব পাৰিছিল। অসম আৰু অসমীয়া জাতিৰ সেৱাৰ প্ৰতি মাধৱ বেজবৰুৱাই প্ৰেৰণা পাইছিল সৰুৰেপৰা; কৰ্ম-ক্ষেত্ৰত তেওঁ নামি পৰিছিল বাল্যাৱস্থাৰেপৰা। তেওঁ হৈ পৰিছিল অপ্ৰতিদ্বন্দী, অপৰাজেয় এগৰাকী বহুমুখী ছাত্ৰ-নেতা।

১৯৩৬ চন। অসম ছাত্ৰ সভাৰ বছেৰেকীয়া অধিবেশন বহিছে সেইবাৰ শিৱসাগৰত। মাধৱ বেজবৰুৱা আছিল অভ্যৰ্থনা সমিতিৰ সভাপতি। আৰু দৰাচলতে কবলৈ গ'লে বেজবৰুৱাদেৱৰ অক্লান্ত পৰিশ্ৰমৰ বলতেই সদৌ অসম ছাত্ৰসভাৰ অধিবেশন সেইবাৰ শিৱসাগৰত অনুষ্ঠিত হবলৈ পাইছিল। সভাৰ মুকলি অধিবেশনত তেওঁ (মাধৱ বেজবৰুৱাই) মন মেলিলে সেই বছৰৰ বাবে ছাত্ৰসভাৰ সম্পাদক হবলৈ। ইফালে তেওঁৰ বিপক্ষে দণ্ডায়মান কেবাগৰাকীও শকত প্ৰাৰ্থী। কোনোৱে আত্মপক্ষ সমৰ্থন কৰি প্ৰচাৰ চলোৱাত ত্ৰুটি কৰা নাই। পাৰিৱেশ এক উত্তপ্ত বতাহে ঢাকি ধৰিছে। কিন্তু যথা সময়ত যেতিয়া ভোট লোৱা হ'ল তেতিয়া তুমুল হৰ্ষ-ধ্বনিৰ মাজত মাধৱ বেজবৰুৱাৰ ব্যক্তিত্ব আৰু জনপ্ৰিয়তাৰ জয় ঘোষিত হ'ল। ডেকাবেজ জীৱনৰ প্ৰথম ভোট-যুদ্ধত জয়ী হৈ সদৌ অসম ছাত্ৰ-সভাৰ সম্পাদকৰ পদত অধিষ্ঠিত হ'ল।

বেজবৰুৱা আছিল সেই শ্ৰেণীৰ যুৱক নেতা, সেই শ্ৰেণীৰ কৰ্মী, যিয়ে স্বপ্ন দেখিছিল বহল ভাৰতবৰ্ষৰ বুকুতে এক বিৰাট ভৱিষ্যত, এক বৃহৎ অসমীয়া জাতিৰ সুকীয়া অস্তিত্ব। অসমৰ, একো একোটি উদ্দেশ্যকে বুকুত বান্ধি লৈ অসমৰ পৰ্বতে পাহাৰে, হাবিয়ে-জংঘলে, নেপালী, পাহাৰী, অসমীয়া, অনাঅসমীয়া সকলোৰে মাজত ঘূৰি ফুৰিছিল অসমীয়া ভাষা প্ৰচাৰৰ বাবে। পৰ্বতীয়া ভাইসকলে যাতে নিজৰ সুকীয়া অস্তিত্ব, ক্ষুদ্ৰ স্বাৰ্থৰ কথা পাহৰি গৈ এক বৃহৎ অসমীয়া জাতিৰ মাজত সোমাই পৰি নিজকে অসমীয়া বুলিহে পৰিচয় দিব পাৰে। পৰ্বতীয়া ভাইসকল যে বৃহৎ অসমীয়া জাতিৰে এক অবিচ্ছেদ্য অঙ্গ এই কথা মাধৱ বেজবৰুৱাই কেৱল তেওঁৰ লিখনিৰ দ্বাৰাই প্ৰকাশ কৰা নাছিল, পৰ্বতে-

পাহাৰে ঘূৰিও এই কথা প্ৰচাৰৰ চেষ্টা কৰিছিল। অসমত নিগাজী হৈ যোৱা হাজাৰ হাজাৰ চাহ-বাগিছাৰ বনুৱাসকল আৰু অসমত স্থায়ীভাৱে বসতি লোৱা অন্যান্য অনা-অসমীয়াসকলৰ মাজত সোমাই তেওঁলোকক অসমীয়া বুলি চিনাকি দিয়াবলৈ প্ৰেৰণাৰ যোগান ধৰিছিল।

মানুহ পিয়লৰ সময়ত সেইবাবেই তেওঁ অসমৰ নানান ঠাই ভ্ৰমণ কৰি ঘূৰি ফুৰিবলগীয়া হৈছিল। তাৰ ফল স্বৰূপে মণিপুৰ আৰু বৰ্তমানৰ নগাভূমিকে লৈ সদিয়াৰপৰা ধুবুৰী পৰ্য্যন্ত অসমীয়া ভাষাৰ প্ৰতি সকলো লোকৰে শ্ৰদ্ধা আৰু অসমীয়া জাতিৰ প্ৰতি সম্প্ৰীতিৰ মোহ ক্ৰমাৎ বাঢ়ি আহিছিল।

কৰ্মকুশলী মাধৱ বেজবৰুৱাৰ কৰ্মময় জীৱনৰ পৰিচয় কেৱল এয়েই নহয়। উৎসাহৰ একুৰা জুই বুকুত বান্ধি লৈ বেজবৰুৱাদেৱে কৰ্মক্ষেত্ৰত জপিয়াই পৰিছিল। সৰ্বভাৰতীয় সমস্যাবোৰৰ লগতে তেওঁ অসমৰ সমস্যাৱলীৰ প্ৰতিও প্ৰাধান্য দিছিল। য'তে অসম আৰু অসমীয়াৰ স্বাৰ্থ ক্ষুন্ন হোৱাৰ আশঙ্কাই দেখা দিছিল ত'তে তেওঁ ধুমুহাৰ দৰে হিল-দ'ল ভাঙি উপস্থিত হৈছিল গৈ। অসমৰ কথা, অসমৰ ঐতিহ্য, অসমৰ জাতীয় সমস্যাসমূহ ভাৰতৰ অন্যান্য ঠাইত জনাবলৈ বুলিয়েই এসময়ত তেওঁ 'দুৰ্জয়লিঙ্গৰ'পৰা (দাৰ্জিলিং) দাক্ষিণাত্যৰ কন্যাকুমাৰীলৈকে ভ্ৰমণ কৰিছিল। তেওঁৰ এই ভ্ৰমণ কাহিনীবোৰ কিমান উদাৰ, কিমান উদ্দেশ্যধৰ্মী আৰু কিমান সবল আবেগময়ী তাক উপলব্ধি কৰিব পাৰি সেই সময়ৰ আলোচনীত প্ৰকাশিত ভ্ৰমণ-কাহিনীবোৰৰ কথাত। আৰু এটা কথা তাত ওলাই পৰে যে বেজবৰুৱা মাধৱচন্দ্ৰ অকল অসমীয়াই নহয়, তেওঁ ভাৰতীয়ৰ আৰু অসমৰ প্ৰতি কৰা সেৱা আৰু ত্যাগ ভাৰতৰ প্ৰতিও কৰা সেৱা আৰু ত্যাগ-স্বীকাৰৰ প্ৰতীক।

ডেকাবেজ মাধৱচন্দ্ৰ কেৱল একেধাৰে লিখক, সাংবাদিক, বক্তা আৰু পৰ্য্যটকেই নাছিল। তেওঁ এগৰাকী ব্যায়াম-কুশলী, খেল-ধেমালিত উৎসাহী আৰু পাকৈত শক্তিমান যুৱকো আছিল। ছাত্ৰ অৱস্থাত নিজৰ জন্মস্থান শিৱসাগৰত ব্যায়াম-সংঘ স্থাপন কৰি ছাত্ৰসকলৰ মাজত শৰীৰ চৰ্চাৰ বাবে উৎসাহ আৰু সা-সুবিধা কৰি দিছিল। তেওঁতকৈ বয়সত সৰু সৰু ছাত্ৰসকলকো "ভাইটি আহিবা দেই ব্যায়াম-সংঘলৈ" বুলি বাটেৰে যাওঁতেও পিঠিত চপৰিয়াই আহ্বান জনাই গৈছিল। লৰালিৰ এই ভাইটিহঁত'ক জীৱনত কোনো দিন পাহৰা নাছিল,

অৱহেলা কৰা নাছিল। আনকি মুখেৰে এযাৰ খবৰ লৈ আহিব নোৱাৰিলেও এখন পোষ্টকাৰ্ডত দুযাৰ লিখি খবৰ এটা কৰিছিল—ভাল বেয়াৰ। "তোমাক বহুত দিন লগ পোৱাই নাই। আশাকৰোঁ ভালে আছা। মোৰ বিয়াৰ চিঠি পাবা। যেনে তেনে আহিবাদেই।" শিৱসাগৰ এৰি গৈ কলিকতা পোৱাৰ কেবাবছৰৰ পিছতে তেওঁৰ স্নেহৰ ভাইটিহঁতে কলেজৰ তোৰণ-দ্বাৰত থিয় হৈও ডেকাবেজৰ বিয়াৰ চিঠি স্নেহৰ নিমন্ত্ৰণ পত্ৰ পঢ়িছিল; নিমন্ত্ৰণ গ্ৰহণো কৰিছিল।*

১৯২৯ চনৰ কথা। শিৱসাগৰত তেতিয়া চিভিলিয়ান ইনামুল মজিদ চাহাব মহকুমাধিপতি। তেখেতো আছিল এগৰাকী খেল-ধেমালিত উৎসাহী অসমীয়া ডেকা আই. চি. এচ. বিষয়া। তেখেতৰ উৎসাহতে তাত দৌৰ প্ৰতিযোগিতা এটা পতা হয় আৰু শিৱসাগৰৰ বৰপুখুৰীৰ চাৰিটা পাৰ প্ৰায় দু মাইল দৌৰ প্ৰতিযোগিতাৰ কাৰণে নিৰূপণ কৰি এটি ৰূপৰ কাপ প্ৰদান কৰে। এই প্ৰতিযোগিতাত চহৰ আৰু ওচৰ কাষৰীয়া দৌৰ-প্ৰতিযোগীসকলে যোগদান কৰিছিল। তাতে ভৱিষ্যত অসমৰ কৰ্মবীৰ ছাত্ৰ মাধৱ বেজবৰুৱাই প্ৰথম স্থান লাভ কৰি বঁটা লাভ কৰাৰ গৌৰৱ অৰ্জন কৰে। সোঁৱৰণি লিখকে সমল বিচাৰি কেবাদিনো শিৱসাগৰত থকা কালত ধাইআলিত থকা সেই কালৰ প্ৰতিযোগীসকলৰ দুই একক ব্যক্তিগত ভাৱে লগ ধৰিবলৈ সুযোগ পাইছিল। দৌৰত দ্বিতীয় স্থান পোৱাগৰাকীক লগ ধৰি কথা-বতৰা হোৱাত এই বুঢ়া বয়সতো তেওঁৰ চকুত সফলতাৰ জেউতি আৰু প্ৰতিযোগিতাৰ প্ৰতিজ্ঞাৰ উমান পাইছিল। (চেপ্তেম্বৰ ৭১)। এনেবোৰ কথাক আমাৰ বহুতে সৰু কথা বুলি বৰ গুৰুত্ব নিদিয়ে। কিন্তু তাৰ তাৎপৰ্য্য আৰু অন্তৰ্নিহিত শিক্ষামূলক দিশটোৰ কথাও ভাবি চাব লগীয়া বিষয়।

ভাৰতবৰ্ষৰ ৰাজ্যবোৰৰ ভিতৰত বঙ্গদেশেই আমাৰ নিকটতম চুবুৰীয়া। ৰাষ্ট্ৰীয় বিষয়ক্ষেত্ৰত প্ৰতিযোগিতাৰ ক্ষেত্ৰত কথাই নাই ৰাজ্যৰ ভিতৰতে আমি একালত এইখন ৰাজ্যৰ প্ৰতিভাৰ লগত ফেৰ মাৰি চলিব লগা অৱস্থা ঘটে। (আজিও ঘটি আছে) তেতিয়া আমাৰ মনত স্বাভাৱিকতে এটি অন্তৰ্দাহৰ ভাৱ

*এই অংশ শিৱসাগৰৰ শ্ৰী ৰাজাৰাম সিংহৰ ২৩/১১/৪৬ ইংৰাজী তাৰিখে লিখিত টোকা, উপাচাৰ্য্য শ্ৰদ্ধেয় সুৰেশচন্দ্ৰ ৰাজখোৱা আৰু মেঘালয় ৰাজ্যৰ শিক্ষাধিকাৰ শ্ৰীনুৰুল ইছলাম চাহাবৰ লগত হোৱা আলোচনাৰপৰা পোৱা সমলফেৰিৰে যুগুত কৰা হৈছে। —সম্পাদক।

জাগি উঠে। বিশেষকৈ যেতিয়া আমি উপলব্ধি কৰোঁ যে আমাৰ ওপৰত আমাৰ সাধুতা, সৰলতা কিম্বা অজ্ঞতাৰ অজুহাত লৈ কোনো কোনো স্বাৰ্থান্বেষী ব্যক্তি বা দলে আমাৰ ওপৰত অহেতুক নীচাত্মিকাৰ চাব-মোহৰ মাৰি দিয়ে। এইটো স্বাভাৱিক ৰীতি, তাক লুক-ঢাক কৰি ৰখা নেযায়।

অসমতকৈ প্ৰায় দেড়শ শতাব্দীৰো অধিক কাল ইংৰাজৰ বহতীয়া হৈ পশ্চিমৰ প্ৰভাৱত গঢ়ি উঠা পশ্চিমৰ ৰাজ্যসমূহে নৱযুগৰ সুচল-সুবিধাবোৰ আগতীয়াকৈ উপভোগ কৰি আহিছে। যি কালত পৰাধীনতাৰ শিকলি পিন্ধি সেই সেই ৰাজ্যৰ লোকসকল প্ৰায় সহজ হৈ পৰিছে—সেই কালত অৰ্থাৎ ১৮২৬ ইংৰাজী খৃষ্টাব্দৰপৰা নতুনকৈ ইংৰাজ কোম্পানীৰ তলতীয়া হৈ 'মহাৰাণীৰ শৰণ' গ্ৰহণক অসমৰ ৰাইজে কথাই কথাই আনকি আচহুৱা পৰিৱেশত নিজৰ অস্তিত্বৰ প্ৰতি সন্দিহান হৈ পৰিছিল। নতুনক গ্ৰহন কিম্বা বৰ্জনৰ যোগ্যতো বিচাৰি বৰনৈৰ বুকুৰ পানীৰ তলৰ বালিচৰত লাগি ধৰা বৰা নাওখনৰ দৰে দেশৰ লোক অসহায়ভাৱে বৈ আছিল। সেই সময়ছোৱা অতিক্ৰম কৰি ৰাষ্ট্ৰৰ অন্যান্য ৰাজ্যৰ সমানে খোজ দিবলৈ আমাক অনেক যুগৰ ব্যৱধানে পিছুৱাই ৰখালে। আনহাতে অসমৰ জনগণে ইংৰাজৰ চাতুৰি বুজি পাইও পৰিস্থিতিৰ মেৰ-জালত কিংকৰ্তব্যবিমূঢ় হৈ অটল-অচল হৈ বৈ থাকিল। এদলে যে এই অভিশাপ মোচনৰ বাবে চেষ্টা নকৰি বহি থাকিল সিও নহয়; কিন্তু নোৱাৰিলে। কালত॰অসম ইংৰাজৰ পূৰ্ণ পৰ্যায়ৰ অধীনতাৰ বশ হ'ল। কিন্তু এটি সহজ পাৰ্থক্য ইতিহাসৰ নিলিখা পাতখিলাই সামৰি থলে।

ইফালে নতুন যুগৰ নৱ-দীক্ষিত সমাজৰ এক শ্ৰেণীয়ে আন্তঃপ্ৰাদেশিক ক্ষেত্ৰত অসমে উচিত আসন লাভ কৰিব নোৱৰাৰ গভীৰ চিন্তাত বিচলিত হৈ পৰিল। মাধৱ বেজবৰুৱাও এই দলৰ আৰু এই সময়ৰ আন এগৰাকী চৰমপন্থী প্ৰতিনিধি। চৰমপন্থী হলেও তেওঁ উদাৰ আৰু সমস্যাৰ সমাধানৰ পথ বিচাৰি নিজৰ উদণ্ড মনটোক সমাধানমুখী কৈ সাজু কৰি লব পাৰিছিল। এইখিনি মাধৱ বেজবৰুৱাৰ বিশেষত্বৰ আন এটি দিশ। সেই কাৰণে তেতিয়াই তেওঁ ইংৰাজীৰ উপৰিও সেই সময়ৰ হিন্দুস্থানী ভাষা শিক্ষা কৰি অসমৰ লোকে সৰ্বভাৰতীয় স্তৰত নিজক খাপখুৱাই লব পৰাৰ পৰিকল্পনাটোক গ্ৰহন কৰিছিল। তেওঁ নিজে আছিল এই পথৰ আগৰুৱা। অসমৰ স্বাৰ্থক জলাঞ্জলি দি সৰ্বভাৰতীয় হোৱাত

কিন্তু তেওঁ পক্ষপাতী নাছিল। অথচ তেওঁ আছিল স্বদেশী আন্দোলন আৰু স্বাধীনতা-যুঁজৰ প্ৰথম শ্ৰেণীৰ সৈনিক। অসমক ভাৰতীয়কৰণ আৰু ভাৰতক আপোন কৰণৰ মন্ত্ৰ লৈ তেওঁ এই স্বদেশিকতাৰ দীক্ষা গ্ৰহন কৰিছিল। অথচ তেওঁ দেখাত কংগ্ৰেছ্ মহাসভাৰ তথাকথিত বৰ অনুৰক্ত ভক্তও নাছিল। আছিল এগৰাকী উদীয়মান স্বদেশ প্ৰীতিৰে অন্তৰ উপচিপৰা ভাৰতবৰ্ষৰ অসমীয়া ডেকা; ডেকা বেজবৰুৱা। ডেকাবেজৰ আদৰ্শত উৎকট মলিনতা নাছিল; তাত আছিল শালীনতাৰ সুষমামণ্ডিত আকাঙ্খাৰ আকাশলঙ্ঘী বাস্তৱতাৰ সোণালী স্বপ্ন।

কিন্তু কালে যেন ৰং চালে। ডেকাবেজৰ ডেকা বুকুৰ তপত তেজৰ ধমনী এদিন থিতাতে বন্ধ হৈ গ'ল। এয়া আমাৰে দুৰ্ভাগ্য। এয়া অসমৰ কাৰণে এক প্ৰকাৰ এটি অভিশাপ।

কৰ্মকুশলী মাধৱ বেজবৰুৱা

স্মৃতি তৰ্পণ ঃ

মানুহে মৃত্যুৰ বৰপাগ মাৰি জন্মগ্ৰহন কৰে। এই মৃত্যুৰপৰা হাত সাৰি আজিলৈকে কোনোৱে থাকিবপৰা নাই, কিম্বা আগলৈকো নাথাকিব।

আজিকালি নহলেও এশ বছৰত;
এদিন পৰিব লাগে মৃত্যুৰ হাতত।

ধনাই বড়া

কিন্তু মৃত্যুক জয় কৰি অমৰত্ব লাভ কৰি যোৱা লোকৰো এই মৰ্ত্যৰ বুকুত অভাৱ ঘটা নাই। জন্ম আৰু মৃত্যুৰ দুখন তোৰণদ্বাৰ সৰকি যোৱা সাধাৰণ মানুহৰ কথা এক আৰু তাৰ সামান্য ব্যৱধানৰ সময় জীৱনটোৰ আয়ুসখিনিক 'বজ্ৰলেপ' লগাই নিজৰ কৰ্মশক্তিৰ অফুৰন্ত প্ৰতিভাৰে তিলতিলকৈ জীৱনৰ শলিতা গছি পুৰি থৈ যোৱাসকলৰ কথা অন্য ধৰণৰ।

মোৰ ক্ষুদ্ৰ জীৱনটোলৈ এজন এনে পুৰুষৰ প্ৰভাৱ সূৰ্য্যৰ কিৰণৰ দৰে গতিশীল হৈ পৰিছিলহি। আজি সুঁৱৰিছো সেই গৰাকী পুৰুষৰ কথা আৰু মনত পৰিছে আজি ডেৰকুৰি বছৰৰ আগৰ অসমৰ এখনি সজীৱ চিত্ৰৰ কথা। বহু কথা সুঁৱৰি, বহু কাহিনীৰ উক লৈ থমকি থমকি এই অকণমান প্ৰবন্ধ এটি লিখিবলৈ বহিছোঁ।

মানুহজনৰ নাম আছিল মাধৱ বেজবৰুৱা। নিজে লিখিছিল 'ডেকা বেজবৰুৱা' আৰু লগৰ সমনীয়াইও আদৰকৈ 'ডেকাবেজ' বুলি হে ভাল পাইছিল। ১৯৪০ ইংৰাজী চনৰ কোনোবা এটি শাৰদী পুৱাতে দেখা হৈছিল তেওঁৰ লগত মোৰ দ্বিতীয়বাৰ। শোণিত-নগৰ তেজপুৰত; মোৰ কোনোবা এজন বন্ধুৰ ঘৰত। যাৰ ঘৰত দেখা হৈছিল তেওঁও আজি নাই—মই আজি তেওঁকো স্মৰণ কৰিছোঁ। তাতেই মাধৱচন্দ্ৰ বেজবৰুৱাৰ লগত মোৰ এক প্ৰকাৰ শত্ৰুভাৱেই দৰ্শন লাভ

হ'ল। প্ৰথম আক্ৰমণ চলিছিল এই অভাজনৰপৰাই। সাধাৰণ ভাষা সাহিত্যৰ আলোচনাত, আদৰ্শৰ উৎস লৈ বাক্যুদ্ধৰ চক্ৰবেহুত সোমাই পৰি দুয়ো বীৰ ভাগৰি পৰাৰ আগতে আমাৰ তৃতীয় বন্ধুৰ সহযোগত বাক্ যুদ্ধৰ উপশম ঘটিল। পৰস্পৰ চা-চিনাকি কৰি দিলে তেখেতে। ফলত বাক্যৰ অস্ত্ৰ সামৰি লৈ পৰস্পৰে হৈ পৰিলোঁ পৰম বন্ধু—বন্ধুতকৈ মৰমৰ মই হৈ পৰিলোঁ মাধৱ বেজবৰুৱাৰ 'ভাতৃ' স্বৰূপ। মাধৱ হল মোৰ দাদা, 'মাধৱদা'-এই সম্পৰ্ক তেজ-মঙহৰ আছিল। কিন্তু তাতোকৈ গাঢ় হৈ পৰিছিল আমাৰ দুজনৰ জীৱনৰ আত্মীয়তা। এই আত্মীয়তাৰ উজ্জ্বলতাৰ দাগটো বংশজ তেজৰ কেঁচা দাগটোতকৈ কোনো গুণেই নিষ্প্ৰভ নাছিল।

এই লিখকে এদিন অসম এৰি গুচি যাবলগীয়া হৈছিল অসমৰ বাহিৰলৈ একেবাহে বহুবছৰৰ বাবে—মাকৰ বুকুত কেঁচুৱা প্ৰথম পুত্ৰক এৰি থৈ। এনেয়ে এই ধৰণৰ ভীষ্ম-প্ৰতিজ্ঞা মোৰ দৰে মানুহেও কেতিয়াবা হে কৰিছে হবলা। তাকো অযথাই নকৰে এই কথা পঢুৱৈ সমাজে বিশ্বাস কৰিব নিশ্চয় আৰু ক্ষমা কৰিব এই বুলি যে আনৰ কথা কবলৈ গৈ নিজৰ কথাৰে প্ৰবন্ধৰ পাত ভৰাই দিলোঁ বুলি। সেয়ে যি নহওক, মই মোৰ কথা কৈ গলোঁ। তাৰ বাবে কোনো অনুশোচনা নাই; কোনো আত্মগ্লানিও বোধ নকৰিম কোনো দিনে। মোৰ দৰে যদি কোনোবা হতভাগাই কেতিয়াবা অভিশপ্ত জীৱন লে মোৰদৰে স্বেচ্ছাই বৰণ কৰি লোৱা যক্ষৰ জীৱনৰ দুখ-বেদনা বহন কৰিবলগীয়া হৈছে বা হয় তেনেহলে তেওঁলোকলৈও অকণমান মোৰ সহানুভূতি এৰি থৈ গলোঁ।

এৰা, এতিয়াও কথাবোৰ ভাবিলে কিবা তিতা-কেঁহা লাগি যায়, যদিও মই তেওঁলোকক ক্ষমা কৰিছোঁ ভগৱানক সাক্ষী কৰি। ভগৱানে মোক পৰীক্ষা কৰিছিল বোধহয়। আজি তেওঁলোক নাই এইখন পৃথিৱীত। তেওঁলোকৰ নাম কৈও আনক আমনি কৰিব খোজা নাই; কাৰণ পৃথিৱীখন কাৰোৰে বাবে চিৰন্তন নহয়। সকলোৰেই এদিন সুদা হাতে এৰি থৈ যাবই লাগিব। ......অসমখন এৰি থৈ গৈছিলোঁ অসমলৈ আৰু উলটি নাহোঁয়ে বুলি। পিছে কেবাবছৰৰ মূৰত এবেলি ঘূৰি আহিছিলোঁ। তেতিয়া অসমৰ একশ্ৰেণীৰ বৰলোকৰ...চকৰী ফেঁটীৰ দৰে বিষৰ দাঁতবোৰ সৰি গৈছে। আমাৰ দৰে পিছপৰা গাঁৱৰপৰা ওলাই অহা অসহায় ডেকা এদলৰ সহায়ৰ কাৰণে, অকমান সহানুভূতিৰ কাৰণে অৱশ্যে

দুই এজন দেৱতুল্য লোকৰ তেতিয়াও অভাৱ ঘটা নাছিল। আজিও আমি তেওঁলোকলৈ শ্ৰদ্ধাৰ চকুৰে সদায় চাইছোঁ—স্মৰণ কৰিছোঁ। সাহিত্য-সাধনাত নীচাত্মিকতাৰ স্থান নাই। আমি কালৈকো যেন স্মৃতিৰ অন্তৰালত হুমুনিয়াহৰ তপত ধোঁৱা এৰি থৈ যাব গৈ নোৱাৰোঁ। ভগৱান করুণাময়। তেওঁ আমাৰ সকলোকে ক্ষমা কৰক। আমাৰ সকলো দোষ-ত্ৰুটিৰ বাবে পৰম করুণাময়ে ক্ষমাৰ দৃষ্টি দান কৰক। এইকণ প্ৰাৰ্থনা জনাই থলোঁ।

কলিকতা মহানগৰী। তাত মানুহৰ মহাসমুদ্ৰৰ চাকনৈয়াত আমি পৰিছিলোঁগৈ। আমি একোডালিহঁত তৃণতকৈও সৰু। মানুহৰ মহাৰণ্যত মই আছিলোঁ বনবাসী; অকলশৰীয়া। তাতেই ৺মাধৱদাই মোক আদৰ্শৰ মন্ত্ৰ ।.লে; সাধনাৰ দীক্ষাদান দিলে। বাঁহীৰ সম্পাদক স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাৰ এইকণ স্নেহৰ ঋণ এই অভাজনে কোনো দিনে পৰিশোধ কৰিব নোৱাৰিব। মোৰ প্ৰতিজ্ঞা ভঙ্গ কৰি আকৌ অসমৰ অসমীয়া হৈ অসমৰ চিৰচেনেহী কোলাত জিৰণি লভিলোঁহি।......

তেতিয়া অসমত "সাদিনীয়া অসমীয়া" কাকতখন হে কোনোমতে টিকি আছিল। সৰ্বজনপ্ৰিয় আৱাহন এটৌৰ ওপৰত আৰু এটৌৰ তলত পৰি কক্বকাই আছিল। দ্বিতীয় মহাসমৰৰ অভিশাপ মূৰত লৈ 'ডেকাবেজে' ৺সাহিত্যৰথীৰ 'বাঁহী'ৰ সম্পাদনা হাতত লৈ মাহেকীয়া, সাদিনীয়া আদিলৈ ৰূপান্তৰিত কৰি তাৰ বুকুতে আঁচুসূতা পাৰি দিছিল। শিশু-আলোচনী 'কেচাপাত'ৰ শিল্পী কলাগুৰু ৺বিষ্ণুপ্ৰসাদ ৰাভাই তাত ৰহণ চৰাই অসম বুলীয়া ফুলপাতৰ জালি কাটিছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ গীত আৰু কবিতাই বাঁহীৰ সুৰত অসমৰ বুকুত ডেকা-গাভৰুৰ শিৰা-উপশিৰাত প্ৰেৰণাৰ জোৰ জ্বালিছিল। অসমৰ ডেকাচামে প্ৰাণত নতুন বল পাইছিল। ডেকাবেজে এটি অসমীয়া প্ৰাণলৈ অসমৰ সেৱা, অসমৰ ভাষা জননীৰ পূজাত আহ্বানৰ বৰকাঁহ বজাই অসমৰ ইমূৰৰপৰা সিমূৰলৈ হিল্-দল্ ভাঙি কৈ ফুৰিছিল — "দেশতকৈ কোনোৱে ডাঙৰ নহয়" বুলি। অসমৰ বিশ্ববিদ্যালয় প্ৰস্তাৱ লৈ বিশ্ববিদ্যালয়ৰ কমিটীয়ে বৰঙণি ভিক্ষাৰ বৰ জোলোঙাখন লোকপ্ৰিয় বৰদলৈদেৱৰ কান্ধত আঁৰি দিছিল। আৰু মাধৱ বেজবৰুৱাই কলিকতাত ছপাশালত বহি বহি বিশ্ববিদ্যালয়ৰ প্ৰচাৰপত্ৰৰ মুদ্ৰণ পৰীক্ষা কৰি বহল প্ৰচাৰৰ প্ৰাচীৰৰ ভেঁটি গঢ়িছিল।

কিন্তু কালে হাঁহিছিল। যৌৱনৰ উচ্ছ্বাস উদ্যমক বিহু-কাঁড় মাৰি ক্ষয়ৰোগৰ বীজাণুৱে 'ডেকাবেজ'ৰ গতিৰ ধাৰাটো এদিন হঠাতে ব্যাহত কৰি পেলালে। মাধৱদা শেঁতেলীত শুই পৰিল। ডাক্তৰে সকলো কৰ্মৰপৰা বিৰত কৰি দিলে। তেখেতৰ কক্ষত যাৰে তাৰে প্ৰবেশ নিষেধ কৰি চিকিৎসাৰ ব্যৱস্থা কৰা হল। একমাত্ৰ অকণি পুত্ৰ শ্ৰীমান ৰাণাক অসমলৈ পঠাই দি তেখেতৰ পত্নী শ্ৰীযুতা উষালতা বেজবৰুৱাই নিজে শুশ্ৰূষাৰ দায়িত্ব বহন কৰিলে। কিন্তু ⁻⁻লিকতাৰ চিকিৎসাই তেওঁক নাটিলে। মাদ্ৰাজৰ ভেলোৰত থকা বৃহৎ চিকিৎসালয় আৰোগ্যৰমলৈ তেখেতক স্থানান্তৰ কৰা হল। লগত গ'ল অগ্ৰজ শ্ৰীযুত আনন্দচন্দ্ৰ বেজবৰুৱা। শেষৰ পিনে শ্ৰীযুত বেজবৰুৱাণীও তালৈ যাত্ৰা কৰিলে। তাত থকা আধুনিক চিকিৎসাৰ সকলো ব্যৱস্থা কৰা হল। কিন্তু নহল। একোৱে সম্ভৱ হৈ উঠিল। অসমৰ 'ডেকাবেজ' মাধৱৰ শৰীৰত চিকিৎসাৰ পৈণত বেজসকলৰ সকলো চেষ্টা ব্যৰ্থ হল। ডেকা-বেজৰ ডেকা তেজৰ অফুৰন্ত উৎস শেষ হৈ গ'ল। ক্ষয়ৰূপী ৰাক্ষসিনীৰ জয় হ'ল। ১৯৪৬ ইংৰাজী চনৰ লক্ষ্মী পূৰ্ণিমাৰ দিনা মাত্ৰ একুৰি চৈধ্য বছৰীয়া মাধৱচন্দ্ৰ বেজবৰুৱাৰ জীৱন-বন্তি নুমাই গ'ল। পৰিয়ালৰ প্ৰতিজনৰ প্ৰাণকেন্দ্ৰত শোকৰ আৰ্তনাদ এৰি থৈ তেওঁ ইহলীলা সামৰিলে। ডেকা অসমৰ অপ্ৰতিদ্বন্দ্বী নেতা গৰাকীৰ বিয়োগে ইমূৰৰপৰা সিমূৰলৈ শোকৰ ছাঁ পেলালে। যুৱক তেজৰ অগ্নিশিখা হঠাতে নিৰ্বাপিত হ'ল।

মৃত্যুশয্যাত পৰি থাকিও তেখেতে কৈ গ'ল—আমি দেশক চালে—দেশেও আমাক চাব।

আজি অসমৰ লোকে তেওঁক স্মৰণ কৰিছে। বিশ্ববিদ্যালয় প্ৰাঙ্গণত মাধৱ বেজবৰুৱাৰ নামত ছাত্ৰাবাস, শিৱসাগৰ কলেজৰ কতৃপক্ষই প্ৰায় ডেৰলক্ষ ৰূপ খৰচ কৰি ৰাইজৰ বৰঙণি আৰু ছাত্ৰসকলৰ অৰিহণাৰে সুন্দৰ অট্টালিকা নিৰ্মাণ কৰিছে—'মাধৱচন্দ্ৰ বেজবৰুৱা হল'। তেওঁৰ বন্ধুসকলে এখন জীৱনী গ্ৰন্থৰ আয়োজন চলাইছে। হয়তো এই সকলোৱে হৈ উঠিব গৈ। এই স্মৃতিৰ প্ৰতি পুষ্পাঞ্জলি দি অসমৰ ডেকাসকলে মাধৱ বেজবৰুৱাৰ স্মৃতিক সজীৱ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। কিন্তু মাধৱ বেজবৰুৱাৰ নুমাই যোৱা বন্তিগছি আৰু জানো কেতিয়াবা জ্বলি উঠিব কোনো দিন, কোনো কালে। তথাপিও—

"কতজনে কতবাৰ এইদৰে আহি তাৰ
ঢালি দিব তেজধাৰা মৰণ-বেদীত,
স্বদেশৰ হিত বুলি দিবহি আপোন বলি
আঁকিবহি জয়লেখা এই পৃথিৱীত।"

(ডেকাগিৰি ৰণত পৰিল; বৰদৈচিলা)

"ডেকাবেজ"

"তৰিলে স্বদেশ পাম মৰিলে স্বৰ্গলৈ যাম
এটি মাথোঁ মন্ত্ৰ লৈ কৰ্তব্য সাধিলে,
মৰণক জয় কৰি গুৰুৰ আশীষ ধৰি
স্বদেশ স্বজাতি স্মৰি প্ৰাণ তিয়াগিলে।"

(ডেকাগিৰি কলাত পৰিল, বৰদৈচিলা)

অসমৰ 'ডেকা বেজ'

ভুবন চন্দ্ৰ সন্দিকৈ

আজি আমাৰ দেশত উঠি অহা ডেকাসকলে, বা নপুৰষসকলে আজি প্ৰায় পঁচিশ বছৰমানৰ আগৰ এজন ডেকাৰ কথা জানে নে নাজানে কব নোৱাৰোঁ। সেইজন ডেকাই ভৰডেকা বয়সতে অসমীয়া জাতি আৰু অসম দেশৰ হকে যি আদৰ্শ দেখুৱাই গ'ল সি অনুকৰণীয়। সেই ডেকাজনেই হ'ল শিৱসাগৰ নগৰৰ বিখ্যাত বেজবৰুৱা পৰিয়ালৰ ৰসৰাজ ˇবেজবৰুৱাৰ একে পৰিয়ালৰ লোক মাধৱচন্দ্ৰ। ˇমাধৱ বেজবৰুৱাই, ডেকা উপাধি পাইছিল যেতিয়া কটন কলেজত পঢ়ি আছিল। সেই সময়ছোৱা ১৯৩০-৩৩ চন পৰ্যন্ত। আন এজন ডেকা আছিল ডেকা মহেন্দ্ৰ ফুকন। দুয়োজনকে সকলোৱে 'ডেকা বেজ' আৰু 'ডেকা ফুকন' বুলিয়েই জানিছিল।

এই 'ডেকাবেজে', ডেকাবেজৰ জোলোঙা লৈয়েই অসম দেশ, অসমীয়া জাতিক আপ্ৰাণ সেৱা কৰিছিল, দেহা ভাঙি—অৱশেষত ডেকা বয়সত মৰহি গ'ল।

এইখিনিতে বেজবৰুৱাদেৱৰ সহপাঠী বন্ধু হিচাবে কেইটামান কথাৰ হে উল্লেখ কৰিছোঁ; তেওঁৰ গোটেই জীৱনৰ কথা লিখিবলৈ লোৱা নাই।

তেতিয়া অসমৰ ছাত্ৰ সন্মিলনীখন গোটেই অসমতে শিক্ষিত ডেকাসকলৰ এখনি শক্তিশালী অনুষ্ঠান আছিল। বৃটিছ চৰকাৰৰ শেন-চকুৰ দৃষ্টি সত্ত্বেও অচল অটল হৈ নিৰ্ভীক চিত্তে ছাত্ৰ-সমাজ, শিক্ষা আৰু দেশৰ সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা আৰু কাৰ্য্য-পন্থা স্থিৰ কৰা অনুষ্ঠান আছিল।

দেশৰ স্বাধীনতা লাভ কৰাৰ উপায় উদ্ভাৱন কৰাটো প্ৰকাশ্য ভাৱে নহলেও পৰোক্ষভাৱে ই এটা ছাত্ৰশক্তিৰ ঘাঁটি আছিল। পিছত ৰাজনীতিৰ কলুষ সোমাই ই থান বান হৈ চিন নাইকিয়া হ'ল। তেতিয়া বেজবৰুৱা শিৱসাগৰ হাইস্কুলৰ ছাত্ৰ আৰু আমি যোৰহাটৰ। কোনোবা এটা বছৰত এখন ছাত্ৰ সন্মিলনীত

তেওঁৰ উত্তেজনাপূৰ্ণ বক্তৃতা শুনি আমি মোহিত হৈছিলোঁ। তাৰ পিছত কটন কলেজত সহপাঠীস্বৰূপে তেওঁৰ লগত চা-চিনাকি হৈ সানমিহলি হওঁ। ১৯৩০ৰ পৰা ১৯৩২ লৈকে স্বাধীনতা অগ্নি যুঁজৰ কেউফালে জ্বলি উঠিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনা ভাৰতৰ পূৰ্ণ স্বাধীনতা ঘোষণা কৰি প্ৰতিজ্ঞা গ্ৰহণ কৰাত আমাৰ ভালেমানৰ ওপৰত ৰাজ-দণ্ডৰ প্ৰহাৰ পৰিছিল। ডেকাদলৰ নেতৃত্ব কৰি মাধৱে পিকেটিং আৰম্ভ কৰিলে আৰু তাৰ বাবে ৰাজৰোষত পৰিছিল। তাৰ পিছত তেওঁ প্ৰচাৰ আৰু সাংবাদিকৰ দায়িত্ব ললে। অসমৰ অভাৱ অভিযোগবিলাক প্ৰকাশ্যে দাঙি ধৰি সেই সময়ত গুৱাহাটীৰ জাতীয়বাদী প্ৰবীণ নেতাসকলৰ শলাগ পাইছিল আৰু তেওঁক অনুপ্ৰেৰণাও যোগাইছিল। মনত পৰিছে সেই সময়তে চিলঙৰপৰা অসমৰ লাটচাহাব বা গবৰ্ণৰ বাহাদুৰ (এতিয়াৰ ৰাজ্যপাল) সদলবলে গুৱাহাটী নগৰলৈ আহি নগৰৰ 'চাৰ্কিট হাউচ'ত আছিলহি। অনা-অসমৰ বিভিন্ন বাতৰি কাকতৰ অনা-অসমীয়া সাংবাদিকসকলৰ সমাবেশ হৈছিল। অসমীয়া বাতৰিৰ সাংবাদিক স্বৰূপে স্বীকৃতি-পত্ৰ লৈ বুকুফিন্দাই ডেকাবেজ চাৰ্কিট হাউচলৈ সোমাই গৈছিল। বাটতে পহৰা দিয়া পুলিচৰ আগভেঁটা পালে। স্বীকৃতি-পত্ৰ দেখুৱাই আৰু আগবাঢ়োতেই এজন চৰকাৰী বিষয়াই আহি তেওঁক বাধা দি কৈছিল যে অসমীয়া বাতৰি কাকতৰ কোনো সাংবাদিককে লাটচাহাবৰ লগত দেখা কৰিবলৈ দিয়া হোৱা নাই। কিন্তু তেওঁ বাধা নামানি আৰু আগবাঢ়ি গৈ চিঞৰি লাটচাহাবে শুনাকৈ কৈছিল 'এইখন অসম দেশ! মই মোৰ অসমৰ বিষয়ে কবলৈ আহিছোঁ।' লাটচাহাবৰ ৰক্ষীদল, গা-চোৱা বিষয়া গৰ্জি উঠিল। সেই সকলোবিলাকেই অনা-অসমীয়া। সেইখিনিতে জোঁতা-পুতা লাগিল। নানাৰূপ লৈ ঘটনাৰ বাতৰি উৰি গৈ কটন কলেজৰ হোষ্টেল পালেগৈ। উত্তেজনাৰ জুই ঘপক্‌কৈ জ্বলি উঠিল। কাৰো বাধা নামানি কটনিয়ান লৰি গ'ল চাৰ্কিট হাউচৰ সন্মুখলৈ। চাওঁতে চাওঁতে লাটচাহাব থকা বঙলাৰ সন্মুখত, ৰাস্তা-আলি, কম্পাউণ্ড ছাত্ৰৰে ভৰি পৰিল। চিঞৰ-বাখৰ, মাজে মাজে শিলগুটি উৰিবলৈ ধৰিলে। দাবী হ'ল অসমীয়া সাংবাদিক 'ডেকাবেজৰ' অপমানৰ প্ৰতিশোধ লাগে। চাওঁতে চাওঁতে ঘটনাৰ সোঁত কেনিবালৈ ঢাল ললে। অলপ পিছতে সশস্ত্ৰ সৈনিক পালেহি। ছাত্ৰদলৰ আগবঢ়াত বাধা পৰিল। এজন চুটি চাপৰ ইংৰাজ পুলিচ চাহাৰ হাতত পিস্টল লৈ প্ৰত্যেক ছাত্ৰৰ বুকুলৈ লক্ষ্য কৰি

তৎক্ষণাত আঁতৰ হ'বলৈ হুকুম দিলে। কটনিয়ান এক কদমো পাছু নহ'ল। তেনেতে সিফালৰপৰা মাধৱ বেজবৰুৱা ওলাই আহিল। আমিও তেওঁক অভিনন্দন জনাই আগবঢ়াই লৈ আনিলোঁ। পিছত জানিব পাৰিলোঁ যে এই গণ্ডগোলৰ মূল কাৰণ হল সেই অনা-অসমীয়া সাংবাদিকসকল আৰু অনা-অসমীয়া চৰ্কাৰী কৰ্মচৰী কেইজনমান।

'ডেকাফুকন' আৰু 'ডেকাবেজে' কেতিয়াবা কেতিয়াবা পাটমুগাৰ চোলা পিন্ধি মূৰত পাটৰ পাগ মাৰি ঘোঁৰাৰ ওপৰত উঠি সমদলৰ নেতৃত্ব কৰিছিল। লাচিতৰ দেশৰ ডেকাদল লাচিতৰ তেজেৰে জাগি উঠা 'আমি অসমীয়া নহওঁ দুখীয়া' এইবিলাকেই ধ্বনি আছিল। 'ডেকা বেজে' কৈছিল "ভাৰত স্বাধীন হ'বই, কিন্তু আমি অসমীয়াও বহুত কথাৰ পৰা স্বাধীন হ'ব লাগিব। অসমীয়া জাতিয়ে সৌ সিদিনালৈকে, ভাৰতৰ সকলো ৰাজ্য বা শক্তিৰ পৰা তলতীয়া হোৱাৰ পিছলৈকে স্বাধীন আছিল। সেই পৰাধীন ভাৰতীয়ৰ সহায়তে বৃটিছে ছলে বলে কৌশলেৰে আমাক পৰাধীন কৰিলে। অসমীয়াৰ অস্তিত্ব আমি বজাই ৰাখিব নোৱাৰিলোঁ—আমি মৰি যোৱাই ভাল।"

সেইসময়ৰ কটন কলেজৰ জীৱনটো মনতপৰা মাত্ৰকে কি যে এটা ভাৱ হয় তাক প্ৰকাশ কৰা টান। মনত পৰা মাত্ৰকে উৎসাহ, সুখ, আনন্দ, আদি বহুতো মনতে সোমাই পৰে। ডেকাবেজেও মনত বিজুলি চাকিৰ দৰে দেখা দিয়েহি সপোনতো মাজে মাজে সেইদিনবোৰে দেখা দিয়েহি। কলেজৰ বাহিৰেও ডেকাবেজে অনেক সংগঠনমূলক কামত লাগি গৈছিল। এতিয়া সকলোৱে সেইবিলাক পাহৰিলে হ'বপায়। বহুত দিন পাৰ হ'ল। কলেজ এৰিয়েই কেনি কোন গল ঠিকনা নাই। ইফালে স্বাধীনতা সংগ্ৰামত বহুত নামি গ'ল। মাধৱে নবজা বাঁহী বজোৱাৰ চেষ্টা চলালে—বজালেও।

অসমৰ বিশ্ববিদ্যালয় আন্দোলন আৰম্ভ হ'ল। আমাক নিজা বিশ্ববিদ্যালয় লাগে। আমি কিয় বঙালৰ অধীন হৈ থাকিম? নিজৰ বিশ্ববিদ্যালয় নকৰালৈকে আমাৰ শান্তি নহ'ব। দেশৰ নেতৃস্থানীয় লোক, শিক্ষাবিদ্ ডেকাদল আগবাঢ়ি আহিল। চৰকাৰী বে-চৰকাৰী সকলো অসমীয়া একমত হ'ল। মহকুমাই মহকুমাই বিশ্ববিদ্যালয়ৰ 'চাব কমিটি' (Sub-committee) স্থাপন হ'ল। শিৱসাগৰ মহকুমাৰ বিশ্ববিদ্যালয় চাব কমিটিত এই লিখককেই মাধৱে সম্পাদকৰ কাৰণে প্ৰস্তাৱ

কৰিলে। সৰ্বসন্মতিক্ৰমে মই সেই দায়িত্ব লবলৈ বাধ্য হলোঁ। মাধৱে আজি গুৱাহাটী, কালিলৈ গোলাঘাট, পৰহিলৈ ডিব্ৰুত বিশ্ববিদ্যালয়ৰ প্ৰচাৰ, সংগঠন কামত অহৰ্নিশে ঘূৰিবলৈ ললে। তাঁতশালৰ মাকোৰ দৰে এবাৰ ইয়াত, এবাৰ তাত—প্ৰচাৰ বিভাগৰ সম্পাদক হিচাবে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেবা সংখ্যাও 'বুলেটিন' (প্ৰচাৰ পত্ৰিকা) ছপোৱাই উলিয়ালে। সেই সময়ত বিশ্ববিদ্যালয়ৰ গুৰি ধৰোতা লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে বেজবৰুৱাৰ আন্তৰিকতাৰ বিষয়ে এনেভাৱে কৈছিল "We take this opportunity to express our appreciation for his labour."

১৯৪৫ চন কলিকতাৰ টালিগঞ্জৰ, ৰচা ৰোড, বাঁহী প্ৰেছৰপৰা এখন চিঠি পাইছিলোঁ।

প্ৰিয় সন্দিকৈ,

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কামত আপুনি শিৱসাগৰ মহকুমা সমিতিৰ কাৰ্যভাৰ গ্ৰহণ কৰি যথেষ্ট কাম কৰিছে। মই আপোনাক বাচি দি এতিয়া কৃতিত্ব বা কাৰ্যটো ময়ে হে লৈছোঁ দেই। আমাৰ এটা ডাঙৰ অভাৱ পূৰণ কৰাত অতি নিঃকিন হিচাবে যি পাৰোঁ কৰিলোঁ আৰু কৰিম। ইয়াত আমাক কোনো যশস্যা নালাগে। আমি অসমীয়াই লোকৰ অধীন হৈ কিয় থাকিম। আগতে কাহানিও নাছিলোঁ। ... ...। (চিঠিৰ ব্যক্তিগত অংশ বাদ দিয়া হৈছে। আন এখন পত্ৰ শেষৰ পিনে আছে। —সম্পাদক)।

সাহিত্য ক্ষেত্ৰতো বেজবৰুৱাৰ দান অলপীয়া নহয়। বাঁহী, আৱাহন কাকতত তেওঁৰ বহুত সাৰগৰ্ভ প্ৰবন্ধ প্ৰকাশ হৈ গৈছে। বিশেষকৈ ভ্ৰমণ-মূলক প্ৰবন্ধবোৰ বৰ মূল্যৱান।

স্বনামধন্য সাহিত্য আৰু সংস্কৃতিৰ পদ্মফুল স্বৰূপ পদ্মধৰ চলিহাদেৱে লিখিছে—"লাচিতৰ দেশৰ জুইৰ ফিৰিঙতিৰ নিচিনা ৰংপুৰীয়া ডেকাবেজ মাধৱচন্দ্ৰ বেজবৰুৱাই মাতৃ-ভাষা আৰু মাতৃ-ভূমিৰ উন্নতিৰ অৰ্থে দৰাচলতে তেজক পানী কৰি, দেহক মাটি কৰি অকালতে ইহলীলা সামৰিলে। অনাদৰত পৰি থকা লক্ষ্মীনাথ বেজবৰুৱাৰ বাঁহী পুণৰ তুলি আনি বজাবলৈ ললে মাধৱে। বাঁহী আৰু অন্যান্য আলোচনীৰ প্ৰবন্ধাৱলীয়ে মাধৱৰ ভাষাত এটা সুকীয়া ঠাঁচ আৰু বৈশিষ্ট্যৰ চিনাকি দিয়ে" (অসমীয়া সাহিত্য আৰু ৰংপুৰৰ বৰঙণি)।

কঠোৰ পৰিশ্ৰম কৰি একমাত্ৰ কৰ্তব্যকে সাৰটি লৈ দেহালৈ নেচাই ডেকাবেজ অসুস্থ হৈ পৰিল। শুনিবলৈ পালোঁ যে তেওঁক কালৰূপী যক্ষ্মাই লগ ললে। ইফালে বিশ্ববিদ্যালয়ৰ কাম আৰু প্ৰগতি দ্ৰুত বেগে চলি থাকিল। ৰুগীয়া শৰীৰেৰেই চিকিৎসকৰ মানা নামানি কাম কৰিয়েই আছিল। হঠাৎ তেওঁৰপৰা আকৌ এখনি চিঠি পালোঁ। চিঠিখনি লিখিছিলে দাক্ষিণাত্যৰ চিকিৎসালয় আৰোগ্যবৰমৰপৰা মৃত্যুৰ কিছু দিনৰ আগতে।

মৰমৰ সন্দিকৈ,

আপোনাৰ চিঠি পালোঁ। মই এতিয়াও বিচনাতে পৰি আছোঁ। আৰু পৰি পৰিয়েই উত্তৰ লিখিলোঁ। অৱশ্যে লেখা-পঢ়া কৰিবলৈ মানা কৰিছিল। মোৰ প্ৰথমতে আক্ৰান্ত হোৱা বাওঁখন 'লাংচ (lungs) প্ৰায় ভাল হৈ আহিছে। আৰু ভাল দৰেই collapse কৰিছে। কিন্তু মাজতে যোৱা crisis ৰ ফলত বৰ দুৰ্বল হৈ সোঁ খনতো অলপ infection হৈছে। ইখনত চিকিৎসা চলি আছে কাৰণে লিখাপঢ়া একো কৰিব পৰা নাই। 'Open air treatment'তে ভাল হ'ব নে চাইছে। মুঠতে গা অলপ ভালেই পাইছোঁ; পিচে কেতিয়ামানে যাব পাৰোঁ তাৰ ঠিক নাই।

যোৰহাটত বহা Convention (গুৱাহাটী বিশ্ববিদ্যালয়ৰ)ৰ বিষয়ে আপোনাৰ পৰাই যি জানিছোঁ, অৱশ্যে এখন বহিছিল বুলি দাদাই লিখিছিল। মোৰ বিষয়ে তেনে এটা প্ৰস্তাৱ লোৱাটোত মই বৰ বেয়া পাইছোঁ। প্ৰথমতে আজিলৈকে ৰাজহুৱা কাম যি কৰিছোঁ, কৰোঁ, ৰাইজে মোৰ কাৰণে কিবা এটা কৰি দিব এই ভাৱ ৰাখি কেতিয়াও কৰা নাই। এতিয়া ৰাজহুৱা পুঁজিৰ সহায় লৈ চিকিৎসা কৰিবলৈ বেয়া লাগে। দ্বিতীয়তে, অসমত এনেদৰে ৰাজহুৱা সভাত প্ৰস্তাৱ লৈ স্মৃতিৰক্ষা বা সাহায্য-ভাণ্ডাৰ খোলা প্ৰচেষ্টাত মোৰ অলপো বিশ্বাস নাই। অৱশ্যে ৰাইজৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে; নাই কেৱল কৰ্মী বা প্ৰস্তাৱ লওঁতাসকলৰ আন্তৰিকতাত আস্থা—। নহলেনো ৺বৰদলৈ, ৺ফুকন, ৺ভুবন গগৈ ৺লক্ষ্মীধৰ শৰ্মা, ৺ৰোহিণী হাতীবৰুৱা ইত্যাদি সকলৰ স্মৃতি-স্তম্ভ আজিলৈকে নুঠাকৈ পৰি থাকে নে? ৺কুশল কোঁৱৰৰ পৰিয়ালৰ সাহায্য-ভাণ্ডাৰৰ বা কি হৈছে? সেইকাৰণে চকুৰ আগত এইবোৰ দেখি আৰু আজিলৈকে এই ছমাহেও সেই বিষয়ে একো জানিবলৈ নিদি অকৰ্মণ্যতাৰ আৰু আন্তৰিকতাৰ অভাৱত

তেনে এটা প্ৰস্তাৱ মোৰ বিষয়ে লোৱাটোও মোৰ প্ৰতি অৱমাননা বা অৱহেলা দেখুৱাৰ দৰে হে ধৰি লবলৈ বাধ্য হৈছোঁ।

এইখিনি কথা আপুনি এজন প্ৰতিনিধি বা বিশ্ববিদ্যালয়ৰ ভিতৰুৱা মানুহ হিচাবে হুবহু বাতৰি কাকতত প্ৰকাশ কৰিব পাৰে বা কৰ্মকৰ্তা সকলোলৈকে লেখি জনাব পাৰে। আমাৰ জাতীয় চৰিত্ৰ কেনেদৰে তললৈ গৈছে তাৰ এটা ই নমুনা মাত্ৰ।

মই ভাল হবও পাৰোঁ, নহবও পাৰোঁ, কিন্তু জাতিটোৱে এনেদৰে Hypocrisy (প্ৰস্তাৱ লৈ একো কাম নকৰা)ৰ মাজেদি যোৱা দেখিহে দুখ লাগে। এই কাৰণেই যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, গুৱাহাটী, কলিকতাৰ বহুত ঠাইৰে বন্ধু-বান্ধৱ সকলৰপৰা 'Public fund' এটা খোলাৰ প্ৰস্তাৱ অহাত মই তৎক্ষণাত মানা কৰি পঠাইছোঁ। কাৰণ মই জানোঁ অসমত তেনে হবই। অৱশ্যে সেইসকল বন্ধু-বান্ধৱ আৰু শুভাকাঙ্খীয়ে মোৰ প্ৰতি ব্যক্তিগত মৰমৰ টানত পঠিওৱা বা দিয়া প্ৰায় এহেজাৰ টকা অসুখ আৰম্ভ হোৱাৰেপৰা এতিয়ালৈকে গ্ৰহণ কৰিছোঁ। ইয়াকো অসমীয়া ৰাইজৰ মোৰ প্ৰতি থকা আস্থা বা মৰমৰ চিন বুলিয়েই লৈছোঁ, কিন্তু 'Public fund' খুলি কেৱল কাগজে-কলমে ৰখাটো হাঁহিয়তাৰ পাত্ৰ বুলিয়েই ধৰিছোঁ। ইতি—

আপোনাৰ

শ্ৰীমাধৱ বেজবৰুৱা

মাধৱে লিখা মতে অৱশ্যে, মই বহুত কথা ভাবি-চিন্তি চিঠিখনৰ কথাবিলাক বাতৰি কাকতলৈ পঠাবলৈ নহ'ল, কিন্তু বিশ্ববিদ্যালয়ৰ গুৰি-ধৰোতা কেইজনলৈকে এই চিঠিৰ কথা লিখিছিলোঁ। কি কৰিলে বা নকৰিলে একো গম নাপালোঁ।

এদিন হঠাৎ শুনিলোঁ মাধৱৰ ক্লান্ত দেহে চিৰশান্তি লাভ কৰিছে।

ন পুৰুষৰ ডেকাসকলে পাহৰি নাযাব, অসমৰ প্ৰতি, অসমীয়াৰ প্ৰতি অন্যায় বা অপমানজনক ব্যৱহাৰ কৰিলে, কেৱল চিএৱ-বাখৰ নকৰি বুকু ডাঠ কৰি আঙুলি জোকাৰি আগবাঢ়ি গৈ নেলুত ধৰা ডেকাজন যোৱাৰ পিছত, তেওঁৰ পাছত আৰু এজন ডেকা নোলাল।

(জানুৱাৰী '৭১)

মাধৱ বেজবৰুৱা

মৰ পৃথিৱীত জন্ম গ্ৰহণ কৰা বাবে মাধৱ বেজবৰুৱা মৰিল। বেজবৰুৱা অকালতে, মাত্ৰ ৩৪ বছৰ বয়সত ভৰি দিওতেই সংসাৰৰ হাত সাৰিল। ইয়াৰ কাৰণে খেদ কৰিবলৈ বিশেষ কথা নাই। কাৰণ মৰমে সকলো অৱস্থাকে আয়ত্বৰ অধীনলৈ আনি আছে। মাধৱৰ দৰে হাজাৰ-বিজাৰ ডেকা সেই একে বয়সতে বা নুন্যাধিক সময় পাওঁতেই নিতৌ মৰিবই লাগিছে। সেইবিলাকৰ বিষয়ে আমি কোনো শুং-সূত্ৰ পোৱা নাই। আনকি গাঁৱৰ ওচৰত তেনে বয়সপ্ৰাপ্ত লোকৰ মৰণ হৈছে যদিও আমি তালৈ মন দিয়া নাই। তেন্তে আজি তেওঁৰ মৃত্যুত গোটেই অসমে চকুলো টুকিলে কিয়? মানুহৰ জীৱনত কৰ্মৰ অনুপাতে মৰমৰো বিভিন্নতা আছে। তেওঁৰ কৰ্মৰ মাপকাঠীৰে তেওঁৰ মৰণৰ বিভিন্নতা আনি দিছে। মাধৱ নুমোৱা নাই, নুমাল অসমী আইৰ একুৰা উৎসাহৰ বিপ্লৱী জুই। ডেকা তপত তেজ সহজে দোঁ খাব নোখোজে। যি গুটি হাৰে-হিমজুৰে অসমীয়া—ডেকাবেজবৰুৱাৰ মাৰ গ'ল। অসমী আইৰ সেৱা কিন্তু নিৰূপায়। ঈশ্বৰে যাকে ভাল পায়, তাকে সোনকালে লৈ যায়। সামান্য মানুহৰ ক্ষন্তেকীয়া জীৱন লৈ শক্তিৰ জোখাৰে সংসাৰত তিনি ভাগ মানুহেও একো নকৰে। কিছুমানে আকৌ ক্ষন্তেকীয়া মুহূৰ্ততে নিজৰ কৰ্ম-শক্তিৰ পৰিচয় দিয়ে আৰু নিৰ্দিষ্ট কাম সমাধা কৰে। হয়তো বহুতে ভাবিব পাৰে, বেজবৰুৱা জীয়াই থকা হলে আৰু বহুত কাম কৰিব পাৰিলেহেঁতেন। কিন্তু ভগৱানৰ সেইটো ইচ্ছা নহয়। কামৰ আয়ুস বৰ বেছি। এটা মানুহৰ জীৱনত একোটা মহৎ কাম শেষ হব নোৱাৰে। এ(?)নে আকৌ সেই কাম আৰম্ভ কৰি শেষ হোৱা দেখিবলৈ নাপায়। কোনে (?)নোৱে আকৌ সেই কামত মনপুতি লাগি গোটেই জীৱন পাত কৰে। সেইবুলি মানুহৰ লগতে কামৰ মৃত্যু নহয়। পৰলোকগত লোকসকলে পাছৰ লোকসকলক সেই কামত লাগিবলৈ দুগুণে উৎসাহ দি থৈ যায়। তেখেতসকলৰ পুণ্যাত্মাই সেই মহৎ আৰু মৰমৰ কামবিলাকলৈ তাৰপৰাই লক্ষ্য কৰি থাকে। বেজবৰুৱাই অসমীয়া সাংবাদিক জীৱন আৰম্ভ কৰি গৈছে, অসমৰ বিশ্ববিদ্যালয়ৰ বতাহ

বোৱাই গৈছে, অসমীয়া ডেকাই নিজৰ দেশ অসমৰ প্ৰতি সন্মান আৰু গৌৰৱ বঢ়াব লাগে—তাকে দেখুৱাই থৈ গৈছে। যি সকলে বেজবৰুৱাক ভাল পায়, ভক্তি কৰে, তেখেতসকলে তেখেতে আৰম্ভ কৰি যোৱা কামবোৰত দেহা ঢালি লাগিলে বেজবৰুৱাৰ স্মৃতিৰক্ষা—বেজবৰুৱা স্মৃতিত তৰ্পণ কৰা—সকলো হ'ব।

ইংৰাজী ১৯১২ চনত বেজবৰুৱাৰ জন্ম হয়। মহাপুৰুষ ঁমাধৱদেৱৰ তিথিতে জন্ম হোৱা বাবে তেখেতৰ নাম মাধৱ ৰখা হয়। এইখিনিতে কৈ থোৱা ভাল যে বেজবৰুৱাৰ ফৈদটি আদিতে মহাপুৰুষীয়া। স্বাধীন অসমৰ ৰাজধানী শিৱসাগৰ নগৰত, স্বৰ্গদেৱৰ চিকিৎসা আৰু ৰসায়ণ বিভাগৰ প্ৰধান বিষয়া বেজবৰুৱাৰ বংশত মাধৱৰ জন্ম। যি বংশত আধুনিক অসমৰ স্বৰ্গীয় দীননাথ আৰু ঁলক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হৈছিল, সেই বংশতে সেইসকলৰ উপযুক্ত বংশধৰ হিচাবে মাধৱৰ জন্ম হয়। স্কুলীয়া অৱস্থাতে তেখেতৰ উৎসাহ দেখা গৈছিল। সেইসময়ত খেল-ধেমালি, শাৰীৰিক ব্যায়াম চৰ্চা, সভা-সমিতি আৰু অন্যান্য অনুস্থানত উদ্যোগী মাধৱক সকলোৱে দেখিবলৈ পাইছিল। সকলোবিলাক কামতে তেখেতে পাৰদৰ্শিতা দেখুৱাইছিল, আৰু সেই কাৰণেই সেই সময়ৰ ৰংপুৰীয়া ছাত্ৰসকলৰ নেতৃত্ব কৰিব পাৰিছিল। তৰ্ক-সভা, হাতে-লিখা আলোচনী আদিৰ জৰিয়তে তেখেতে বক্তা আৰু সাহিত্যসেৱী হোৱাৰ আগজাননী দিছিল। যি সময়ত শিৱসাগৰলৈ নাইডু আহিছিল, তেতিয়া শিৱসাগৰৰ ছাত্ৰ আৰু ডেকা সকলৰ মাজত শাৰীৰিক ব্যায়াম চৰ্চাৰ ঢৌ উঠিছিল। সেই ছোগতে বেজবৰুৱাই নিজৰ শাৰীৰিক চৰ্চাত মনোযোগ দিয়ে। শিৱসাগৰৰপৰা যোৰহাটলৈ সুশৃঙ্খলাৱদ্ধভাৱে ৰং-তামাচাৰ গান গাই খোজকাঢ়ি যোৱা ডেকাসকলৰ আগত মাধৱ বেজবৰুৱা। সাময়িক সোঁতত পৰি হলেও বেজবৰুৱাই শাৰীৰিক চৰ্চাত উন্নতি কৰিছিল। লো বেঁকা কৰা, শিকলি চিঙা আদি ভালেমান শক্তিৰ কাম কৰি ৰাইজক সন্তোষ দিছিল। ছাত্ৰ অৱস্থাতে অসম এচ'চিয়েশন, অসম সাহিত্য সভা, মহিলা সভা, আৰু অসম প্ৰদেশৰ বহু জনহিতকৰ অনুষ্ঠানবিলাকত যোগ দিছিল আৰু প্ৰায়বিলাকতে স্বেচ্ছাসেৱকৰ কাম কৰি অনুষ্ঠানৰ গুৰি ধৰোতাসকলৰ চকুত পৰিছিল। শিৱসাগৰৰ যিবিলাক ছাত্ৰ অনুষ্ঠান যেনে—ৰংপুৰ জ্ঞান-দীপিকা সভা, তৰ্কসভা আদিত তেওঁ আগভাগ লৈছিল। অসম ছাত্ৰ সন্মিলনত বহুত সময়ত স্বাৰ্থত্যাগ কৰি খাটিছিল। শিৱসাগৰ গভৰ্ণমেন্ট হাইস্কুলৰপৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজীয়া জীৱন আৰম্ভ কৰে। গুৱাহাটী কটন কলেজত

পঢ়াৰ সময়ত বেজবৰুৱাৰ লগত সহপাঠী হিচাবে আমি সদায়ে দেখিবলৈ পাইছিলো যে সৰ্বসাধাৰণ কটনিয়ানৰ গাত যি বতাহ লাগিছিল, বেজবৰুৱাৰ গাত অন্য বতাহ লাগিছিল। কিছুমান কথাত অন্যান্য ছাত্ৰসকলৰ লগত মত নিমিলিছিল। ইত্যাদি কিছু কাৰণত মাজে মাজে ছাত্ৰবন্ধুসকলৰ লগত বেজবৰুৱাৰ মনোমালিন্যও ঘটিছিল।

কলেজীয়া জীৱনত বেজবৰুৱাই সম্পূৰ্ণ অসমীয়া জাতীয় জীৱন অৰ্থাৎ শিক্ষিত অসমীয়া জাতীয় জীৱন পোষণ কৰিবলৈ সদায়ে চেষ্টা কৰিছিল আৰু অন্যান্য ছাত্ৰবন্ধু সকলকো সেই বিষয়ে যত্ন কৰিবলৈ কৈছিল। কটন কলেজৰ অধ্যাপক আৰু ছাত্ৰসকলৰ চকুত বেজবৰুৱা অতি সোনকালে পৰিলে। কটন কলেজৰ ইউনিয়ন চেক্ৰেটেৰী হৈ ছাত্ৰ অনুষ্ঠান আৰু কলেজৰ কিছু সংস্কাৰৰ কাৰণে তেখেতে যথেষ্ট চেষ্টা কৰিছিল। সময়ে সময়ে তেখেতে কৰ্তৃপক্ষৰ লগত যুঁজিও ছাত্ৰসকলৰ স্বত্ব আদায় কৰিছিল। কটন কলেজৰ বছেৰেকীয়া খেল-ধেমালিত বেজ বৰুৱাই কেবাবাৰো কেবাটাও বিষয়ত প্ৰথম পুৰস্কাৰ লাভ কৰে। দীঘলীয়া দৌৰৰ প্ৰতিযোগিতাত (পাঁচ মাইল) প্ৰথম হৈ এবাৰ পুৰস্কাৰ লাভ কৰে। সেই সময়ত গুৱাহাটীত অসমীয়া আৰু বঙালীৰ মাজত অনবৰতে মনোমালিন্য ঘটি আছিল। অসমীয়া সাহিত্য, কৃষ্টি, সভ্যতা আৰু আৰ্থিক অৱস্থা বঙ্গবাসীসকলৰ হাতত পৰাত জুৰুলা অৱস্থা, তাক তেখেতে ভালদৰে উপলব্ধি কৰিছিল।

সেই সময়তে বেজবৰুৱাই ডেকা অসমীয়া দল গঠন কৰে আৰু তেখেতে নিজে 'ডেকাবেজ' উপাধি লয়। গুৱাহাটীৰ শ্ৰীযুক্ত মহেন্দ্ৰনাথ ফুকনৰ সহযোগত 'ডেকাবেজ' আৰু 'ডেকাফুকন'এ গুৱাহাটীত সেই সময়ত এটা নতুন জাগৰণ আনিছিল।

কলেজৰ শিক্ষা শেষ কৰি তেখেতে গৱৰ্ণমেণ্টৰপৰা বৃত্তি লৈ যাদৱপুৰ ইঞ্জিনিয়াৰিং কলেজত ভৰ্তি হয়; কিন্তু তাত তেখেতৰ সম্পূৰ্ণ শিক্ষা শেষ নহ'ল। তাৰ পিছত সৰ্বান্তকৰণে তেখেতে দেশ সেৱাত লাগি যায়।

সেই যুগত দেশ ভ্ৰমণ হিচাবে অসমীয়া ছাত্ৰৰ আগ্ৰহ সিমান বেছি নাছিল। দেশ ভ্ৰমণ তেখেতৰ জীৱনৰ এটা উদ্দেশ্য বুলি বহুতৰ আগত কৈছিল। ১৯২৯ চনত লাহোৰত কংগ্ৰেছ মহাসভা বহোঁতে তেখেতে তালৈ গৈছিল।

আহিবৰ সময়ত টকাৰ নাটনি হোৱাত ডাঃ সত্যপালৰপৰা তেখেতে নিজে গৈ সকলো কথা কৈ টকাৰ সহায় বিচাৰে। সুদূৰ অসম দেশৰ এজন ছাত্ৰৰ মুখত নিজৰ প্ৰদেশৰ কথা নিখুট ভাৱে জানিবলৈ পাই আৰু তেখেতৰ (বেজবৰুৱা) আঁৰ-বেৰ নোহোৱা কথাত মুগ্ধ হৈ ডাঃ সত্যপালে তেখেতক কৰি টকা আনন্দ মনে দিয়ে। বেজবৰুৱাৰ উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰত ভ্ৰমণৰ কথা আৱাহণ পঢ়োতাই নিশ্চয় পঢ়িছে। এই ভ্ৰমণবিলাকত তেখেতে অসমৰ পুৰণি গৌৰৱ আৰু জাতীয় সন্মানৰ বিষয়ে অন্য প্ৰদেশৰ লোকসকলক ভালকৈ বুজাই কৈছিল। অসমৰ বিষয়ে ভাৰতৰ অন্য প্ৰদেশবিলাকত খুব কম জ্ঞান হৈ আছে। ডেকা বেজ বৰুৱাই নিজৰ জন্মভূমিৰ বিষয়ে থকা ভ্ৰান্তিমূলক ধাৰণাবিলাক ভালেমানৰ মনৰপৰা আঁতৰাব পাৰিছিল। আমাৰ ভিতৰতো নগা পৰ্বত, মণিপুৰ, ছিলং আদিত পৰ্বতীয়া ঠাইৰ অধিবাসীসকলৰ মাজত অসমীয়াৰ লগত সদ্ভাৱ স্থাপন কৰাত তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। মণিপুৰৰ ভালেমান বিশিষ্ট লোকৰ লগত দেখা সাক্ষাৎ হৈ তেখেত সকলৰ লগত নানা আলোচনা হৈ মণিপুৰত অসমীয়া ভাষা চলোৱাৰ চেষ্টা কৰে। তেখেতৰ যত্নতে মণিপুৰৰ ভাইসকলৰ মাজত অসমীয়া ভাষা আৰু অসমীয়া সমাজৰ সম্বন্ধে একৰকম মিলন স্থাপন হয়।*

বেজবৰুৱাই বহুতদিনৰ আগতে অসমত এটা বিশ্ববিদ্যালয়ৰ সপোন দেখিছিল। দুৰ্ভাগ্যবশতঃ যদিও সেই সপোন দিঠকত পৰিণত হোৱা তেখেতে দেখি নগ'ল, তথাপি তাৰ একৰকম ভেঁটি স্থাপন কৰি গৈছে। ছাত্ৰাৱস্থাৰপৰা বিশ্ববিদ্যালয় দিন পালন কৰা আৰু বিশ্ববিদ্যালয়ৰ বিষয়ে নানা প্ৰবন্ধ লিখা আমি দেখিবলৈ পাওঁ। কলিকতাৰ অসমীয়া ছাত্ৰ আৰু গণ্যমান্য লোকসকলৰ মাজত বিশ্ববিদ্যালয়ৰ আন্দোলনৰ সোঁত বোৱাই দিয়াত মাধৱ বেজবৰুৱা প্ৰথম আৰু প্ৰধান আছিল বুলি আমি কলিকতাৰ অসমীয়া ভদ্ৰলোকসকলৰ পৰা জানিবলৈ পাইছোঁ। কলিকতাৰ ষ্টুডেণ্টচ্ বেলফেয়াৰ লীগ (Studcnts Welfare League) স্থাপন কৰাৰ গুৰি বেজবৰুৱাদেৱ। এই লীগৰ জৰিয়তে অসমত এটা বিশ্ববিদ্যালয় স্থাপন কৰাৰ আন্দোলন চলে। শিৱসাগৰত বহা অসম সাহিত্য সভাৰ পিছতে গোটেই অসমৰ প্ৰতিনিধিসকলৰ ভিতৰত অসম বিশ্ববিদ্যালয়ৰ বাবে প্ৰথম সভা বহে। এই সভাৰো গুৰি ধৰোতা ˚বেজবৰুৱা। এই সভাই এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ মূল ভেঁটি বুলি কব পাৰি। বিশ্ববিদ্যালয় সম্পৰ্কে এই কিতাপৰ অন্য স্থলত সবিশেষ পোৱা যাব।

বেজবৰুৱাৰ আৰু এটি মহৎ উদ্দেশ্য আছিল। অসমত সাংবাদিক জীৱনৰ বৰ আটক। অসমীয়া বা ইংৰাজীত অসমৰপৰা ওলোৱা বাতৰি কাকত, আলোচনী অতি কম। যিবিলাক আছে—সিও কোনোমতে টিকি আছে। ভালেমানখিনি আলোচনী আৰু বাতৰি কাকত আগতে মৰি গৈছে। তেখেতে সুদূৰ কলিকতাত থাকি অসমক এই বিষয়ে আগুৱাই নিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ 'বাঁহী'খনি জীয়াই ৰাখি সাহিত্য চৰ্চাত মনোযোগ দিছিল। বাঁহীখনি আলোচনীৰ ওপৰিও আন বাতৰি কাকত প্ৰচাৰ কৰে। সাহিত্য ক্ষেত্ৰত অহি-নকুল বেজবৰুৱা আৰু গোহাইবৰুৱাৰ বাঁহী আৰু উষা দুয়োখন কাকতকৈ একেখনতে দুভাগ কৰি একে দেহৰে দুফাল স্বামী-স্ত্ৰীয়ে চলাবলৈ লৈছিল। ইয়াৰ দ্বাৰাই বেজবৰুৱা আৰু গোহাঁইবৰুৱাক মিলালে।

সৰ্বভাৰতীয় সন্মিলনত ভালেমান সম্পাদকে ঁবেজবৰুৱাৰ দাবী ন্যায়সঙ্গত বুলি বিবেচনা কৰে। বেজবৰুৱাই স্পষ্টভাৱে বঙ্গদেশৰ বাতৰি কাকতবিলাকৰ সম্পাদকক আক্ৰমণ কৰি বঙ্গ সন্মিলনৰ সভাপতি মিঃ বেৱিলৰ লগত ভালেমান কথা কয়। মিঃ বেৱিলে ঁবেজবৰুৱাই কৰা অসমৰ দাবী মানি লৈ তেখেতক আশ্ৰয় দিয়ে। মৃত্যুৰ দিনলৈকে ঁবেজবৰুৱাই বাঁহী আৰু বিশ্ববিদ্যালয়ৰ কথা ভাবিয়েই শেষ নিঃশ্বাস ত্যাগ কৰে।

কবিবৰ যতীন্দ্ৰনাথ দুৱৰাদেৱে (তেতিয়া জীৱিত) কবৰ দৰে "মাধৱ আছিল উৎসাহৰ একুৰা জুই। কাম নোহোৱাকৈ ঁমাধৱ বহিব নোৱাৰে। ঁমাধৱ সম্পূৰ্ণ স্পষ্টবাদী; ঁমাধৱ হাৰে-হিমজুৰে এজন নিখুত আদৰ্শ ডেকা অসমীয়া।"

ভাৰতীয় জাতীয় আন্দোলনতো বেজবৰুৱা ননমাকৈ থকা নাই। কিন্তু জীৱনৰ বেচি ভাগ কালত কাম কৰিছিল দুখুনী অসমী আইৰ দুখ আৰু কলঙ্ক মোচনত হে। সংৰক্ষণ নীতিৰ তেখেত এজন অগ্ৰদূত আছিল। তেখেতে প্ৰায়ে আমাৰ আগত কৈছিল— নিজৰ প্ৰদেশৰ ইমানবিলাক সমস্যালৈ আওকাণ কৰি সৰ্বভাৰতীয় বৃহৎ আদৰ্শত মন দিয়াটো মই কোনোমতে সমৰ্থন নকৰোঁ। আকৌ তেখেতে কৈছিল যে—আমি অসমীয়াই ভাৰতৰ জাতীয় আন্দোলনৰ কাৰণে সম্পূৰ্ণ অনুপযুক্ত; কাৰণ এইখন প্ৰদেশত এখন দৈনিক বাতৰি নাই, যি প্ৰদেশত এটা বিশ্ববিদ্যালয় নাই—য'ত এটা উচ্চতম ন্যায়ালয় নাই আৰু যিখন দেশে ৰাজনৈতিক, অৰ্থনৈতিক আৰু শিক্ষাৰ কাৰণে আন এখন প্ৰদেশৰ লগত

সাঙোৰ খাই থাকিব লাগে, তাৰ আকৌ কি নিজত্ব আছে! বৃটিছৰ গোলামীৰ ওপৰিও আমি আনৰো বহতীয়া।

ঁডেকা বেজবৰুৱা কৌতুকপ্ৰিয় আৰু সৰ্ববৰহী লোক আছিল। হিন্দু, মুছলমান, খৃষ্টান, সকলো লোকৰ লগত তেখেতৰ উদাৰ আচৰণ। সকলো সম্প্ৰদায়ৰ লোকে তেখেতক ভাল পাইছিল। আজি অকালতে সেই অসমৰ ডেকা বন্ধু নজনা দেশলৈ দেশান্তৰ হ'ল। তেখেতৰ মৃত্যুত দেশৰ অপূৰণীয় ক্ষতি হৈছে।

শিৱসাগৰ

১৪/১১/৪৬

---

* বৰ পৰিতাপৰ কথা যে সেই সময়ৰ মণিপুৰৰ সমাজ-সেৱী ডক্টৰ লৈৰেন-সিংদেৱৰ আমালৈ মৰম কৰি মণিপুৰ ৰাজ্যত ডেকা-বেজৰ কাৰ্য্যাৱলীৰ বৰ্ণনা দি লিখা পত্ৰবিলাক কৰবাত হেৰুৱালোঁ। তাৰ বাবে আমি সঁচাকৈয়ে জগৰীয়া যেন বোধ কৰিছোঁ। ইতিমধ্যে ডঃ সিঙৰো পৰলোক প্ৰাপ্তি হোৱাত জীৱনীৰ সেই ছোৱা অসম্পূৰ্ণ হৈয়ে থাকিল।
—সম্পাদক।

মাধৱ বেজবৰুৱা

(ছাত্ৰজীৱনৰ আন এটি দিশ)

খুৱ সম্ভৱ ইংৰাজী ১৯২৮ চনৰ জানুৱাৰী মাহ। শিৱসাগৰ উচ্চ ইংৰাজী স্কুলৰ ছাত্ৰ মাধৱ বেজবৰুৱা। মাধৱ সকলো কামতে বৰ একাগ্ৰতাপূৰ্ণ। সেই সময়ত আমাৰ দেশ পৰাধীন। গোটেই দেশখন কিন্তু নিজৰ যেন। তেতিয়া ভাৰত বিভক্ত হোৱা নাই। গোটেই ভাৰত (আজিৰ পাকিস্থানলৈকে) এক সূত্ৰে এক এনাডোলেৰে সুবদ্ধ। মাদ্ৰাজৰ নাইডু বোলা এজন দেশপ্ৰেমিকে গোটেই অসম প্ৰদেশ ঘূৰি তেওঁৰ শাৰীৰিক ব্যায়ামৰ প্ৰশিক্ষণ ছাত্ৰসকলক দিছিলে। বৃহৎ বঙ্গদেশৰ মুকুন্দ দাসে দেশপ্ৰেমৰ গীত মনোগ্ৰাহী সুৰত গাই মানুহক উল্লাসিত কৰাৰ উপৰিও মন, প্ৰাণ এক উচ্চ স্তৰলৈ লৈ গৈছিল। সকলোৱে সকলো পিনৰপৰা সমগ্ৰ দেশবাসীৰ কল্যাণ কামনা কৰিছিল, যাতে সুস্থ সবল, ঐকতাবদ্ধ দেশখনে পৰাধীনতাৰ শিকলি ছিন্ন কৰিব পাৰে।

মাধৱেও সকলো লৰাৰ লগত নাইডুৰ ব্যায়াম শিকিছিল আৰু অতি সোনকালে সেই ব্যায়ামৰ ফল লাভ কৰিছিল। হাতৰ মাংসপেশী, বুকুৰ ভৰিৰ কলাফুলৰ মাংসপেশী সুন্দৰ পুৰঠ হৈ উঠিছিল অতি কম সময়ৰ ভিতৰতে। এতিয়া চকুৰ আগত মাধৱৰ সেই সময়ৰ চেহেৰা ভাঁহি উঠিছে। সুন্দৰ সুঠাম দেহা, কেকোৰা চুলি, বহল মুখ, ওখ গঠন। মাধৱ কথা কওঁতে বৰ খৰ নাছিল। কিন্তু বয়সতকৈ গভীৰ চিন্তাধাৰা এটা যেন সদায় জিলিকি থাকে আৰু সদায় যেন য'ত আছে ত'ত নাই, দূৰৈৰ আদৰ্শই অনুপ্ৰাণিত কৰে। যেতিয়া আন সকলোৱে পঢ়াশালি বা কলেজৰ কথাও নেভাৱে, মাধৱে তেতিয়া এখন বিশ্ববিদ্যালয়ৰ সপোন দেখে।

সেইদিনা ইং ১৯২৮ চনৰ জানুৱাৰী মাহৰ কোনোবা এটা দেওবাৰ। প্ৰথম বাৰৰ বাবে দৌৰ প্ৰতিযোগিতা—শিৱসাগৰ বৰপুখুৰীৰ চাৰিওপিনে দৌৰ।

আমাৰ সৰু কালৰ স্কুলীয়া মনেৰে এইটো সেই দিনৰ এটা ডাঙৰ পৰ্ব। তেতিয়ালৈকে কোনেও তেনে প্ৰতিযোগিতা পতা নাই। আমি চাবলৈ হে গৈছিলোঁ। আমি ভবা নাছিলোঁ যে আমাৰ লগৰে ছাত্ৰ এজন দৌৰত প্ৰথম হব। ধেমালি চাবলৈ যোৱা দ'লৰ মুখৰ কাছাৰিঘৰৰ ওচৰৰপৰা দৌৰ আৰম্ভ হ'ল। মাধৱ তাৰ ভিতৰত 'লাইন'ত এজন। মাধৱে সভাই সমিতিয়ে আগভাগ লৈছে, ব্যায়াম কৰিছে। কিন্তু এনে এটা কষ্টসাধ্য কাৰ্য্যতো মাধৱে আগভাগ লব বুলি কোনোৱে ভাবিব পৰা নাই আৰু কোনোৱে নজৰ কৰা নাই। কোনোৱে হয়তোবা হাঁহিছে!!

সুহুৰি পৰিল আৰু দৌৰ আৰম্ভ হ'ল। এনেকুৱা দীঘল দৌৰত পোন প্ৰথমেই ১০০ গজ দৌৰৰ দৰে আৰম্ভ নকৰে। মাধৱে তেওঁৰ স্থিৰ লেহেম দৌৰ আৰম্ভ কৰিলে; কিন্তু এনে ধৰণে গৈ সিপাৰৰ জেলৰ ওচৰত মাধৱে এটা এটাকৈ সকলোকে পাছ পেলাই ডাক-বঙলাৰ ওচৰৰপৰা প্ৰথম স্থান অধিকাৰ কৰি দৌৰৰ গতি বঢ়াবলৈ ধৰিলে। লাহে লাহে দ্বিতীয়, তৃতীয়, চতুৰ্থ-- প্ৰতিযোগীৰ ব্যৱধান বাঢ়ি আহিল আৰু 'চাৰ্কিট' হাউচৰ ওচৰৰপৰা মাধৱে একেবাৰে সকলোকে চেৰ পেলাই অকলশৰীয়া হৈ নিজৰ সৰল দৌৰৰে আগবাঢ়িল। সেই প্ৰথম স্থান শেষলৈকে ৰাখি আকৌ কাছাৰিঘৰৰ সন্মুখত সৰ্ব প্ৰথমেই ঠাই ললেহি। মাধৱ প্ৰথম! শিৱসাগৰত সেইদিনত এনেকুৱা এটা প্ৰতিযোগিতাই সৰু নগৰৰ সকলোৰে মুখে মুখে কোৱা গল্প হ'ল। এয়ে মাধৱৰ পু.-মালি, একনিষ্ঠা আৰু শাৰীৰিক শক্তি সাধনাৰ চানেকি।

আন এটা অধ্যায়। সেই দিনত শিৱসাগৰত ছাত্ৰসমাজৰ দুখন সভা আছিল। তেতিয়াৰ জ্যেষ্ঠসকলৰ মুখে মুখে শিৱসাগৰ অতীজৰ বাল্যাশ্ৰমৰ কথা শুনা যায়। তাত কি হৈছিল ভালকৈ এতিয়া জনা নাযায়। আমাৰ সময়ত আছিল জ্ঞানোদ্দীপিকা সভাত অংশ গ্ৰহণ কৰা ছাত্ৰসকল বিমলাপ্ৰসাদ চলিহা, শ্ৰীপাৰ্বতীকুমাৰ গোস্বামী, শ্ৰীনলিনীকান্ত মিশ্ৰ, শ্ৰীবিবেকানন্দ ভঁড়ালী, শ্ৰীসুৰেশচন্দ্ৰ ৰাজখোৱা, শ্ৰীদক্ষিণাকান্ত বৰুৱা আদি। 'বীণাপাণি' বুলি ওলোৱা হাতেলিখা মাহেকীয়া আলোচনীখন শ্ৰীদক্ষিণা বৰুৱাই সম্পাদনা কৰিছিল। শ্ৰীকৰুণা গগৈ আৰু দক্ষিণা বৰুৱাৰ কবিতা বৰ উপভোগ্য আছিল। নলিনী মিশ্ৰই গভীৰ ধৰণৰ প্ৰবন্ধ লিখিছিল। সুৰেশ ৰাজখোৱাই 'আগবাঢ়া, বাঢ়া আগ' আবৃত্তি কৰিছিল।

°চলিহাই হাৰমনিয়াম লৈ গান গাইছিল আৰু এটি অভিনয়ত চলিহা আৰু গোস্বামীয়ে মনোগ্ৰাহী অংশ গ্ৰহণ কৰিছিল। বিবেকা ভঁৰালীয়ে ৰচনা লিখি পাঠ কৰিছিল। এই সময়ত এনে কামবোৰত °ভূৱনচন্দ্ৰ গগৈদেৱে (একালৰ এম-এল-এ) বৰ সহায় কৰিছিল আৰু শেষত তেখেতৰ বিলৰ কাষৰ টেক্‌নিকেল স্কুলত সভা বহুৱাবলৈ দিছিল। তেখেতসকলো ছাত্ৰৰ নেতা আছিল। °পদ্মধৰ চলিহাদেৱে সকলো কথাত মৰমৰ চকুৰে চাই সহায় কৰিছিল।

ওপৰত কোৱা জ্ঞানোদ্দীপিকা সভাৰ বাহিৰে আন এখন ছাত্ৰসভাৰ কাম চলাইছিল। সেই সভাত আন আন ছাত্ৰও আছিল। এটা সুস্থ অৰিয়া-অৰিৰ মাজত এই দুখন সভাই কাৰ্য্য চলাইছিল। প্ৰতিযোগিতাৰ পূৰা ৰূপ ধৰা পৰিছিল দুয়োখন সভাৰ বাৰ্ষিক সন্মিলনত। ছাত্ৰ-সভাৰ প্ৰাণ আছিল মাধৱ। কাৰখন বেচি চকুত লগা হয়, কোনে কাক সভাপতি আনিব পাৰে, কোনে ৰচনা, গীত নাট আবৃত্তি আদিত বেচি বুৎপত্তি দেখুৱাব পাৰে—ইত্যাদি। মুঠতে আমাৰ ছাত্ৰকাল এই সকলোবোৰৰ মাজেৰে বৰ আনন্দ আৰু প্ৰীতিৰ মাজত পাৰ হৈছিল। ছাত্ৰ-সভাৰ প্ৰাণ মাধৱ কটন কলেজলৈ আহি ছাত্ৰ সমাজত আৰু বেচিকৈ প্ৰাধান্য লাভ কৰিলেহি। এই জীৱন অকালতে শূন্যতা পূৰণ কৰিব পৰা হোৱা নাই। দেশৰ উন্নতিৰ ক্ৰমবৰ্দ্ধমানত এই এক অল্পবৰ্তী জীৱনৰ অকাল অৱসানত দেশে কিমান কি হেৰুৱালে তাক উপলব্ধি হে কৰিব পাৰি, বৰ্ণাব নোৱাৰি।

টোকা ঃ প্ৰবন্ধটিত উল্লেখ কৰাসকলৰ ছাত্ৰজীৱনৰ প্ৰতিভাৰ বিকিৰণে নতুন অসম গঢ়নত পূৰ্ণতাৰ বিকাশ সাধিছে তাক আমি দোহাৰিব নালাগে, পৰিচয়কণো অনাৱশ্যক। কিন্তু প্ৰবন্ধ লিখকৰ নামটি উল্লেখ নকৰিবলৈ নীতিগতভাৱে সম্পাদক প্ৰতিশ্ৰুত। —সম্পাদক।

'বন্তি নুমুৰাৰ আগতে'

"মাটিৰ পৰশ পাই এমুঠি চিতাৰ ছাই
মাটিতেই মিলি গ'ল চিৰদিনলৈ;
তথাপি নহব শেষ সেই স্মৃতি সেই লেখ
সাধোতে দেশৰ কাম চানেকীটি থৈ।"

(আলি, বৰদৈচিলা)

বস্তি নুমুৱাৰ আগতে

উষা বেজবৰুৱা

ইংৰাজী ১৯৪৫ চন; মে' মাহ, পুৱা বেলিকা—বাঁহী প্ৰেছৰ দুৱাৰমুখত আমি—মই, বৰা (পদ্ম বৰা) তেওঁ আৰু কৰ্মচাৰী কেইজন। তেওঁ কয়, "অসমত এইবাৰ ইউনিভাৰচিটি হবই; বৰদলৈ ডাঙৰীয়াও এইবাৰ উঠি পৰি লাগিছে। পিছে কাম আৰম্ভ নৌহওঁতেই শ্ৰীযুক্ত গোসাঁই (শৰৎচন্দ্ৰ) গোস্বামী আই এচ অ দেৱে আমাক এইদৰে এৰি থৈ যোৱাত হে বৰ বেজাৰ পাইছোঁ। অসমখনৰে দুৰ্ভাগ্য যেন পাওঁ। তথাপি আমাৰ বহি থাকিলে নহব। দেহে-কেহে খাটিবই লাগিব আৰু খাটিমো।" এইবুলি কৈ বেজবৰুৱাদেৱে প্ৰেছৰ ওপৰ মহলাৰ কৰবাত গোসাঁইদেৱৰ 'ব্লক' বিচাৰি খলক লগালে। ... ...।

ইয়াৰ প্ৰায় পোন্ধৰ দিনমানৰ পিছত গুৱাহাটী বিশ্ববিদ্যালযৰ প্ৰচাৰ পুস্তিকা প্ৰকাশৰ কামত দিনে ৰাতিয়ে ব্যস্ত। এদিন ৰাতি—নিশা একমান বাজিছে। ঘৰতে প্ৰেছটো। তেওঁৰ তেতিয়াও শুবলৈ আহৰি হোৱা নাই। 'মেচিন'ৰ ঘৰ্ঘৰ্ শব্দ একেৰাহে চলিব লাগিছে। তেওঁ নিজে 'মেচিন'ৰ কাষত থিয় হৈ ইখনৰ পিছতে সিখন কাগজ দি যাব লাগিছে। সময় কিমান গ'ল, তালৈ তেওঁৰ তেতিয়াও ভ্ৰূক্ষেপ নাই। ওচৰৰ বা ঘৰৰ আন মানুহেও যে আমনি পাব পাৰে, বা বিৰক্ত হব পাৰে, সেই কথা ভাবিবৰ সময়ো তেওঁৰ তেতিয়া নাছিল। কাৰণ সেইবোৰ কথা ভাবিবলৈ গ'লে যে ইফালে কাম নচলে। লগত আমাৰ সহকাৰী শ্ৰীপদ্ম বৰা। বেচেৰাৰ বোধকৰো মাজে মাজে বিৰক্তিও ধৰিছিল। কিন্তু উপায়েই বা কি? ডেকাবেজৰ ডেকাতেজ দেখি চেঙেলীয়া ল'ৰাই মুখ ফুটাই কবলৈ টান পায়। ইফালে ৰাতি নুপুৱাওতেই (লাইট জ্বলায়েই) আকৌ আৰম্ভ হয় 'মেচিন'ৰ ঘৰ্ঘৰ্ণি। ভাত খাবৰ সময় হয় কেতিয়াবা আবেলি চাৰি বজাত। 'মেচিন'ৰ কাম কৰা চিএগাহী লগা হাত দুখনো ভালকৈ ধুবলৈ সময় নহয়, জানোচা পলম হয়। গধূলি লাগি ভাগে, বাঁহী প্ৰেছত কিন্তু 'ইউনিভাৰচিটি' পুস্তিকাৰ পাত

ইখিলাৰ পিচত সিখিলা ছপা হ'বই লাগিছে। বিৰাম নাই, বিশ্ৰাম নাই। কাৰণ অসমত 'ইউনিভাৰচিটি' যে এইবাৰ হ'বই।

কলিকতাত সদৌ ভাৰত বাতৰি কাকত সম্পাদকৰ সভা,— (All India Newspaper Editor's Conference)। দিন নাই, ৰাতি নাই। অসমৰ সমস্যাবোৰ সভাত ডাঙি ধৰিবই লাগিব। অসমৰপৰা প্ৰতিনিধি আহক বা নাহক অসমে প্ৰতিনিধি নিৰ্বাচন তেওঁক কৰক বা নকৰক, নিজে নিৰ্বাচিত হ'বলৈ লাজ কৰিলে নহ'ব। মানুহৰ ঠাট্টা-মস্কৰালৈ কাণ দিলেও নহ'ব। অসমীৰ দুৰৱস্থাৰ প্ৰতিকাৰ কৰিবলৈ আগবাঢ়োতা যে কোনো নাই। ৰাতি জানো বিশ্ৰাম লবৰ সময় হয়? ৰাতিৰ ভিতৰতে ছপা হৈ ওলাবই লাগিব। এখনি সৰু কিতাপ ওলাল। তাত লিখিলে অসমৰ সমস্যা কি কি? তাৰ প্ৰতিকাৰৰ উপায় হ'ব পাৰে কি ভাৱে। অসমৰ পৰিস্থিতিৰ বিষয়ে বাহিৰ বিশ্বই যে জানিবই লাগিব। সভাৰ সভাপতি মিঃ ব্ৰেলভি (Mr. Brelvi) ৰ লগত আলোচনা হ'ল অসমৰ কথা। তেওঁ সকলো ফঁহিয়াই দেখুৱালে, —বুজালে। ... ...।

জুন মাহ। আমি ওলালোঁ অসমলৈ। তেওঁ ওলাল 'ইউনিভাৰচিটি'ৰ কাৰণে ধন তুলিবলৈ। মই ওলালোঁ আকউ আইৰ ঘৰত দুসাজি ভাত সুখেৰে খাবলৈ বুলি।

তেখেতে এমাহ হাবি-বননি ভাঙি শৰীৰ মাটি কৰি উলটি আহি পায়হি তেজপুৰ। 'ইউনিভাৰচিটি'ৰ পুজি সংগ্ৰহত অকলে আগবাঢ়িল বহু দূৰ। তেতিয়াই তেওঁৰ বাওঁফালৰ বুকুখন অলপ বিষোৱা যেন পোৱা বুলি কৈছিল। মই হাঁহি কৈছিলোঁ—"চাবা আকৌ, আজি-কালি যিহে দিন কাল পৰিছে—কৰবাত কিবা নহ'লেই হয়। শৰীৰৰ অলপ যত্ন লব লাগে।" তেওঁ মোৰ কথা হাঁহি উৰাই দিয়ে; কয়—"মোৰ এই শৰীৰত কি হ'ব পাৰে? মই প্ৰুফড্ (proofed) হৈ গৈছোঁ।" তাৰ পিছত উলটি যায় কলিকতালৈ।

এমাহৰ পিছত আগষ্ট মাহৰ ২৬ তাৰিখৰ দিনা পুৱা পাওঁ এখন টেলিগ্ৰাম; খোলোঁ, প্ৰথমেই চকুত পৰে "দাদাকো মাতিছোঁ, জানো তেখেত আহিব পাৰে নে নোৱাৰে।.......................।" মোৰ বুকুখন কঁপি উঠে। ভাবোঁ, হঠাৎ নো দাদাক মাতি পঠাব লগা কি এনে ঘটনা ঘটিল! তাৰ পিছত হে চিঠিখন পাই মূৰৰপৰা পঢ়োঁ— "মই নিজে ডাক্তৰ পালৰ (Paul) ওচৰলৈ গৈ দেখুৱাত

তেখেতে কলে যে মোৰ বুকুত হেনো কফ জমা হৈ আছে। 'এক্স-ৰে প্লেট' (X'Ray Plate) এখন লবলৈ কোৱাত ল'লোঁ।........।.......মোৰ এতিয়া সম্পূৰ্ণ জিৰণি লৈ থাকিবলৈ দিছে। ঘৰতে বিশ্ৰাম লৈ আছোঁ। কথাটো ভাবিলে মূৰ ঘূৰাই যায়। সেই কাৰণে মই একো ভবা নাই। স্থিতপ্ৰজ্ঞ হ'বলৈ চেষ্টা কৰিছোঁ। নাজানোঁ ঈশ্বৰে কি কৰে।"

২৮ আগষ্টৰপৰা তেওঁ বিছনাতে। মই গৈ পাওঁগৈ। দুয়ো হাহোঁ— "ঈশ্বৰে গতি এই হে কৰিলে" বুলি। তেওঁ তেতিয়া কৈছিল—"মই একো চিন্তা কৰা নাই। ঈশ্বৰে যি কৰে ভালেই কৰে। মই বৰ উৎপাত কৰিছিলোঁ। ঠিক এই সময়তে মোক এটা বাধাৰ আৱশ্যক হৈছিল। ভগৱানে তাকেই দিছে। ভালেই হৈছে। এতিয়াৰপৰা নিয়মীয়া জীৱন যাপন কৰিব পাৰিম..........।"

২৮ আগষ্টৰপৰা অক্টোবৰ মাহৰ শেষ তাৰিখলৈ তেওঁ কলিকতাৰ ঘৰতে থাকে। ঘৰতে চিকিৎসাৰ সকলো বন্দোৱস্ত কৰা হয়। নামত তেতিয়া তেওঁ সম্পূৰ্ণ বিশ্ৰামত আছিল। কিন্তু কামত আছিল ওলোটা। তেওঁৰ মন সদায় 'বাঁহী', 'অসম' আৰু 'বিশ্ববিদ্যালয়ৰ' চিন্তাই আগুৰি আছিল। আনফালে আকৌ সেই অৱস্থাতো কেতিয়াও 'বাঁহীপ্ৰেছ' বা আন কথালৈ হতাশ হোৱা নাছিল। সদায় মনত বল ৰাখিছিল। বিচনাত পৰি পৰিয়েই বাঁহীৰ সকলো কামকে দিহা-পোহা দি কৰাবলৈ এৰা নাছিল। বিশ্ৰাম লবলৈ কোৱাৰ ফল পিছে ওলোটা হে হ'ল। নিজে একো কৰিব নোৱাৰা হোৱাৰ লগে লগে মনৰ অশান্তি বাঢ়ি হে যাবলৈ ধৰিলে। যিজন মানুহে এটা মুহূৰ্তও বহি থাকিবলৈ টান পাইছিল, সেইজন মানুহ অনিৰ্দিষ্ট কাললৈকে বিচনাত পৰি থাকিব লগীয়া হোৱা কথাটো এতিয়াও ভাবিবলৈ টান পাওঁ।

তেওঁ কলিকতাত থকালৈকে, এক মুহূৰ্তৰ কাৰণেও বাঁহীৰ কথা নভবাকৈ থাকিব নোৱাৰিছিল। আনকি, দুপৰীয়া সময়খিনিও, তেওঁ শান্তিৰে বিশ্ৰাম লব নুখুজিছিল বা নোৱাৰিছিল। তেওঁৰ কাষলৈ যেয়ে গৈছিল তেওঁক প্ৰথমেই 'ইউনিভাৰচিটি'ৰ কি হব, নাইবা অসমৰ অৱস্থা কি, এইবোৰ প্ৰশ্ন হে আগতে কৰিছিল। প্ৰত্যেক মানুহৰ লগতে তেওঁ আগৰ দৰেই কথা-বতৰা হৈছিল আৰু বহু সময়ত নিজৰ শাৰীৰিক অৱস্থাৰ কথা পাহৰি গৈ বহুত সময় ধৰি সেইবিলাক বিষয়ৰ আলোচনা কৰিছিল। সাধাৰণতে এনে এটা অসুখত পৰিলে মানুহ অলপ

নহয় অলপ বিচলিত হয়েই। কিন্তু তেওঁৰ কথা একেবাৰে বেলেগ আছিল। তেওঁক আনে সাহ বা মনত বল দিয়া দূৰৰ কথা, তেওঁ নিজে হে আনৰ মনত সদায় বল বান্ধিবলৈ সাহ দিছিল আৰু ইমান বিপদ আৰু নিজেও শাৰীৰিক কষ্টত ভুগিও, আনক অধৈৰ্য্য নহৈ বা বেজাৰ নকৰি কাম কৰি যাবলৈ উৎসাহ দিব পাৰিছিল। আনে অলপ বেজাৰ কৰিলেও তেখেতে বেজাৰহে পাইছিল। সেই সময়ত 'বাঁহী'ৰ গুৰি ধৰোঁতা বুলিবলৈ আছিল আমাৰ সাহসী, সহকাৰী সম্পাদক, ডিঙৰ ডেকা শ্ৰীমান পদ্ম বৰা, দুজন 'কম্পোজিটৰ' আৰু এটা অসমীয়া ল'ৰা। ঘাই গুৰি ধৰোঁতা 'মেচিনমেন'(machine man) য়েই নাই। কিন্তু ভাবি আচৰিত মানিব লাগে যে তেওঁৰ সেই অৱস্থাতো বিচলিত নহৈ বৰং বিচনাত শুই শুয়েই দিহা (direction) দি অসমীয়া ল'ৰাটিক মেচিনৰ কাম শিকায়। আৰু—সেই অৱস্থাতে বাঁহী এৰি যাবগৈ 'আৰোগ্যবৰমলৈ'......।

শ্ৰীযুত বৰদলৈদেৱৰ (লোকপ্ৰিয়) যত্নত আৰু শ্ৰীপ্ৰফুল্ল বৰুৱাৰ (এম. পি) উদ্যোগত এমাহৰ ভিতৰতে 'আৰোগ্যবৰম'ত ছিট (seat—ঠাই) পায়। আমি সকলোৱেই আনন্দ পাওঁ। তেওঁ কয়—"আৰোগ্যবৰম—নামটো শুনিলেই মনটো ভাল লাগি আহে। মোৰ আৰু কলৈকো যাবৰ মন নাই—তালৈকে হে যাম। মোৰ বিশ্বাস, তালৈ গ'লে মই তিনি বা চাৰি মাহৰ ভিতৰতে ভাল হৈ আহিম। 'আৰোগ্যবৰম' মোৰ মানত এখন যেন তীৰ্থস্থান।"

অক্টোবৰ মাহৰ শেষৰ পিনে তেওঁ আৰোগ্যবৰমলৈ যাব। মনত স্ফুৰ্তি। কিছুদিনৰ আগৰপৰা চেনাটৰিয়ামলৈ যাবৰ কাৰণে তেওঁ বৰ ব্যাকুল হৈ পৰিছিল...।

কিন্তু সিদিনা সঁচায় আৰোগ্যবৰমলৈ যাবৰ দিন হ'লহি সেইদিনা তেওঁৰ মনৰ স্ফুৰ্তি ক'ৰবালৈ গ'ল। কিবা এটা বিষাদৰ ৰেখা তেওঁৰ মুখত ফুটি উঠিল। কোনে জানে কিহৰ কাৰণে? তথাপি মুখত হাঁহি ৰাখি তেওঁ কৈছিল, "বাঁহী জীয়াই থাকিলে ময়ো জীয়াই থাকিম। তোমালোকে চিন্তা নকৰিবা। 'চেনাটৰিয়াম' পালেগৈ সোনকালেই ভাল হৈ আহিম।"

তেওঁৰ লগতে যায় তেওঁৰ ককায়েক শ্ৰীযুত আনন্দ বেজবৰুৱা আৰু আমাৰ ঘৰৰে এটা অসমীয়া ল'ৰা।

আৰোগ্যবৰমৰপৰা কিছু পলমকৈ তেওঁৰপৰা চিঠি পাওঁ,..."মোৰ পিঠিত

যি এটা বিষ লাগি আছিল, সি হে এতিয়াও ভাল হোৱা নাই। ইয়ালৈ আহি সঁচায় মনটো বৰ ভাল লাগিছে। ডাক্তৰ বেঞ্জামিন মানুহজন বৰ ভাল। দেখিলেই সাহ হয়। 'নার্চ' আৰু 'কম্পাউণ্ডাৰ' সকলে বৰ খাটে। বতাহ অনবৰত থাকে। ইয়াত চিকিৎসা (treatment) হিচাবে, ঔষধতকৈ প্ৰকৃতিৰ ওপৰত হে বেচি নিৰ্ভৰ কৰে। চিকিৎসা হিচাবেও এই 'চেনাটৰিয়াম' ভাৰতৰ ভিতৰতে শ্ৰেষ্ঠ। 'অপাৰেচন' (operation) আদিও বৰ ভাল। ঠাইখন মাদ্ৰাজৰ পৰা ভালেখিনি দূৰ। চাৰিওপিনে পাহাৰ। সুন্দৰ সুন্দৰ দৃশ্যবোৰ দেখিলেই বৰ ভাল লাগে। ভাবিছোঁ যে বাচি বাচি ইমান দূৰৰ এই হাবিৰ মাজত যক্ষ্মা চিকিৎসালয় এনেয়ে ইয়াত (T B. Sanatorium) পতা নাই। 'কটেজ' (cottage) বোৰ তেনেই মুকলি। বেৰ মুঠেই এখন। দুৱাৰ-খিড়ীকি নাই। অনবৰত ৰোগীবোৰে মুকলি বতাহ পাই থাকে। মুঠতে আশ্ৰমৰ দৰে লাগিছে। আটাইতকৈ মোৰ এইটোৱেই ভাল লাগিছে যে ইয়াৰ কামবোৰ আপোনা-আপুনি হৈ থকাৰ দৰে। কোনো কামতে কাকো খটিয়াই থাকিবৰ আৱশ্যক নাই। কোনেও বেমাৰীসকলক ভয় বা ঘিণ নকৰে। এয়েই ৰোগীৰ কাৰণে এটা ডাঙৰ ঔষধ।"

তাৰ পিছৰখন চিঠিত লিখে "মোৰ গা ভাল পাই আহিছোঁ। খাব-বৰও পাৰিছোঁ, সকলো সুবিধাই ইয়াত পাইছোঁ; পৰি পৰি থাকি হে বৰ বেয়া লাগিছে।"

তেওঁৰ শৰীৰৰ প্ৰথম তিন মাহমান বেচ সুন্দৰ ভাবেই উন্নতি কৰে......।

তাৰ পিছত হঠাৎ নাকৰপৰা তেজ ওলাই গৈ শৰীৰ অত্যন্ত দুৰ্বল হৈ পৰে। মাৰ্চ মাহৰ (১৯৪৬ ইং) সাত তাৰিখে আমি ৰাওনা হওঁ। ১৬ মাৰ্চ তাৰিখে আৰোগ্যবৰম 'চেনাটৰিয়াম' পাওঁগৈ। তেওঁ তেতিয়া 'অপাৰেচন' হলত। সৰু এটা 'অপাৰেচন' কৰিবৰ কাৰণে তালৈ নিয়া হয়। পাচে শৰীৰ দুৰ্বল কাৰণে নাৰ্চিং চুপাৰিন্টেণ্ডেণ্টে অকলশৰে থাকিবলৈ দিবলৈ সাহ নকৰি তেওঁক তাতে ৰাখে। তেখেতৰ অশেষ যত্নত সময় উকলি যোৱাৰ পিছতো তেওঁক বহু যত্নেৰে সৈতে তাতে থাকিবলৈ দিয়ে। তেওঁৰ শৰীৰৰ অৱস্থা তেতিয়া ভাল (normal) নহয়। তথাপি বান্ধে বুকুত অসীম বল। সেই সময়ত তেওঁৰ খং অতিমাত্ৰাই বাঢ়িছিল। খোৱা-বোৱাও সমূলি কৰিব পৰা নাছিল। বহুত সময়ত বমি হৈ, নাইবা কাহ উঠাৰ কাৰণে খোৱা বস্তু পেটত নৰৈছিল। এইদৰে প্ৰায় দুমাহ গ'ল। তাৰ পিছত লাহে লাহে সামান্য খাব-লব পৰা হয়। আমাৰ মনলৈও

অলপ আশা আছে। তেওঁৰ মন অৱশ্যে সেই সময়ত আগৰ দৰে নাছিল। খোৱা-বোৱা আদি বিষয় লৈ সদায় বিৰক্তি বোধ কৰিছিল। বহু যত্নৰ ফলত বৰ বেয়া অৱস্থাৰপৰা তেওঁৰ অৱস্থা অলপ ভালৰ ফালে আহে। তেতিয়া অলপ খাব পাৰিলেও নিজেই বৰ আনন্দ পাইছিল, আৰু তাকে সকলোকে কৈছিল। কিন্তু মনটো তেওঁৰ সদায় উদ্‌গ্ৰীৱ হৈয়েই আছিল। বাঁহী বা আন তেনে কথা ভাবি সদায়েই অস্থিৰ হৈ পৰিছিল। বাতৰিকাকতখন আহি হাতত পৰিলে, নপঢ়াকৈ কেতিয়াও এৰিব নোৱাৰিছিল। সেই কাৰণেই বোধ কৰোঁ শৰীৰ দুদিনমান ভালে থাকিলে আকৌ আন উপসৰ্গবোৰে পীড়িবলৈ লৈছিল। এমাহ, দুমাহ ভালে থাকিও আকৌ পৰিব লগাত পৰিছিল। কিন্তু তেওঁ তেতিয়াও সদায় কৈছিল, "এইটো পাৰ হৈ গ'লেই ভাল হ'ম।"

এইদৰেই শৰীৰৰ ওপৰত সদায় অত্যাচাৰ চলিয়েই আছিল। খাব-লব নোৱৰা কাৰণেই হওক বা সম্পূৰ্ণ জিৰণিৰ অভাৱৰ কাৰণেই হওক, শৰীৰে বিশেষ উন্নতি কৰিব পৰা নাছিল। অসুখ এফালে ভাল হৈছিল- —যদিও আনফালে বাঢ়িছিল।

যিদিনা তেওঁ প্ৰথম গম পায় যে ইখন কলিজাও (lung) আক্ৰান্ত হৈছে. সেইদিনাও তেওঁ অলপো অধৈৰ্য নহৈ মোক সাহ দি কৈছিল, 'ই একো কথা নহয়। মই অলপ খাব-লব পৰা হ'লেই, গাত অলপ শক্তি পালে, চিকিৎসা আৰম্ভ কৰিব। তেতিয়া ভাল হৈ যাম, যি হয় ইয়াতে হৈ যোৱাই ভাল।" তেতিয়াৰপৰা তেওঁ সম্পূৰ্ণ বিশ্ৰাম লবলৈ চেষ্টা কৰে।...কিন্তু পাৰে ক'ত? হয় পিঠিতে বিষ, নহয় জ্বৰেই বেচি,— এটা নহয় এটা ওলাবহিয়েই। হয়তো বিধতাৰ ইচ্ছা! শৰীৰৰ যাতনা ভুগিবই লাগিব।

অক্টোবৰ মাহৰ প্ৰথম ভাগ (১৯৪৬ ইং)। তেওঁৰ শৰীৰ দুৰ্বল। অসুখত ভুগি ভুগিয়েই বোধ কৰোঁ কিছুদিনৰ আগৰেপৰা তেওঁ মন তাত (আৰোগ্যবৰমত) নবহা হৈ আহিছিল। তাৰপৰা গুচি আহিবৰ কাৰণে ব্যাকুল হৈ পৰিছিল। তেতিয়া তেওঁৰ শৰীৰ ভালকৈয়ে দুৰ্বল।......

অক্টোবৰ মাহৰ আৰম্ভৰেপৰা তেওঁ কেইবাদিনে উশাহ লোৱাত কষ্ট অনুভৱ কৰিবলৈ ধৰে। বিচনাত পৰিও থাকিব পৰা নাছিল। কাৰণ, বিচনাত পৰিলেই বিষ আৰু উশাহ লোৱাত কষ্ট পাইছিল। ৰাতিও বহি বহিয়েই কটাব



ডেকাবেজ মাধৱচন্দ্ৰ
অসমৰ ডেকা তেজৰ প্ৰতীক



উষা বেজবৰুৱা
ডেকাবেজৰ সহধৰ্ম্মিণী



যামিনী দেৱী
ডেকাবেজৰ এগৰাকী বাইদেৱেক

আনন্দচন্দ্ৰ বেজবৰুৱা
ডেকাবেজৰ অগ্ৰজ

শশীপ্ৰভা দেৱী
আন এগৰাকী বাইদেৱেক

লগাত পৰিছিল। চাৰিদিনৰ দিনা (৫ অক্টোবৰ) ৰাতিপুৱা অৱস্থা অলপ বেয়াৰ ফালেই আহে—উশাহ লব নোৱাৰি বৰ ছট্‌ফটাবলৈ ধৰে। মই যাওঁ 'চুপাৰিণ্টেণ্ডেণ্ট'ৰ ওচৰলৈ আৰু তেখেতক মাতো এবাৰ চাই যাবলৈ।

তেওঁ যি যায়হি 'অক্সিজেন গ্যেচ' আৰু তিনি ঘন্টাৰ অন্তৰে অন্তৰে দিবলৈ দিয়ে 'ইনজেকশ্যন'। একে অৱস্থাতে পাৰ হৈ গ'ল ছদিন, ছৰাতি—বিচনাত বহি বহি। সন্মুখত এখন সৰু টুল। তাৰ ওপৰত ছয়-সাতোটা গাৰু। তাৰে ওপৰত মূৰ থৈ তেওঁ লব লগা হয় বিশ্ৰাম। নাকত দিয়া 'অক্সিজেন'ৰ নলী! কি দাৰুণ দৃশ্য! কি যন্ত্ৰনা! চকুৰ আগত বহি বহি কেৱল চাইছোঁ; আৰুতো উপায় নাই! মানুহে শৰীৰৰ ওপৰত কৰা অত্যাচাৰৰ প্ৰতিশোধ যে প্ৰকৃতিয়ে এইদৰে তিলে তিলে গ্ৰহণ কৰিব পাৰে, তাৰ পৰিচয় ভালকৈয়ে পালোঁ।

ছদিনৰ দিনা ৰাতি 'গ্যেচ' গ'ল শেষ হৈ। খবৰ আহিল, "অৱস্থা আগতকৈ ভাল, গ্যেচৰ আৰু আৱশ্যক নকৰে।"

মনলৈ সাহ আহিল। ভাবিলোঁ, ভগৱানে যেন চকু মেলি চালে...।

ৰাতিটো পাৰ হ'ল ভালদৰেই—যদিও সেই সময়তো তেওঁক বিচনাত পৰি ক্ষন্তেক জিৰণি লবলৈ নিয়তিয়ে বিধান নকৰিলে।

পিছদিনা পুৱাৰপৰা তেওঁ বৰ অৱশ হৈ পৰে।......কথাটো যেন একোকে বুজিব পৰা নাছিল। উদাস দৃষ্টিৰে চাৰিওফালে মাথোন এবাৰ চাইছিল......।

"বেঞ্জামিনৰ ওচৰলৈ গৈছিলা নে? মোৰ অৱস্থা কেনে বুলি কয়?" মোক সোধে......।

শুকুৰবাৰ; আবেলি তিনিবজা—অলপ 'হৰলিক্স' খুজি খায়। ক'লে "মোক সময় মতে খাবলৈ দি যাবা। মই খাই যাম।" আকৌ আগৰ দৰে অৱশ হৈ শুই পৰে।

আবেলি চাৰিবজা......তেওঁ লাহে লাহে সন্মুখৰ টুলখনিৰপৰা শৰীৰৰ ভৰ এৰিলে।......হেলনিয়া হৈ বিচনাত আউজি বহিল।... মনলৈ অলপ শান্তি আহিল—ভাবিলে যে এইদৰে অলপ বিশ্ৰাম লব পাৰিলেই হয়। মই তেতিয়াও ভাবিবপৰা নাছিলোঁ যে নিয়তিৰ বিধান এয়েই আছিল বুলি......।

আৰু সময় নাই।......বেজবৰুৱাৰ জীৱন প্ৰদীপ চিৰকালৰ কাৰণে নুমাওঁ নুমাওঁ......!!

সময় আৰু নৰ'ল;......নিষ্ঠুৰ নিয়তিৰ কৰাল গ্ৰাসে তেওঁক শেষ কৰি দিলে—কৰ্মবীৰৰ শেষ নিশ্বাস শেষবাৰৰ কাৰণে স্তব্ধ হৈ গ'ল!!!

বেজবৰুৱাৰ জীৱন প্ৰদীপ শেষবাৰৰ কাৰণে নুমাই গ'ল সঁচা—কিন্তু পোহৰবোৰৰ ৰেঙণি অসমৰ হাবি-বন, গাওঁ-ভূঞে বিয়পি পৰিল।*

* ডেকাবেজৰ প্ৰিয়তমা পত্নী শ্ৰীযুতা বেজবৰুৱাৰ পৰিচয়লিপি পৰিশিষ্টত দ্ৰষ্টব্য। তেখেতে ডেকাবেজৰ মৃত্যুৰ পিছতে এই টোকাটি লিখি পঠাইছিল আমালৈ।—এম্. ইব্ৰাহীম আলি

। বেজবৰুৱাৰ ১৯৮৪ চনৰ ২ ডিচেম্বৰত পৰলোকপ্ৰাপ্তি হয়।

মাধৱচন্দ্ৰ বেজবৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়

হৰেন্দ্ৰ নাথ কলিতা

এজন দেশপ্ৰাণ অসমীয়া ডেকা সিদিনা হঠাৎ কৰে এই জগতৰপৰা অন্তৰ্ধান হ'ল। তেওঁ মাধৱচন্দ্ৰ বেজবৰুৱা। তেওঁ 'ডেকা বেজবৰুৱা' বুলিয়েই জনাজাত আছিল। অসম আৰু অসমীয়াই ডেকা বেজবৰুৱাৰপৰা অনেক আশা কৰিছিল। কিন্তু কালে অকালেত তেওঁক হৰি নিলে। তেওঁৰ মাত্ৰ ৩৫ বছৰ মানহে বয়স হৈছিল। কৰ্মব্যস্ত অৱস্থাতে অজানিতভাৱে তেওঁ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হয় আৰু মাদ্ৰাজলৈ চিকিৎসাৰ কাৰণে যায়। কিছুদিন চিকিৎসাধীন অৱস্থাতে থাকি ১৯৪৬ চনৰ অক্টোবৰ মাহৰ ১৯ তাৰিখে মাধৱচন্দ্ৰ বেজবৰুৱাৰ পৰলোক ঘটে সুদূৰ মাদ্ৰাজতে।

অসমৰ যুৱ-শক্তিৰ আদৰ্শৰ প্ৰতীক-স্বৰূপ আছিল মাধৱচন্দ্ৰ বেজবৰুৱা। তেওঁ আছিল অফুৰন্ত কৰ্ম-শক্তিৰ অধিকাৰী, আত্মনিৰ্ভৰশীল আৰু স্বাধীনতাপ্ৰিয় লোক। বিশেষকৈ তেওঁৰ আছিল দেশ আৰু দেশবাসীৰ সেৱাত একাণপতীয়াকৈ নিজকে লগাই দিব পৰা ক্ষমতা।

মাধৱচন্দ্ৰ বেজবৰুৱা আছিল স্পষ্টবাদী। কোনো বিপদৰ ভয়ে, লোক-লজ্জাৰ আশঙ্কাই, লাভ-লোকচানৰ বিচাৰ-বিবেচনাই বেজবৰুৱাই শুদ্ধ বুলি লোৱা বা কৰোঁ বুলি ধৰা কামত বাধা দিব নোৱাৰিলে। আনে কিবা কয় বুলিও কোনো কামত ইতস্ততঃ কৰা নাছিল। সকলো কাম নিজে আগত ৰখা আদৰ্শমতে কাৰ্য্য গৈছিল।

ডেকা বেজবৰুৱা জীয়াই থকা বছৰ কেইটাত যেনেদৰে সকলোৰে চিনাকি, সকলোৰে মাজত চকুতপৰা বিধৰ লোক আছিল, তাৰে চাই তেওঁৰ মৃত্যুৰ পিছত প্ৰায় সকলোৱে পাহৰি গ'ল।

১৯৭০ চনৰ চেপ্তেম্বৰ মাহৰ ১৯ তাৰিখে অতি সমাৰোহেৰে ঁমাধৱচন্দ্ৰ বেজবৰুৱাৰ এখন 'তৈলছবি' উদ্বোধন কৰা হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১নং ছাত্ৰাবাসত। গুৱাহাটীৰপৰা জালুকবাৰীলৈ বিশ্ববিদ্যালয় স্থানান্তৰিত কৰোঁতে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী শ্ৰদ্ধেয় শ্ৰীবিষ্ণুৰাম মেধিদেৱে এই ছাত্ৰাবাসটো প্ৰথম অতি সমাৰোহেৰে ১৯৫৫ চনৰ ৭ চেপ্তেম্বৰ তাৰিখে মুকলি কৰিছিল। বৰ্তমান ইয়াৰ নামাকৰণ কৰা হৈছে--- ঁবেজবৰুৱাৰ নামে "মাধৱচন্দ্ৰ বেজবৰুৱা ছাত্ৰাবাস।" এই ছাত্ৰাবাসত বেজবৰুৱাৰ 'তৈলছবি' এখন ৰখাটো সমীচিন হৈছে। ইয়াৰ কাৰণে ছাত্ৰাবাসৰ ছাত্ৰসকল নিশ্চয় শলাগৰ পাত্ৰ।

যিসকল ছাত্ৰই সিদিনা বেজবৰুৱাৰ 'তৈলছবি' উদ্বোধন উৎসৱ পাতিলে, তেওঁলোকৰ বহুতো হয়তো বেজবৰুৱাৰ জীৱিত কালত ওপজাই নাছিল। যিখন বিশ্ববিদ্যালয়ত তেওঁলোকে আজি বিদ্যা অধ্যয়ন কৰিছে তাৰ প্ৰতিষ্ঠাৰ বাবে এসময়ত যিসকলে আন্দোলন কৰিছিল, তাৰ লগত ঘনিষ্ঠভাৱে জড়িত থকাসকলৰ ভিতৰত ঁমাধৱচন্দ্ৰ বেজবৰুৱা অন্যতম।

ঁমাধৱচন্দ্ৰ বেজবৰুৱা আৰু ঁলোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱক বাদ দি গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা ভাবিবই নোৱাৰি। কোনোৱে কব পাৰে এওঁলোক নাথাকিলে গুৱাহাটী বিশ্ববিদ্যালয় নহ'ল হয় নেকি? হয়তো হ'লহেঁতেন, কিন্তু ইমান সোনকালে নহ'লহেঁতেন বোধ হয়। এসময়ত এই বিশ্ববিদ্যালয় পাতিবলৈ আন্দোলনৰ সৃষ্টি হৈছিল, তাৰ প্ৰাণ-কেন্দ্ৰ স্বৰূপ আছিল, ডেকা বেজবৰুৱা ঁমাধৱচন্দ্ৰ আৰু লোকপ্ৰিয় ঁগোপীনাথ বৰদলৈ ডাঙৰীয়া। তেওঁলোকে বিশ্ববিদ্যালয় কাৰণে অসমৰ ইমূৰপৰা সিমূৰলৈ চাঁদা বিচাৰি ঘূৰিছিল আৰু অসমীয়ালোকৰ মনত এটা আত্মচেতনাৰ ঢল বোৱাইছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে মাধৱচন্দ্ৰ বেজবৰুৱাই কি কৰা নাছিল! তেওঁ নিজৰ গাৰ পিনে নোচোৱাকৈ অকাতৰে তেওঁৰ কৰ্মক্ষম যৌৱনৰ প্ৰত্যেকটো মুহূৰ্ত্ততে উছৰ্গা কৰিছিল বুলিব পাৰি। অতিৰিক্ত শাৰীৰিক আৰু মানসিক পৰিশ্ৰম

আৰু অনিয়মিত খোৱা শোৱা আদিয়ে তেওঁৰ অকাল মৃত্যুৰ কাৰণ বুলিব পাৰি।

ছাত্ৰাবস্থাৰপৰাই মাধৱচন্দ্ৰ বেজবৰুৱা নানা ছাত্ৰানুষ্ঠান আৰু ৰাজহুৱা জনহিতকৰ কামত লিপ্ত আছিল। গুৱাহাটী কটন কলেজত পঢ়োতে বেজবৰুৱা তাৰ ছাত্ৰ-যুনিয়নৰ চেক্ৰেটাৰী আছিল আৰু ছাত্ৰ-আন্দোলন, ৰাজহুৱা আন্দোলন আদি সকলো কামতে সদায় আগ-ভাগ লৈছিল। তেওঁৰ মনত আছিল অসমখনক সকলো পিনেদি আগবঢ়াই নি চহকী আৰু মহান কৰাৰ ঐকান্তিক কামনা। 'অসমখন অসমীয়াৰ বাবেহে' এই নীতি তেওঁ পোষণ কৰিছিল।

গুৱাহাটীত পঢ়োতেই মই বেজবৰুৱাক লগ পাইছিলোঁ, কিন্তু সিমান ঘনিষ্ঠভাৱে জনা নাছিলোঁ। বয়সত তেওঁ মোতকৈ সৰু আছিল। ১৯২৯ চনত মই কলিকতালৈ পঢ়িবলৈ যাওঁ আৰু তাৰে দুবছৰমানৰ পিছত মাধৱচন্দ্ৰ বেজবৰুৱাই বি. এ. পাছ কৰি অসম চৰকাৰৰপৰা বৃত্তি লৈ শিৱপুৰ ইঞ্জিনীয়াৰিং কলেজলৈ ইঞ্জিনিয়াৰিং পঢ়িবলৈ যায়। তেওঁ গৈ ইঞ্জিনিয়াৰিং কলেজত ভৰ্তি হ'ল—কিন্তু বেচিদিন তাত পঢ়া নহ'ল। শেষত ইঞ্জিনীয়াৰিং বাদ দি কলিকতাত আইন কলেজত পঢ়িবলৈ ল'লে।

কলিকতা এ, এছ, এল, ক্লাব অসমীয়াৰ এটি গৌৰৱৰ অনুষ্ঠান। এই ক্লাবৰ জন্ম হয় ১৮৬৭ খৃঃত। এই ক্লাব প্ৰধানকৈ সাহিত্য চৰ্চাৰ উদ্দেশ্যেই প্ৰতিষ্ঠিত হৈছিল যদিও, কালক্ৰমত আৰু প্ৰয়োজন বুজি ই অসমীয়া জাতিৰ সৰ্বাধিক স্বাৰ্থলৈ চকু দিছিল। প্ৰমাণ হিচাবে এই ক্লাবৰ ঠাল-ঠেঙুলি, সঙ্গীত-শাখা, খেল-ধেমালি, 'পপুলাৰ লেকচাৰ' আদিৰ কথা উল্লেখ কৰিব পাৰি। এই ক্লাবৰ বেলেগ বেলেগ সভ্যৰ ভিন্ ভিন্ সময়ৰ চেষ্টাৰ মাজেদি সময়ত 'বেজবৰুৱা সমিতি' 'অসমীয়া সঙ্গীত সঙ্ঘ', 'আৰ্টিষ্ট এচোচিয়েছন', 'ওয়েলফেয়াৰ লীগ', 'অসম ক্লাব' আদি স্থাপিত হৈছিল। কলিকতা এ, এছ, এল, ক্লাব আজিও বৰ্তি আছে। ভাৰতৰ ভিতৰত অনেক অনুষ্ঠানতকৈ ই পুৰণি আৰু অসমৰ ভিতৰতো এই ক্লাবেই সৰ্বপ্ৰথম। অসমীয়াৰ জাতীয় নিয়ন্ত্ৰণৰ অৰ্থেই ইয়াৰ জন্ম আৰু ই চিৰদিনেই অসমীয়াৰ জাতীয় সমস্যাবোৰৰ সমাধানৰ বাবে চেষ্টা কৰি অহা প্ৰধান অনুষ্ঠান।

১৯৩২ চনত কলিকতাত থকা প্ৰবাসী অসমীয়া ছাত্ৰ-ছাত্ৰীক লৈ

অসমীয়াৰ জনসংখ্যা একহাজাৰৰ ওপৰ আছিল। সেইসময়ত কলিকতা প্ৰবাসী ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণে মিলি অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে বহুতো জনহিতকৰ কাম কৰিছিল। তেতিয়াও তাৰ মুখ্য অনুষ্ঠান আছিল কলিকতা এ, এছ, এল, ক্লাব। এই এ, এছ, এল, ক্লাবৰ উদ্যোগত হোৱা সকলো কামৰে উদ্যোক্তা আছিল মাধৱচন্দ্ৰ বেজবৰুৱা, জীৱনৰাম ফুকন, বিৰিঞ্চিকুমাৰ বৰুৱা আদি তেতিয়াৰ কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকল।

সেই সময়ছোৱাত কলিকতা প্ৰবাসী ছাত্ৰ-ছাত্ৰীৰ মাজত, 'বেজবৰুৱা সমিতি' প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল সাহিত্যৰথী ঁবেজবৰুৱাদেৱৰ সাহিত্যৰ সমালোচনা আৰু প্ৰচাৰ কৰা। ইয়াৰ প্ৰথম অধিবেশন বহিছিল প্ৰেছিডেন্সি কলেজৰ 'ফিজিক্স থিয়েটাৰ হল'ত। এই সভাত সভাপতিত্ব কৰিছিল ঁঅম্বিকানাথ বৰাদেৱে। ডঃ বাণীকান্ত কাকতিদেৱৰ এখনি বিতোপন ৰচনা সিদিনা সেই সভাত পাঠ কৰা হৈছিল। কলিকতা প্ৰবাসী ছাত্ৰ-ছাত্ৰী, ভদ্ৰলোক, ভদ্ৰমহিলা আটায়ে এই সভাত যোগ দিছিল।

১৯৩২ চনত কলিকতা এ, এছ, এল, ক্লাবৰ এটি সঙ্গীত শাখাও প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ সম্পাদক আছিল কমলাপ্ৰসাদ আগৰৱালা। এই বছৰৰ ১৩ ডিচেম্বৰ তাৰিখে এই সঙ্গীত শাখাৰ প্ৰথম অধিৱেশন বহিছিল। ইয়াৰ মুখ্য অতিথি আছিল বিনয় কুমাৰ সৰকাৰ। তেখেতৰ অষ্ট্ৰীয়ান পত্নীও এই সভাত উপস্থিত আছিল। অসমীয়া ছাত্ৰ-ছাত্ৰীসকলে তাত দেখুৱা সুকীয়া বিশেষত্বত তেওঁ লোক মুগ্ধ হৈছিল। ঁবিনয়কুমাৰ সৰকাৰ এগৰাকী আন্তৰ্জাতিক খ্যাতিসম্পন্ন লোক আছিল। প্ৰায় ১৫/১৬ বছৰ ধৰি তেখেতে ইউৰোপৰ নানা দেশ পৰিভ্ৰমণ কৰি ভাৰতৰ বৈশিষ্ট্য সম্পৰ্কে পাশ্চাত্য জগতক নতুন নতুন কথা বুজাইছিল। তেখেতে বক্তৃতা প্ৰসঙ্গত কৈছিল যে **অসমীয়া ৰাইজৰ সৰ্বপ্ৰথম কৰ্তব্য হৈছে কিছু পৰিমাণে প্ৰাদেশিক হৈ অসমীয়া জাতিটোক আন আন উন্নত জাতিৰ সমকক্ষ কৰি গঢ়ি তোলাৰ আদৰ্শ লোৱাটো।** তেখেতে ইয়াকো কৈছিল যে বৈজ্ঞানিক উপায় উদ্ভাৱনাৰ দ্বাৰা দেশৰ শিল্পবাণিজ্য আদিৰ বিস্তাৰেই বৰ্তমান সভ্যতাৰ মাপ-কাঠী। অসমত প্ৰাকৃতিক সম্পদ যথেষ্ট পৰি আছে। আন জাতিতকৈ সেই হিচাবে অসমীয়া জাতিৰ ভৱিষ্যত অশেষ প্ৰকাৰ সম্ভাৱনাৰে ভৰা আৰু বিকাশৰ ক্ষেত্ৰও অসীম। সেই হেতুকে অসমীয়া ৰাইজ বা চৰকাৰে

বছৰি অন্ততঃ কিছু সংখ্যক ডেকাক ইলেকট্ৰিক ইঞ্জিনীয়াৰিং, ৰেলওৱে ইঞ্জিনীয়াৰিং, মাইনিং ইঞ্জিনীয়াৰিং, ফৰেষ্ট, বেঙ্কিং, ইনসিওৰেন্স আদি শিকিবলৈ বিদেশলৈ পঠাবৰ দিহা কৰা উচিত। সৰকাৰে বক্তৃতা প্ৰসঙ্গত অসমক ভাৰতবৰ্ষৰ 'চুইজাৰলেণ্ড' বুলি কৈছিল। অসমে যদি কেৱল প্ৰাকৃতিক সৌন্দৰ্যত চুইজাৰলেণ্ডৰ সমকক্ষ নহৈ শিল্প, বাণিজ্য আদিতো ভাৰতবৰ্ষৰ চুইজাৰলেণ্ড হবলৈ আশা ৰাখে, তেনেহ'লে অসমীয়া ডেকাসকলক সেই বিষয়ত উন্নতি সাধনৰ সুযোগ দিয়াটো নিতান্ত উচিত হ'ব।

১৯৩২-৩৩ চনত মহাত্মা গান্ধীৰ অস্পৃশ্যতা বৰ্জন আন্দোলনত অসমৰপৰা শ্ৰীশ্ৰীগড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে বিশেষ অংশ গ্ৰহন কৰিছিল। তেখেতে 'সমূহ ভাৰত অস্পৃশ্যতা বৰ্জন সমিতি' এখন গঠন কৰিছিল। গোস্বামী প্ৰভুৱে নানা জাতিৰ মাজত সাম্প্ৰদায়িক ভেদ-ভাৱ, অস্পৃশ্যতা বৰ্জন, স্বদেশী গ্ৰহণ, গাৱঁত স্বৰাজৰ কাম ইত্যাদি বিবিধ কামত নিজকে নিয়োগ কৰিছিল। •এ, এছ, এল, ক্লাবৰ তৰফৰপৰা ১৯৩৩ চনৰ ১৮ ডিচেম্বৰ তাৰিখে কলিকতা প্ৰবাসী ছাত্ৰ-ছাত্ৰী আৰু অসমীয়া লোকসকলে শ্ৰীশ্ৰীগড়মূৰীয়া গোস্বামী প্ৰভুক এখনি অভিনন্দন দিছিল। এই কামত ঘাইকৈ আগভাগ লৈছিল তেতিয়াৰ কলিকতা প্ৰবাসী ছাত্ৰ ঁমাধৱচন্দ্ৰ বেজবৰুৱা, ঁবিৰিঞ্চিকুমাৰ বৰুৱা, ঁজীৱনৰাম ফুকন আদিয়ে।

আকৌ তেওঁলোকৰ চেষ্টাতে কলিকতা এ, এছ, এল, ক্লাবৰ তৰফৰপৰা ১৯৩৫ চনৰ ৭ এপ্ৰিল তাৰিখে মনীষী ঁআনন্দৰাম বৰুৱাৰ সোঁৱৰণী ফলি এখন তেখেতৰ শেষ শয়নস্থান বালিগঞ্জ চায়েঞ্চ কলেজৰ সন্মুখ ভাগত উদ্বোধন কৰা হয়। চাৰ দেৱপ্ৰসাদ সৰ্বাধিকাৰীয়ে এই উদ্বোধন কাৰ্য সম্পাদন কৰিছিল। সেই উৎসৱ সভাত ভাষণ দি তেখেতে কৈছিল, "অসমত শিক্ষা-কেন্দ্ৰ আৰু জ্ঞান-বিস্তৃতিৰ কাৰণে এখন সুকীয়া বিশ্ববিদ্যালয়ৰ নিতান্ত আৱশ্যক। মই কোনো ভেদ ভাৱত এনে কথা কোৱা নাই। অসমীয়াৰ সুকীয়া ভাষা, সাহিত্য, অভাৱ-অভিযোগ আৰু সুকীয়া সমস্যাবোৰলৈ চাই কলিকতা বিশ্ববিদ্যালয়ৰপৰা সকলো আশা কৰা বৃথা; এই বিষয়ে তুমুল আন্দোলন চলোৱা উচিত। আশাকৰোঁ, অসমীয়া ডেকাসকল এই বিষয়ে অগ্ৰণী হ'ব।" সেই কথাবোৰ তেতিয়াৰ অসমীয়া ছাত্ৰ-ছাত্ৰীৰ পক্ষে অতি প্ৰেৰণাদায়ক আছিল।

মাধৱচন্দ্ৰ বেজবৰুৱা আছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ভতিজাক। সাহিত্যৰথীৰ স্মৃতি যাউতি-যুগীয়া কৰিবলৈ মাধৱ বেজবৰুৱাই সদায় প্ৰয়াস কৰিছিল। সাহিত্যৰথী বেজবৰুৱাৰ অতুলনীয় গ্ৰন্থ 'মোৰ জীৱন সোঁৱৰণ' মাধৱ বেজবৰুৱাই প্ৰথম প্ৰকাশ কৰিছিল। বেজবৰুৱাৰ বাঁহীক পুনৰ নতুন জীৱন দিবৰ মানসে ইয়াৰ প্ৰকাশৰ গধুৰ দায়িত্বও মাধৱ বেজবৰুৱাই গ্ৰহণ কৰিছিল আৰু বাঁহী প্ৰকাশৰ কাৰ্য্যালয় অসমৰপৰা কলিকতালৈ লৈ গৈছিল। প্ৰথমতে বাঁহী প্ৰকাশৰ কামত কলিকতাত শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীয়ে মাধৱ বেজবৰুৱাৰ লগত সহযোগিতা কৰিছিল। শেষৰ ফালে বাঁহী কাৰ্য্যালয় আৰু বাঁহী প্ৰেছ টালিগঞ্জৰ ভাৰাঘৰ এটাত স্থায়ী ভাৱে বহুৱায়। বেজবৰুৱা সেই ঘৰত পৰিয়ালসহ আছিল। সেই সময়ত বাঁহীৰ সম্পাদনা কামত শ্ৰীমুনীন বৰকটকীয়ে বেজবৰুৱাক কিছুদিন সহায় কৰিছিল। বৰকটকীয়ে সেই কাম এৰি অহাৰ পিছত শ্ৰীপদ্ম বৰাই বাঁহীৰ যাবতীয় কামত বেজবৰুৱাক সহায় কৰিছিল।

১৯৩৮ চনত কবি যতীন্দ্ৰনাথ দুৱৰা মানিকতলাৰ আপাৰচাৰকুলাৰ ৰ'ডত এটি ঘৰৰ ওপৰ মহলাত আছিল। পিছৰ কালছোৱাত মাধৱ বেজবৰুৱা তালৈ গৈ দুৱৰাৰ দ্বাৰা ভালেমান কবিতা লিখাইছিল বাঁহীত প্ৰকাশৰ বাবে। দুৱৰাই ইয়াক লিখিছিল মাধৱ বেজবৰুৱাৰ নেৰা-নেপেৰা যত্নত আৰু বাঁহীৰ মৰমত। দুৱৰাৰ ভালেমান ৰচনা ধ্বংসৰপৰা ৰক্ষা কৰাৰ মূলতে মাধৱ বেজবৰুৱা আৰু ৰিঞ্চিকুমাৰ বৰুৱা।

সেই সময়ত আন এটা কথাই প্ৰবাসী অসমীয়াসকলৰ মন আকৃষ্ট কৰিছিল। ১৯৪১-৪২ চনত কলিকতা ৰেডিঅ' কেন্দ্ৰৰপৰা আধাঘণ্টাৰ কাৰণে অসমীয়া 'প্ৰগ্ৰেম' দিয়াৰ ব্যৱস্থা হৈছিল; কিন্তু তাত বঙালী 'আৰ্টিষ্ট'ক অসমীয়া গান শিকাই গোৱাইছিল। এই কথালৈ প্ৰতিবাদ কৰি কতৃপক্ষৰ মন আকৰ্ষণ কৰা হৈছিল। কৰ্তৃপক্ষই আমাক অসমীয়া আৰ্টিষ্ট যোগান ধৰিবলৈ কোৱাত সেই উদ্দেশ্যে ১৯৪২ চনত 'কলিকতা আৰ্টিষ্ট এচোচিয়েছন' নামে এটি অনুষ্ঠান আৰম্ভ কৰা হৈছিল। এই অনুষ্ঠানৰ সভাপতি আছিল অপূৰ্বচন্দ্ৰ বৰদলৈ আৰু ইয়াৰ যুটীয়া সম্পাদকৰ ভাৰ পৰিছিল মাধৱচন্দ্ৰ বেজবৰুৱা আৰু মোৰ গাত।

১৯৪২ চনত জ্যোতিপ্ৰসাদ আগৰৱালা ৰাজনৈতিক কাৰণত কলিকতাত

বহিস্কৃত হৈ আছিল। টালিগঞ্জৰ যিটো ঘৰত মাধৱচন্দ্ৰ বেজবৰুৱা আছিল সেই ঘৰটোৰ সন্মুখৰ ৰাস্তাৰ বিপৰীত ফালে দুমহলীয়া ঘৰ এটাত জ্যোতিপ্ৰসাদ আগৰৱালা আছিল। সেই কালছোৱাত প্ৰায় এবছৰকাল জ্যোতি ককাইদেউ তাত আছিল। আৰ্টিষ্ট এচোচিয়েছনৰ অনুৰোধত ৰেডিঅ'ত গোৱাৰ কাৰণে ভালেমান গান টালিগঞ্জৰ বাসভৱনতে ৰচনা কৰিছিল আৰু তাৰ সুৰ দি কিছুমান অসমীয়া ল'ৰা-ছোৱালীক শিকাই সেই গান ৰেডিঅ'ত গোৱাইছিল। বিশেষকৈ সেই গান গোৱাত অংশ গ্ৰহণ কৰিছিল আৱাহনৰ সম্পাদক ডাঃ দীননাথ শৰ্মাৰ ল'ৰা-ছোৱালী শ্ৰীমান দিলীপ আৰু শ্ৰীমতী আৰতীয়ে।

এইবোৰ বিবিধ দেশসেৱাৰ কাৰ্য্যত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাসত গোপীনাথ বৰদলৈ আৰু মাধৱ বেজবৰুৱাৰ নাম সোণালী আখৰেৰে জিলিকি থাকিব।

মাজে সময়ে অসমত সুকীয়া বিশ্ববিদ্যালয়ৰ বিষয়ে বহুতো জল্পনা কল্পনা চলি আছিল, যদিও তেনে কোনো কাৰ্যকৰী পন্থা হাতত লোৱা হোৱা নাছিল। আচলতে বিশ্ববিদ্যালয়ৰ আন্দোলনে গঢ় লয় ১৯৩২ চনৰ পৰা। সেই সময়ত কিয়, তাৰো আগৰপৰা কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ-ছাত্ৰীসকলে বিশেষকৈ এটা কথাৰ সদায় সন্মুখীন হব লগা হৈছিল। সেইটো হৈছে, অসমত কোনো বিশ্ববিদ্যালয় নাই, 'হাইক'ৰ্ট' নাই। অসমত সুকীয়া বিশ্ববিদ্যালয় নথকাৰ কাৰণে বহুতো শিক্ষা-অভিলাষী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ ফালৰ পৰা বঞ্চিত হব লাগিছিল। সেই সময়ত কটন কলেজত মাত্ৰ ৩০টাহে আই, এছ-ছিৰ, ছিট আছিল। দ্বিতীয় আৰু তৃতীয় বিভাগত পাছকৰা ল'ৰাৰ কথাই নাই, প্ৰথম বিভাগত পাছ কৰিও বহুতে বিজ্ঞান পঢ়াৰ আশাৰপৰা বঞ্চিত হব লাগিছিল। সেই যুগত অসমীয়া ছাত্ৰৰ কাৰণে মেডিকেল কলেজত মাত্ৰ তিনিটা 'ছিট' আৰু 'শিবপুৰ' ইঞ্জিনীয়াৰিং কলেজত মাত্ৰ দুটা 'ছিট' আছিল। তেনেদৰে ধানবাদ মাইনিং ইঞ্জিনীয়াৰিঙত এটা আৰু বম্বে ভিক্তোৰিয়া ইনষ্টিটিউটত এটা 'ছিট' অসমীয়া ল'ৰাৰ কাৰণে আচুতীয়াকৈ ৰখা হৈছিল। অসম চৰকাৰৰ পৰা বৃত্তি পোৱা ছাত্ৰ কেইজনে হে মাত্ৰ এইবোৰ কলেজত পঢ়িবৰ সুবিধা পাইছিল। ইয়াৰ কাৰণে অসম চৰকাৰে প্ৰচুৰ অৰ্থ কলেজবোৰত দিব লাগিছিল।

আমি জনাত ১৯৩৮ চনলৈকে কটন কলেজত মুঠতে ৯৫০ জনমান

ছাত্ৰ আছিল। তেতিয়া তাত বিজ্ঞান বিষয়ত অতি কম সংখ্যক নিৰ্দিষ্ট 'ছিট' থকাৰ কাৰণে বহুতো ছাত্ৰ-ছাত্ৰী বিমুখ হ'বলগীয়া হৈছিল। তেতিয়া কটন কলেজত বি, এছ্-ছিৰ তৃতীয় আৰু চতুৰ্থ বাৰ্ষিকত প্ৰত্যেকতে ২০টাকৈহে 'ছিট' আছিল। সেই কাৰণে বহুতো ছাত্ৰই বিফল-মনোৰথ হৈ আন ঠাইলৈ গুচি যাব লগা হৈছিল আৰু বহুতে খৰচৰ অভাৱত পঢ়াকে বন্ধ কৰিবলগীয়া হৈছিল। যিসকলে আন ঠাইলৈ গৈছিল, তাতো তেওঁলোকে বিশেষ সুবিধা নাপাইছিল।

সেই সময়ত কলিকতা বিশ্ববিদ্যালয় এম, এছ্-ছি, বিভাগত নিচেই তাকৰ সংখ্যা ছাত্ৰ পঢ়োৱাৰ ব্যৱস্থা আছিল। বিশ্ববিদ্যালয়ৰ নিজ বিজ্ঞান কলেজৰ বাহিৰেও প্ৰেছিডেন্সি কলেজতো পদাৰ্থ বিজ্ঞান আৰু ৰাসায়ন বিজ্ঞান আদিৰো স্নাতকোত্তৰ বিভাগ আছিল; কিন্তু তাত নিজ কলেজৰ ছাত্ৰক সুবিধা দিয়াৰ হেতুকে অন্যান্য কলেজৰপৰা বি, এছ্-ছি, পাছ কৰি যোৱা ছাত্ৰৰ স্থান নাছিল বুলিলেই হয়। ইফালে বিজ্ঞান কলেজতো স্থানাভাৱে ছাত্ৰই পঢ়িব নোৱাৰিছিল। এই অসুবিধা প্ৰধানতঃ অসমীয়া ছাত্ৰই ভুগিব লাগিছিল।

এনেকি সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ে অসমীয়া ভাষাকো বিশ্ববিদ্যালয়ৰ মুখ্য ভাষা স্বৰূপে গ্ৰহণ কৰা নাছিল। ছাৰ আশুতোষ মুখাৰ্জীয়ে প্ৰথমতে বিশ্ববিদ্যালয়ৰ 'ইণ্ডিয়ান ভাৰ্ণেকুলাৰ' বিভাগত অসমীয়া ভাষাক স্থান দিয়ে। কিন্তু অসমীয়াই এই বিভাগত 'চাবচিদিয়াৰি' (subsidiary) ভাষা স্বৰূপে হে স্থান পাইছিল। অৰ্থাৎ মেট্ৰিকুলেছন পৰীক্ষাৰ যি পাঠ্যপুথি আছিল, তাকে হে এম, এ,ৰ অসমীয়াত পঢ়োৱা হৈছিল। তেওঁ এই বিষয়ে উঠি পৰি লাগি আৰু 'এছামিজ ষ্টুডেণ্ট ওৱেলফেৰাৰ লীগ'ৰ (Assamese Students Welfare League) তৰফৰপৰা অসম চৰকাৰ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্মকৰ্তাসকলক খাটি-মেলি অসমীয়া ভাষাক মুখ্য ভাষা (principal language) স্বৰূপে গ্ৰহণ কৰালে।

নিজৰ বিশ্ববিদ্যালয় এটা নথকাত কিমান যে অসুবিধাৰ সন্মুখীন হ'ব লাগে সেই কথাবোৰ সুৰঁৰি আৰু কলিকতা এ, এছ, এল, ক্লাবৰ সভা-সমিতিবোৰত দিয়া বিশিষ্ট লোকসকলৰ বক্তৃতাৰ বাণীয়ে কলিকতা প্ৰবাসী ছাত্ৰ-ছাত্ৰীসকলৰ মনত বৰকৈ অনুপ্ৰেৰণা যোগালে আৰু অসমত এটা সুকীয়া বিশ্ববিদ্যালয়ৰ প্ৰতি সকলোৰে আগ্ৰহ বাঢ়ি আহিল।

অসমীয়া ৰাইজে সুকীয়া বিশ্ববিদ্যালয় বিচাৰি অহা বহুকাল আগৰ কথা। ইংৰাজী ১৯১৭ চনত যেতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ পৰিচালনাৰ ভাৰ ভাৰত চৰকাৰৰ হাতৰ পৰা বঙ্গ চৰকাৰৰ হাতলৈ আনিবৰ প্ৰস্তাৱ উঠে, তেতিয়া ৰায়বাহাদুৰ ঁফনীধৰ চলিহা ডাঙৰীয়াই অসমত এটা সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰা সম্পৰ্কে অসম ব্যৱস্থাপক সভাত এটা প্ৰস্তাৱ দিছিল। সেই সময়ত অসমৰ প্ৰতিনিধি অনাৰেবল ৰায় ঘনশ্যাম বৰুৱা বাহাদুৰে সেই প্ৰস্তাৱৰ হ'কে মাত মাতিছিল। কিন্তু সেই দাবী অগ্ৰাহ্য কৰি কলিকতা বিশ্ববিদ্যালয়ৰ এলাকাত অসমক চামিল কৰি থ'লে।

১৯১৭ চনতেই শিৱসাগৰত বহা অসম এছোচিয়েশ্যনৰ বছৰেকীয়া অধিবেশনৰ মূল সভাৰ সভাপতি ঁসত্যনাথ বৰাদেৱে তেখেতৰ সভাপতিৰ অভিভাষণত অসমত সুকীয়া বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তা সম্বন্ধে উল্লেখ কৰি কৈছিল যে, কলিকতা বিশ্ববিদ্যালয়ৰ স্থান হ'ল বঙ্গদেশ আৰু তাৰ 'চিনেট' আৰু 'চিণ্ডিকেট' এনেবোৰ মানুহৰ দ্বাৰা গঠিত হয়, যিসকলে অসমৰ বিষয়ে একো নাজানে আৰু অসমৰ লগত তেওঁলোকৰ কোনো সম্বন্ধও নাই। শিক্ষা বিষয়েই হওক বা পৰিচালনা পদ্ধতিৰ বিষয়েই হওক, এই সকলোবোৰ বিষয়তে বঙ্গদেশৰ দাবী আৰু আৱশ্যকবোৰলৈ লক্ষ্য ৰাখি হে কামবোৰ কৰা হয়। কিন্তু অসম আৰু বঙ্গদেশৰ সকলো বিষয়ৰ পৰিস্থিতি বা অৱস্থা যে একো নহয়, এই বিষয়ে লক্ষ্য ৰখা নহয়।

১৯২৮ চনত গুৱাহাটী 'একতা সভা'ৰ বাৰ্ষিক অধিবেশন কাৰ্জন হলত (বৰ্ত্তমান নবীন বৰদলৈ হলত) বহিছিল। তাৰ সভাপতি আছিল কৰ্ম্মবীৰ ঁনবীনচন্দ্ৰ বৰদলৈদেৱ। সেই সভাৰ মুকলি অধিবেশনত ঁদৈৱচন্দ্ৰ তালুকদাৰে অসমত এটা সুকীয়া বিশ্ববিদ্যালয় লাগে বুলি প্ৰস্তাৱ দিয়ে। সেই প্ৰস্তাৱ তেতিয়া সকলোৱে হাঁহি উৰুৱাই দিছিল।

সেই বছৰৰে অক্টোবৰ মাহৰ ২৮ তাৰিখে অসম ছাত্ৰ সন্মিলনৰ ১৩শ অধিবেশনত অসমক এখন সুকীয়া বিশ্ববিদ্যালয় লাগে বুলি সকলো সমজুৱাৰ হৰ্ষোৎফুল্ল হাতচাপৰিৰ মাজত প্ৰস্তাৱ এটি গৃহীত হৈছিল। এই সন্মিলন তেজপুৰত বহিছিল আৰু ইয়াৰ সভাপতি আছিল দেশভক্ত ঁতৰুণৰাম ফুকন বাৰ-এটল ডাঙৰীয়া।

১৯৩২ চনত কলিকতাত 'এছামিজ ষ্টুডেন্টচ্ ওয়েলফেয়াৰ লীগ'ৰ জন্ম হয়। ইয়াৰ প্ৰধান উদ্যোক্তা আছিল তেতিয়া কলিকতাপ্ৰবাসী ছাত্ৰ মাধৱচন্দ্ৰ বেজবৰুৱা, বিৰিঞ্চিকুমাৰ বৰুৱা, জীৱনৰাম ফুকন, কামাখ্যাপ্ৰসাদ ত্ৰিপাঠি, নন্দীপ্ৰসাদ কটকী, নাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য, চিদানন্দ দাস, হীৰেন্দ্ৰকুমাৰ বৰুৱা, কুমুদাভিৰাম দাস, উপেন্দ্ৰনাথ বৰুৱা, ৰোহিনীকান্ত বৰুৱা, যোগেন শইকীয়া, মধুসূদন দাস আদি। তেতিয়া কলিকতা-প্ৰবাসী ছাত্ৰ-ছাত্ৰী, ভদ্ৰলোক-ভদ্ৰমহিলা সকলোৱে এই 'ওৱেলফেয়াৰ লীগ'ৰ পৃষ্ঠপোষকতা কৰিছিল আৰু বেছিভাগ ছাত্ৰই ইয়াৰ সভ্য আছিল।

এই 'ওৱেলফেয়াৰ লীগ'কে গুৱাহাটী বিশ্ববিদ্যালয়ৰ গুৰি ধৰোঁতা বুলি কব পাৰি। এই অনুষ্ঠানৰ বিশেষ অধিবেশন এখনত বিশ্ববিদ্যালয় আন্দোলনৰ প্ৰকৃত কাৰ্যকৰী পন্থা হাতত লোৱা হয় আৰু ˚মাধৱচন্দ্ৰ বেজবৰুৱাক 'ওৱেলফেয়াৰ লীগ'ৰ তৰফৰপৰা অসমলৈ পঠোৱা হয়, অসমীয়া ৰাইজৰ জনমত গঠন কৰিবলৈ। তাৰ পিচতে গোটেই অসমতে বিশ্ববিদ্যালয় আন্দোলন আৰম্ভ হ'ল। মাধৱচন্দ্ৰ বেজবৰুৱাই অসমৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি ঘূৰি অসমীয়া ডেকা-গাভৰুৰ মনত এটা নতুন আত্মচেতনাৰ ঢল বোৱালে। অসমৰ স্কুল, কলেজ আৰু ৰাজহুৱা অনুষ্ঠানবোৰে ইয়াৰ কাৰণে অসম চৰকাৰৰ ওচৰত দাবী জনালে।

ইয়াৰ পিচত ১৯৩৪ চনত ১লা নৱেম্বৰ তাৰিখে নগাৱঁৰ গণ্যমান নেতা কেইগৰাকীমানৰ উদ্যোগত খানবাহাদুৰ কুতুবুদ্দিন আহমদ ডাঙৰীয়াৰ সভাপতিত্বত এখন সভা বহে। তাত সৰ্বসন্মতিক্ৰমে অসমত এখন বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰি প্ৰস্তাৱ লোৱা হয় আৰু সেই বিষয়ে আন্দোলন চলাবলৈ আৰু কাৰ্যকৰী পন্থা অৱলম্বন কৰিবলৈ এটা কমিটি গঠিত কৰে। সেই কমিটিৰ সম্পাদক আছিল ˚মহীচন্দ্ৰ বৰা বি, এল, ডাঙৰীয়া।

১৯৩৫ চনৰ ৩০ এপ্ৰিল তাৰিখে গুৱাহাটী কাৰ্জন হল প্ৰাঙ্গণত (বৰ্তমান নবীন বৰদলৈ হল) 'অসম এছ'চিয়েশ্যন' আৰু 'অসম সংৰক্ষিণী সভা'ৰ জৰিয়তে গুৱাহাটীৰ সকলো দল আৰু সকলো সম্প্ৰদায়ৰে এখন সভা বহে। ইয়াতো বিশ্ববিদ্যালয় পতাৰ দাবী জনোৱা হয়। ˚গোপীনাথ বৰদলৈদেৱে এই সভাত সভাপতিত্ব কৰিছিল। ˚অম্বিকাগিৰি ৰায়চৌধুৰীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিছিল আৰু ˚কামাখ্যাৰাম বৰুৱাদেৱে 'অসমত অবিলম্বে এটা বিশ্ববিদ্যালয় হব লাগে

আৰু ইয়াৰ কাম সোনকালে হাতত লব লাগে' বুলি এটি প্ৰস্তাব দাঙি ধৰিছিল। এই সভাতে 'ইউনিভাৰচিটি কমিটি' এটা গঠন কৰি তাৰ চেক্ৰেটাৰী পাতি দিয়া হৈছিল, ঁগোপীনাথ বৰদলৈ ডাঙৰীয়াক।

অসম এছ'চিয়েশ্যনৰ প্ৰবল চেষ্টাত আৰু নগাৱঁত গঠিত হোৱা 'অসম বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কমিটি' আৰু 'কলিকতা ওয়েলফেয়াৰ লীগ'ৰ কাৰ্য্যতৎপৰতাত গোটেই অসম জুৰি বিশ্ববিদ্যালয় স্থাপনৰ ব্যাপক আন্দোলন আৰম্ভ হ'ল। ১৯৩৫ চনৰ ২২ মে তাৰিখে শোভাযাত্ৰা, সভা-সমিতি আদিৰে অসমৰ বিভিন্ন ঠাইত অতি সমাৰোহেৰে বিশ্ববিদ্যালয় দিন পালন কৰা হয়।

গোটেই অসম জুৰি এনেভাৱে আন্দোলন হোৱাৰ ফলত অসমত সুকীয়া বিশ্ববিদ্যালয়ৰ কাৰণে এখন আঁচনি পাতিবলৈ ১৯৩৫ চনত অসম কাউন্সিলৰ 'মে, জুন' অধিবেশনত এটি প্ৰস্তাৱ গৃহীত হয় আৰু অসমৰ অৱসৰপ্ৰাপ্ত ডিৰেক্টৰ মিঃ কানিংহাম চাহাবক তিনি মাহৰ কাৰণে মকৰল কৰে।

কিন্তু বিশ্ববিদ্যালয়ৰ পৰিকল্পনা দিবৰ কাৰণে মিঃ কানিংহাম চাহাবক বিশেষ কৰ্মচাৰী হিচাবে আনিলে যদিও, তেওঁৰপৰা যি 'ৰিপৰ্ট' পালে সি অসমৰ জনসাধাৰণৰ পক্ষে কোনোমতেই গ্ৰহণীয় নহ'ল। সেই ৰিপৰ্টৰ পৰিকল্পনা বিশ্ববিদ্যালয় নোহোৱা অৱস্থাটোতকৈও বিপদ্‌জনক হৈ পৰিল। সেই ৰিপৰ্টখনৰ দ্বাৰা সমগ্ৰ অসমৰ জাতীয় আকাঙ্খা তাচ্ছিল্য আৰু বিদ্ৰূপ কৰি নৈৰাশ্যৰ আঘাত দিয়া হৈছিল মাথোন। গতিকে আমাৰ চাৰিওফালে সভা-সমিতি পাতি সেই ৰিপৰ্টৰ প্ৰতিবাদ কৰা হ'ল।

যদিও গোটেই অসমতে বিশ্ববিদ্যালয় লাগে বুলি আন্দোলন হ'ল, গৱৰ্ণমেণ্টেও ইয়াৰ আৱশ্যকতা অনুভৱ কৰিলে, কিন্তু কাৰ্য্যত সি হৈ নুঠিল। বিশ্ববিদ্যালয়ৰ স্থান নিৰ্ণয়ৰ কাৰণে গোলমাল লাগিল। কিছুমানে কয় গুৱাহাটীত পাতিব লাগে, কিছুমানে কয় শ্বিলঙত পাতিব লাগে, কিছুমানে আকৌ চিলেটলৈ নিয়াৰ বাবেও হেঁচা দিছিল। অৱশেষত বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তাৱটোৱে বাতিল হৈ গ'ল।

ইয়াৰ ভিতৰতে ১৯৪০ চনত ৰায়বাহাদুৰ ঁশিৱপ্ৰসাদ বৰুৱাদেৱৰ পৰিয়ালবৰ্গই ৰায়বাহাদুৰৰ স্মৃতি ৰক্ষাৰ্থে বিশ্ববিদ্যালয় স্থাপনৰ বাবে তিনিলাখ টকা দিব খুজিছিল। তেওঁলোকে ইয়াৰ বাবে চৰ্ত্ত দিছিল যে বিশ্ববিদ্যালয়ৰ নাম 'অসম শিৱপ্ৰসাদ বিশ্ববিদ্যালয়' হব লাগিব আৰু স্থান গুৱাহাটীত হব লাগিব।

সেই দানো চৰ্ত বান্ধি দিয়া কাৰণে গ্ৰহণ কৰা নহ'ল।

১৯৪৪ চনটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জীৰ লেখত লবলগীয়া বছৰ। স্বৰ্গীয় গোপীনাথ বৰদলৈ তেতিয়া ব্ৰিটিছ ৰাজৰোষত অন্তৰীণ অৱস্থাত আৰু ˚শৰৎচন্দ্ৰ গোস্বামীদেৱেও সেই বছৰতে চাকৰিৰ পৰা অৱসৰ লৈছিল। সেই বছৰৰে নবেম্বৰ মাহৰ শেষ ভাগত তেওঁলোক উভয়ে কলিকতালৈ গৈছিল, কিবা শিক্ষা সম্বন্ধীয় লেঠাত। ˚গোপীনাথ বৰদলৈ আৰু শৰৎচন্দ্ৰ গোস্বামীদেৱৰ দিহামতে ১৯৪৪ চনৰ ২ ডিচেম্বৰ তাৰিখে কলিকতা প্ৰবাসী অসমৰ লোকসকলৰ মিটিং এখন বহিছিল কলিকতাৰ কলেজ ষ্ট্ৰীটত ওৱাই. এম্. চি. এ.-ৰ (Y M. C. A.) ˚স্বৰ্গীয় অম্বিকানাথ বৰাদেৱৰ ঘৰত। এই মিটিংত সভাপতিত্ব কৰিছিল স্বৰ্গীয় তাৰাপ্ৰসাদ চলিহা বাৰ-এট্-ল দেৱে। ˚বৰদলৈদেৱ আৰু ˚গোস্বামীদেৱৰ নিৰ্দেশত সেই মিটিং আহ্বান কৰা হৈছিল। সেই সভাত উপস্থিত আছিল ˚গোপীনাথ বৰদলৈ, ˚শৰৎচন্দ্ৰ গোস্বামী, ˚মাধৱচন্দ্ৰ বেজবৰুৱা, জীৱনৰাম ফুকন, ˚কুলধৰ চলিহা, ˚হলিৰাম ডেকা, ˚যাদৱচন্দ্ৰ চলিহা, ˚উমেশচন্দ্ৰ বৰুৱা, ˚জ্ঞাননাথ বৰা, ˚অম্বিকানাথ বৰা, শ্ৰীযুক্ত ভবেশচন্দ্ৰ বৰুৱা আৰু আৱাহনৰ সম্পাদক ডঃ দীননাথ শৰ্ম্মা আদি অসমৰ সম্ভ্ৰান্ত লোকজন।

সেই সভাৰ প্ৰস্তাৱ মতে অসমত অচিৰে এটা বে-চৰকাৰী বিশ্ববিদ্যালয় স্থাপন হ'ব লাগে। সেই সভাতে সাময়িকভাৱে প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয় (proposed Gauhati University) নামটো সৰ্বসন্মতিক্ৰমে ৰখা হয়। বিশ্ববিদ্যালয় কেনে ধৰণৰ হ'ব লাগে সেই বিষয়েও সংৰক্ষিত ভাৱে তাত আলোচনা কৰি প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয় কেৱল মাত্ৰ কলিকতা বিশ্ববিদ্যালয় বা ভাৰতৰ তেতিয়াৰ অন্যান্য বিশ্ববিদ্যালয়ৰ আৰ্হিৰে নকৰি— অকল ভাৰতৰে নহয়, বিদেশৰো ছাত্ৰ-ছাত্ৰী আহি যাতে ইয়াত পঢ়িবহি পাৰে তেনে আৰ্হিৰে এটা 'ৰেচিডেনচিয়েল' বা আশ্ৰমৰূপী বিশ্ববিদ্যালয় গঢ়ি তোলাৰ আঁচনি চকুৰ আগত ৰাখিহে কাম কৰাৰ নীতি হাতত লোৱা হয়। সেই সভাতে বিশ্ববিদ্যালয় সন্মিলন এখন পাতিবলৈ স্থিৰ কৰা হয় আৰু ইয়াৰ প্ৰচাৰ কাৰ্য্য চলাবলৈ—'প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয়' প্ৰচাৰ বিভাগ এটা সাময়িকভাৱে খুলি স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱা আৰু ˚হৰেন্দ্ৰনাথ কলিতাৰ ওপৰত তাৰ দায়িত্ব দিয়া হয়।

স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাই সেই সভাৰ প্ৰতিনিধি হিচাবে আহি তেতিয়া শিৱসাগৰত বহা অসম সাহিত্য বৈঠকৰ লগতে এখন ৰাজহুৱা সভা আহ্বান কৰি

ৰাইজক কলিকতাত বহা সেই সভাৰ মৰ্ম বুজাইছিল। সেই সভা আহ্বান কৰা হৈছিল ১৯৪৪ চনৰ ১ লা অক্টোবৰ তাৰিখে শিৱসাগৰৰ কালিপ্ৰসাদ মেমৰিয়েল হলত, ৰায়বাহাদুৰ বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ সভাপতিত্বত। এই সভাৰ আহ্বায়ক আছিল অসম সাহিত্য সভাৰ নিৰ্বাচিত সভাপতি শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰচাৰ বিভাগ। সভাত অসমৰ প্ৰায় সকলো ঠাইৰেপৰা মানুহ গৈ যোগ দিছিল। সেই সভাত এখন সাময়িকভাৱে 'ট্ৰাষ্ট-বোৰ্ড' (Trust Board) গঠন কৰা হৈছিল। ঁগোপীনাথ বৰদলৈ (সভাপতি), ঁশৰৎচন্দ্ৰ গোস্বামী (সম্পাদক), ঁচাৰ মহম্মদ চাদুল্লা, খান বাহাদুৰ ছৈয়দুৰ ৰহমান, ঁহেৰম্বপ্ৰসাদ বৰুৱা, ঁশৈলেন্দ্ৰনাথ বৰুৱা আৰু শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱ এই ট্ৰাষ্ট বোৰ্ডৰ সভ্য নিৰ্বাচিত হৈছিল।

এই ৰাজহুৱা সভাৰেই প্ৰতিনিধিমূলক সভা এখন গুৱাহাটীত আহ্বান কৰিবলৈ স্থিৰ কৰা হৈছিল। সেইমতে ১৯৪৪ চনৰ ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে গুৱাহাটী কামৰূপ একাডেমী স্কুলত বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি সভা বহিছিল। ইয়ালৈ অসম উপত্যকাৰ প্ৰত্যেক মহকুমাৰপৰা অন্ততঃ দুজনকৈ প্ৰতিনিধি আহি যোগ দিছিল। কলিকতাৰপৰা স্বৰ্গীয় মাধৱ বেজবৰুৱা আৰু ঁহৰেণ কলিতা আহিছিল প্ৰতিনিধি হিচাবে। তেতিয়া ঁডাঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ উজানবজাৰৰ বাসগৃহটোৱেই আছিল এই প্ৰতিনিধি সভাৰ উদ্যোগ কেন্দ্ৰ।

কিন্তু বৈঠক বহাৰ আগতে প্ৰতিনিধি সভাৰ মুখ্য আহ্বায়ক ঁশৰৎচন্দ্ৰ গোস্বামীদেৱে উদয়পুৰত বহা 'হিষ্টৰিকেল ৰেকৰ্ড কমিচন'ত যোগ দিবলৈ গৈ ওভতি আহোঁতে দিল্লীত ১৯৪৪ চনৰ ১৯ ডিচেম্বৰ তাৰিখে হঠাৎ স্বৰ্গী হয়। তথাপি নিৰ্দিষ্ট তাৰিখতে বিশ্ববিদ্যালয় প্ৰতিনিধি সভাৰ কাম সম্পন্ন হৈ গ'ল। শিৱসাগৰত গঠিত হোৱা প্ৰস্তাৱিত 'ট্ৰাষ্ট বোৰ্ড'ৰ ঠাইত নতুন 'ট্ৰাষ্ট বোৰ্ড' গঠিত হ'ল। এই 'ট্ৰাষ্ট-বোৰ্ড'ৰ স্বৰ্গীয় গোপীনাথ বৰদলৈক সভাপতি নিযুক্ত কৰি প্ৰতিনিধিসকলক লৈ সাধাৰণ কমিটিও গঠন কৰা হৈছিল।

কিছুদিন পিচত ডিব্ৰুগড়ত এই 'ট্ৰাষ্ট বোৰ্ড'ৰ এখন বিশেষ অধিবেশন বহে আৰু তাত স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামীৰ ঠাইত ফকৰুদ্দিন আলি আহমদ চাহাবক গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ট্ৰাষ্ট বোৰ্ড'ৰ সম্পাদক পতা হয়।

গুৱাহাটীত 'ট্ৰাষ্ট বোৰ্ড'ৰ এটা কেন্দ্ৰ খোলা হৈছিল আৰু তাৰ পৰাই বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহ আদি যাবতীয় কাম চলোৱা হৈছিল। কেন্দ্ৰীয়

কাৰ্য্যালয়ৰ দায়িত্বত আছিল শ্ৰীযুত মহেশ্বৰ নেওগ (বৰ্তমান ডঃ) ডাঙৰীয়া।

১৯৪৫ চনত বিশ্ববিদ্যালয়ৰ 'ট্ৰাষ্ট বোৰ্ড' আৰম্ভ হোৱাৰ লগে লগে পুঁজি সংগ্ৰহৰ কামো আৰম্ভ হয়। এই পুঁজি সংগ্ৰহত বিশেষ অংশ গ্ৰহণ কৰিছিল ˇৰোহিণীকুমাৰ চৌধুৰী, ˇগোপীনাথ বৰদলৈ, ˇডাঃ ভুবনেশ্বৰ বৰুৱা, ˇবিৰিঞ্চিকুমাৰ বৰুৱা, ˇমাধৱচন্দ্ৰ বেজবৰুৱা প্ৰমুখ্যে কেবাগৰাকী কৰ্মী আৰু বিশিষ্ট লোকে।

বিশ্ববিদ্যালয়ৰ কাৰণে ˇমাধৱচন্দ্ৰ বেজবৰুৱাই তেওঁৰ দেহ-মন সকলোকে সঁপি দিছিল। তেওঁ বিশ্ববিদ্যালয় স্থাপন সম্বন্ধে হাজাৰ হাজাৰ গোহাৰি নিজে লিখি নিজ খৰচতে নিজ প্ৰেছত ছপাই তাক ৰাইজৰ মাজত বিলাইছিল। বেজবৰুৱাৰ অকাল মৃত্যুৰ কাৰণ তেওঁৰ বিশ্ববিদ্যালয়ৰ কাৰণে কৰা অক্লান্ত পৰিশ্ৰম। বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহৰ কামত মাজুলি আদি ঠাইত ঘূৰি ফুৰোতে তেওঁ এই দুৰাৰোগ্য বেমাৰত আক্ৰান্ত হয় আৰু ইয়াতে তেওঁৰ জীৱনৰ অন্ত পৰে।

বেজবৰুৱাই ৰোগ-শয্যাত পৰি থাকিও কেৱল বিশ্ববিদ্যালয়ৰ কথাকে ভাবিছিল। তেওঁৰ মনত আছিল অসীম উৎসাহ আৰু হৃদয়ত আছিল অদম্য বল। তেওঁ যেতিয়া চিকিৎসাৰ কাৰণে মাদ্ৰাজলৈ যাবলৈ ওলায়, তেওঁ তেতিয়াও কৈছিল "আপোনাসকলে ভাবিছে, মই মৰিম! ভয় নাখাব, মই নমৰোঁ, বিশ্ববিদ্যালয় স্থাপন নোহোৱালৈকে মই মৰিব নোৱাৰোঁ।"

অসমৰ ডেকা শক্তি আৰু দেশপ্ৰেমিকসকলৰ আশাশুধীয়া আৰু নেৰানেপেৰা পৰিশ্ৰম আৰু সংগ্ৰামৰ মাজেদি দেশ স্বাধীন হোৱাৰ দোক-মোকালিতে জাতীয় চৰকাৰৰ দিনত অসমৰ লাখ লাখ জনসাধাৰণৰ প্ৰাণৰ বস্তু গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ল ১৯৪৮ চনৰ ২৬ জানুৱাৰী তাৰিখে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৰ্তমান ৰূপ সেই দেশ-প্ৰেমিকসকলৰ বহুতে নেদেখিলে, ˇমাধৱচন্দ্ৰ বেজবৰুৱাইয়ো নেদেখিলে। কালে বেজবৰুৱাক অকালতে হৰি নিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে মাধৱচন্দ্ৰ বেজবৰুৱাই কি কৰা নাছিল? আজি কেইজনে তেওঁৰ কথা সোঁৱৰে? কিন্তু এইটো ঠিক যে আনবোৰ দেশসেৱাৰ কাৰ্য্যৰ কোনো স্বীকৃতি নাথাকিলেও গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জীত মাধৱচন্দ্ৰ বেজবৰুৱাৰ নাম সোণালী আখৰেৰে লিখা থাকিব।

টোকা ঃ এই প্ৰবন্ধৰ সমল শ্ৰীহৰেন্দ্ৰনাথ কলিতাদেৱে ২০/৪/৭১ তাৰিখে আমালৈ লিখি পঠায়। কিন্তু আমাৰ দুৰ্ভাগ্য যে তেখেতে পুথিৰ ছপা আকাৰ দেখিবলৈ আৰু জীয়াই থকা নাই। তেখেতে দিয়া টোকাৰ পৰা ইতিমধ্যে 'নতুন অসমীয়া'ত বিশ্ববিদ্যালয়ৰ ৰজত জয়ন্তী উৎসৱৰ সময়ত এটি প্ৰবন্ধ ছপা হৈ গৈছে।

এম ইব্ৰাহিম আলি

মাধৱ বেজবৰুৱাৰ স্মৃতি

নিৰ্মলেশ্বৰ শৰ্মা

মই মাজে মাজে ভাবো, মাধৱ বেজবৰুৱাৰ লগত মোৰ নিশ্চয় পূৰ্বজন্মৰ কিবা এটা সম্বন্ধ আছিল। কাৰণ মাধৱে শিৱসাগৰত মোৰ লগত চিনাকি হোৱা মাত্ৰকে এনেভাৱে আচৰণ কৰিছিল তেওঁ যেন মোৰ বহু দিনৰ চিনাকি। চিনাকি হোৱাৰ মুহূৰ্তৰ পৰাই মোৰ তেওঁৰ লগত যিটো ঘনিষ্ঠতা হ'ল, সেই ঘনিষ্ঠতা আজীৱন স্থায়ী হৈছিল। মাধৱ বেজবৰুৱাই অকালতে ইহ-সংসাৰ এৰিলে, কিন্তু তেওঁ যি কেইদিন এই সংসাৰত আছিল, তেওঁৰ লগত মোৰ বন্ধুত্ব অটুট আছিল।

মই মাধৱ বেজবৰুৱাক প্ৰথম লগ পাওঁতে তেওঁ সোপাটিলা ধৰণৰ ল'ৰা আছিল। দেউতাকে আক্ষেপ কৰি কৈছিল, "ইয়াৰ পঢ়াশুনাত মুঠেই মন নাই। পুৱা হ'লেই বৰশীটো লৈ মাছ ধৰিবলৈ যায়।"

সেই সময়ত দক্ষিণ ভাৰতত মোহন চি, আৰ, দি, নাইডু নামে এজন খ্যাতনামা ব্যায়াম-বীৰ আছিল। সেইবিধ ব্যায়ামৰ বিশেষত্ব হৈছে, অকল শৰীৰেৰে নহয়, লগতে মনৰো অনুশীলন কৰিব লাগে।

এবাৰ নাইডু শিৱসাগৰলৈ আহিছিল। স্কুলীয়া ছাত্ৰবিলাক তেওঁৰ তলত ব্যায়াম শিকিবলৈ লৈছিল। নাইডুৰ ব্যায়াম অনুশীলন কৰাৰ লগে লগেই আগৰ মাধৱ বেজবৰুৱা গুছি এজন বেলেগ মাধৱ বেজবৰুৱা হৈ পৰিল। তেওঁৰ আগৰ সোপাটিলা স্বভাৱ একেবাৰেই গ'ল। তেওঁ এজন তজবজীয়া আৰু উদ্যমী ডেকাত পৰিণত হৈ পৰিল। পঢ়াশুনাত মন ধৰিবলৈ ধৰিলে।

তাৰ পিচত মাধৱ বেজবৰুৱা গুৰু বিচৰাত লাগি গ'ল। গুৰু মানে ধৰ্মগুৰু নহয়। তেওঁ এনে এজন আদৰ্শ পুৰুষ বিচাৰিছিল, যাৰ আদৰ্শবিলাক তেওঁৰ নিজৰ জীৱনত অনুসৰণ কৰিব পাৰে। কিন্তু এই বিষয়ত তেওঁ নিৰাশ হ'ল। প্ৰত্যেকজন মানুহৰ গাতে একোটা খুঁত ওলায়। আদৰ্শৰ সৌধ ভাঙি ধূলিসাৎ হয় আৰু তেওঁ মানুহজনৰ সঙ্গ ত্যাগ কৰে। এইদৰে কিছুমান অভিজ্ঞতা

পাই তেওঁ গুৰু অন্বেষণ কৰিবলৈ এৰে। তেওঁ আত্মনিৰ্ভৰশীল হৈ পৰিল।

আগছোৱাত তেওঁ জাতীয় কংগ্ৰেছৰ অনুগামী আছিল; খদ্দৰৰ কাপোৰ-কানিহে পিন্ধিছিল। কিন্তু এবাৰ নেহেৰু অসমলৈ আহি অসমৰ স্বাৰ্থৰ বিপক্ষে কিছুমান কথা কোৱাত তেওঁ ৰঙিয়াত নেহেৰুক লগ ধৰি মুখৰ আগতে কৈছিল "তেন্তে আমি ভাৰতবৰ্ষৰ পৰাই আঁতৰি যাম।" এজন ডেকা ল'ৰাৰ এনে স্পৰ্দ্ধা দেখি নেহেৰুৱে খঙেৰে উত্তৰ দিছিল, "যোৱা, তেন্তে নৰকলৈকে যোৱা!"

আমি কটন কলেজলৈ অহাৰ সময়ত অসহযোগ আন্দোলন আৰম্ভ হৈছিল। মাধৱে সেই আন্দোলনত পূৰ্ণোদ্যমে যোগ দিছিল। কটন কলেজ বৰ্জন কৰা ছাত্ৰৰ ভিতৰত মাধৱেই প্ৰথম আছিল। কিন্তু কেইদিনমান পিচত তেওঁৰ মতৰ পৰিবৰ্তন হ'ল। সিদ্ধান্ত কৰাৰ লগে-লগেই তেওঁ কলেজ কৰিবলৈ গ'ল। সত্যাগ্ৰহৰ বাধা নেওচি তেওঁ কলেজৰ চৌহদৰ ভিতৰ সোমাল। এই কাৰ্য্যই তেওঁক বহুত বিৰূপ সমালোচনাৰ সন্মুখীন কৰিছিল।

মাধৱে শিবপুৰ ইঞ্জিনীয়াৰিং কলেজত পঢ়িবলৈ এটা 'জলপানী'ও পাইছিল কিন্তু তেওঁ শিবপুৰত কেইদিনমান থাকিয়েই ঘূৰি আহিল। সেই জলপানীটো বিবেকা ভঁড়ালীয়েহে পোৱাৰ কথা আছিল, কিন্তু মাধৱে চেষ্টা কৰাত তেওঁ নাপালে। এইটো কথাৰ এটা আধ্যাত্মিক ব্যাখ্যা দিব পাৰি। মানুহৰ জীৱনত কোনে কোন বাটেদি যাব লাগে, সেইটো ভগৱানে আগতেই নিৰ্দিষ্ট কৰি থৈছে। শিক্ষিত অসমীয়া ব্যৱসায়ীৰ ভিতৰত বিবেকা ভঁড়ালীয়ে তাহানিৰেপৰা এতিয়ালৈকে একেটা ব্যৱসায়ত একনিষ্ঠভাবে ধৰি আছে আৰু যথেষ্ট উন্নতিও কৰিছে। অসমৰ ঠায়ে ঠায়ে তেওঁৰ দৰে কিছুমান শিক্ষিত অসমীয়া ডেকা ব্যৱসায়ী ওলোৱা হ'লে আজি অসম ব্যৱসায়ৰ ক্ষেত্ৰত ইমান পাচপৰি নাথাকিলহেঁতেন। বিবেকা ভঁড়ালী ইঞ্জিনিয়াৰিং লাইনত যোৱা হ'লে সদৌ অসমৰেই বাণিজ্য-ক্ষেত্ৰত ক্ষতি হ'লহেঁতেন। সেইদৰে মাধৱে ইঞ্জিনিয়াৰিং লাইনলৈ যোৱা হ'লে তেওঁ অসমৰ জাতীয় চেতনাত এক উল্লেখযোগ্য বৰঙণি যোগাই যাব নোৱাৰিলেহেঁতেন।

আমাৰ দিনত হিন্দু ল'ৰাই আৰু কিছুমান মুছলমান ল'ৰায়ো চুৰিয়া পিন্ধিছিল। পৰ্বতীয়া ল'ৰাবিলাকৰ বাহিৰে পেণ্ট পিন্ধা ল'ৰা নাছিল। মাধৱে দেখিলে যে, এটা কৰ্মময় জীৱনৰ পক্ষে চুৰিয়া সুচল নহয়। তেওঁ সাজ-পাৰ সলনি কৰি পেলালে। বেচি ভাগ সময়েই চুৰিয়াৰ পৰিবৰ্তে 'যোধপুৰী ব্ৰীচেজ'

পিন্ধিবলৈ ধৰিলে। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি। মই অ'ল্ড হোষ্টেলত থাকোতে শ্ৰীদেবেন শৰ্ম্মানে কোনোবা দুজনমানে এবিধ নতুন ধৰণৰ ধুতি হোষ্টেল বিলাকত প্ৰচলন কৰিবলৈ আনিছিল। সেইবিলাক ধুতিৰ বিশেষত্ব আছিল— ডবল পোন্ধ্ মাৰি পিন্ধা চুৰিয়াকে আগতে চিলাই কৰা থাকে। পাইজামা বা চেলোৱাৰৰ দৰে সুমাই পিন্ধিলেই হয়। শুনিছিলোঁ, কৰ্মবীৰ নবীন বৰদলৈয়েই এইবিধ ধুতিৰ আবিস্কাৰক আছিল। যি কাৰণতেই হওঁক, এইবিধ ধুতি জনপ্ৰিয় হৈ নুঠিল।

এটা কৰ্মময় জীৱনৰ অনুকুল সাজ-পাৰত বিভূষিত হৈ মাধৱ বেজবৰুৱা কৰ্মক্ষেত্ৰত জপিয়াই পৰিল। সেই সময়ত অসমীয়া ডেকাৰ এটা দল ওলাইছিল। দলটোৰ প্ৰতিষ্ঠাতা বোধকৰোঁ মহেন্দ্ৰনাথ ডেকাফুকনেই আছিল। কিন্তু মাধৱ বেজবৰুৱা এই দলটোৰ লগত ঘনিষ্ঠভাৱে জড়িত আছিল। কিছুমানে লগাই দিব—'দল্‌দোপ', বাকীবিলাকে লগতে উজান ধৰিব—'হেন্দোল-দোপ।' অসমত থকা বঙালী মানুহে যাতে অসমীয়াতে কথা পাতে সেই অৰ্থে এই দলটো বিশেষ সজাগ আছিল।

মাধৱে অকল গুৱাহাটীতে নহয়, অসমৰ ভালেমান ঠাইত অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ্থে প্ৰচাৰ কাৰ্য চলাই ফুৰিছিল। এই প্ৰসঙ্গতে খিঙৰ নাম ক'ব পাৰি। মাধৱে এদিন মোক কৈছিল, "মই যদি কেতিয়াবা এছেম্বলীৰ কাৰণে প্ৰাৰ্থী হৈ থিয় হওঁ, তেন্তে খিঙৰ পৰাই উঠিম। খিঙৰপৰা উঠিলে মোৰ জয় নিশ্চিত, কাৰণ খিঙৰ ৰাইজে মোক বৰ ভাল পায়।"

অসমখনৰ কেনেকৈ সৰ্বাঙ্গীন উন্নতি কৰিব পাৰি, সেইটো চিন্তাত মাধৱ দিনে-নিশাই বিভোৰ হৈ আছিল। কিছুমান মানুহে চিন্তা কৰে—কিন্তু কৰ্মত বিমুখ। কিন্তু মাধৱৰ ক্ষেত্ৰত মাউতে যেনেকৈ লাংচিংডালেদি হাতীটোক আগবাঢ়ি যাবলৈ খুচিয়াই থাকে, মাধৱৰ মনৰ চিন্তাবিলাকেও সেইদৰে তেওঁক কৰ্মতৎপৰ কৰি ৰাখিছিল।

কিন্তু কেতিয়াবা কেতিয়াবা তেওঁৰ মনৰ চিন্তাবিলাকে এনে এটা ধামখুমিয়াৰ সৃষ্টি কৰিছিল আৰু তেনে অৱস্থাত এনে একোটা কাম কৰিছিল, যিবিলাক কাম সাধাৰণ অৱস্থাত আনে নকৰে।

এবাৰ হোষ্টেলত হৈ-চৈ লাগিল। মাধৱ বেজবৰুৱাক বোলে 'চাৰ্কিট হাউচ'ত আটক কৰি থৈছে। কাৰণটো এতিয়া পাহৰিলোঁ। বোধকৰোঁ মাধৱে

গৱৰ্ণৰক নিজে দেখা কৰি অসমৰ কিছুমান সমস্যাৰ বিষয়ে আলোচনা কৰিব খুঁজিছিল। পিচত অৱশ্যে মাধৱক এৰি দিলে।

এবাৰ মাধৱে কটন কলেজৰ ইউনিয়ন চেক্ৰেটাৰীৰ পদ-প্ৰাৰ্থী হৈ থিয় দিলে। তেওঁৰ অদ্ভুত কাণ্ডকাৰখানাবিলাক দেখি তেওঁৰ যে জয় হ'ব, সেই বিষয়ে মই সন্দেহ প্ৰকাশ কৰিছিলোঁ, কিন্তু অপ্ৰত্যাশিতভাৱে তেওঁৰেই জয় হ'ল।

কটন কলেজ 'বেজ' (Badgc) মাধৱৰ কটন কলেজলৈ এটা ডাঙৰ অৱদান। বেজটোৰ গঢ় দিওঁতে তেওঁ মহেন্দ্ৰ ডেকাফুকনৰ পৰা প্ৰেৰণা পাইছিল। অকল সেয়ে নহয়, ডেকাফুকনৰ পৰিবাৰে 'বেজটো' নিজৰ ঘৰতে তৈয়াৰ কৰি দিছিল।

মই গুৱাহাটীৰ কলেজৰ ছাত্ৰাবাসতো কিছুদিন আছিলোঁ; কলিকতাৰ আইন ছাত্ৰাবাসতো কিছুদিন আছিলোঁ। আহাৰৰ বিষয়ত দেখিছিলোঁ, কলিকতাৰ ছাত্ৰাবাসটোৰ আহাৰ গুৱাহাটীৰ ছাত্ৰাবাসৰ আহাৰতকৈ বহুত ভাল। কলিকতাত অকল মই থকা ছাত্ৰাবাসটোৰহে আহাৰ ভাল আছিল এনে নহয়, তাত আন আন ছাত্ৰাবাসবিলাকত থকা অসমীয়া ছাত্ৰবিলাকৰ মুখে শুনিছিলোঁ, গুৱাহাটীৰ তুলনাত সেইবিলাক ছাত্ৰাবাসৰ আহাৰ বহুগুণে ভাল। গুৱাহাটী ছাত্ৰাবাসত আছিল কেৱল পনীয়া দালি আৰু দুখনমান সাধাৰণ ভাজি, তৰকাৰী আদি। খোৱা-বোৱা ছাত্ৰবিলাকেই পৰিচালনা কৰিছিল। তেওঁলোকৰপৰা প্ৰত্যেক মাহে একোজন 'মেছ-মেনেজাৰ' নিৰ্বাচিত হৈছিল। সেই সময়ত ভাল খোৱা বস্তুও পোৱা গৈছিল আৰু দামো সস্তা আছিল।

ইমান বেলি ছাত্ৰবিলাকৰ খোৱা-বোৱাৰ কথা কলোঁ। এইবিলাক কথাৰ লগত মাধৱ বেজবৰুৱাৰ সম্বন্ধ কি? সেই কথাটোলৈকে এতিয়া আহিছোঁ।

এবাৰ মাধৱ গুৱাহাটীৰ কটন হোষ্টেলত 'অল্ড ব্লক'ৰ মেছ মেনেজাৰ হৈছিল। তেওঁ মেছ-মেনেজাৰ হোৱা মাহটোত প্ৰত্যেক দিনাই মাছ, মাংস, কণী, ঘিঁউ, দৈ আদিৰ দুটা বা তিনিটা পদ থাকিবই। অথচ পইচা আন আন মাহত যি উঠে, মাধৱ মেছ-মেনেজাৰ হোৱা মাহটো সেই একে পইচাই উঠিছিল। এটা আমোদজনক কথা হ'ল—ভৱিষ্যতৰ স্বাৰ্থত কুঠাৰাঘাত পৰে বুলি কিছুমানে এইদৰে মাধৱৰ বদনাম ৰটি ফুৰিছিল—"মাধৱে যদি ল'ৰাক সদায়েই এইদৰে গুৰুপাকী আহাৰবিলাক খুৱাবলৈ ধৰে, তেন্তে সকলোৱে পেটৰ বেমাৰত ভুগিব

লাগিব।”

মাধৱে দেশৰ স্বাৰ্থৰ হকে যেতিয়া যিটো কাম কৰা নিতান্ত আৱশ্যক বুলি ভাবিছিল, তেতিয়া ক্ষন্তেকো জিৰণি নোলোৱাকৈ একান্ত মনেৰে আৰু আন্তৰিকতাৰে সেই কামটো সমাধা কৰিবলৈ লাগি গৈছিল। অসমত বিশ্ববিদ্যালয় এটা লাগে বুলি অনুভৱ কৰাৰ পিচৰপৰাই তেওঁ ‘এপইচীয়া পুঁজি’ গঠন কৰি দিনক নিশা আৰু নিশাক দিন কৰি বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে টকা তোলাত লাগি গৈছিল। এই কাৰ্য্যত তেওঁৰ অশেষ কষ্ট হৈছিল।

স্বাধীনতাৰ পিচত ভাৰতৰ আন আন ঠাইৰ ছাত্ৰৰ দৰে অসমীয়া ছাত্ৰয়ো নানা সুবিধা পাইছিল আৰু বেলেগ বেলেগ বিভাগলৈ গৈছিল। ইউৰোপ আমেৰিকালৈ যোৱা ছাত্ৰৰ সংখ্যা লিখিবলৈ নোৱৰা হ'ল। আমাৰ দিনত অসমীয়া ছাত্ৰৰ পক্ষে সেইবিলাক কথা কল্পনাতীত আছিল। মাধৱে অসমীয়া ছাত্ৰক কাম-কাজ আৰু বৃত্তিৰ খবৰ বাতৰিৰ যোগান ধৰিবলৈ “ষ্টুডেণ্টচ্ ইন্‌ফৰমেশ্যান বুৰো” নামে এটা অনুষ্ঠান খুলিছিল।

আমাৰ দিনত গুৱাহাটীত ‘চেৰিটেবোল ক্লাব’ নামে এটা ক্লাব আছিল। মাধৱ সেই ক্লাবটোৰ সভ্য হৈছিল। এবাৰ সৰস্বতী পূজানে আন কিবা উপলক্ষে সেই ক্লাবটোৰ সমদল এটাৰ আগে আগে মাধৱ বেজবৰুৱা ঘোঁৰা এটাত উঠি গৈ আছিল। দৃশ্যটো দেখি অধ্যাপক পি, চি, ৰয়ে কৈ উঠিছিল, “চি, চি, ডেট্ ফিউচাৰ নাইট অব্ আসাম।” পি, চি, ৰয়ে অৰ্থ কৰিছিল যে মাধৱ বেজবৰুৱাই ভৱিষ্যতে অসমক নেতৃত্ব দিব। বাস্তৱিকতে মাধৱ বেজবৰুৱাৰ অকালতে মৃত্যু নোহোৱা হ'লে সময়ত যে তেওঁ অসমৰ এজন শীৰ্ষস্থানীয় নেতা হ'লহেঁতেন, সেই বিষয়ে কোনো সন্দেহই নাই।

মাধৱে কিবা এটা কাম লৈ একেঠাইতে স্থিৰ হৈ থাকিব নোৱাৰিছিল। তেওঁ দাক্ষিণাত্য আৰু দাৰ্জিলিং ভ্ৰমণ কৰি ‘আৱাহন'ত তেওঁৰ ভ্ৰমণ কাহিনীৰ বিষয়ে চিত্তাকৰ্ষক প্ৰবন্ধ দুটামান দিছিল। এবাৰ তেওঁ কাকো নোকোৱা নেমেলাকৈ অন্তৰ্ধান হৈছিল। সেই ঘটনাত তেওঁৰ আত্মীয়-স্বজন, বিশেষকৈ তেওঁৰ মাতৃদেৱী শোকত অতি কাতৰ হৈ পৰিছিল। কেইদিনমানৰ পিচত তেওঁ ঘূৰি আহিল। তেওঁ দিল্লীনে ক'ৰবালৈ যোৱা বুলি কৈছিল।

মাধৱ বেজবৰুৱাই তেওঁৰ দদায়েক লক্ষ্মীনাথ বেজবৰুৱাৰপৰা অনুমতি লৈ বাঁহীখন উলিয়াবলৈ সিদ্ধান্ত কৰিলে আৰু কলিকতাৰ টালিগঞ্জত সৰু ঘৰ

এটা ভাড়া লৈ বাঁহীখন উলিয়াবলৈ ধৰে। কিন্তু দৈৱৰ নিৰ্বন্ধত কিছুদিন পিচতে তেওঁৰ সাংবাদিক জীৱনৰ ওৰ পৰিল। তেওঁৰ মৃত্যুৰ পিচত পত্নী উষা বেজবৰুৱাই মোক গুৱাহাটীত প্ৰেছটো চলাই থাকিবলৈ অনুৰোধ কৰিছিল। বোধকৰোঁ বাঁহীখন যাতে অব্যাহতভাবে থাকে, সেইটোৱেই তেওঁৰ ইচ্ছা আছিল।

মাধৱৰ বিয়াৰ সময়ত মই কিবা কাৰণত যাব নোৱাৰিলোঁ। মোৰ বিয়াৰ সময়ত তেওঁ হঠাৎ আহি উপস্থিত। ক'লে,"পোনা মইও এবাৰ জেদ ধৰি তোমাৰ বিয়ালৈ নাহোঁ বুলি ভাবিছিলোঁ, কিন্তু কোনোমতে নহাকৈ নোৱাৰিলোঁ।"

কেতিয়াবা কেতিয়াবা একোটা সৰু ঘটনাৰপৰাহে এজন মানুহৰ প্ৰকৃত পৰিচয় পাব পাৰি। এবাৰ মাধৱৰ অলপমান গা বেয়া হৈছিল। খবৰ কৰিবলৈ গৈছিলোঁ। প্ৰচণ্ড গৰম। মাধৱৰ কাষত বিচনী এখন পৰি আছে—কিন্তু তেওঁ বিচা নাই। কাৰণটো সোধাত তেওঁ কলে, "বিচনীৰে বিচি যিটো শান্তি পাম, সেইটো ক্ষণস্থায়ী। মানুহে স্থায়ী শান্তিহে বিচাৰিব লাগে।" ক্ষন্তেক তভক মাৰি ৰ'লোঁ। মাধৱে সাধাৰণ কথা কোৱা নাই, এটা গভীৰ তাৎপৰ্য্যপূৰ্ণ কথাহে কৈছে। সদায় অস্থিৰ হৈ থকা ডেকাজনৰ যে এটা দাৰ্শনিক মন থাকিব পাৰে, সেই ভাবটো স্বাভাবিকতে মানুহৰ মনলৈ নাহে। মাজতে মাধৱে 'ইয়ং থিয়চফিষ্ট'ৰ সভ্য হোৱাত তেওঁৰ মন কিছু ধ্যান-ধাৰণাৰ ফালেও ঢাল খাইছিল।

মাধৱ এজন অসাধাৰণ ডেকা আছিল। তেওঁ জীয়াই থকা হ'লে অসমৰ কাৰণে বহুত উল্লেখযোগ্য কাম কৰিব পাৰিলেহেঁতেন।

টোকা :— নিৰ্মলেন্দ্ৰৰ শৰ্মাদেৱে প্ৰবন্ধটি মাহেকীয়া 'দীপক'ত লিখিছিল। তাৰেপৰা আৱশ্যকীয় পৰিবৰ্তন কৰি আমাক 'ডেকাজনৰ জীৱনীত যোগ দিবলৈ অনুমতি দিছিল। বৰ পৰিতাপৰ কথা যে আমি শৰ্মাদেৱকো হেৰুৱালোঁ।

এম. ইব্ৰাহিম আলি

মাধৱ বেজবৰুৱা

"বুকুত সিংহৰ বল
সুখে দুখে অবিৰল—
হিয়াত এষাৰি নাই—
নিৰাশাৰ গীত;
সময় সোঁতৰ ঢৌ
সকলো সামৰি সৌ
ডেকাগিৰী পৰি ৰ'ল—
সমৰ থলীত।।"

(আলি; বৰদৈচিলা)

মাধৱ বেজবৰুৱা

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

মৰণৰ স্মৃতি তৰ্পণ সাধাৰণতে চকুলোৰে কৰে। কিন্তু মাধৱ বেজবৰুৱাৰ মৰণৰ স্মৃতি-তৰ্পণ চকুলোৰে কৰিলে মহাভুল হব, যি ভুলে তেওঁৰ অদমনীয় আৰু জীৱন্ত ব্যক্তিত্বৰ প্ৰতি অসন্মান জনাব। মাধৱৰ আত্মাক মৰণে পৰাজয় কৰিব নোৱাৰে। মৰণৰ শীতল স্পৰ্শই তাক অচেতনো কৰিব নোৱাৰে।

যেতিয়া মাধৱ বেজবৰুৱাক ২০৩/২১ ৰছা ৰ'ড ছাউথৰ (কলিকতা; টালিগঞ্জ) সৰু পকী ঘৰটোত লগ পাওঁ, তেতিয়া তেওঁ 'বাঁহী'খন দৈনিক কৰাৰ সপোন দেখিছিল। তেওঁৰ লগত তেতিয়া কম্পজিটৰ আৰু সহকাৰী গোটাই তিনিজন মানুহ। মই যোগ দিয়াত এজন বেছি হ'ল। দৈনিক এখন চলোৱাৰ বাবে এইখিনি মানুহ খুব কম আৰু মই দেখাত অন্যান্য উপকৰণো সিমান নাছিল। তথাপিও তেওঁৰ মনত এখন আঁচনি আছিল। "দেশ"ৰ (বঙালী সাপ্তাহিক) দৰে প্ৰথমতে এখন সাপ্তাহিক বাঁহী কৰিব, তাৰ পিছত লাহে লাহে দৈনিক কৰি পেলাব। তেওঁৰ আকাঙ্ক্ষা বৰ বেছি দূৰ আগবাঢ়িছিল। কিন্তু তাৰ মাজত যি দেশ-প্ৰেমৰ প্ৰেৰণা আছিল, আমাৰ দেশৰ জাতীয় অভাৱ এটা পূৰণ কৰাৰ যি এটা কাৰ্যকৰী চেষ্টা আছিল তাক কোনে নুই কৰিব? মাধৱ বেজবৰুৱা কি ধাতুৰে গঢ়া তাৰ ইঙ্গিত মই তাতেই প্ৰথমতে পাইছিলোঁ।

তেতিয়া ১৯৪৫ চনৰ আগষ্ট মাহৰ মাজভাগ। মাধৱ বেজবৰুৱাৰ ঘৰটোলৈ দাক্ষিণ সাগৰৰ বতাহ আহে। সেই বতাহ লৈ লৈ তেওঁ প্ৰথমতে মোক 'প্ৰুফৰিডিং' (আৰ্হি কাকত চোৱা কাম) শিকাইছিল—সাংবাদিকতাৰ ক, খ। লাহে লাহে তেওঁ আঁচনিৰ প্ৰথম খোজত ভৰি দি সাপ্তাহিক বাঁহী উলিওৱাৰ যো-জা কৰে। তেওঁৰ সন্মুখত তেতিয়া দৈনিক গঢ়াৰ আশাৰ সপোন।

কেইদিনমান গলত তেওঁ এদিন মোক তেওঁৰ কোঠাটোলৈ মাতি পঠালে। মোক ওচৰতে বহুৱাই ক'লে, "মোৰ 'হাৰ্ট ইনফেকশ্যন' হৈছে। ডাক্তৰে জিৰণি লবলৈ কৈছে।"

সেইদিনা গ'ল। 'হাৰ্ট ইনফেকশ্যন' মানে যে ৰাক্ষসী যক্ষ্মাৰ আক্ৰমণ

সেই কথা মোৰ মনত নেখেলালে। কেইদিনমানৰ পিছত যেতিয়া গম পালোঁ যে তেওঁৰ যক্ষ্মা হৈছে তেতিয়া মোৰ মূৰত সৰগ ভাগিপৰা যেন পালোঁ। বাঁহী প্ৰেছ আৰু তাৰ ভৱিষ্যতটোলৈ মই বৰ করুণভাৱে চাব ধৰিলোঁ। 'বাঁহী'ৰ প্ৰায় মানুহবোৰ তেনেই নিৰাশ হৈ পৰিল। কিন্তু নিৰাশ হবলৈ বন্ধ কৰিলে—বলেৰে বন্ধ কৰিলে বেজবৰুৱাই নিজে। তিল্‌তিলকৈ মৃত্যুৰ মুখলৈ আগবাঢ়ি যোৱা মানুহ এটাই যেতিয়া কলে ঃ "বাঁহী" ওলাই থাকিবই লাগিব। 'বাঁহী' নোলালে মই মৰিম। ডাক্তৰে কৈছে ছমাহৰ ভিতৰতে ভাল হৈ আহিম।"

মাধৱ বেজবৰুৱাই বাঁহীক অন্ধভাবে ভাল পাইছিল। মাজে মাজে অন্যৰ মুখে কোৱা শুনিছিলোঁ—নিজৰ পুতেকতকৈয়ো বোলে বাঁহীক ভাল পাইছিল। এই ভাল পোৱাৰ কথা তেওঁৰ ব্যক্তিত্বৰ লগত খাপ খায়।

মদনাপল্লীৰ স্বাস্থ্যনিবাসলৈ যোৱাৰ পিছত মাধৱ বেজবৰুৱাৰ ২/৩ দিনৰ মূৰেমূৰে চিঠি আহে; কেৱল বাঁহীৰে কথা। মাজে মাজে "কি কৰিবা, অসমীয়া 'জাৰ্ণেলিজম্'ৰ অৱস্থা এতিয়াও টনকিয়াল হোৱা নাই, কষ্ট আছেই; কাম কৰি যোৱা।" মৰিবলৈ ওলোৱা মানুহ এটাই এইদৰে উৎসাহ দিয়ে। সেই মানুহটোক অন্যৰ কি কথা কব নোৱাৰোঁ, মই হলে মৰিব বুলি ভাবিবপৰা নাছিলোঁ। আজিও মোৰ তেওঁৰ মৰণ বাতৰিটো বিশ্বাস কৰিবৰ মন নেযায়।

মাধৱ বেজবৰুৱাক বেমাৰী অৱস্থাতহে ভালকৈ দেখিছিলোঁ। তাৰ আগতে ৰাজহুৱা জীৱনৰ বহু ক্ষেত্ৰত চকা-মকাকৈ দেখা পাইছিলোঁ। এবাৰ দেখোঁ ১৯৪৪ চনৰ ডিচেম্বৰ মাহত বিশ্ববিদ্যালয় 'কনভেনশ্যন'খনত। তেওঁ তাত প্ৰচাৰ সম্পাদক হিচাবে নিৰ্বাচিত হৈছিল। কিন্তু তেওঁ যে বিশ্ববিদ্যালয় আন্দোলনটোৰ প্ৰাণস্বৰূপ আছিল এই কথা বাঁহী প্ৰেছলৈ গৈহে গম পাওঁ—তেওঁৰ যত্ন আৰু কামবিলাকৰ পৰিচয় নাই। বেমাৰৰ পাটিৰপৰা তেওঁ বৰদলৈদেৱলৈ লিখিছিল—বিশ্ববিদ্যালয়ৰ কি হব বুলি। বৰদলৈয়ে উত্তৰ দিছিল "ইউনিভাৰচিটি কিন্তু হবই"। বেজবৰুৱাই মনত বৰ সান্ত্বনা পাইছিল। ইয়াৰ আগতে মই সাহিত্য সভাত (শিৱসাগৰ অধিবেশনত) তেওঁক দেখিছিলোঁ। কামত ব্যস্ত হৈ তেওঁ যিদৰে টাকুৰি ঘূৰাদি ঘূৰি ফুৰিছিল আমি ডেকা লৰাবোৰে দেখি লাজ পাইছিলোঁ। সেই তাতে তেওঁ প্ৰথম বিশ্ববিদ্যালয় 'কনভেনশ্যন' পতাৰ আয়োজন কৰে।

এইখিনি মই দেখাৰ ভিতৰত। ইয়াৰ আগেয়ে তেওঁৰ ৰাজহুৱা জীৱনৰ আৰু উল্লেখযোগ্য ঘটনা আছে। নগাঁৱত সিবাৰ বানপানী হওঁতে, আমি 'আৱাহন'ত তেওঁ দিয়া ফটো চাই আৰু প্ৰবন্ধ পঢ়ি প্ৰথমতে বানপানীৰ ধ্বংসকাৰী শক্তিৰ এটা ধাৰণা কৰিব পাৰিছিলোঁ। তেওঁ সেই বানপানীত বৰ খাটিছিল। ১৯৩৬

চনত সংৰক্ষিণী আন্দোলনৰ 'দল্‌দোপ হেন্দোল্‌দোপ'ৰ উদ্যোক্তাসকলৰ ভিতৰত তেখোঁ আছিল। সৰুকালত 'দৈনিক বাতৰি'ৰ পিঠিত অসমীয়া ডেকাৰ এই হেন্দোলদোপ দেখি আমাৰ মন নাচি উঠিছিল। সংৰক্ষিণী-পন্থী আছিল যদিও মৰণৰ আগমুহূৰ্তত যোৰাবাৰ নিৰ্বাচনৰ সময়ত (১৯৪৫) কংগ্ৰেছক ভোট দিবলৈ তেওঁ যিখন আবেদন দিছিল, সেইখনেই প্ৰমাণ কৰে যে তেওঁৰ ৰাজনৈতিক সহানুভূতিখিনি আছিল মুক্তিৰ শক্তিসমূহৰ হকে। ভুলেই হওক বা শুদ্ধই হওক, তেওঁ সদায় নিজৰ বিবেকমতে চলিছিল আৰু এইদৰে চলোতে তেওঁ কাৰো বাধা সহ্য নকৰিছিল। এই পথেদি চলোতে তেওঁ নানা দুঃখ কষ্ট সহ্য কৰিছিল। এদিন মোক কিবা কথাই কথাই কৈছিল ঃ "বুজিছা, জীৱনটো এইবোৰ কামতে কটালোঁ, ঘৰলৈ একো দিব নোৱাৰিলোঁ।" ৰাজহুৱা জীৱনত নমা বেছিভাগ মানুহেই ঘৰ-হেৰা হয়, নহলে ঘৰ-বিমুখী হয়। মাধৱ বেজবৰুৱাৰো সেয়ে হৈছিল।

ৰাজহুৱা জীৱনৰ খলা-বমাত আগবাঢ়োতে তেওঁ নানা পিনেদি খোজ পেলাইছিল, কিন্তু অৱশেষত সাংবাদিকতাই তেওঁৰ শেষ খোপনি হৈছিল গৈ। কলিকতাত ইঞ্জিনীয়াৰিং শিক্ষা বিসৰ্জন দি তেওঁ এই ক্ষেত্ৰত হঠাতে নামি পৰিল দদায়েক লক্ষ্মীনাথৰ (সাহিত্যৰথী) আশীৰ্বাদ লৈ, আৰু মৰণৰ শেষ সময়লৈকে তেওঁ সেই আশীৰ্বাদৰ মৰ্য্যাদা ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। বাঁহীয়ে সাহিত্য সেৱাত কিমানদূৰ কৃতকাৰ্য্য হৈছে সি সমালোচনাৰ বিষয়। কিন্তু 'বাঁহী'ৰ জীৱনৰ ওপৰত ভেঁটি কৰি এদল সাহিত্যিকৰ যে সৃষ্টি হৈছিল, সি আমাৰ দৰে দুখীয়া সাহিত্যৰ পক্ষে শুভ লক্ষণ। ইয়াৰ উপৰিও মাধৱৰ 'দৈনিক'ৰ সপোনৰ আলমত 'বাঁহী'ৰ কথা ভাবি চালে, অৱস্থাৰ বৰ্তমান পৰিণতিত আমি আজি দুখ প্ৰকাশ কৰিবলৈ বাধ্য।

অসম সাংবাদিক সন্মিলন, প্ৰেছ এডভাইছৰী বৰ্ড, নিখিল ভাৰত সম্পাদক সন্মিলনত অসমৰ সাংবাদিক জগতৰ প্ৰথম পৰিচয় কৰা আদি কামত মাধৱ বেজবৰুৱাই আগভাগ লৈ কাম কৰিছিল। জীৱনৰ শেষ কালত একেলগে কেবাটাও ৰাজহুৱা কামত তেওঁ আত্মনিয়োগ কৰিছিল। এফালে বিশ্ববিদ্যালয় আন্দোলন, আনফালে 'বাঁহী' পৰিকল্পনা, সিফালে প্ৰেছ এডভাইছৰী বৰ্ড— এনেদৰে একেলগে বহুত কাম আৰম্ভ কৰাত তেওঁৰ স্বাস্থ্যৰ ওপৰত অযথা হেঁচা পৰিল; এইবাবেই নিষ্ঠুৰ মৰণে তেওঁৰ অদমনীয় কৰ্মশক্তিক পৰাস্ত কৰি তিলতিলকৈ মানুহেটোক নিঃশেষ কৰি নিব ধৰিলে। মাধৱ বেজবৰুৱাৰ অন্তৰে অসম মাতৃৰ বাবে সততে কান্দিছিল, আৰু সেই আপাহতে তেওঁ সদায় কাম

কৰিছিল। তৰুণ ফুকনৰ "তৰিলে দেশ মৰিলে স্বৰ্গ" আৰু লক্ষ্মীধৰ শৰ্মাৰ "অসম মৰিলে আমিও মৰিম" এই দুয়োটা বাণীয়ে তেওঁক আচৰিত ৰকমে প্ৰভাৱান্বিত কৰিছিল। এই দুটা আদৰ্শকে মনত ৰাখি তেওঁ কাম কৰিছিল, আৰু সম্ভৱতঃ সেইবাবেই তেওঁ যক্ষ্মা ৰোগৰ আক্ৰমণ উপেক্ষা কৰিও কব পাৰিছিল, "ৰাঁহী মৰিলে মইয়ো মৰিম।" আজি যদি ৰাঁহী জীয়াই থাকে তেনেহলে মাধৱো নমৰে।

অসমৰ সাংবাদিক জীৱনত নতুন ঢল আহিছে। গুৱাহাটী নগৰৰপৰাই আজি দুখন দৈনিক কাকত চলিছে। ৰাজহুৱা জীৱনৰ পৰিসৰ বাঢ়ি অহাৰ লগে লগে দৈনিক দুখনৰ অৱস্থিতি সম্ভৱ হৈ পৰিছে। সাংবাদিকতা হৈছে আজি বাঢ়ি অহা শক্তি। এই বিপুল শক্তিৰ প্ৰথমতে ধাৰণা কৰোতাসকলৰ মাজত মাধৱ বেজবৰুৱাও এজন। তেওঁ তাকে কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰোঁতেই, সিফালে মাৰাত্মক আক্ৰান্ত হয়। কিন্তু ৰাজহুৱা জীৱনৰ এটা বিশিষ্ট ফালস্বৰূপ সংবাদপত্ৰ গঠনৰ বাবে তেওঁ যিদৰে অনুভৱ কৰিছিল, তাক ভাবিলে সাংবাদিকসকলৰ উৎসাহ জন্মা স্বাভাৱিক। আজি তেওঁক আমি সাংবাদিক জীৱনৰ এজন আগৰণুৱা বুলি গ্ৰহণ কৰিছোঁ। মৰিল বুলিয়েই প্ৰাপ্য আসনৰপৰা তেওঁক কেতিয়াও আঁতৰাব নোৱাৰি। তেওঁ যি কৰিম বুলি ভাবিছিল, তাক কৰা হৈ নুঠিল। কিন্তু তেওঁৰ অকৃতকাৰ্য্যতাৰ শিকনিয়ে আজি সাংবাদিক জীৱনৰ দায়িত্ব আৰু বিভিন্ন দিশৰ প্ৰতি আমাৰ চকু গজাইছে।

অসমৰ ডেকা শক্তিৰপৰা মাধৱ বেজবৰুৱাৰ আত্মাই আৰু এটা কাৰ্য্য সাধনৰ আশা কৰি থাকিব। এইটো হৈছে বিশ্ববিদ্যালয় প্ৰতিষ্ঠা। বৰদলৈ ডাঙৰীয়াই বেজবৰুৱাকতো প্ৰতিশ্ৰুতি দিয়েই থৈছে ঃ "ইউনিভাৰছিটি কিন্তু হবই।"

দেশৰ বাবে কাম কৰি যাওঁতে যাওঁতে মাধৱ বেজবৰুৱাক সুঁৱৰিমহক— কামৰ মাজেদি, চকুৰ পানীৰে নহয়।

টোকা ঃ— এই প্ৰবন্ধটো শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যদেৱে ১৮৬৮ শকৰ ৭ কাতি তাৰিখে দৈনিক অসমীয়াত লিখিছিল স্মৃতি-তৰ্পণ হিচাবে। তেখেতৰ অনুমতিক্ৰমে তাকে তুলি আনি এই পুথিত যৎসামান্য লৰচৰ কৰি আঁৰি দিলোঁ।

এম্ ইব্ৰাহিম আলি

জ্ঞানপীঠ বঁটা বিজয়ী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভট্টাচাৰ্য দেৱ আৰু নাই।

ডেকা বেজবৰুৱা মাধৱচন্দ্ৰৰ লগত

পদ্মধৰ বৰা

ধিঙত ঃ—

"অসমক ভালপোৱা মানে ভাৰতক ঘিণ কৰাটো নুবুজায়। অসমক অলপ বেছি ভাল পাওঁ, সেইটো যদি দোষ, কব নোৱাৰোঁ। এই 'ফিলচফী' আছিল ডেকা বেজবৰুৱা মাধৱচন্দ্ৰৰ। এই কথা সাৰোগত কৰি বেজবৰুৱা কামত ব্ৰতী হৈছিল আৰু সেই কাৰণেই তেওঁ ডেকাচামৰ দৃষ্টি আকৰ্ষণ কৰিছিল, সেই কাৰণেই বোধকৰোঁ ডেকাসকল তেওঁৰ লগত শেষ পৰ্য্যন্ত আছিল।

ধিং এখন নকৈ অহা মুছলমানলোকৰ (ইমিগ্ৰিণ্ট) বসতিপূৰ্ণ অঞ্চল। তাৰ উপৰিও ধিঙত বঙালী, মাৰোৱাৰী, নেপালী, বিহাৰী আদি আন আন ৰাজ্যৰ ভালেমান লোকে বসতি কৰে। ধিঙত অসমীয়া খিলঞ্জীয়া হিন্দু মাত্ৰ আঠগাওঁ, দুম্‌দুমীয়া আৰু সোণাৰীগাওঁ আদি এইকেইখন ঠাইতেহে কিছু বেছি। এই অঞ্চলৰ অৰ্থনৈতিক অৱস্থা প্ৰধানকৈ অন্য ৰাজ্যৰপৰা অহা লোকসকলে নিয়ন্ত্ৰণ কৰে। বঙালী, মাৰোৱাৰীসকল ব্যৱসায়ী, মুছলমানসকল ভাল খেতিয়ক। অসমীয়া খিলঞ্জীয়া হিন্দুৱেই হওক বা মুছলমানেই হওক, তেওঁলোকৰ আৰ্থিক অৱস্থা শোচনীয়। মাত্ৰ কেইটামান পৰিয়ালৰ বাহিৰে আন সকলৰ অৱস্থা বৰ বেয়া। এনেখন বৰ্দ্ধিষ্ণু গাৱঁৰ উন্নতিৰ যথেষ্ট স্থল থকা সত্ত্বেও থলুৱা লোক তাৰপৰা বঞ্চিত। ধিং সদৰ ৰাস্তাৰে—নগাওঁ চহৰৰ লগত সংযোগ। প্ৰায় আধাঘণ্টাৰ আঁতৰে আঁতৰে যাত্ৰীবাহী বাচ চলাচল কৰে। গাওঁখনৰ দুমূৰে দুটা ৰেলষ্টেচন আৰু ব্ৰহ্মপুত্ৰৰ পাৰত এসময়ত জাহাজ ঘাটো আছিল। জাহাজ কোম্পানী উঠি যোৱাৰ পিচত অৱশ্যে বন্ধ হয়।

ধিঙৰ ৰাজনীতিত কংগ্ৰেছৰ প্ৰথমৰপৰাই একাধিপত্য আছিল যদিও এতিয়া আন আন দলসমূহ, বিশেষকৈ বামপন্থী দলবোৰে খোপণি পুতি লৈছে। ধিং বুলিলে বিৰাট এটা অঞ্চল যদিও, সাধাৰণতে বজাৰ আৰু চাৰি আলিৰ

চাৰিও কাষৰ এটা অঞ্চলকে বুজা যায়।

ডেকা বেজবৰুৱা মাধৱচন্দ্ৰৰ এই ধিঙৰ লগতে এটা গভীৰ সম্পৰ্ক গঢ়ি উঠিছিল। কবলৈ গলে, ধিঙেই প্ৰধান কৰ্মক্ষেত্ৰ স্বৰূপ হৈ পৰিছিল। অকালতে নিয়তিয়ে তেওঁক আমাৰ মাজৰপৰা আঁতৰাই নিনিয়াহেঁতেন—ধিঙতেই তেওঁ এটা 'কিবা' কৰিবও পাৰিলেহেঁতেন।

চন, তাৰিখ মনত নেথাকে। আমি তেতিয়া সৰু সৰু, স্কুলত পঢ়োঁ। হঠাৎ এজন ধুনীয়া ডেকা, মুখত এমোকোৰা হাঁহি লৈ আমাৰ স্কুলত উপস্থিত হলগৈ। 'বাঁহী'ৰ সম্পাদক বুলি আমাক চিনাকি কৰি দিয়া হ'ল। বাঁহীৰ গ্ৰাহক গোটোৱাৰ মানসেৰে ধিঙত উপস্থিত হোৱা বুলিয়েই মনত আছে। পিছে পৰিস্থিতিৰ পৰিবৰ্তন হ'ল। তেওঁ বাঁহীৰ গ্ৰাহক বিচৰাতকৈ মেল-মিটিঙতহে যোগদান কৰিবলৈ ললে। মাধৱ বেজবৰুৱাৰ লগত সাক্ষাতৰ সৌভাগ্য পূৰ্বে ঘটা নাছিল যদিও, বাঁহীৰ সম্পাদক আমাৰ কাৰণে তেনেই অচিনাকি নাছিল।

ধিঙৰ ডেকা ল'ৰাবিলাকে সামাজিক কাম-কাজত যোগদান কৰিছিল যদিও, তেওঁলোকৰ মাজত নেতৃত্বৰ অভাৱ আছিল। বেজবৰুৱাই সেই অভাৱ পূৰ কৰিলেহি। বেজবৰুৱাই আগ্ৰহী আৰু কাম কৰিবপৰা সহযোগী এদল পাই প্ৰথমে সৰু সৰু কামবোৰ হাতত লয়।

তেওঁ অসমীয়া ডেকাসকলৰ মন দোকান-পোহাৰ দিয়াৰ ফালে ঢাল খুৱাবলৈ চেষ্টা কৰিলে। বজাৰত তামোল-পাণ আৰু আন আন বস্তু বিক্ৰী কৰি পইচা উপাৰ্জনৰ বাট মোকোলাই লোৱাৰ বুদ্ধি পৰামৰ্শ দিলে। অৱশ্যে ইয়াৰপৰা কাম নোহোৱা নহয়। চাৰি আলিত এখন কাপোৰৰ দোকান খোলা হয়। কিছুদিন ভালদৰে চলাৰ পিছত অৱশ্যে দোকানখন বন্ধ হয়।

সেই সময়ৰ ধিঙৰ চাৰি আলিৰ ওচৰৰ বাট-পথবোৰত বাৰিষা বৰ বোকা হয়। চৰকাৰৰ পক্ষে ই অৰ্থাৎ লোকেল বোৰ্ডে এই বাট-পথ মেৰামতিৰ কাৰণে মুঠেই চকু-কাণ দিয়া নাছিল। ৰাজহুৱা থিয়েটাৰ ঘৰটো ভাগি ছিগি গৈছিল। ধিঙত হাইস্কুল এখন তেতিয়া হৈ উঠা নাছিল।

ধিঙৰ ডেকাদলে ডেকা বেজবৰুৱাক 'ককাইদেউ' বুলিছিল। ডেকাসকলক একগোট কৰি বেজবৰুৱাই আলিবাটৰ মেৰামতিৰ কাৰণে মাটিতোলা কামত লাগি যায়। সেই সময়ত এই কাৰ্য্যত সহায় কৰা তিনিজন কৰ্মীৰ নাম উল্লেখ

নকৰিলে ভুল কৰা হ'ব। তাৰে এজন ডেকাবৰুৱা বলোৰাম। তেওঁ আজি জীৱিত নাই। ভগৱানে তেওঁৰ আত্মাৰ সদগতি কৰক। আন দুজনৰ এজন সম্প্ৰতি কামৰপৰা অৱসৰ গ্ৰহণ কৰা ধিং কে-বি হাইস্কুলৰ অধ্যক্ষ শ্ৰীৰাজেন্দ্ৰনাৰায়ণ মজুমদাৰ। আনজন শ্ৰীখগেন্দ্ৰনাৰায়ণ ৰাজবংশী। এওঁ এতিয়া নিজৰ গাৱঁত এখন স্কুলৰ শিক্ষক। এওঁলোক তিনিও সকলো কামতে বেজবৰুৱাৰ সোঁহাত স্বৰূপ আছিল।

মূৰত পাচি লৈ মাটি কাটি প্ৰায় দুই ফাৰ্লং বাট নিৰ্মাণ কৰি ৰাইজৰ বহু উপকাৰ সাধন কৰা হয়। প্ৰথমতে ধিঙৰ ৰাইজে ভাবিছিল এই মানুহজনে ডেকা লৰাবোৰক লগলগাই কি কৰিব খুজিছে? পিছত যেতিয়া তেওঁ কৰি দেখুৱালে, তেতিয়াহে ৰাইজে কামৰ মাজেৰে বেজবৰুৱাৰ সৎ উদ্দেশ্য বুজি পালে। তেতিয়াৰে পৰা গাৱঁৰ লিখা-পঢ়া নজনা ডেকা লৰাবোৰেও আহি আনন্দ মনেৰে এই কামত যোগদান কৰিলেহি। তেওঁলোকৰ উৎসাহ পাই বেজবৰুৱাই আন আন কামলৈ আগবাঢ়ি যোৱাৰ কাৰণে সুবিধা পালে।

আমি তেতিয়া স্কুলত পঢ়োঁ। আমিও তেওঁলোকৰ লগত কামত অংশ গ্ৰহণ কৰিছিলোঁ। বেজবৰুৱাই আমাৰ স্কুললৈ গৈ 'দিহিঙে দিপাঙে' ফুৰাৰ বিবৰণ দি দেশ-বিদেশৰ কথা কয়। তেওঁৰ সেই ভাষণ শুনি আমাৰ মনটো দিহিঙে দিপাঙে ফুৰাৰ আগ্ৰহ জন্মে।

ৰাস্তাঘাট আৰু সমূহীয়া থিয়েটাৰ ঘৰ নিৰ্মাণত মাধৱ বেজবৰুৱাই যি কায়িক শ্ৰম দান কৰিলে, ধিঙৰ ডেকাসকল কিয়, সেই সময়ৰ ধিঙৰ কোনো লোকেই তাকে পাহৰিব নোৱাৰিলে। তেওঁৰ আদৰ্শ আৰু উৎসাহ উদ্দীপনাৰ ফল স্বৰূপেই, সেই সময়ত ধিঙত তোলপাৰ লাগিছিল। ছাত্ৰ-ছাত্ৰীসকলক শাৰী পাতি লৈ বেজবৰুৱাই 'দলদোপ হেন্দোলদোপ' ধ্বনি দি শোভাযাত্ৰা কৰাইছিল। তেওঁ দেখুৱাব খুজিছিল যে আমাৰ ডেকাসকল পিচপৰা নহয় আৰু তেওঁলোকৰ বহুতো বল আছে। তেওঁৰ এই কাৰ্য্যত ডেকাফুকনে সাহায্য কৰিছিল। পিছত ডেকাফুকন আৰু ডেকাবৰুৱা দুয়ো সঘনে ধিঙলৈ গৈ ধিঙৰ ডেকাসকলক অসমবাসী ৰাইজৰ সেৱাৰ প্ৰতি উদ্বুদ্ধ কৰি ৰাখিছিল। এওঁলোক দুয়োজনৰ চেষ্টাত ধিঙত দুবাৰ সংৰক্ষিণী সভাৰ অধিবেশন বহিছিল। এই সভাত এবাৰ প্ৰাতঃস্মৰণীয় অম্বিকাগিৰি ৰায়চৌধুৰী আৰু আনবাৰ বাগ্মীবৰ নীলমণি

ফুকনে সভাপতিত্ব কৰে। দাৰ্শনিক কবি ৺ৰত্নকান্ত বৰকাকতী এই সকলৰ লগত বিশেষ ভাবে জড়িত আছিল। কবলৈ গলে কবি বৰকাকতী সেই সময়ত এই আন্দোলনৰ প্ৰাণ স্বৰূপ আছিল। তেওঁৰ খৈৰাবাৰী বাসভবন সেই সময়ত এই দলৰ কাৰ্য্যসভাৰ দৰে আছিল। ডেকাসকলৰ লগত এনেদৰে লাগি থকাৰ কাৰণে ৺বৰকাকতীক কোনো কোনোৱে বেয়া পাইছিল। ইফালে বৰকাকতীৰ মৌজাৰ কামৰো কিছু ক্ষতি নোহোৱাকৈ নাছিল। কিন্তু বৰকাকতীয়ে এইবোৰলৈ মুঠেই কাণ-সাৰ দিয়া নাছিল। বৰকাকতীৰ চেষ্টাত, ডেকা বেজবৰুৱা আৰু ডেকা ফুকনৰ নেতৃত্বত ধিঙৰ ডেকাসকল এটা সঙ্ঘবদ্ধ অনুষ্ঠানত পৰিণত হয়। কেশবানন্দ নেওগ আন এজন ডেকা কৰ্মী। বেজবৰুৱাৰ সকলো কাম-কাজত টাকুৰি ঘূৰাদি ঘূৰি ফুৰিছিল। বহুতৰে নাম কব পাৰি, কিন্তু আমাৰ প্ৰবন্ধ দীঘল হোৱাৰ ভয়ত সেইসকলৰ নাম উল্লেখ কৰাৰ লোভ সামৰিবলৈ বাধ্য হলোঁ। বেজবৰুৱাৰ এই কামক কিছুমান লোকে সন্দেহৰ চকুৰে চাইছিল। তাৰ ভিতৰত নগাওঁ, তেজপুৰ আৰু গুৱাহাটীৰ অনা-অসমীয়া উকীল কেইজনমানো আছিল। নগাৱৰ উকীল সুৰেন পাল বৰ তিক্ত হৈ উঠিছিল। নেজানো কি কাৰণত তেওঁ ভয় খাই বেজবৰুৱাৰ কাৰ্য্যৰ নিন্দা কৰি সভা-সমিতি পাতি ফুৰিছিল।

সেইসময়ত বিহুৰে সংক্ৰান্তিয়ে ধিঙত এটা উদুলি-মুদুলিৰ সৃষ্টি হৈছিল। ডেকা বেজবৰুৱাই ডেকাসকলক লগত লৈ দিনে-নিশাই বিহুৰ হুঁচৰি গাই ধন তোলা কাৰ্য্যত লাগিছিল। সেই ধন তোলাৰ প্ৰথম কথা আছিল ধিঙত এখন হাইস্কুল পতা কাৰ্য্যত সাহায্য কৰা। পিচত এজন বদান্য লোকৰ চেষ্টাত ধিঙত হাইস্কুলখন স্থাপন কৰা হয়। হুঁচৰি গাই তোলা ধন ভিন ভিন কামত খৰচ কৰা হয়।

ডেকা বেজবৰুৱাৰ আগ্ৰহ আৰু চেষ্টাৰ ফলস্বৰূপেই ধিঙত পুথিভঁৰাল আন্দোলন আৰম্ভ হয়। খুব সম্ভব সেই আন্দোলনৰ ফলস্বৰূপেই ধিঙত দুটা পুথিভঁৰাল স্থাপিত হয়—এটা পাব্লিক লাইব্ৰেৰী, আনটো প্ৰগতি পুথিভঁৰাল। পাব্লিক লাইব্ৰেৰীৰ অলপ বুৰঞ্জী আছে। মই আৰু শ্ৰীমান দেবেন হাজৰিকা মিলি বন্ধু-বান্ধৱৰপৰা কিতাপ খুজি আনি তেওঁলোকৰ এটা আলমাৰীত গোট খুৱাই দিলোঁ। উদ্দেশ্য আছিল এটা পুথিভঁৰাল পতাৰ। এদিন কবি বৰকাকতীয়ে আমাৰ কিতাপৰ সংগ্ৰহ দেখি আৰু উদ্দেশ্যৰ কথা জানিব পাৰি সন্তোষ প্ৰকাশ

কৰে আৰু আমাক উদ্‌গণি দিয়ে। পিছত আৰু ভালেমান কিতাপ গোটাই এই পুথিভঁৰালৰ উদ্দেশ্যে কৰ্মকৰ্তাসকলৰ হাতত দি দিয়া হ'ল। এই কিতাপখিনিকে আৰম্ভনী হিচাপে লৈ খিওত পাব্লিক লাইব্ৰেৰীৰ জন্ম হয়। ইয়াৰ পিচত মই কলিকতাত নিজাকৈ কিনা ভালেমান কিতাপ লাইব্ৰেৰীলৈ পঠাই দিওঁ। বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্মাৰ সভাপতিত্বত এই লাইব্ৰেৰীত প্ৰথম বছেৰেকীয়া অধিবেশন পতা হৈছিল। পিছপৰি থকা এই অঞ্চলৰ ডেকাসকলে মাধৱ বেজবৰুৱাৰ মাধ্যমেৰে অসমক ভালকৈ চিনি পালে। মাধৱ বেজবৰুৱাই আমাৰ কাৰণে অসমক নতুনকৈ আবিষ্কাৰ কৰিলে।

ডেকাবেজে অসমক বৰকৈ ভাল পাইছিল বুলিয়েই ভাৰতক কেতিয়াও ঘিণ কৰা নাছিল। তেওঁ কোৱা মনত পৰে—"ভাৰতৰ বাবে চিন্তা কৰা বহু লোক আছে, কিন্তু দুখুনী অসমৰ কাৰণে আমি চিন্তা নকৰিলে কোনে কৰিব! অসমৰ ন্যায্য মৰ্য্যাদা অধিকাৰ কৰিবপৰাটো ভাৰতৰ কাৰণেও গৌৰৱৰ কথা!" এই মনোভাৱ সাৰোগত কৰি ডেকাবেজে অসম মাতৃৰ সেৱাত প্ৰাণ উছৰ্গা কৰিছিল।

অসমত সেইসময়ত ভাষাৰ ভিত্তিত অসমীয়া আৰু অসম প্ৰবাসী বঙালীসকলৰ মাজত এটা প্ৰবল প্ৰতিদ্বন্দ্বিতা চলিছিল। বঙালীসকলে অসমৰ ভালেমান ঠাইত বঙলা ভাষাৰ মাধ্যমেৰে শিক্ষাদানৰ ব্যৱস্থা কৰি কেইবাখনো বঙালী হাইস্কুল স্থাপন কৰে। খিওতো এখন বঙালী হাইস্কুল স্থাপন কৰা হয়। ডেকা বেজবৰুৱাই নামঘৰে নামঘৰে সভা-সমিতি পাতি অসমৰ সমস্যা সম্পৰ্কে ৰাইজক বুজাই দিয়াৰ চেষ্টা কৰে। বঙালীসকলকো অসমকে নিজৰ দেশ বুলি গ্ৰহণ কৰি অসমৰ ভাষা-সংস্কৃতিৰ বিকাশ সাধনত অৰিহণা যোগোৱাৰ বাবে আহ্বান জনায়। কিন্তু কেইজনমান বঙালী উকীলে বেজবৰুৱাৰ এই আহ্বানত ভুল বুজি বঙালীসকলক উচতাবলৈ ধৰে। তেতিয়াৰপৰাই অসমীয়া বঙালীৰ মাজত এটা ভুল বুজা-বুজিৰ সৃষ্টি হয়। আনকি কলিকতীয়া বাতৰি কাকতো লিখিছিল "বেজবৰুৱা দলদোপ-হেন্দোলদোপ" কৰিতেছে। কিন্তু ইয়াৰ অৰ্থ কি কৰিছিল অকল তেওঁলোকেহে জানিছিল।

১৯৪১ চনত হোৱা জন-পিয়লাৰ সময়ত ডেকা বেজবৰুৱাই কহিমাৰ শ্ৰীধনবাহাদুৰ সোণাৰক লগত লৈ গোটেই নেপালী বসতিৰ অঞ্চলসমূহ ভ্ৰমণ

কৰিছিল। তেওঁলোক দুয়ো ডেকা বৰা বলোৰামক লৈ, নেপালী ৰাইজৰ যি সকলে খিলঞ্জীয়া ভাবে অসমত বসবাস কৰি আছে, তেওঁলোকে অসমকে নিজ মাতৃভাষা হিচাবে লৈ, অসমীয়া ভাষাক নিজ মাতৃভাষা হিচাবে গ্ৰহণ কৰি,—অসমীয়া ৰাইজৰ সুখ-দুখ, হাঁহি-কান্দোনকে, নিজৰ সুখ-দুখ হাঁহি-কান্দোন বুলি ধৰি লৈ গোটেইখন প্ৰদেশৰ কল্যাণৰ হকে কাম কৰিব লাগে বুলি আহ্বান জনায়। সেই পূৰ্ব বঙ্গৰপৰা অহা-নপমুৱা মুছলমান ভাইসকল আৰু হিন্দু-বঙালী সকলোকে অসম মাতৃৰ সেৱা কৰা মানসেৰে অসমীয়া ভাষা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছিল। এইবোৰ কাম-কাজ কৰোঁতে, তেওঁ কাৰোপৰা এপইচাও লোৱা নাছিল; বাঁহীৰপৰা পোৱা গাঁঠিৰ ধন ভাঙি এইবোৰ কাম কৰি ফুৰিছিল। তেওঁৰ এই চেষ্টাৰ যে একো ফল হোৱা নাছিল এনে নহয়। সেই সময়ত নবাগত মুছলমান ভাইসকলে অসমীয়াকে নিজৰ মাতৃভাষা হিচাবে লিখাইছিল। ডেকা-বেজৰ এনেবোৰ কাৰ্য্যৰ বাবে কিছুমান লোকে, সেই সময়ত তেওঁক উগ্ৰ অসমপ্ৰেমী বুলিও সমালোচনা কৰিছিল। কিন্তু তেওঁলোকে ভাবি চোৱা নাছিল যে অসমৰ ভাষা আৰু সংস্কৃতিৰ অৰ্থে কোনোবাই চিন্তা নকৰিলে হবনে?

সংৰক্ষিণী আন্দোলন চলাৰ সময়ত, শাৰী-বৰ্জনৰ এটা প্ৰবল আন্দোলন চলিছিল। সেই সময়ত আমাৰ ধিঙতো বেজবৰুৱাৰ নেতৃত্বত এই আন্দোলন তীব্ৰ হৈ উঠে। এনে হৈছিল যে জীয়াৰী-বোৱাৰী যিসকলে শাৰী পিন্ধিছিল, তেওঁলোকে স্বেচ্ছাই শাৰীবোৰ উলিয়াই দিছিল। সেই শাৰী মাজত দুই খণ্ড কৰি কটা হৈছিল আৰু তেওঁলোকক এইবোৰ মেখেলা-চাদৰ কৰি ব্যৱহাৰ কৰিবলৈ দিয়া হৈছিল। ভৱিষ্যতে যাতে শাৰী কিনা নহয়, তাৰ বাবে অনুৰোধ কৰাও হৈছিল। সেই সময়ৰ কথাকে নকওঁ, আজিও ধিং অঞ্চলত শাৰীৰ আমদানী খুব কম। কৰবাত কাচিৎ হে এজনী দুজনী শাৰী পিন্ধা ছোৱালী দেখা যায়। মানুহৰ মনত এটা অসমীয়া জাতীয়তাবাদ গঢ়ি তোলাত এই আন্দোলনে সহায় কৰিছিল। এনেকৈয়ে বিভিন্ন সামাজিক কামৰ মাজেৰে, ধিঙৰ ৰাইজৰ মাজত কাম কৰি বেজবৰুৱাই দেশ আৰু সমাজৰ সেৱা কৰিছিল।

কলিকতা ঃ

মেট্ৰিক পৰীক্ষা দি মই কলিকতালৈ যাওঁ। পঢ়াৰ উদ্দেশ্য যদিও,

বেজবৰুৱাৰ লগত বাঁহী কাৰ্য্যালয়ত থাকি, বাঁহী প্ৰকাশৰ কামত ব্যস্ত থাকিবলগীয়া হোৱাত পঢ়া-শুনাত আগবাঢ়িব পৰা ন'গল। মই যোৱাৰ পিছত বেজবৰুৱাই বাঁহীৰ সম্পূৰ্ণ কাৰ্য্যভাৰ মোৰ হাতত গতাই দিয়ে। তেওঁ তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ সপোন দেখিছে। ঘনে ঘনে অসমলৈ আহি, বিভিন্ন নেতৃস্থানীয় লোকসকলৰ লগত এই সম্পৰ্কে আলোচনা কৰা, পইচা তোলা আদি কামত ব্যস্ত থাকেহি। বাঁহী প্ৰকাশৰ ভাৰ তেতিয়াৰে পৰা মোৰ আৰু তেওঁৰ সুযোগ্যা পত্নী শ্ৰীমতী উষা বেজবৰুৱাৰ হাতত পৰে। আমি দুয়ো বাঁহীৰ কামত লাগি বেজবৰুৱাক দেশৰ কামলৈ উলিয়াই দিছিলোঁ। তেওঁৰ অপৰিসীম চেষ্টা আৰু ত্যাগৰ ফল স্বৰূপেই গুৱাহাটী বিশ্ববিদ্যালয় গঢ়ি উঠে বুলিলে ভুল কোৱা নহব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে নেখাই ন-বৈ জান-প্ৰাণ দি খটাৰ ফলত দুৰাৰোগ্য যক্ষ্মা ৰোগে তেওঁৰ লগ লয় আৰু অকালতে মৃত্যু মুখত পৰে। যেতিয়া মই তেওঁক মাদ্ৰাজৰ 'আৰোগ্য ভৱনত' চাবলৈ যাওঁ, তেতিয়াও তেওঁ মৃত্যুশয্যাত পৰি থাকিও মোৰপৰা গুৱাহাটী বিশ্ববিদ্যালয় সম্পৰ্কে বা-বাতৰি লৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ক আৰু বাঁহীক তেওঁ ইমান ভাল পাইছিল যে, তেওঁ পত্নী আৰু একমাত্ৰ পুত্ৰ-সন্তান, শ্ৰীমান ৰাণাৰ কথাও সুধিবলৈ পাহৰিছিল। বেজবৰুৱা কলিকতাত থাকিলে, বাঁহীৰ কামৰ উপৰিও, প্ৰেছৰ যাৱতীয় কাম কৰিছিল। অলপো সময় তেওঁ এনেয়ে অবাবত বহি থাকি কটোৱা নাছিল। তেওঁ আমাক 'এইটো কাম কৰি আনা' বুলি নকৈ, 'এইটো কাম কৰোঁ আঁহা' বুলি কৈছিল। মাজে মাজে কাম কৰা লোকসকলক সময়মতে দৰমহা দিব নোৱাৰিছিল। অৱশ্যে কেইজনমানৰ বাহিৰে, বাকীসকলে বৰ হেঁচাও দিয়া নাছিল। পলমকৈ হলেও, তেওঁ কাম কৰা লোকসকলক প্ৰাপ্যখিনি সম্পূৰ্ণৰূপে দিছিল। তেওঁক, তেওঁৰ তলত কাম কৰা সকলো লোকেই ভাল পাইছিল। তেওঁ ঘৰত থকা সকলোৰে খোৱা-বোৱাৰ প্ৰতি চকু দিছিল।

গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ গুৰি কথা হ'ল এনে ধৰণৰ। সময়টো ঠিক মনত নাই। পশ্চিমবঙ্গত—মাধ্যমিক শিক্ষা বিল (Secondary Education Bill) এখন বিধানসভাত উত্থাপন কৰা হয়। এই বিল আইনত পৰিণত হ'লে

---

*সেইসময়ৰ সাপ্তাহিক 'খাদেম' নামৰ বাতৰিত প্ৰকাশ হোৱা এইবিষয়ে ডেকা বেজবৰুৱা দেৱৰ এখনি প্ৰচাৰ পত্ৰিকা আমাৰ হাতত পৰিছে।

সম্পাদক

পশ্চিমবঙ্গৰ হাইস্কুলবোৰ এই আইনৰ দ্বাৰা স্থাপিত এখন বৰ্ডৰ অধীনলৈ যাব। তেতিয়া অসমৰ হাইস্কুলবোৰৰ অৱস্থা কি হ'ব? তেতিয়াৰ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত থাকিব নে? তেতিয়াৰ কটন কলেজৰ অধ্যাপক মৌঃ আশ্ৰফ আলি চাহাৰে[1] এই প্ৰশ্নটো উত্থাপন কৰি বাঁহীত এখন চিঠি লিখে। তেওঁৰ চিঠিৰ ওপৰত ভিত্তি কৰিয়ে বেজবৰুৱাই বাঁহীৰ যোগেৰে প্ৰশ্নটো গভীৰভাৱে চিন্তা কৰাৰ কাৰণে অসমীয়া ৰাইজক অনুৰোধ কৰে আৰু লগে লগে কামত ব্ৰতী হয়। তেওঁ নিজেই চাৰ চাদুল্লা (সেইসময়ৰ অসমৰ প্ৰঃ মন্ত্ৰী), ঁগোপীনাথ বৰদলৈ আৰু ঁশৰৎচন্দ্ৰ গোস্বামী আদি নেতা আৰু শিক্ষাবিদৰ আশীৰ্বাদ আৰু আশ্বাস লৈ এই কাৰ্য্যত আগ বাঢ়ে। টকা তোলা, টিকট ছপা কৰা আদি সকলো কামতে তেওঁ আগৰণুৱা হৈ বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে যি কষ্ট স্বীকাৰ কৰিলে তাৰ তুলনা নাই। অসমীয়া জাতিয়ে পাহৰিলেও, গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষালাভ কৰি ওলাই অহা শিক্ষিতসমাজে পাহৰিব নেলাগে।

এই সংক্ৰান্তত ভালেমান উচ্চপদস্থ ব্যক্তিৰ তিক্ত ব্যৱহাৰৰ কথা মনত পৰে। আজি তেওঁলোকৰ ভালেমানেই ইহজগতত নাই। গতিকে সেইবোৰ কথা দোঁহাৰি আৰু লাভ নাই।

আগেয়েই কৈ আহিছোঁ যে তাৰিখবোৰ মনত নেথাকে। কলিকতাত চৈয়দ আব্দুল্লা ব্ৰেলভীৰ সভাপতিত্বত সদৌ ভাৰত বাতৰি কাকত সম্পাদক সন্মিলনত ঁডেকা বেজবৰুৱা আৰু মোৰ উপস্থিত থকাৰ সৌভাগ্য ঘটিছিল। তেতিয়া আমি দুয়ো দুটা ভাগ কৰি লৈ ভাৰতীয় সম্পাদকসকলৰ মাজত ৰাতিৰ ভিতৰতে ছপা কৰি উলিওৱা "Assam, the Cinderella of India" নামৰ পুস্তিকা এখন বিতৰণ কৰোঁ। সম্পাদকসকলৰ প্ৰশ্নৰ উত্তৰ দি অসম সম্পৰ্কে কিছু তথ্য সৰবৰাহৰ চেষ্টাও কৰা হয়। এনেকৈয়ে অসম সম্পৰ্কে, অসমৰ মঙ্গলৰ হকে যেতিয়াই কোনো সুচল পায়, সুবিধা পায়, তেতিয়াই বেজবৰুৱাই কিবা নহয় কিবা এটা কৰিছিলেই।

তেওঁ যক্ষ্মা ৰোগত আক্ৰান্ত হোৱা বুলি জনাৰ পিছত বিচনাত শুই শুই

---

(১) অধ্যাপক আশ্ৰফ আলি চাহাব—পিছলৈ নগাভূমি ৰাজ্যৰ মোককচাঙত ফজল আলি কলেজৰ সৰবৰাহী অধ্যক্ষ হিচাপে কাম কৰিছিল। বৰ্তমান অসম চৰকাৰৰ যুটীয়া শিক্ষাধিকাৰ।—সম্পাদক।

নানা চিন্তা কৰিছিল। মোক ওচৰত বহুৱাই লৈ বহু কথাই কৈছিল। আজিও মনত পৰে তেওঁ চকুলো টুকি কোৱা কথা কেইষাৰ। "দেশৰ কাৰণে যে একো কৰিব নোৱাৰিলোঁৱেই, ঘৰৰ কাৰণেও একো কৰিব নোৱাৰিলোঁ! মোৰ নিশ্চয় মৃত্যু হব।" বোধহয় তেওঁ এই কথা জানিছিল। "নবৌয়েৰা আৰু ৰাণাক চাবা বুলি মোক আশ্বাস দিয়া।" হয়তো তেওঁক সেইসময়ত আশ্বাস দিছিলোঁ। কিন্তু তেওঁলোকক চোৱাৰ কোনো সুবিধা কৰিব নোৱাৰিলোঁ। অৱশ্যে তেওঁলোকও মই চোৱাৰ কাৰণে ৰৈ থকা নাই। তথাপি মনত পৰে যেন জীৱনত কিবা এটা দোষ কৰিলোঁ; ক'ৰবাত ভুল হৈ গ'ল!

তেওঁৰ নিৰ্ভীকতা সম্পৰ্কে আজি এই কথা মনত পৰিছে। এবাৰ তেওঁৰ 'ল' (Law) ডিগ্ৰী সম্পৰ্কে কলিকতা বিশ্ববিদ্যালয়ৰ লগত কিবা তৰ্ক-বিতৰ্ক হৈছিল। তেওঁ নিৰ্ভীকভাবে বিশ্ববিদ্যালয়ক কৈছিল—"মোৰ খুড়াদেৱে এই বিশ্ববিদ্যালয়ৰ ওপৰত মোকৰ্দমা কৰিছিল; প্ৰয়োজন হ'লে ময়ো কৰিম।"

টোকা ঃ এইছোৱা প্ৰবন্ধৰ বহুমূলীয়া সমল দান কৰিছে থিওৰ শ্ৰীপদ্মধৰ বৰাদেৱে। আকাশবাণীৰ প্ৰাক্তন বাতৰি সম্পাদক বৰাদেৱ আৰু ইহ সংসাৰত নাই।

মাধব বেজবৰুৱাৰ সান্নিধ্য

অধ্যাপক যতীন্দ্ৰ নাথ গোস্বামী

ডেকাবেজ মাধবচন্দ্ৰ বেজবৰুৱাৰ 'আৱাহন'ত প্ৰকাশিত ভ্ৰমণমূলক প্ৰবন্ধবোৰ পঢ়ি মানুহজনৰ কৰ্মশক্তি, উদ্যম আৰু আশাবাদৰ কথা মনত উদয় হৈছিল। তেওঁক ব্যক্তিগতভাৱে প্ৰথম লগ পাওঁ ১৯৩৭ চনত যোৰহাটত। মই তেতিয়া যোৰহাট কলেজৰ ছাত্ৰ আৰু মাধৱ বেজবৰুৱাই অসম সাহিত্যসভাৰ সপ্তদশ সন্মিলনৰ (গুৱাহাটী) কাৰণে অৰ্থ সংগ্ৰহ আৰু প্ৰবন্ধ বিচাৰি যোৰহাট পাইছিলহি। তেওঁ কলেজৰ ছাত্ৰাবাসলৈ আহি সকলোৰে লগত চিনাকি হ'ল। সেইদিনা 'দৈনিক বাতৰি'ত' 'ডেকাবেজ ডেকাফুকন' 'দল্‌দোপ হেন্দোলদোপ' শিৰোনামাৰে ওলোৱা বাতৰিলৈ মনত পৰি ভাবিলোঁ, বাগ্মীবৰ ফুকন ডাঙৰীয়াই উপযুক্ত শব্দকে প্ৰয়োগ কৰিছে।

১৯৩৯ত মই কলিকতাৰ 'ৰিপন' কলেজত ভৰ্ত্তি হওঁ আৰু সেই কলেজৰ ছাত্ৰাবাসত থাকোঁ। সেইসময়ত নৰেন্দ্ৰনাথ শৰ্মাই (প্ৰাক্তন এম. এল. এ) কলিকতালৈ ন-ছাত্ৰ আহিলেই চিনাকি কৰি দিয়ে। পূজাৰ বন্ধৰ পিছত এদিন মাধৱ বেজবৰুৱা আমাৰ ছাত্ৰাবাসত ওলালহি। মই তাত থকাৰ কথা আগতে জানিছিলোঁ। সন্ধিয়াপৰত মোৰ কোঠালৈ গৈ তেওঁ ক'লে "তোমালোকে বাঁহীক সহায় কৰিব লাগে।" মই কলোঁ "নিশ্চয় কৰিম দাদা। কি কৰিব লাগে কওক।" তেওঁ মোক ক'লে, "এই দুটা শ্ৰীযুত কৃষ্ণ সন্দিকৈয়ে কৰা পুথিৰ সমালোচনা। তুমি অনুবাদ কৰিব লাগে। এসপ্তাহৰ ভিতৰে দিব লাগে।" মই "দিব পাৰিম" বুলি কলোঁ। তেতিয়া বাঁহী কাৰ্য্যালয় আছিল সম্ভৱ ধৰমতলাত। মই এটা দেওবাৰে সেইখিনি তেওঁক দিওঁগৈ।

তেওঁ মোক বহিবলৈ দি কলে, "চাহখোৱা, কথা আছে।" চাহ আহিল। তেওঁ আৰম্ভ কৰিলে 'মই বৰ কষ্টেৰে কাগজ চলাইছোঁ। মই দেশৰ কাৰণে কাম

(১) দৈনিক বাতৰি—বাগ্মীবৰ নীলমণি ফুকনদেৱৰ সম্পাদনাত ওলোৱা দৈনিক বাতৰি কাকত। — সম্পাদক

কৰিছোঁ। টকা-পইচা নাই। এসংখ্যা কাগজ উলিয়াই সেইখন অসমত বেচি আহিলেহে ছপাখানাৰ ধাৰ মাৰিব পাৰোঁ। নিজৰ খৰচৰ কথা বাদ দিয়া।" মই কলোঁ, "আপোনাক এজন নিয়মীয়াভাৱে সহায়কাৰী লাগে।" "এৰা, দৰ্মহা দি মানুহ ৰখা টান। তথাপি দুগৰাকী মহিলাৰ সহায় পাম। তুমিও মোক মাজে মাজে প্ৰবন্ধ-পাতি দি, আৰ্হি-কাকত আদিত সহায় কৰিব লাগে।"

"সেইবিষয়ে আপুনি চিন্তা নকৰিব। মই আজৰি পৰত যিমান পাৰোঁ সহায় কৰিম।" এই বুলি মই প্ৰতিজ্ঞাবদ্ধ হলোঁ। তেতিয়াৰপৰা বাঁহীৰ লগত সম্বন্ধ গাঢ় হৈ পৰিল। দ্বিতীয় মহাসমৰৰ সময়ত কিছুমান ৰাজনৈতিক প্ৰবন্ধও লিখিব লগা হৈছিল। কেতিয়াবা প্ৰবন্ধ অনুবাদ কৰিবলগীয়া হৈছিল। তেতিয়ালৈকে শ্ৰীমহেশচন্দ্ৰ দেব গোস্বামীয়ে (বৰ্তমান অধ্যক্ষ) বাঁহীত যোগ দিয়া নাছিল। এবাৰ এসংখ্যা বাঁহীত মই বিশেষভাৱে সহায় কৰিবলগীয়া হৈছিল আৰু সেই সংখ্যা বাঁহীত তেওঁ মোৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰিছিল।

১৯৪৪-ৰ জুন মাহত মই কলিকতা এৰোঁ। তেতিয়াৰপৰা মাধৱ বেজবৰুৱাৰ সৈতে পোনপটীয়া সম্বন্ধ নাইকিয়া হ'ল।

মই ১৯৪৪-ৰ প্ৰতিৰক্ষা বিভাগৰ এম. ই. এচ. ৰ চাকৰী এৰি কলিকতাৰ এটা কাৰখানাত কাম কৰোতে এবাৰ জলন্ধৰলৈ যাবলগীয়া হৈছিলোঁ। মাৰ্চ মাহত মই কলিকতাত বনফুল কবি যতীন্দ্ৰনাথ দুৱৰাক ২৫ মাৰ্চ, দেওবাৰে সন্ধিয়া মাণিকতলাৰ বাস-ভৱনত লগ ধৰোঁ। দুৱৰাদেৱৰ মুখে গম পালোঁ যে ২৬ মাৰ্চ দেওবাৰে টালিগঞ্জৰ বাঁহী প্ৰকাশ কাৰ্য্যালয়ত তাৰাপ্ৰসাদ চলিহাৰ সভাপতিত্বত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ষষ্ঠ স্মৃতি-বাৰ্ষিকী উদ্‌যাপিত হব আৰু দুৱৰাদেৱে বাঁহী প্ৰেছ উদ্বোধন কৰিব। মই স্মৃতি-সভাত উপস্থিত হলোঁগৈ আৰু সেইদিনা দুৱৰাৰ উদ্বোধনী ভাষণত যেন বাঁহীৰ বিষয়ে নজনা বহুতো কথা জানিলোঁ। মাধৱ বেজবৰুৱাই ছপাশাল পাতি বাঁহী উলিয়াই কিদৰে দেশ-সেবা কৰিব তাৰ কথা সমজুৱাক কলে। সেইটো এটা স্মৰণীয় দিন। এজন অসমীয়া ডেকাই জাতি আৰু দেশৰ সেৱা কৰিবলৈ গৈ নানা বাধা-বিঘিনি অতিক্ৰম কৰি কলিকতাত কিদৰে বাঁহীপ্ৰেছ স্থাপন কৰিলে সেইটো বহুতৰ আশাৰ ৰেঙনি-স্বৰূপ।

১৯৪৫-ত মই পূৰ্বৰ চাকৰি এৰি আন এটা চাকৰিত কলিকতাত থাকোঁ কিছুকাল। মই থকা ঠাই বাঁহী প্ৰেছৰপৰা দুই ফাৰ্লংমান দূৰত। সম্ভৱ এপ্ৰিল মাহ। মই বাঁহী-কাৰ্য্যালয়লৈ গৈ দেখোঁ এজন মানুহে মেচিন চলাইছে। কাম,

কেৱল কাম। মই ওচৰ চাপি গলোঁ। দেখিলোঁ মুখখন শুকান। আগৰ সেই শ্ৰী নাই। মোক কলে "বহা। এই সংখ্যাটো মাৰি লওঁ। মানুহটো নাহিল দেখোন।"

তেওঁ আহি নিজৰ মেজতে বহিলে। কলে, "বৰ কষ্ট কৰি ছপাখানাটো পাতিলোঁ। সংগ্ৰাম কৰিবলগীয়া হৈছে। টকা-পইচা নাই। কিছুমান খৰচ কমাব লাগে। মই কেতিয়াবা নিজেই কম্পোজিটৰ, মেচিনমেন। দেহা ভালে থাকিলে সকলো হৈ যাব।"

নানা কথা পাতিলোঁ। আহিবৰ সময়ত মাথোন কলে "মাজে মাজে আহিবা। বাঁহী আলোচনীত তোমালোকৰো বৰঙণি আছে।" আহিবৰ সময়ত তেওঁ যেন জোৰেৰে হাঁহি এটা মাৰিলে।

দুদিনমানৰ মূৰত শুনিলোঁ মাধৱ বেজবৰুৱাৰ অসুখ। খবৰ কৰিবলৈ গলোঁ। তেওঁ কলে, মই উঠিব খোজোঁ, কিন্তু বাধা পাওঁ। ছপাখানা পাতি লৈছোঁ। এতিয়া আহিল বেমাৰ। ইফালে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্দোলনৰো কাম থাকিল। বাঁহী আৰু বিশ্ববিদ্যালয় দুয়োটাই জাতীয় অনুষ্ঠান।"

"আপুনি সেইবোৰ চিন্তা কৰিব নেলাগে। আপুনি আৰোগ্য লাভ কৰক।"

কেইমাহমানৰ মূৰত ককায়েক শ্ৰীআনন্দচন্দ্ৰ বেজবৰুৱাই মাধৱ বেজবৰুৱাক চিকিৎসাৰ কাৰণে দক্ষিণৰ 'আৰোগ্যবৰমলৈ' নিলে। সেয়ে আমাৰ শেষ দেখা-দেখি। কলিকতাত থকাকালতেই তেওঁ মাহেকীয়া আৰু সাদিনীয়া দুয়োখন বাঁহী একেলগ কৰিবলৈ স্থিৰ কৰে। "ইতিমধ্যে আমাৰ স্বাস্থ্য একেবাৰে ভাগি যোৱাত প্ৰথম বাৰ্ষিক পণটি বাদ দি দ্বিতীয় কাৰ্য্যটোহে হাতত লোৱা হৈছে। সেই উদ্দেশ্যেৰেই পূজাৰ পিচৰপৰাই বাঁহীৰ প্ৰতিষ্ঠাতা সাহিত্যৰথী বেজবৰুৱাৰ জন্মোৎসৱৰ লগে লগেই বৰ্তমান মাহেকীয়া আৰু সাদিনীয়া বাঁহী দুয়োখন একেলগ কৰি সেই আলোচনী আকাৰত সচিত্ৰ কৰি সাদিনীয়া বাঁহী উলিয়াবলৈ দিহা কৰা হৈছে। আমি শয্যাশায়ী অৱস্থাৰপৰাই সদাশয় গ্ৰাহক-গ্ৰাহিকা আৰু লেখক-লেখিকাসকলোৰো সহায় সমৰ্থন ভিক্ষাই কৰিছোঁ........." (বাঁহী, ৩২শ বছৰ, ২৪শ সংখ্যা, ২৮ চেপ্তেম্বৰ, ১৯৪৫।) সুদূৰ আৰোগ্যবৰমৰপৰাই বেজবৰুৱাই অসমীয়া ৰাইজলৈ মিনতি জনাইছিল "আজি কিছুদিন ধৰি আমাৰ স্বাস্থ্য ভাগি পৰাত সুদূৰ দাক্ষিণাত্যৰ আৰোগ্যবৰম বিশ্ৰাম আগাৰত পৰি থকা বুলি অসমীয়া ৰাইজে জানে।.........আগেয়ে কৃতজ্ঞতা প্ৰকাশ কৰাৰ উপৰিও আমাৰ দুইচাৰিজন বন্ধু-বান্ধৱে আমাৰ প্ৰতি থকা মৰম বা আস্থাৰ কাৰণে হওক বা দেশ-সেৱাৰ প্ৰতি সহানুভূতি দেখুওৱাৰ কাৰণেই

হৈছে, আমালৈ কিছু অৰ্থ সাহায্য আগবঢ়াবলৈ মনস্থ কৰি আমাক জনাইছে। তেখেতসকলে সেই সাহায্য বাঁহীৰ প্ৰতি আগবঢ়ালেই আমাৰ আৰোগ্য লাভত খাটিব বুলি আমাৰ বিশ্বাস, যিহেতু 'বাঁহী'য়েই আমাৰ জীৱন।

"সদৌ দেশবাসীলৈ বাঁহীৰ জীৱন ৰক্ষা তথা আমাৰ জীৱন ৰক্ষাত সহায় কৰিবলৈ এয়ে আমাৰ মিনতি।" (মাধৱচন্দ্ৰ বেজবৰুৱা, বাঁহী ৩২শ, বছৰ ৪৪শ সংখ্যা, ১৪ এপ্ৰিল, ১৯৪৩।)

গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন, আন্দোলন আৰু পুঁজি সংগ্ৰহত তেওঁ উঠি পৰি লাগিল। বাঁহী প্ৰকাশ কাৰ্য্যালয়ৰপৰা গুৱাহাটী বিশ্ববিদ্যালয় পুস্তিকা এখন উলিয়াইছিল। জাননীত লিখা আছিল "......পুস্তিকা বেচি যিখিনি পইচা পোৱা হব সেই টকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰচাৰ বিভাগৰ কাম আৰম্ভ কৰিবলৈ 'বাঁহী' প্ৰকাশ কাৰ্য্যালয়ে আগবঢ়াইছে।" (বাঁহী, ৩১শ ভাগ, ১৮শ সংখ্যা, ১১ আগষ্ট, ১৯৪৪।) তেওঁ বিশ্ববিদ্যালয় স্থাপন সম্পৰ্কে এই সংখ্যা বাঁহীৰ সম্পাদকীয়ত লিখিছিল "গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভেঁটি স্থাপনৰ কাৰণে ৰাইজে কেনেদৰে উদ্‌গ্ৰীৱ হৈ আছে তাক আমি 'বাঁহী'ত প্ৰকাশ হোৱা নানা ঠাইৰ সভা-সমিতিৰ ৰিপৰ্টবোৰৰপৰাই ভালদৰে জানিব পাৰিছোঁ। তাৰপৰা আৰু ইয়াকো এইবাৰ দেখা পোৱা গৈছে যে প্ৰত্যেক ঠাইৰে সভা-সমিতিবোৰেও দাবী জনাই প্ৰস্তাৱ লোৱাৰ উপৰিও একোটা ধন-তোলা আৰু কাৰ্য্য চলোৱা সমিতি গঠিত হৈছে। আৰু তাৰ ভিতৰত আছে অসমৰ শিৰফুটা পুৰুষসকলেই। ই বৰ আশাৰ কথা।"

....

"এতিয়া সহযোগী **অসমীয়া'ই** (বাতৰি কাকত, গুৱাহাটী) কোৱাৰ দৰে কাৰ্য্যত প্ৰবৃত্ত হোৱা সময়, জাতীয় প্ৰগ্ৰেম হিচাবে বিশ্ববিদ্যালয় স্থাপন কৰা কাৰ্য্যটো হাতত লবৰ হ'ল............।" কিন্তু দুখৰ কথা, মাধৱে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱা দেখিবলৈ নাপালে।

মাধৱ বেজবৰুৱা লুইতপৰীয়া ডেকা। তেওঁৰ সাহ-পিত, কৰ্মশক্তি, সংগঠন-শক্তি, সৰ্বতোপৰি দেশপ্ৰেম অতুলনীয় আছিল।

যোৰহাটৰ অধ্যাপক যতীন্দ্ৰনাথ গোস্বামীদেৱে আমাৰ ব্যক্তিগত অনুৰোধ ক্ৰমে এই প্ৰবন্ধটি যুগুত কৰি ১/১১/৭০ তাৰিখে আমালৈ পঠিয়াইছে।

(এম্ ইব্ৰাহিম আলি)

ৰাণাপ্ৰতাপ বেজবৰুৱা
ডেকাবেজৰ একমাত্ৰ সন্তান



ঁবসন্তকুমাৰ বৰুৱা, শিক্ষাবিদ্
শ্ৰীযুতা উষা বেজবৰুৱাৰ দেউতাক

মাধৱচন্দ্ৰ বেজবৰুৱা ভৱন (শিৱসাগৰ কলেজৰ অন্তৰ্গত)
(অধ্যক্ষ পৰাগ চলিহাৰ সৌজন্যত)



বলোৰাম ডেকাবড়া
ধিঙৰ ৰিং

হৰিপ্ৰসাদ গোৰ্খা ৰায়
কহিমাৰ সহকৰ্ম্মী

অতীতৰ জিলিঙনি

দলদোপ-হেন্দোলদোপ

নৰেন্দ্ৰ নাথ কেওট

যুগৰ পিচত যুগ পাৰ হৈছে। প্ৰকৃতিৰ সলনি হৈছে। বিশ্বত নতুন নতুন পৰিবৰ্তনে পুৰণিৰ চিনচাব মোহাৰি পেলাইছে। সময়ত মানুহে সকলো পাহৰি গৈছে। মানুহ আহি আছে, গৈ আছে। মৃত্যুৱে জন্মৰ স্মৃতি মচি নিছে। তথাপি একোটা যুগ স্মৰণীয় হয়, বুৰঞ্জীৰ পাততো সেই যুগ নামাঙ্কিত হয়, পৰবৰ্তী যুগৰ বাবে গৱেষণাৰ বিষয় হয় আৰু তাক লৈ উত্তৰপুৰুষসকলে গৌৰবৰ খোজ পেলায়। যুগ সলনি হ'লেও সময়ৰ বালিত যুগ-মনীষীসকলৰ খোজ, কৰ্মপ্ৰেৰণা আৰু আদৰ্শ পৰি থাকে। আমাৰো জাতীয়তা তথা সামাজিক বুৰঞ্জীত তেনে এটি বিপ্লৱী মনীষীৰ যগ নামাঙ্কিত হৈ আছে। এই যুগটো আছিল অসমৰ বাবে এক জীয়াই থকাৰ জাগৰণ—ভৱিষ্যত চিন্তাৰ বিপ্লৱ। এই যুগৰ নেতৃত্ব বহন কৰিছিল অসমৰ জাগ্ৰত আগ্নেয়গিৰি, বিপ্লৱী মনীষাৰ অধিকাৰী সিংহপুৰুষ ডেকাগ্নিৰীয়ে। ডেকাগিৰীৰ এই বিপ্লৱী মনীষাক জীয়াই ৰাখিবৰ বাবে ৰুদ্ৰ তেজত জন্মা আৰু দুই চাৰিজন বিপ্লৱী মনীষাৰ পুৰুষ আগবাঢ়ি আহিল আন্দোলনমুখী হৈ। সেইসকলৰ ভিতৰত ডেকাবেজ, ডেকাফুকন, বাগ্মীবৰ ফুকনদেৱৰ নাম থাউকতে লব পাৰি। ১৯৩০ চনৰ পিচৰপৰা অসম ভালেমান বিৰুদ্ধ শক্তিৰ কেন্দ্ৰস্থল হ'ল। একশ্ৰেণীৰ কুচক্ৰীলোকে অসমীয়া সমাজ-ব্যৱস্থা, কৃষ্টি-সংস্কৃতি নিশ্চিহ্ন কৰি তাৰ ঠাইত এক আচহুৱা সংস্কৃতি প্ৰচলন কৰি অসম আৰু অসমীয়া জাতিৰ চিনচাব নাইকিয়া কৰাৰ উপক্ৰম কৰিছিল। অসমীয়া মানুহে কুচক্ৰীসকলৰ চক্ৰান্ত উপলব্ধি কৰিব নোৱাৰি, নিজকে প্ৰাদেশিকতাবাদৰ ঠেক গণ্ডীৰপৰা আঁতৰাই ৰখাৰ অভিপ্ৰায়ে নিজৰ জাতীয়তা বিলীন কৰাৰ পদক্ষেপ দিছিল। এনে সময়তে অসমৰ আকাশ বতাহ কঁপাই বজ্ৰনিনাদে জাতীয় চেতনা জগাবলৈ আগবাঢ়ি আহিল ডেকাগিৰী, ডেকাবেজ আদি পুৰুষসকল যাৰ বাবে আজিও অসম আৰু অসমীয়াৰ ৰক্ষা-কবচ হিচাবে

জন্ম পালে 'অসম সংৰক্ষিণী সভা' আৰু 'ডেকা অসমে'। সংৰক্ষিণী সভাৰ কামত ডেকাবেজ, ডেকাগিৰী, ডেকাফুকন আদি অসমৰ বিভিন্ন ঠাইত ঘূৰি বিপ্লৱী মনীষাৰ বীজ সিঁচিছিল।

১৯৩০ চনৰপৰা ১৯৪২ চনলৈকে এই কাল-ছোৱা থিং অঞ্চলৰ বাবে এক সঙ্কটপূৰ্ণ কাল। পূৰ্ববঙ্গৰপৰা ভালেমান মানুহ আহি এই অঞ্চলত ঠাই ললেহি। এই পমুৱা লোকসকলৰ মাজত পূৰ্ববঙ্গৰ হিন্দু-মুছলমান উভয় জাতিৰে মানুহ আছিল। তাৰ একশ্ৰেণীৰ মানুহ মাটিৰ আকলুৱা আৰু আনটো শ্ৰেণী ভাষা-সংস্কৃতিৰ খকুৱা। অসমীয়া থলুৱালোকৰ সুযোগ লৈ মাটি-বাৰী, ভাষা-সংস্কৃতি, জাতীয় ঐতিহ্য আদি সকলো দিশতে শোষণ আৰু ষড়যন্ত্ৰ চলিল। অসমীয়া মানুহে ভৱিষ্যত পুৰুষসকলৰ কথা চিন্তা নকৰি নতুন লোকসকলক 'স্বাগতম' জনালে আৰু তেওঁলোককো আকোঁৱালি লৈ এক নতুন যুগৰ আগমণিলৈ বাট চালে। আনহাতে তেওঁলোকে জনা নাছিল যে এই উদাৰতাৰ মাজতে গা-কৰি উঠিব আমাৰ জাতীয়তাৰ বিৰুদ্ধে এক নতুন শোষণৰ ষড়যন্ত্ৰ। তাৰ ফলস্বৰূপে ভালেমান থলুৱালোক এই ঠাই এৰি যাব লগা হ'ল বাসুদেউ আৰু বিভিন্ন ঠাইলৈ। এই সঙ্কটপূৰ্ণ মুহূৰ্ত্ততে অন্তৰত শান্তি-সম্প্ৰীতিৰ মন্ত্ৰ লৈ থিঙত ওলালহি মাধৱ ডেকাবেজবৰুৱা।

তেতিয়া আছিল ১৯৩৪ চন। যাতায়াতৰ সুবিধা নাছিল। লগত মাত্ৰ এখন বিচনাকে সম্বল কৰি পিঠিত বান্ধি লৈ ডেকাবেজ থিং পালেহি। পিঠিৰ হোৰাটোও আনক লবলৈ নিদি—নিজেই নিজৰ হোৰা বয়। গেৰোৱালৈকে বৈ পৰা পাটৰ চুৰিয়া, গাত মুগাৰ চাপ্‌কন্ আৰু মূৰত মুগাৰ মথুৰা পাগ। থুলন্তৰ তেজগোৰা বৰণৰ সভা-শুৱনী মানুহজন দেখি থিংবাসী ৰাইজ আকৰ্ষিত হ'ল। তাতে তেখেতৰ সকলোৰে লগত মিলা-মিচা কৰিবপৰা ব্যক্তিত্বই সকলোশ্ৰেণীৰ মানুহকে চুম্বক শক্তিৰ দৰেই ওচৰলৈ টানি আনিলে। ডেকাবেজৰ ওচৰ চপা প্ৰতিজন মানুহেই তেখেতৰ মহান ব্যক্তিত্ব আৰু মননশীলতাৰ পৰিচয় পালে। এই সুযোগতে তেখেতে থিঙত 'অসম সংৰক্ষিণী সভা'ৰ পাতনি মেলিলে। দলে দলে ডেকাশক্তি আহি তেখেতৰ পাচত থিয় হলহি। ডেকাবেজৰ গাৰ লগত ছাঁৰ দৰে থাকি 'বলোৰাম ডেকাবৰাই 'অসম সংৰক্ষিণী সভা'ৰ থিং শাখাৰ গুৰি ধৰিলে।

'অসম সংৰক্ষিণী সভা'ৰ ধিং শাখাৰ যোগেদি ডেকাবেজে কিছুমান উন্নয়নমূলক কামৰ আঁচনি হাতত ললে। এয়ে আছিল ধিঙত তেখেতৰ শক্তি পৰীক্ষাৰ মাধ্যম। আঁচনিৰ প্ৰথম কাম হিচাপে ধিং মাধৱদেৱ নাট্যমন্দিৰকে হাতত ললে। মাধৱদেৱ নাট্যমন্দিৰ নামৰ অনুষ্ঠান এটা বহুদিন আগৰেপৰা আছিল যদিও তাত তেনে কোনো লেখৰ স্থায়ী ঘৰ-দুৱাৰ নাছিল। বঙালী যাত্ৰা-অভিনয় ক্ৰমান্বয়ে জনপ্ৰিয় হৈ অহাত ধিং অঞ্চলত 'মাধৱদেৱ নাট্যমন্দিৰ'ৰ সূত্ৰপাত হয়। ডেকাবেজে তাকে শক্তি পৰীক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰি বৰ্তমানৰ ৰূপ দিয়ে। এতিয়া আগৰ ঠাইত মাধৱদেৱ নাট্যমন্দিৰ নাই। ডেকাবেজে যি ঠাইত এই নাট্যমন্দিৰ প্ৰতিষ্ঠা কৰি থৈ যায় সেই ঠাইত তেতিয়া এটা বিৰাট থিয় খাৱৈ আছিল আৰু তাৰ পাৰতে স্থানীয় অসমীয়া মানুহৰ নেতৃত্বত দুৰ্গাপূজাই বছৰি বছৰি জাকজমকতাৰে গা কৰি উঠিছিল। অসমীয়া ডেকাসকলে বিহু, নামঘৰীয়া উৎসৱ অনুষ্ঠান আদি আওহেলা কৰি এই দুৰ্গাপূজা উৎসৱত মন-প্ৰাণ ঢালি দিছিল। সেইসকল ডেকাকে লগত লৈ শিঙিমাৰি পথাৰৰপৰা মাটি আনি থিয় খাৱৈ পুতিবৰ বাবে হাতত কোৰ-পাচি লৈ প্ৰথমে আগবাঢ়ি গ'ল ডেকাবেজ আৰু তেওঁৰ পাচত থিয় হ'ল ধিঙৰ শ' শ' ডেকা, বুঢ়া। সেই বিৰাট খাৱৈ পুতিবলৈ গাইপতি দুই চাৰি পাচি মানহে মাটি আনিব লগা হ'ল। এই ঘটনাৰ লগত সাদৃশ্য থকা ঘটনা অসম বুৰঞ্জীত ভালেমান আছে। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ময়ামৰা মহন্তই শিষ্যসকলৰ শক্তি পৰীক্ষা কৰিবৰ বাবে মালৌ পথাৰত বিৰাট খাল পুতি 'বৰভেটি' বান্ধিবৰ বাবে শিষ্যসকলক আদেশ দিয়ে আৰু প্ৰতিজন শিষ্যই মাত্ৰ এচপৰাকৈ মাটি দি 'বৰভেটি' বান্ধি একতাৰ পৰিচয় দিয়ে। ডেকাবেজেও ধিঙৰ ডেকাদ'লৰ শক্তি পৰীক্ষা কৰিলে বুৰঞ্জীৰ আৰ্হিৰে। নেপোলিয়নে 'ইমপছিবোল' (impossible) শব্দটো 'অমূলক' বুলি ভবাৰ দৰেই ডেকাবেজেও আমাৰ 'অসম্ভৱ' শব্দটো অমূলক বুলি ভাবিছিল। তেখেতৰ দৰ্শনত মানুহৰ অজেয় একো নাই। ইচ্ছা আৰু কৰ্মশক্তিৰ ওচৰত সকলোৱে হাৰ মানে। সেয়েহে সকলো কাৰ্য্যতে তেখেতৰ মূলধন আছিল অদমনীয় ইচ্ছা, কৰ্তব্যনিষ্ঠা আৰু সৎচিন্তা। ধিঙক কৰ্মস্থলী নিৰ্বাচন কৰোতেও তেখেতৰ মূলধন আছিল ইমানেই। আজিও তেখেতৰ বিৰাট সাফল্যৰ ভালেমান চিন ধিঙত বৰ্তমান।

'অসম সংৰক্ষিণী সভা'ৰ বিশেষ কামত ডেকাগিৰি ৰায়চৌধুৰীক[১] লগত লৈ মাধৱ বেজবৰুৱা এবাৰ ধিং ওলালহি। ৰায়চৌধুৰীৰ সিংহনিনাদত ধিঙৰ ৰাইজ জিকাব খাই উঠিল। তেখেতৰ আগমনে ধিং সংৰক্ষিণী সভাক দুগুণে বলিষ্ঠ কৰিলে। ডেকাবেজৰো সকলো কাম সুচল হ'ল। জাতীয় উন্নতি, আত্মচেতনা জাগৰণ, কৰ্মৰ মাজেদি নিজক জীয়াই ৰখাৰ চেষ্টা, বিশ্বৰ বুকুত অসমৰ বাবে এটুকুৰা ঠাই দখল, ঠিকা-চাকুৰি আদিত থলুৱা লোকৰ স্বাৰ্থৰক্ষা, পৰৰ শোষণ ষড়যন্ত্ৰৰপৰা নিজক মুক্ত কৰি বলিষ্ঠ পদক্ষেপেৰে আগুৱাই গৈ অসমলৈ অহা বহিৰাগতসকলক নিজৰ ভাষা-সংস্কৃতিৰ মাজলৈ আকোঁৱালি আনি বিৰাট মহিমামণ্ডিত অসমীয়া সংস্কৃতিৰ বুকুত অসমীয়া মহাজাতি গঠন আদি 'সংৰক্ষিণী সভা'ৰ মূল লক্ষ্য আছিল।

ডেকাবেজৰ সমাজসেৱা ঃ

কেৱল কথাৰে নহয়, হাতে-কামে লাগি বিভিন্ন সমাজসেৱাৰ আঁচনিক নতুন ৰূপ দি ডেকাবেজে ধিঙৰ ৰাইজৰ মাজত তেখেতৰ আদৰ্শৰ প্ৰেৰণাৰে ডেকা, বুঢ়া সকলোকে উদ্বুদ্ধ কৰি বিভিন্ন অনুষ্ঠান গঢ়াত প্ৰাণ ঢালি উদগণি দিলে। তাৰ ফলস্বৰূপে ধিঙত এতিয়াও ভালেমান অনুষ্ঠান আছে—যাৰ মাধ্যমেদি ডেকাবেজক ধিঙৰ ৰাইজে আজিও মনত পেলায়। ধিং মাধৱদেৱ নাট্য-মন্দিৰ, 'ধিঙৰ' ৰাজহুৱা পুথি-ভঁৰাল আদিয়ে ডেকাবেজৰ স্মৃতি আজিও বহন কৰিব লাগিছে।

সেইকালত আজিৰ দৰে চৰকাৰীভাৱে জনশিক্ষাৰ আঁচনি গ্ৰহণ কৰা হোৱা নাছিল। গাওঁসমূহত শতকৰা আশীজন লোকেই অনাক্ষৰী আছিল। জনশিক্ষা প্ৰসাৰৰ কাৰণে নিজে নেতৃত্ব লৈ নৈশ বিদ্যালয় স্থাপন কৰি স্থানীয় শিক্ষিত ডেকাসকলৰ যোগেদি শিক্ষাদানৰ ব্যৱস্থা হাতত লয়। আজিও ধিঙত মাধৱ বেজবৰুৱাৰ আঁচনি মতে শিক্ষা পাই পুথি পঢ়িবপৰা লোক হাজাৰৰো অধিক হব। সেই লোকসকলৰ মানত ডেকাবেজ আজিও সাধুকথাৰ নায়ক হৈ আছে।

ইয়াৰ বাহিৰেও বিভিন্ন সভাসমিতিৰ জৰিয়তে সমাজসেৱাৰ আঁচনি

(১) অসমকেশৰী অম্বিকাগিৰি ৰায়চৌধুৰী।

আগবঢ়াইছিল। এইবোৰ সভা-সমিতিত বিদেশী বস্তু বৰ্জন আৰু জাতীয় বস্তু ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা হাতত লৈছিল। তেখেতৰ ধাৰণা আছিল যে জাতীয় বস্তু বৰ্জন কৰি, বিদেশী বস্তু গ্ৰহণৰ যোগেদি আমি জাতীয় দৰিদ্ৰতাৰ পথলৈ আগবাঢ়িছোঁ। জাতীয় বস্তু সম্প্ৰসাৰণৰদ্বাৰা আমাৰ জাতীয় জীৱন আৰু জাতীয় অৰ্থনীতিৰ উন্নতি সম্ভৱপৰ হ'ব। তাৰ বিপৰীতে জাতীয় জীৱন ৰোগ আৰু দাৰিদ্ৰগ্ৰস্থ হ'ব। সেই সময়ত ধিঙৰ সমাজখন (দুই এক ঐতিহ্যপূৰ্ণ পৰিয়ালত বাদে) জাতীয় বিয়াধিগ্ৰস্ত বিদেশী অনুকৰণীয়তা এক বিজতৰীয়া সমাজলৈ ৰূপান্তৰিত হোৱাৰ উপক্ৰম হৈছিল। প্ৰায়বোৰ মানুহেই নিজৰ মাত-কথা এৰি বঙলুৱা কথা কৈহে জুতি পাইছিল। নাৰী সমাজতো মেখেলা-ৰিহাৰ পৰিৱৰ্তে জীয়াৰী-বোৱাৰী সকলোৱে শাৰীহে ব্যৱহাৰ কৰিছিল। তেওঁ সভা-সমিতি পাতি জাতীয় বস্তুৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজাই দি জাতীয় চেতনা লগাই, সেই সভাতে দুই চাৰিজনী গাভৰুক নিজৰ শাৰী ফালি দলিয়াই দিবলৈ উদ্বুদ্ধ কৰাইছিল। আমাৰ ঐতিহ্যপূৰ্ণ সমাজ-ব্যৱস্থা বৰ্জন কৰি, নতুনত্বৰ নামত কিম্ভুত-কিমাকাৰ কিছুমান আচহুৱা ৰীতি-নীতি আৰু সাজ-পাৰ গ্ৰহণ কৰাতো ডেকাবেজে জাতীয় বিয়াধি বুলি গণ্য কৰিছিল।

১৯৪১ চনত লোক পিয়লত অসমীয়া জাতিক সংখ্যালঘিষ্ঠ প্ৰমাণ কৰাৰ এক বিৰাট কু-চক্ৰান্ত ৰচনা হৈছিল। এই চক্ৰান্ত বৃটিছ আগমনৰপৰা চলি আহিছিল। অসমত বসবাস কৰিবলৈ অহা বহিৰাগত লোকসকলক লৈ অনা-অসমীয়া এদল লোকে এই সপোন বাস্তৱত ৰূপ দিবলৈ আকৌ নতুন সুযোগ পালে। অসমত বাস কৰা সকলো অনা-অসমীয়া লোককে বঙলা ভাষা সংস্কৃতিৰ ভিতৰত সামৰি লৈ অসমীয়াক দেখ-দেখকৈ এঘৰীয়া কৰিবৰ বাবে চেষ্টা চলিল। সাধাৰণ শ্ৰেণীৰ মানুহ এই ক্ষেত্ৰত তেনেই টোপনি-গধুৰ। জনসাধাৰণক জগাই তুলিবৰ বাবে বজ্ৰ-নিনাদে গৰ্জি উঠিল কেৱল 'অসম সংৰক্ষিণী সভা'। এই নিনাদত ঠায়ে ঠায়ে ৰাইজেও সাৰ পালে। ধিঙতো এই কু-চক্ৰান্তই বিৰাট সমস্যাৰ সৃষ্টি কৰিছিল। এই সমস্যা সমাধানকল্পে ডেকাবেজে স্থানীয়

---

* ধিঙত ডেকাবেজৰ কৰ্ম-তৎপৰতা কৈ বা লিখি শেষ কৰিব নোৱাৰি। 'ধিঙত'—শ্ৰীপদ্ম বৰাৰ প্ৰবন্ধৰ অন্তৰ্ভুক্ত আলোচনাৰ দ্বিৰুক্তি হলেও ইয়াত বৰ্ণনাৰ প্ৰাণ আৰু সৰলতাক আমি আদৰণি জনালোঁ।

—সম্পাদক

ডেকাসকলক লগত লৈ পূৰ্ববঙ্গৰপৰা অহা লোকৰ বসতি অঞ্চলত, বিশেষকৈ মুছলমান-প্ৰধান অঞ্চলত ভ্ৰমণ কৰি, অসমীয়া মাধ্যমত শিশু-বিদ্যালয় স্থাপন কৰি আমাৰ ভাষা সংস্কৃতি গ্ৰহণ কৰি নিজকে অসমীয়া বুলি পৰিচয় দিবলৈ তেওঁলোকক প্ৰস্তুত কৰিলে। সেই সময়ত এই কাম অসাধ্য আছিল। কাৰণ অফিচ আদালত সকলোতে চৰকাৰী বিষয়াসকল আছিল প্ৰায় অনা-অসমীয়া আৰু অসমীয়া-বিৰোধী ভাবৰ। তেনেস্থলত সেই লোকসকলক মনে প্ৰাণে অসমীয়া কৰিবলৈ যোৱাটো কম কষ্ট-সাধ্য নাছিল। কিন্তু এই সংঘৰ্ষত দুষ্কৃতিৰ পৰাজয়, সংস্কৃতিৰ জয় অনিবাৰ্য্য হ'ল। থিঙতো বিৰাট সাফল্য লাভ কৰিলে।

"বিভিন্ন বিজাতীয় সংস্কৃতিয়ে গা কৰি উঠাত থিং অঞ্চলত আমাৰ জাতীয় উৎসৱ বিহু তেনেই চেৰেমা পৰি গৈছিল। মুষ্টিমেয় এচাম বাঘ-তেল খোৱা মানুহৰ মাজতে জাতীয় উৎসৱ বিহু আবদ্ধ আছিল। এয়া ১৯৩৪-৩৫ চনৰ কথা। সেইবাৰ বহাগৰ বিহুত ডেকাবেজৰ লগত সৰ্বশ্ৰী মহেন্দ্ৰ ডেকাফুকন আৰু বাগ্মীবৰ নীলমণি ফুকনদেৱ থিঙলৈ আহে। এই তিনিগৰাকী লোকৰ সহযোগত অভূতপূৰ্ব ভাবে থিঙত বিহু উৎসৱ পালন কৰা হয়। তেনে বিৰাট জনসমাগম থিঙৰ বিহুতলীত আজিলৈকে হোৱা নাই। বিহুৰ মাজেদি জাতীয় প্ৰাণৰ মৰ্মকথা থিঙৰ ৰাইজে তেতিয়াহে বুজি পালে। তেতিয়াৰপৰা নতুন দৃষ্টিৰে বিহুক চাবলৈ ধৰিলে আৰু তাৰ ৰিং আজিও থিঙৰপৰা মাৰ যোৱা নাই। এই অঞ্চলত বিহুক সৰ্বতোমুখী জাতীয় উৎসৱৰ পৰ্য্যায়লৈ নিয়াৰ মূলতে 'ডেকাবেজ। আনকি তেওঁলোকৰ প্ৰেৰণাই থিঙৰ বিহু-তলীত সত্তৰ-আশী বছৰীয়া বুঢ়াকো (বুঢ়াজনৰ নাম পিঠিকটা) নাচিবলৈ উদগণি দিলে। ১৯৪২ চন মানলৈকে ডেকাবেজ প্ৰতি বহাগৰ বিহুতে থিঙলৈ আহি ৰাজহুৱা ভাবে বিহু পালন কৰি তলিবলৰ ভুৱিত সমূহীয়া ভাৱে গা-ধুৱাৰ কথা সেই যুগৰ মানুহে আজিও মনত পেলায়। তেখেতৰ চেষ্টাতে যে বিহুৱে আমাৰ মাজত নতুন ৰূপ ললে তাত অকণো সন্দেহ নাই। "এবেলি থিঙত বহাগ বিহু উৎসৱত যোগ দি পিছদিমাখনেই তেজপুৰৰ বাণ নাট্য-মন্দিৰৰ বিশেষ বক্তাৰ ভাষণৰ বাব পৰে। বাট-পথ নাই। কোনোপিনে তেজপুৰ সময়মতে পোৱাৰ সম্ভাৱনা পোৱাৰ সম্ভাৱনা নাই। থিঙৰপৰা ৰাতিপুৱা নাৱত উঠি য'ত যেনেকৈ পাৰোঁ—চাপৰিত খোজ কাঢ়ি, গোৱালৰ নাও খুজি দুপৰীয়া তেজপুৰ পালোঁগৈ। মোৰ ভাষণৰো সময় হ'ল।" ('ডেকাবেজ)

তাৰ পিছৰপৰা বিহু উৎসৱ আমাৰ অঞ্চলত ইমান সদৰি হৈ পৰিল যে হিন্দু-মুছলমান, বঙালী, মাৰোৱাৰী, বিহাৰী আদি সকলো লোকেই বিহুৰ মাজত 'আপোনত্ব' বিচাৰি পাই আমাৰ লগতে তেওঁলোকেও আদৰণি জনালে। এতিয়াও আমাৰ মাজত সন্মিলিত বিহু এক অপূৰ্ব্ব উৎসৱ—"মিলন-কাৰেং।"

ইমানবিলাক কামৰ মাজেদিও ডেকাবেজে সপোনে দিঠকে অনুভৱ কৰিছিল,—অসমত এখন সুকীয়া বিশ্ববিদ্যালয়ৰ প্ৰয়োজন। সেইবাবে খিঙত থকা সময়তো তেখেতে সঘনে গুৱাহাটীলৈ যায়। গুৱাহাটীত দুই চাৰিজন ত্যাগী পুৰুষৰ লগ লাগি এখন বিশ্ববিদ্যালয় স্থাপনৰ সংকল্প গ্ৰহণ কৰি ঁলোকপ্ৰিয় বৰদলৈ ঁডেকাগিৰী আৰু ঁশৰৎচন্দ্ৰ গোস্বামীদেৱক লগ ধৰি উদ্দেশ্যৰ কথা জনাই সন্মতি লাভ কৰে। এই ডেকাদলৰ প্ৰেৰণাতে লোকপ্ৰিয় বৰদলৈ, ৰায়চৌধুৰী আৰু গোস্বামীদেৱে এখন ৰাজহুৱা সভা আহ্বান কৰি সেই সভাতে অস্থায়ী ভাবে 'অসম বিশ্ববিদ্যালয় স্থাপন কমিটি' গঠন কৰে। ঁলোকপ্ৰিয় বৰদলৈ আৰু ঁশৰৎচন্দ্ৰ গোস্বামীদেৱ যথাক্ৰমে সভাপতি আৰু সম্পাদক নিৰ্বাচিত হয়। সেই সভাৰ পিছদিনাই অসমৰ বিভিন্ন ঠাইলৈ অৰ্থ সংগ্ৰহৰ বাবে ডেকাদল ওলাই যায়। বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহৰ বাবে ডেকাবেজে খিং অঞ্চলকে তেখেতৰ কৰ্মস্থলী হিচাবে নিৰ্বাচন কৰে।

খিঙত বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহ ঃ

খিঙৰ ডেকাদলক (ঁবলোৰাম ডেকাবৰা, পদ্ম বৰা, জীতেন নায়ক, সুৰেন বৰা, চন্দ্ৰকান্ত গোস্বামী, কেশৱানন্দ নেওগ, কণক চন্দ্ৰ কলিতা, ফেমেনা গাওঁবুঢ়া, হৰিবিলাস হাজৰিকা, প্ৰবোধচন্দ্ৰ বৰা, মণিৰাম বৰা আদি) লগত লৈ প্ৰথমে মুষ্টি ভিক্ষাৰ যোগে অৰ্থ সংগ্ৰহ কৰে। নিচেই দুখীয়া মানুহৰ পৰাও দুই-চাৰি অনা বৰঙণি গ্ৰহণ কৰিছিল। ডেকাবেজৰ গাৰ লগত ছাঁ-সদৃশ ঁবলোৰাম ডেকাবৰাই এমাহকাল পৰিয়ালক এসাজ উপবাসে ৰাখি তাৰে ৰাহি কৰি আৰু অন্য ফালৰপৰাও গোটাই মেলি পাঁচশ টকাৰ টোপোলা এটি বিশ্ববিদ্যালয়ৰ পুঁজিলৈ আগবঢ়াই আদৰ্শ দেখুৱায়। এই কাৰ্য্যত উৎসাহিত হৈ খিঙৰ ৰাইজে মুক্তহস্তে সাধ্যানুযায়ী বৰঙণি আগবঢ়ায়। বৰঙণি দিয়া লোকসকলৰ নাম সেই

সময়ৰ বাতৰি কাকতত প্ৰকাশ কৰি ডেকাবেজে ৰাইজক দুগুণে উৎসাহ দিয়ে। আমি জনামতে তেখেতে প্ৰথমে ধিঙতে বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহৰ কাম আৰম্ভ কৰে।* ধিঙৰ বাবে ˚ডেকাবেজ এতিয়াও সোঁৱৰণীৰ পুৰুষ। ধিঙৰ সকলো অনুষ্ঠানতে এই পুৰুষজনক আজিও সোঁৱৰণ কৰে। আনকি বহুতৰ মনত প্ৰশ্ন হয় "ধিঙক গঢ়িলে কোনে?" ইয়াৰ চমু উত্তৰ হব হয়তো— "ডেকাবেজে"। ধিঙৰ বুকুত আমাৰ অজানিতেই হয়তো তেখেতৰ আৰু ভালেমান খোজ পৰি আছে—সেইবোৰ সময়ত হয়তোবা কোনোৱে বিচাৰি আহিব। ইতিমধ্যে ধিঙৰ নতুনকৈ হোৱা টাউন কমিটিয়ে তেখেতৰ নামেৰে এটি ৰাস্তা নামকৰণ কৰি (কৰ্মকুশলী মাধৱ বেজবৰুৱা পথ) তেখেতক ধিঙৰ বুকুত পুনৰ সজীৱ কৰি তুলিছে।

অসম আৰু অসমীয়াৰ স্বাৰ্থই আছিল তেখেতৰ জীৱন। ব্যক্তিগত উচ্চ অভিলাষ কাক বোলে নাজানিছিল; নিজে 'ডাঙৰ' হোৱাৰ কথা কোনো কালেই ভবা নাছিল। 'ডাঙৰ' হব পৰা ভালেমান সুবিধা থকা স্বত্ত্বেও জন-সেৱা আৰু জাতীয় জীৱনৰ মঙ্গল কামনাকে ব্ৰত কৰিলে। জীৱনত কেৱল কামকে হে জানিলে, তাকো নিজৰ বাবে নহয়—দেশ আৰু দহৰ বাবে হে। জীৱনত কাহানিও ভোগৰ নাই, অৱসাদ নাই। কেতিয়াবা যদি কিবা অৱসাদ আহিছিল—সেইয়া ব্যাক্তিগত জীৱনৰ অৱসাদ নহয়—জাতীয় জীৱনৰ অৱসাদ হে।

কাৰোবাৰ জীৱন ভোগৰ বাবে—কাৰোবাৰ হয়তো ত্যাগৰ বাবে হে। ত্যাগীসকলে ত্যাগৰ মাজেদিয়েই ভোগৰ সুখ অনুভৱ কৰে। সেয়ে হ'ল মহান জীৱন—কোটি কোটি সাধাৰণ জীৱনৰ ওপৰত। বিপুল মনীষাৰ অধিকাৰী ডেকাবেজেও তেনে এটি জীৱনকে ভোগ কৰি গ'ল।

---

* গুৱাহাটী বিশ্ববিদ্যালয়লৈ প্ৰথম বৰঙণি আগবঢ়োৱাৰ গৌৰৱত একালৰ 'অনামী' ধিঙৰ নাম চিৰস্মৰণীয় হৈ ৰব। যাঁহীত প্ৰকাশ হোৱা বৰঙণি বিৱৰণী পৰিশিষ্টত দিয়া হৈছে। —সম্পাদক

[সেই সময়ৰ ধিং, বৰদোৱা, ডুমডুমীয়া অঞ্চলৰ নেতৃস্থানীয় লোকসকলেও পুঁজি সংগ্ৰহত বিশেষভাৱে সহায় কৰে। সেই সকলৰ ভিতৰত শেৱালি-কবি, সৰ্বশ্ৰী গোলাপচন্দ্ৰ কলিতা, চন্দ্ৰকান্ত বৰকাকতি, ৰাজেন্দ্ৰনাৰায়ণ মজুমদাৰ, ˚মানিকচন্দ্ৰ গোস্বামী, ˚সুৰেন গোস্বামী, ˚কমলা গোস্বামী, ˚মোহন চন্দ্ৰ শৰ্মা বৰুৱা, ˚ভোগেশ্বৰ হাজৰিকা, ˚তিলকচন্দ্ৰ গোস্বামী, ˚পদ্মপাণি নাথ, ˚দীন বৰা, শ্ৰীৰূপাইচন্দ্ৰ শইকীয়া (শিক্ষক) আদিৰ নাম উল্লেখযোগ্য।]

টোকা ঃ মৰিগাঁও কলেজৰ অসমীয়া বিভাগৰ ডেকা অধ্যাপক শ্ৰীমান নৰেন্দ্ৰনাথ কেওটে আমাৰ অনুৰোধত এই প্ৰবন্ধৰ সমল আৰু টোকা দি সহায় কৰিছে। —এম ইব্ৰাহিম আলি

দাদা

ঁমাধৱ বেজবৰুৱাৰ সৈতে আমাৰ পৰিচয়

হৰি প্ৰসাদ গোৰ্খাৰায়

"স্বদেশ সেৱাৰ ব্ৰত,
মূল-মন্ত্ৰ ডেকা বেজে কৰি সমাপণ—
অকালতে কৰিলে শয়ন।"

—আলি, বৰদৈচিলা

জীৱনৰ সৰু সৰু ঘটনাবিলাক কেতিয়াবা কেতিয়াবা এনে ৰকমে ঘটে যে তাৰদ্বাৰা গোটেই জীৱন সুঁৱৰি থাকিব লগীয়া এটি মধুৰ স্মৃতিৰ সৃষ্টি হয় আৰু একো একোজন মহান আত্মাৰ পৰিচয় পোৱা যায়। স্বৰ্গীয় মাধৱ দাদাৰ কথাকে কম। তেখেতে আমাৰ পাহাৰী ডেকাদলৰ অতি মৰমৰ দাদা। 'দাদা' এই পদবী তেখেতক তেখেতৰ অসংখ্য ভক্তসকলে দিয়া প্ৰীতিৰ চিন।

প্ৰায় ১৯৩১ চনমানৰ কথা। তেতিয়া তেখেত কটন কলেজৰ 'কটনিয়ান'। মই তেতিয়া সামান্য সপ্তম মানৰ ছাত্ৰ। কিন্তু মই আছিলোঁ গৰ্বী, কাকো শ্ৰদ্ধা বা 'পৰোৱা' নকৰিছিলোঁ। কিন্তু মাধৱ দাদাৰ ব্যক্তিত্বৰ ওচৰত পৰাজয় স্বীকাৰ নকৰি নোৱাৰিলোঁ। (এই প্ৰবন্ধ লিখকে নিজৰ কথাকে হে কব ধৰিছে বুলি সদাশয় পাঠকসকল অধৈৰ্য্য নহয় যেন—কিয়নো মাধৱ দাদা আমাৰ জীৱনলৈ কেনেকৈ সোমাই আহিল তাকে হে কব খুঁজিছোঁ।) সেই সময়ত আমি (যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ সপ্তমমান শ্ৰেণীৰপৰা) 'কমলিনী' নামে এখন হাতেলিখা আলোচনী উলিয়াইছিলোঁ। অসমীয়া ভাষা ভালদৰে নজনা স্বত্বেও 'কমলিনী' সম্পাদনাৰ ভাৰ মোৰ ওপৰতে পৰিছিল। ময়ো হোৱাই-নোহোৱাই 'কমলিনী'ৰ পাতে পাতে গল্প প্ৰবন্ধাদি ভৰাই দিওঁ। সেই আলোচনীখন ঘটনাক্ৰমে কহিমাৰ ঁজীৱেশ্বৰ বৰদলৈ ডাঙৰীয়াৰ ঘৰত দাদা আৰু তেখেতৰ লগৰীয়া কলেজৰ

ছাত্ৰসকলৰ হাতত পৰে। তাতে কলেজৰ ছাত্ৰ এজনে হেনো 'কমলিনী'ত মোৰ লিখা প্ৰবন্ধবিলাক যে একেবাৰে 'গোবৰ-জাবৰ' এনে মন্তব্য প্ৰকাশ কৰে। সেই কথা শুনি দাদা বেজবৰুৱাই (মাধৱচন্দ্ৰ বেজবৰুৱাই) হেনো কয়—"হওক ভুল, হওক অশুদ্ধ, তেওঁ যে অসমীয়া; অসমীয়া ন-লিখাৰুৰ লিখা, এই গল্পবোৰ বৰ সুন্দৰ হৈছে।" মই এই বিষয়ে গম পালোঁ শ্ৰীমতী বৰদলৈৰ পৰা।

এই ঘটনাৰ কিছুদিনৰ পিচত দাদা মাধৱে মোক ব্যক্তিগত ভাৱে দেখা কৰি নানা প্ৰকাৰৰ উদগণি দিছিল। এতিয়া কবলৈ লাজ লাগে যে তেখেতে মোক কৈছিল মই হেনো এজন ভাল সাহিত্যিক হব পাৰিম। অৱশ্যে এইটো তেখেতৰ চেনেহৰ হে চিন আছিল। তেখেতৰ সেই চেনেহী বাক্যত মৌ আছিল কিন্তু সত্যতা নাছিল, কিয়নো সাহিত্যিক হোৱাটো বাদেই দিয়ক, সাহিত্যৰ 'স'-কে মই নাজানোঁ। মোৰ লিখনীত কোনো কলাৰ মাধুৰ্য্য নাই। দেশৰ হৃদয়ত যিদৰে এতিয়া তোলপাৰ লাগিছে সেই খলকনি সেই ক্ৰন্দন মোৰ লিখনীত এতিয়াও ধৰা পৰা নাই। কিন্তু তেখেতৰ বাণী এতিয়াও আমাৰ প্ৰাণত বাজি আছে। তেখেতে কৈছিল—"অসম অসমীয়াৰ। অসমীয়া বুলিলে যে কেৱল ফুকন, গগৈ বা বেজবৰুৱা নাইবা আন কোনোবা আহোমদিনীয়া ডাঙৰ খিতাপধাৰী পুৰুষ মাত্ৰ এনে নহয়, অসমৰ চুকে কোণে থকা আন আন জাতিৰ বংশধৰ যি সকলে আজি পুৰুষানুক্ৰমে অসমত থাকি অসমীয়া হৈ গৈছে, তেওঁলোক আৰু এই অসমৰ পাহাৰৰ পাহাৰী গাৰো, খাছীয়া, লুচাই, নগা ভাইসকল, এই আটাইবিলাককে লৈ আমাৰ বৃহৎ অসমীয়া জাতি।" অসমখন কেৱল শিৱসাগৰ বা কামৰূপ জিলাৰ মাজতে আৱদ্ধ নাথাকি পুবে মণিপুৰৰপৰা আৰম্ভ কৰি গোটেই অসমখনেই অসম বা আসাম আৰু ইয়াৰ নাগৰিকসকল অসমীয়া। বৃহত্তৰ অসম গঠন কৰাৰ ভাব আমাৰ ডেকাদলৰ। অসমীয়া সাহিত্য অসমৰ সকলো ঠাইতে, বিশেষকৈ মণিপুৰ ৰাজ্যত আৰু পাহাৰবিলাকত প্ৰচাৰ হোৱা উচিত।

তেখেতৰ চেষ্টাৰ ফল স্বৰূপে কহিমাত নগা ছাত্ৰসকলৰ মাজত এখন লাইব্ৰেৰী, য'ত বহু সংখ্যক অসমীয়া কিতাপ থাকিব লাগে—এনে এখন লাইব্ৰেৰী খোলাৰ চেষ্টা চলিছিল আৰু আংশিক ৰূপে কৃতকাৰ্য্যও হৈছিল।

তেখেতৰ বক্তৃতা দিয়াৰ শক্তি অসাধাৰণ আছিল। ইংৰাজীতেই হওক

নাইবা অসমীয়াতেই হওক, তেখেতে সুন্দৰ ৰূপে বক্তৃতা দিব পাৰিছিল। এতিয়াও নগা শিক্ষকসকলে তেখেতৰ বক্তৃতাৰ কথা কওঁতে তেখেত যে এজন শক্তিমান বক্তা আছিল, সেই কথা স্বীকাৰ কৰে। তেখেত এজনা দূৰদৰ্শী পুৰুষো আছিল। তেখেতে কৈছিল যে পৰ্বত আৰু ভৈয়ামৰ মুকলি হিয়াৰ আদান-প্ৰদান নহলে এদিন অসমত বিশৃঙ্খলাৰ সৃষ্টি হব পাৰে। তেতিয়া তেখেতৰ কথা বুজা নাছিলোঁ, এতিয়াও নুবুজোঁ তেখেতে কিহৰ বাবে এই সাৱধান-বাণী দি থৈছিল। তেখেতৰ নিচিনাকৈ স্বাৰ্থত্যাগ কৰি আন কোনোৱে আজিলৈকে পাহাৰলৈ নুঠিল, সেইদৰে প্ৰেমৰ ভ্ৰাতৃত্বৰ বাণী লৈ।

কথা-বতৰাত তেখেত আছিল মিঠামুখীয়া; অথচ তেখেত আছিল কামৰ মানুহ, কথাৰ নহয়। যি কাম কৰোঁ বুলি ভাবে, সেই কাম তেখেতে নকৰাকৈ নোৱাৰিছিল। বুকুত সাহ আছিল প্ৰচুৰ। তেখেতে এসময়ত (ঠিক কোন বছৰ মনত নাই) জাপডৌ* পাহাৰত উঠিবলৈ প্ৰস্তাৱ কৰিছিল। তেতিয়া বাৰিষা। গছ-বন গজি বাট-পথ নোহোৱা হৈ পৰিছিল। "পথ-প্ৰদৰ্শক পালে মই এই ডাঠ হাবি ভাঙি হলেও জাপডৌ টিঙলৈ উঠিম" বুলি তেখেতে কৈছিল।

তেখেতক আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। তেখেত অমৰ। তেখেতে দেখুৱা বাটকে বাট বুলি যাতে যাব পাৰোঁ, তাকে ভগৱানৰ ওচৰত খাটোঁ। তেখেতে অসমীয়াৰ, অসমীয়া সভ্যতা প্ৰচাৰৰ কাৰণে যিখিনি কাম কৰি গ'ল, সেইটো বাহ্যিক দৃষ্টিৰ তুলাচালনীৰে জুখি চালে হয়তো একো নাপাব, কিন্তু দ'কৈ ভাবি চালে এইটো স্পষ্ট হৈ পৰিব যে তেখেতে অসম-অসমকৈ প্ৰাণ দিলে। এদিনাখন যেতিয়া অসমীয়া জাতিটো বৰ্তমানৰ তন্দ্ৰাগত অৱস্থাৰপৰা সম্পূৰ্ণ সজাগ হব, সঙ্কীৰ্ণতাক নিজ নিজ গাৰপৰা জাৰি-জোকাৰি পেলাবলৈ সমৰ্থ হব, সিদিনা তেওঁলোকে বুজিব সঁচাকৈ ঁমাধৱৰ স্থান অতি উচ্চত। ৰাজনীতিত তেখেতে ভাগ লৈছিল নে নাই মই কব নোৱাৰোঁ—কিন্তু আজি যদি কোনোবাই প্ৰশ্ন কৰে যে প্ৰকৃত অসমীয়া ৰাজনৈতিক ব্যক্তি কোন আছিল? মই অকণো দ্বিধা নকৰাকৈ, অসঙ্কোচে কম "দূৰদৰ্শী ৰাজনৈতিক ঁমাধৱচন্দ্ৰ বেজবৰুৱা, বি, এ, বি, এল, বাঁহীৰ সুযোগ্য সম্পাদক।"

---

* জাপডৌ—নগাপাহাৰৰ সৰ্বোচ্চ শৃঙ্গ।

এই চুটি প্ৰবন্ধৰ সামৰণি মৰাৰ আগতে আমাৰ ব্যক্তিগতভাবে কিমানদূৰ সম্বন্ধ আছিল তাকেই এই প্ৰবন্ধৰে সামৰণি মাৰিম।

এই সময়ত শ্ৰীমান ধনবাহাদুৰ (১) বন্ধুবৰে কৈছিল মাধৱদাদাই হেনো ধনৰ লগতে অসমীয়াৰ সংখ্যাৰ যাতে বেচি হয় তাৰ কাৰণে দৰং জিলাত প্ৰচাৰ কৰি ফুৰোঁতে কেতিয়াবা গছ-তলত, মুকলি আকাশৰ তলত আৰু কেতিয়াবা গোহালি-ঘৰত ৰাতি কটাব লগাত পৰিছিল।

এই হেন অক্লান্ত কৰ্মী দাদাই আমাৰ মনত আশাপূৰ্ণ চিঠিৰে উদ্যম জগাই নোতোলা হলে ১৯৪২ চনত যেতিয়া আমি সীমান্তলৈ গৈ শত্ৰুৰ ওচৰত 'ৰিফিউজী' কেম্প' পাতো, তেতিয়া আমাৰ কৰ্ম-ক্ষমতা তেনেই লোপ পালেহেঁতেন।

(১) ধনবাহাদুৰ সোণাৰ ঃ— কহিমাৰ আন এগৰাকী কৰ্মী; ডেকাবেজৰ প্ৰিয় সঙ্গী, শিষ্য আৰু সহকৰ্মী। শ্ৰীহৰিবিলাস হাজৰিকাদেৱৰ প্ৰবন্ধত স্থানান্তৰত 'সোণাৰ ভাইটি'ৰ কথা বিশেষভাৱে উল্লেখ কৰিছে। সোণাৰ ভাইটিক আৰু গোৰ্খাবায় দুয়োকো এদিন বিচাৰি বিচাৰি নগাপাহাৰত 'আবিষ্কাৰ' কৰিছিলোঁ। মণিপুৰত ডঃ লৈবেং সিং ইতিমধ্যে স্বৰ্গী হৈছে। লৈবেং সিং আৰু তেখেতৰ ডেকাবেজৰ ওপৰত লিখা প্ৰবন্ধ দুয়োটাকে হেৰুৱাই সম্পাদকে আজিও শোক অনুভৱ কৰিছে। শ্ৰীগোৰ্খাবায়ে এই প্ৰবন্ধটি ১৯৪৬ চনতে লিখি দিছিল। সোণাৰ আৰু বায়লৈ শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

সম্পাদক

মাধৱ বেজবৰুৱাক লগ পাইছিলোঁ

নীল ৰঞ্জন বৰঠাকুৰ

'Live dangerously'

–Jawharlal Nehru

মাধৱ বেজবৰুৱাক মই লগ পাওঁ এই শতিকাৰ তৃতীয় দহকত। কলেজত আমি একেটা ছাত্ৰাবাসতে আছিলোঁ। বেজবৰুৱাৰ বিষয়ে কেইটিমান বিক্ষিপ্ত ঘটনা তলত উল্লেখ কৰিছোঁ। মনৰপৰা কালে ম্লান কৰিব নোৱৰা দুটামান ঘটনা। এজন শক্তিশালী ব্যক্তিৰ জীৱনৰ সৰু সৰু ঘটনাবোৰেও সেই ব্যক্তিৰ চৰিত্ৰ আৰু জীৱনৰ আদৰ্শৰ সুস্পষ্ট আভাস দি যায়।

সেই যুগটো অসমীয়া জাতিৰ এটা গভীৰ অৱসাদৰ যুগ। জাতিটোৱে যেন আত্ম-প্ৰতিষ্ঠাৰ শক্তি আৰু চেতনা হেৰুৱাই পেলাইছিল। এটা মহিমাময় অতীতৰ কৰ্ম-ব্যস্ত জীৱনৰ অন্তত জাতিটোৰ জীৱনৰ দিগন্ত ব্যাপি আহিছিল এটা অলস ক্লান্তি। তেনে সময়তে নৱ জাগৰণৰ বাণী লৈ ওলাই আহিছিল ডেকাগিৰি (স্বৰ্গগত অম্বিকাগিৰি ৰায়চৌধুৰী), ডেকাফুকন (মহেন্দ্ৰনাথ ফুকন), আৰু ডেকাবেজ (স্বৰ্গগত মাধৱচন্দ্ৰ বেজবৰুৱা)। এই ত্ৰি-শক্তিয়ে সেইদিনাৰ তৰুণ জন-মানসত এটা নতুন আলোড়ণ আনিবলৈ সমৰ্থ হৈছিল। ডেকাবেজৰ এই অসম-প্ৰীতিত অকণো সংকীৰ্ণতা নাছিল। তেওঁ ভাবিছিল, এখন উন্নত ভাৰতবৰ্ষত এখন অনুন্নত অসম থাকিব নোৱাৰে। এবাৰ ৰঙিয়াত হোৱা এখন ৰাজহুৱা সভাত সেইদিনৰ কংগ্ৰেছৰ সভাপতি জৱাহৰলাল নেহেৰুৰ আগত প্ৰকাশ্যে ডেকাবেজে অভিযোগ কৰিছিল যে কংগ্ৰেছে অসমৰ কথা যথাযথ ভাবে চিন্তা কৰা নাই। ঐতিহাসিক নেহৰুৰ খংটোও তেতিয়া আছিল ঐতিহাসিক। তেওঁ তেওঁৰ স্বভাৱগত খঙেৰেই ডেকাবেজক উদাৰ দৃষ্টি-ভঙ্গি গঢ়ি তুলিবলৈ কয়। উত্তৰত ডেকাবেজে কৈছিল "We do not want to see the Congress

Flag flutter upon the dead bodies of Assamese people.'' তাকে কৈ উছাহ্ মাৰি নেহেৰুৰ ওচৰৰপৰা তেওঁ আঁতৰি গৈছিল। নেহেৰুৰ দৃষ্টিয়ে এই জনতাৰ মাজতো এই মুগাৰ পাঞ্জাবী পৰিহিত আৰু মূৰত পাগুৰীৰে সুদৰ্শন ডেকাজনক অনুসৰণ কৰিছিল। কিছু সময়ৰ পিছত নেহেৰুৱে হাত-বাউল দি ডেকাবেজক ওচৰলৈ মাতি আনি বহুত কথাই শান্ত ভাৱে আলোচনা কৰিলে। আলোচনাৰ শেহত ডেকাবেজে তেওঁৰ প্ৰসিদ্ধ অট'গ্ৰাফৰ বহীটো আগবঢ়াই দিয়াত নেহেৰুজীয়ে তাত লিখিছিল, "Live dangerously" –Jawaharlal Nehru'.*

ঘৰত ভাৰ্য্যা আৰু ছোৱালী কেইটিক অসমীয়া ভাষা নিশিকোৱাৰ কাৰণে ডেকাবেজে তেওঁৰ দদায়েক ৺ৰসৰাজ বেজবৰুৱাকো মনে মনে ক্ষমা কৰা নাছিল। এবাৰ প্ৰজ্ঞাসুন্দৰী দেবী (ৰসৰাজ ৺বেজবৰুৱাৰ ভাৰ্য্যা) গুৱাহাটীলৈ আহি প্ৰিন্সিপাল জে. বৰুৱাৰ ঘৰত আলহী আছিলহি। ডেকাবেজে তেখেতক লগ ধৰিবলৈ গ'ল। লগতে মোকো লৈ গৈছিল। ডেকাবেজে মুকলিভাৱেই অভিযোগ কৰিলে, "খুৰী, আপুনি কিন্তু সোনকালে অসমীয়া ভাষা শিকি লব লাগিব।" প্ৰজ্ঞাসুন্দৰীয়ে হাঁহি মাৰি কলে, "তুমি শিখিয়ে দাওনা, বাবা।" ডেকাবেজে টপৰাই কৈছিল, "মই শিকাই দিম; কিন্তু খুৰী, এইবাৰ অসমলৈ আকৌ আহোঁতে আপুনিতো অসমীয়া কব লাগিবই, অসমীয়া সাজ-পাৰো পিন্ধি আহিব লাগিব।" ডেকাবেজৰ সেই সপোন ফলিয়ালে নে নাই মই নেজানোঁ।

তাৰ পিছত অসমত বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে কি যে অমানুষিক পৰিশ্ৰম ডেকাবেজে নকৰিছিল। বিৰাম নাই, বিৰতি নাই—কেতিয়াবা আহাৰ মুঠিও নাই। এবাৰ দুৰ্বাৰ ধুমুহাৰ কাৰণে অৰ্থ সংগ্ৰহ কৰি। আৰু এই অদম্য উদ্যমৰ শেষ পুৰস্কাৰ নিয়তিৰ পৰা পালে যক্ষ্মাৰোগ। এবাৰ লক্ষ্ণৌৰ এটা ছাত্ৰ সমাবেশত ডেকাবেজক ছাত্ৰসকলে অনুৰোধ কৰিলে এটা অসমীয়া গীত শুনাবৰ বাবে। ডেকাবেজ সঙ্গীতজ্ঞ বা গায়ক নাছিল। তথাপি মনৰ দৃঢ়তাৰে 'অ' মোৰ আপোনাৰ দেশ' গীতটি ডেকাবেজে পৰিবেশন কৰিলে। তাত উপস্থিত থকা এজনে আমাক পিছত কৈছিলযে সেইদিনাৰ অসমীয়া নুবুজা ছাত্ৰৰ দলটি

---

* পৰিশিষ্টত ডেকাবেজে নেহেৰুজীক প্ৰদান কৰা ঐতিহাসিক 'মেমৰেণ্ডম'খন দিয়া হৈছে।
— সম্পাদক

ডেকাবেজৰ আন্তৰিকতাত মুগ্ধ হৈছিল।

ভাৰতত বিভিন্ন ঠাইত ভ্ৰমি নিজৰ অভিজ্ঞতাৰ দিগন্ত প্ৰসাৰিত কৰাৰ উপৰিও বিভিন্ন ঠাইৰ খ্যাতনামা লোকসকলক ব্যক্তিগতভাৱে লগ ধৰাটো ডেকাবেজৰ দ্বিতীয় স্বভাৱ আছিল। এই ভ্ৰমণকাহিনী তেওঁ লিপিবদ্ধ কৰিছিল। কাহিনীৰ নাম দিছিল 'দিহিঙেদিপাঙে'। তাৰ দুই এটা খণ্ড 'আৱাহন'ত প্ৰকাশিত হৈছিল। এবাৰ ডেকাবেজ ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনৰ ঘৰত আলহী হ'লগৈ। ৰাতিপুৱা শুই উঠাত ডঃ ৰাধাকৃষ্ণনে ডেকাবেজক কলে, "কালি আমাৰ ঘৰত আৰু এজন বিশিষ্ট অতিথি আহি আছেহি, আহাঁ, তোমাৰ লগত চিনাকি কৰি দিওঁ।" ডেকাবেজক এজন আড়ম্বৰহীন ব্যক্তিৰ কাষলৈ লৈ গৈ ডঃ ৰাধাকৃষ্ণনে চিনাকি কৰি দিলে, "এখেত চন্দ্ৰশেখৰ ভেঙ্কট ৰমন।" ডেকাবেজৰ চকু থিয় হ'ল। সন্মুখত নবেল বঁটা-বিজয়ী ৰমন। শ্ৰদ্ধাৰে ডেকাবেজে তেওঁৰ অট'গ্ৰাফৰ বহীখন আগবঢ়াই দিলে। ৰমনে অট'গ্ৰাফৰ বহীখনত 'ৰমন এফেক্ট'ৰ এটা চিত্ৰ আঁকি তাৰ তলত নিজৰ নামটি লেখি দিলে।

ডেকাবেজৰ অট'গ্ৰাফৰ বহীখন তেওঁৰ কাৰণে এটা বহুমূলীয়া সম্পত্তি আছিল। শুনিছোঁ, এতিয়া সেই বহী অসমৰ যাদুঘৰতে আছে। যাদুঘৰত সন্মানৰ স্থান এটি লাভ কৰাৰ অধিকাৰ এই বহীখনৰ সঁচাকৈ আছে। গান্ধীজীৰ অট'গ্ৰাফ লোৱাটো এটা উল্লেখযোগ্য কথা। গুৱাহাটী ৰেল-ষ্টেচনত বিৰাট জনসমাগম। ৰেলৰ তৃতীয় শ্ৰেণী এটাত বহি আছে মহাত্মা গান্ধী। ওচৰ চাপিবৰ উপায় নাই। কিন্তু ডেকাবেজৰ গতিক প্ৰতিহত কৰা সহজ কথা নহয়। মানুহৰ ভিৰৰ মাজেদি ৰেলৰ কোঠাত সোমাল। বাধা পাইছিল, নামানিলে। গান্ধীলৈ ডেকাবেজে বহীটো আগবঢ়াই দিলে। গান্ধীয়ে তেতিয়া হৰিজনৰ পুঁজিলৈ অৰ্থ সংগ্ৰহ কৰি ফুৰিছিল। বহীটো আগত লৈ গান্ধীয়ে ডেকাবেজৰ পিনে কিহবাৰ আশাত হাতখন মেলি দিলে। ডেকাবেজে বুজিলে—ধন লাগে হৰিজন পুঁজিৰ কাৰণে। ডেকাবেজে ততাতৈয়াকৈ পাঁচোটা টকা আগবঢ়ালে। গান্ধীজীয়ে ডেকাবেজক হিন্দীৰে কলে অসমীয়া আখৰত গান্ধীজীৰ নামটো এখন সুকীয়া কাগজত লেখি দিবলৈ। ডেকাবেজে লেখিলে মোঃ কঃ গান্ধী'। তাকে চাই চাই গান্ধীজীয়ে নিজৰ নামটো অসমীয়া আখৰেৰে অট'গ্ৰাফৰ বহীত লিখি দিলে। ডেকাবেজে বিচাৰিলে গান্ধীজীৰ বাণী এটা বাণী। গান্ধীজীয়ে আকৌ হাত পাতিলে। ডেকাবেজে এইবাৰ

দহটকা গান্ধীজীৰ হাতত গুজি দিলে। গান্ধীজীয়ে গীতাৰ শ্লোক এটা হিন্দী আখৰেৰে লিখি দিলে ডেকাবেজৰ বহীত। বিজয়ীৰ হাঁহি লৈ ডেকাবেজ ৰেলৰ কোঠাৰপৰা নামি আহিল। ডেকাবেজৰ নিৰ্ভিকতাই দেশ আৰু বিদেশৰ বহুতো মনীষীৰ নিবিড় সান্নিধ্যলৈ অহাত ডেকাবেজক সহায় কৰিছিল।

সেইদিনৰ কটন কলেজৰ স্বনামধন্য অধ্যাপকসকলৰ বহুতেই আছিল বঙলা ভাষা-ভাষী। অসমত প্ৰায় আজীৱন থাকিও তেখেতসকলে কেতিয়াও অসমীয়া ভাষা নকৈছিল। বহুতো ছাত্ৰই অধ্যাপকৰ স্নেহধন্য হবৰ আশাৰে অধ্যাপকসকলৰ লগত বঙলাতে কথা পাতিছিল। ডেকাবেজে এই কথা সহিবলৈ টান পাইছিল। কোনো দিনাই ডেকাবেজে কোনো অধ্যাপকৰ লগত অসমীয়া বা ইংৰাজীৰ বাহিৰে অন্য ভাষাত কথা নকৈছিল। কলেজ ইউনিয়নৰ সম্পাদক হোৱাৰ কাৰণে অন্য ছাত্ৰতকৈ ডেকাবেজ অধ্যাপকসকলৰ বেছি ঘনিষ্ঠতাত আহিব লগা হৈছিল। তথাপি ভাষা সম্পৰ্কে নিজৰ মত ডেকাবেজে চিৰদিনেই অটুট ৰাখিছিল। মোক এদিন প্ৰকাশ্যে তেখেতে কৈছিল "বঙালী ভাষাক মই ঘিণ নকৰোঁ—কিন্তু বঙালী ভাষাই অসমীয়া ভাষাক শ'লঠেকত পেলাবলৈ কৰা চেষ্টাক মই ঘিণ কৰোঁ"। বাঁহীৰ সম্পাদনাৰ দায়িত্ব লৈ যেতিয়া ডেকাবেজ কলিকতাত আছিল (সেইসময়ত ময়ো কলিকতাত আছিলোঁ), তেওঁ কেতিয়াও কাৰো লগত বঙালী ভাষাৰে কথা নকৈছিল। ছপাশালৰ বা বাঁহী সম্পাদনাৰ সম্পৰ্কৰ লোকসকলে তেওঁক 'বেজবৰুৱা চাহাব' বুলিছিল। কোনোবাই 'বাবু' বুলিলে তেওঁ উত্তেজিত হৈ পৰে। এই অভ্যাস তেতিয়াৰ সকলো অসমীয়া ছাত্ৰৰে অন্ততঃ কলিকতাত আছিল। আগতে উল্লেখ কৰি আহিছোঁ যে ডেকাবেজৰ অসম প্ৰেমত অকণো সংকীৰ্ণতাৰ দাগ নাছিল। সামগ্ৰিক ভাৰতৰ কল্যাণ আৰু গৌৰৱেই ডেকাবেজৰ চিৰকাম্য আছিল। ভাৰতৰ মুক্তি-ৰণৰ উদ্দীপ্ত আহ্বানত থিৰেৰে থাকিব পৰা নাছিল এই ডেকাবেজ। ১৯৩০ চনত কটন কলেজৰ সন্মুখত কলেজত উপস্থিত থকাৰপৰা বিৰত থাকিবলৈ 'পিকেটিং' আৰম্ভ হ'ল। তাৰ নেতৃত্ব ললে তেতিয়া প্ৰথম নে দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ মাধৱ বেজবৰুৱাই। কলেজৰ শৃঙ্খলাৰ বেলিকা, অন্ততঃ কটন কলেজত, তেতিয়া সামৰিক আইনৰ দৰে কঠোৰ নিয়মৰ ব্যৱস্থা আছিল। কলেজৰ সমুখৰ বাটলৈ সদম্ভে আগবাঢ়ি গ'ল সেইদিনৰ ইউৰোপীয় অধ্যক্ষ। বজ্ৰ-কণ্ঠেৰে ডেকাবেজক

আঁতৰি যাবলৈ আদেশ দিলে। কিন্তু ডেকাবেজ নির্ভিক, স্থিৰ। অধ্যক্ষই গৰজি উঠিল, “Do you know what is the reward for this? Rustication from the College.” ডেকাবেজৰ পৰা উত্তৰ আহিল, “Thankfully accepted.”

এনে বৈচিত্ৰ্যময় জীৱনেই আছিল ডেকাবেজৰ। ডেকাবেজ আছিল যৌৱনৰ অদমনীয় উদ্যমৰ এটি সজীৱ প্ৰতীক। এখন গৌৰৱময় ভাৰতত এখনি মহিমাময় অসমৰ সপোনকে লৈ এই অক্লান্ত, নির্ভিক তৰুণে অকাল-মৃত্যুৰ পশ্চাৎঘাটী আক্ৰমণত হাৰ মানিলে। অকালতে হেৰাই গ'ল অসমৰ কল্যাণকামী এটা বিৰাট সম্ভাৱনাময় শক্তি। ডেকাবেজৰ ডেকা তেজৰ স্মৃতি দীৰ্ঘজীৱি হওক।

শ্ৰদ্ধেয় ঁমাধৱ বেজবৰুৱা

মদন চন্দ্ৰ বৰুৱা

১৯৩০ চনত নাজিৰা হাইস্কুলৰপৰা প্ৰবেশিকা পাছ কৰি গুৱাহাটীৰ কটন কলেজত কলেজীয়া জীৱন আৰম্ভ কৰা কালতে ঁমাধৱ বেজবৰুৱাৰ সংস্পৰ্শলৈ আহোঁ। তেতিয়া তেখেতে দ্বিতীয় বাৰ্ষিক শ্ৰেণীত পঢ়া এজন বিজ্ঞানৰ ছাত্ৰ। কলেজৰ নৱাগত আদৰণী সভা, সঙ্গীত-সমাৰোহ, বাৰ্ষিক খেল-ধেমালিৰ প্ৰতিযোগিতা, সৰস্বতী পূজা, শঙ্কৰদেৱ, মাধৱদেৱ দুজনাৰ তিথি, জন্মাষ্ঠমী, বনভোজ আদি সকলো কাম-কাজত ঁমাধৱ বেজবৰুৱাক কটন কলেজৰ এজন আগ শাৰীৰ ছাত্ৰ-নেতা হিচাবে আগভাগ লোৱা দেখা পাইছিলোঁ। তাৰ উপৰি প্ৰত্যেক 'মেচতে' (হোষ্টেলত) আয়োজন কৰা নৱাগত সন্মিলন আৰু সঙ্গীত-সমাৰোহবিলাকতো ঁমাধৱ বেজবৰুৱাদেৱৰ উপস্থিতি সকলোৰে চকুত পৰিছিল।

সেই সময়ত কটন কলেজৰ ছাত্ৰসকলৰ মাজত এটা ৰীতি আছিল যে প্ৰত্যেক ছাত্ৰই এবছৰ ওপৰ হলেও ওপৰ শ্ৰেণীৰ ছাত্ৰসকলক অধ্যাপকসকলক দেখুওৱা সন্মানৰ দৰে সন্মান কৰিছিল। সেই ৰীতি অনুসৰিয়েই আমি প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰস- -ল মাথোন এবছৰৰ ওপৰ হলেও দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰসকলক কিছু সমীহ কৰি চলিছিলোঁ। কাজেই ঁমাধৱ বেজবৰুৱাদেৱৰ ক্ষেত্ৰত তেখেতক বন্ধু হিচাবে ব্যৱহাৰ নকৰি জ্যেষ্ঠ সহোদৰ হিচাবে এখন সন্মানিত আসন হে দিছিলোঁ।

সেইসময়ত কটন কলেজৰ বুৰঞ্জীত আৰু এটা কথা লক্ষ্য কৰিছিলোঁ যে অসমৰ একমাত্ৰ চৰকাৰী আৰু পূৰ্ণাঙ্গ কলেজ হিচাবে কটন কলেজত অধ্যয়ন কৰিবলৈ অসমৰ উজনি নামনি সকলো অঞ্চলৰে ছাত্ৰ গোট খাইছিলহি। গতিকে ওপৰ অসমৰ ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, মধ্য অসমৰ নগাওঁ, তেজপুৰ আৰু নামনি অসমৰ বৰপেটা, গোৱালপাৰা, ধুবুৰী আদি ভিন ভিন অঞ্চলৰপৰা অহা ছাত্ৰসকলে বছেৰেকত গুৱাহাটী চহৰত একোখনকৈ প্ৰীতিসন্মিলন পাতিছিল। সেইমতে শিৱসাগৰ অঞ্চলৰপৰা যোৱা ছাত্ৰসকলৰ প্ৰীতি-সন্মিলনখনিৰ বাবে সকলো যা-যোগাৰ শিৱসাগৰীয়া ছাত্ৰ শ্ৰীযুত বিবেকানন্দ

ভঁৰালী; (বৰ্ত্তমান প্ৰপাইটৰ, ভঁৰালী ব্ৰাদাৰ্স এণ্ড কোং, গুৱাহাটী) আৰু ˘মাধৱ বেজবৰুৱাদেৱেই কৰিছিল। সেইসময়ত গুৱাহাটীৰ নিজ প্ৰেছৰপৰা প্ৰকাশ হোৱা 'নতুন অসমীয়া' কাগজখনৰ সম্পাদক ˘পদ্মধৰ চলিহাদেৱে প্ৰীতি-সন্মিলনখনিৰ গুৰি ধৰিছিল। আমি নাজিৰাৰপৰা যোৱা দহ-বাৰ জন ছাত্ৰইও এইখন প্ৰীতি-সন্মিলনতে সহযোগে কৰিছিলোঁ। এই প্ৰীতি-সন্মিলনত ˘চলিহাদেৱৰ ওজস্বিনী ভাষাৰে দিয়া বক্তৃতাসমূহ আৰু ˘মাধৱচন্দ্ৰ বেজবৰুৱাদেৱৰ তেজ উতলা বক্তৃতাবোৰ আজিও কাণত বাজি থকা যেন লাগে।

১৯৩৩ চনত ˘মাধৱ বেজবৰুৱাদেৱ কটন কলেজ ছাত্ৰ ইউনিয়নৰ সম্পাদক নিৰ্বাচিত হয়। ইউনিয়নৰ সম্পাদক হোৱাৰ পিছৰপৰা ˘বেজবৰুৱাই গাত মুগাৰ পাঞ্জাবী আৰু মূৰত এটা মুগাৰ পাগুৰি নমৰাকৈ ফুৰা-চকা কৰা দেখা নগৈছিল। উজানবজাৰৰ শ্ৰদ্ধেয় মহেন্দ্ৰনাথ ডেকাফুকন আৰু কটন কলেজৰ মাধৱ বেজবৰুৱা—(সেই সময়তে 'ডেকাবেজ' বুলি জনাজাত) দুয়ো নলে-গলে লগা বন্ধু আছিল। গুৱাহাটীৰ ৰাজহুৱা সভা-সমিতিত মূৰত মুগাৰ পাগুৰিৰে মাধৱ বেজবৰুৱা আৰু মূৰত এটা ফুলাম জাপি আৰু গাত মুগাৰ চোলা-চুৰিয়াৰে ডেকাফুকনদেৱৰ উপস্থিতি আৰু তেজউতলা বক্তৃতাবোৰ সেই সময়ৰ ডেকা-চামৰ বৰ প্ৰিয় আছিল।

১৯৩৪ চনত মাধৱ বেজবৰুৱা বিজ্ঞানৰ এজন স্নাতক হৈ অসম চৰকাৰৰ জলপানি লৈ, কলিকতাৰ শিবপুৰ ইঞ্জিনীয়াৰিং কলেজত পঢ়িবলৈ যোৱাৰপৰা আমাৰ লগত সম্বন্ধ প্ৰায় ছেদ হোৱাৰ দৰে হ'ল।

১৯৩৬ চনৰ এপ্ৰিল মাহত গুৱাহাটীৰ শ্ৰীযুত বিবেকানন্দ ভঁড়ালীদেৱৰ দোকানত এদিন হঠাৎ বেজবৰুৱাৰ লগত দেখা হয়। সেইদিনা মোৰ সহপাঠী বন্ধু ডিব্ৰুগড়ৰ শ্ৰীডিম্বেশ্বৰ কোঁৱৰ (বৰ্ত্তমান অৱসৰপ্ৰাপ্ত এ. এচ. পি.)ৰ লগত খোজকাঢ়ি গোটেই অসমখন এবাৰ ভ্ৰমণ কৰা বিষয়ে আলোচনা কৰি ফুৰি ফুৰোঁতে গৈ গৈ পানবজাৰৰ শ্ৰীযুত ভঁৰালী ডাঙৰীয়াৰ দোকানতে ˘বেজবৰুৱাক লগ পাওঁ। প্ৰায় দুবছৰৰ মূৰত ˘বেজবৰুৱাদেৱক লগ পাই তেখেতৰ কলিকতাৰ জীৱনৰ বিষয়ে বহুতো কথা পাতিলোঁ। কথা প্ৰসঙ্গত তেখেতে ˘লক্ষ্মীনাথ বেজবৰুৱাৰদেৱৰ 'বাঁহী' কাকতখন পুনৰ প্ৰকাশ কৰাৰ ইচ্ছাৰ কথা কলে। লগতে আমাৰ পদব্ৰজে অসম ভ্ৰমণৰ ইচ্ছাৰ কথা কবলৈ হে পালোঁ—˘বেজবৰুৱাই আনন্দতে জাপ মাৰি উঠি চিঞৰিবলৈ ধৰিলে— "Bravo, young

Cottonians! I wish all success to your adventure." —ইত্যাদি উৎসাহ বাণীৰে আমাক উৎসাহিত কৰিবলৈ আৰম্ভ কৰিলে। তাতোকৈ ডাঙৰ কথা হ'ল, ঠিক তিন দিনৰ পিছতে সেই সময়ত যোৰহাটৰ ৰঙ্গাজানৰপৰা শ্ৰদ্ধেয় ককা নীলমণি ফুকনদেৱৰ সম্পাদনাত ওলোৱা 'দৈনিক বাতৰি' কাগজত ডাঙৰ ডাঙৰ হৰফেৰে বাতৰি ছপা হৈ প্ৰকাশ পালে—**"ডেকা কটনিয়ানৰ পদব্ৰজে অসম ভ্ৰমণ"**। দৈনিক বাতৰিত এই বাতৰি দেখি আমাৰ বুজিবলৈ বাকি নাছিল যে এই কাম ডেকাবেজ মাধৱ বেজবৰুৱাৰ বাহিৰে আনৰ নহয়। 'পদব্ৰজে অসম ভ্ৰমণ'ৰ কোনো যা-যোগাৰ নৌ-হওঁতেই 'দৈনিক বাতৰি'ৰ বাতৰিয়ে আমাক অসমৰ একেব্যুৰে পূব প্ৰান্তত অৱস্থিত শদিয়ালৈকে খোজকাঢ়ি ভ্ৰমণ কৰাৰ অভিজ্ঞতা আৰু বাটত অনেক গাঁও-ভূঁই নগৰ-চহৰত পোৱা আদৰ অভ্যৰ্থনাৰ অভিজ্ঞতা আদি সকলোখিনি লাভ কৰাৰ একমাত্ৰ উৎস ঁমাধৱ বেজবৰুৱাদেৱৰ উৎসাহ আৰু উদ্দীপনাই বুলি স্বীকাৰ কৰিব লাগিব।

সঠিক চন-তাৰিখ পাহৰিলোঁ, 'বাঁহী' আলোচনীখন পুনৰ প্ৰকাশৰ দায়িত্ব লৈ দুটামান সংখ্যা প্ৰকাশ কৰাৰ পিছতে প্ৰবন্ধ বিচাৰি আৰু 'বাঁহী'ৰ গ্ৰাহক সংগ্ৰহ কৰিবলৈ ঁবেজবৰুৱাদেৱৰ দুখন চিঠি পাইছিলোঁ। কিন্তু বৰ পৰিতাপৰ কথা যে আজি কেইবা দিনো পুৰণি 'ফাইল' আদি খুঁচৰি-মুচৰি বিচাৰিও ঁবেজবৰুৱাদেৱৰ সেই চিঠি দুখন বিচাৰি পোৱা নাই। তাৰ পিছত তেখেতৰ অসুখৰ কাল-ছোৱাত তেখেতৰ ঘৰত খবৰ-খাতি লৈ থকাৰ বাহিৰে তেখেতৰ লগত পোণ-পটীয়া ভাৱে বিশেষ কোনো যোগাযোগ নাছিল বুলিলেই হয়।

ডেকাকালত ঁবেজবৰুৱাদেৱৰ সংগঠন শক্তি সকলোৰে আকৰ্ষণৰ বিষয় আছিল। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কাৰ্য্যত ঁবেজবৰুৱাদেৱৰ অক্লান্ত পৰিশ্ৰম আৰু অসমৰ নগৰ-চহৰ আনকি ভিতৰুৱা গাঁও-ভূঁই অঞ্চলতো বিশ্ববিদ্যালয় এটা স্থাপনৰ বাবে ধন সংগ্ৰহ কৰি ফুৰা আশাশুধীয়া যত্নৰ কথা সুঁৱৰিয়েই অসমবাসী ৰাইজে ঁমাধৱ বেজবৰুৱাক সতকাই পাহৰিব নোৱাৰে। গুৱাহাটী বিশ্ববিদ্যালয় থাকে মানে অসমবাসীৰ অন্তৰত এটি সৰু তৰাৰ দৰে ঁমাধৱ বেজবৰুৱাৰ স্মৃতিও জিলিকি থাকিব।

মাধৱ বেজবৰুৱাৰ অস্পৃশ্যতাৰ বিৰুদ্ধে যুঁজ ঃ— কটন কলেজত পঢ়া অৱস্থাত মই ২নং 'মেচ'ৰ তৃতীয় ব্লকত আছিলোঁ। সেই সময়ত ২নং মেচত দুটা 'ডাইনিং হল' আছিল। এটা আছিল তপশীল শ্ৰেণীভুক্ত ছাত্ৰসকলৰ বাবে

আৰু আনটো আছিল অন্যান্য হিন্দু ল'ৰাবোৰৰ বাবে। আমি নতুন ছাত্ৰবোৰে এই কথাটো দেড়মাহ মানলৈকে জনা নাছিলোঁ। এদিন যেতিয়া কথাটো শুনিলোঁ বৰ আচৰিত হলোঁ। সেইদিনা গধূলি কথাটো লক্ষ্য কৰিলোঁ। সঁচাকৈ ভাল খোৱা ঘণ্টা পৰাৰ লগে লগে লৰাবোৰ যেতিয়া ডাইনিং হললৈ যায় (সেই সময়ৰ চতুৰ্থ বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ ৺ৰামনাথ দাস, অসমৰ প্ৰাক্তন মন্ত্ৰী, দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ শ্ৰীপদ্মপলাশ লোচন সেনাপতি, বৰ্ত্তমান অৱসৰপ্ৰাপ্ত ডেপুটি ইন্সপেক্টৰ) দেৱকে আদি কৰি সাত-আঠ জনমান ল'ৰাই বেলেগ এটা সৰু 'ডাইনিং হল'ত ভাত খালেগৈ। এই কথাত আমি প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ল'ৰা কেজনমানে প্ৰথমে মাধৱ বেজবৰুৱাদেৱৰ কাণ চোৱালোঁ। তেখেতে তেতিয়া ১নং ব্লকত অৰ্থাৎ ১নং মেচত আছিল। তেখেতে কথাটো জানিছিল যদিও একো কৰা নাছিল। আমাৰ দৰে নতুন ছাত্ৰ কেইজনমানৰপৰা যেতিয়া এই আপত্তি শুনিলে তেখেতে সোনকালেই দ্বিতীয় ডাইনিং হল উঠাই দিয়াৰ যত্ন কৰিব বুলি আমাক আশ্বাস দিলে। কেইদিনমানৰ পিছত দেখিলোঁ এই বিষয়টো আলোচনা কৰিবলৈ ২নং মেচত এদিন গধূলি বিৰাট সভা বহিল। আমাৰ ২নং মেচৰ সকলো ছাত্ৰই ২নং 'ডাইনিং হল' উঠাই দিব লাগে বুলি একমুখে দাবী জনালে। মাথোন দুজনমান ছাত্ৰই ২নং 'ডাইনিং হল' থাকিবই লাগিব বুলি প্ৰতিবাদ জনালে। মাধৱ বেজবৰুৱাই—যদিও ২নং মেচত নাথাকে, এই মেচৰ ভালেকইজন ল'ৰাৰ সহযোগত সভাখন আয়োজন কৰিছিল। যি দুজন ছাত্ৰই আপত্তি কৰিছিল তেওঁলোকৰ এজন বৰ্ত্তমান এই সংসাৰত নাই। আনজন বৰ্ত্তমান অসম চৰকাৰৰ উচ্চ খাপৰ বিষয়া। (নাম কেইটা উল্লেখ নকৰিলোঁ।) তুমুল হৰ্ষধ্বনিৰ মাজত প্ৰস্তাৱ গৃহীত হ'ল আৰু পিছদিনাই সেই প্ৰস্তাৱ লৈ ২নং মেচৰ সেই সময়ৰ চুপাৰিণ্টেণ্ডেণ্ট অধ্যাপক বিজয়চন্দ্ৰ সেনগুপ্ত আৰু কটন কলেজৰ অধ্যক্ষ টমচন চাহাবৰ ওচৰলৈ মাধৱ বেজবৰুৱা আৰু ভালেমান ছাত্ৰ গ'ল। তেখেতসকল দুয়োজনে কথাটো শুনি আনন্দ প্ৰকাশ কৰিলে। সেই ১৯৩১ চনৰপৰা কটন হোষ্টেল ২নং মেচৰ ২নং 'ডাইনিং হল' চিৰকালৰ বাবে বন্ধ হ'ল। এই কৃতিত্বৰ বাবে অন্য ভালেকেজন ছাত্ৰৰ লগতে মাধৱ বেজবৰুৱাও এজন সৎসাহসী ছাত্ৰ-নেতা বুলি গণ্য হৈছিল।

খোৱা খাটৰ পৰা শ্ৰদ্ধেয় মদন চন্দ্ৰ বৰুৱাদেৱে এই টোকাটো ১৮-৯-৭০ তাৰিখে লিখি আমালৈ প্ৰেৰণ কৰি ভেকাবেজৰ জীৱনীখন শোভন কৰিছে।

মাধৱ বেজবৰুৱাৰ সোঁৱৰণী

গুনীন্দ্র চন্দ্র হাজৰিকা

"Assam will secede from India."

তেওঁ উচপ্ খাই উঠিল, মুখলৈ চালে। মুখত প্ৰকাণ্ড পাগ, পুৰুষোচিত মুখমণ্ডল, সুঠাম স্বাস্থ্য, চকুত বিজুলীৰ চমকনি সদৃশ চাৱনি। বয়সত তেনেই তৰুণ অথচ ইমান সাহস, ইমান দাম্ভিকতাপূৰ্ণ প্ৰত্যুত্তৰ। তেওঁৰ খং উঠিল, ক্ষোভ আৰু বিস্ময়ত চিঞৰি উঠিল, "Go to hell!"

আৰু সেই যুৱকজন, তেওঁ কোনো দিনে 'কম্প্ৰমাইজ' কৰা নাই। আজিও নকৰে। এক আপোচহীন চাৱনিৰে তেওঁ চাই পঠিয়ালে সেই জন-নেতাজনলৈ। জন-নেতাজনৰ অন্তৰ কুমলিছিল, পুব-প্ৰান্তৰ এখন সৰু প্ৰদেশৰ যুৱকজনৰ অদম্য সাহস দেখি। সেইদিনা যুৱকজন আপোচ নকৰাকৈ আঁতৰি গৈছিল নিজ সংকল্প পৰিত্যাগ নকৰাকৈ।

এয়া এটি সৰু ঘটনা, মাধৱ বেজবৰুৱাৰ বিচিত্ৰ বহুৰঙী জীৱনৰ এটুকুৰা ছবি। মই তেওঁৰ এজন সহপাঠীৰ মুখে শুনিছিলোঁ। (স্বৰ্গীয় নিৰ্মলেশ্বৰ শৰ্মা) ৰাজনৈতিক ভ্ৰমণত নেহেৰু এবাৰ অসমলৈ আহোতে 'লাইন চিষ্টেম' সম্পৰ্কীয় কথাত মাধৱ বেজবৰুৱাই নেহেৰুক প্ৰতিবাদ কৰি তেনেদৰে কৈছিল। অসমৰ কাৰণে, অসমীয়াৰ কাৰণে মৰিব পৰা সেই মানুহজনেই মাধৱ বেজবৰুৱা। অসমীয়া মানুহৰ স্বাৰ্থৰ হকে জন-নেতা নেহেৰুৰ আগত বলিষ্ঠ ভাষাৰে কোৱা সেই জনেই বেজবৰুৱা।·(পৰিশিষ্টত নেহেৰুজীলৈ দিয়া মেম'ৰেণ্ডমখন দ্ৰষ্টব্য— সম্পাদক)।

শিৱসাগৰ চৰকাৰী হাইস্কুল আৰু কটন কলেজৰ বৈচিত্ৰ্যময় চৰিত্ৰৰ অধিকাৰী ছাত্ৰজন, আটাইৰে অন্তৰ-ভৰা শ্ৰদ্ধা আৰু মৰম পোৱা ল'ৰাজনেই

মাধৱ বেজবৰুৱা। কৈশোৰ আৰু যৌৱনৰ নিষ্ক্রমণত বয়স প্রাপ্তিৰ দোমোজাত বহুতৰ জীৱনলৈ পৰিবৰ্তন আহে। সেই ঠিক একেধৰণৰ পৰিবৰ্তন মাধৱ বেজবৰুৱাৰ জীৱনলৈও আহিছিল। শিৱসাগৰৰ বিনন্দ বেজবৰুৱাৰ দ্বিতীয় সন্তান মাধৱ বেজবৰুৱাই জীৱনৰ প্ৰথম ছোৱাত প্ৰখৰ বুদ্ধি-দীপ্ততাৰ পৰিচয় দিব পৰা নাছিল। তেওঁ 'চিৰিয়াছ' কিবা এটা কৰিব পাৰিব বুলি তেওঁৰ তেতিয়াৰ সহপাঠীসকলে উমান পোৱাও নাছিল। স্কুলীয়া জীৱনত পিছত পৰিবৰ্তন আহিছিল—যেনেকৈ শ্ৰেণীৰ শেষ বেঞ্চত বহি কাজিয়া কৰি শিক্ষকৰ অপ্রিয়ভাজন হোৱা বিছমাৰ্ক এদিন পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ ৰাজনীতি-বিদ্ হিচাবে পৰিগণিত হৈছিল আৰু যেনেকৈ এটা সময়ত শিক্ষকৰ চকুত 'হপলেচ বয়' লৰ্ড নৰ্থক্লিফ পিছত ইংলেণ্ডৰ সংবাদ-সেৱী জগতৰ আটাইতকৈ প্ৰয়োজনীয় আৰু সন্মানিত ব্যক্তি হিচাবে পৰিগণিত হৈছিল। মাধৱ বেজবৰুৱাইও তেনে এক বৈচিত্র্যময় জীৱনৰ অধিকাৰী আছিল।

যেতিয়া শিৱসাগৰ হাইস্কুলত শিক্ষা সাং কৰি মাধৱ বেজবৰুৱাই কটন কলেজত যোগদান কৰিলে তেতিয়া আৰু তেওঁ আগৰ মাধৱ হৈ থকা নাছিল। ৰাজনৈতিক ভাৱে তেওঁ তেতিয়া যথেষ্ট সচেতন। পৰাধীন দেশ-মাতৃকাৰ মুক্তি-চিন্তাত তেওঁ তেতিয়া বিয়াকুল। বহুতে আশা কৰাৰ দৰেই মাধৱে এদিন কটন কলেজ ছাত্ৰ সন্থাৰ সম্পাদক হ'ল। কটন কলেজৰ বহু বছৰীয়া দীঘলীয়া ইতিহাসত মাধৱ বেজবৰুৱাৰ বৰঙণি কিছু বৈ গ'ল। মহেন্দ্ৰনাথ ডেকাফুকনৰ সক্ৰিয় সহযোগত কটন কলেজৰ প্ৰতীকখন চিৰযুগমীয়া কৰি ৰাখিলে মাধৱ বেজবৰুৱাই।

সেই সময়ৰ ভাৰতীয় যুৱকসকলৰ মানস-মন্দিৰত মহাত্মা গান্ধী আছিল একমাত্ৰ পূজ্য দেৱতা। কংগ্ৰেছ আছিল আদৰ্শ। তেতিয়াৰ হাজাৰ হাজাৰ যুৱকৰ কান্ধত কান্ধ মিলাই মাধৱ বেজবৰুৱাই 'জাতীয় কংগ্ৰেছ'ত যোগদান কৰিলে। এটা সময়ত কলেজও ত্যাগ কৰিলে। অলপ দিনৰ পিছত তেওঁৰ চিন্তাধাৰা আকৌ বদলি হ'ল। 'কলেজ বৰ্জন'ৰ ঘোৰ বিৰোধিতা কৰি কলেজতে আকৌ

যোগদান কৰিলে। ইয়াৰ কাৰণে তেওঁ বহুতৰে অপ্রিয়ভাজন হব লগা হৈছিল। কিন্তু লোকৰ ভালপোৱা বেয়া পোৱালৈ মাধৱ বেজবৰুৱাই ভয় নকৰে। নিজে যি ভাল দেখে, যি সত্য বুলি ভাৱে, তাকেই তেওঁ গ্ৰহণ কৰিব, নিষ্ঠা সহকাৰে পালন কৰিব। এদিন তেওঁ জাতীয় কংগ্রেছৰ লগত সংস্পৰ্শও ত্যাগ কৰিলে। অসমৰ, অসমীয়া মানুহৰ উন্নতিয়েই তেওঁৰ একমাত্ৰ লক্ষ্য হ'ল। থলুৱা স্বার্থ ৰক্ষাত অসমৰ চৌদিশ ৰজন-জনাই যোৱা আজিৰ 'অসম.অসমীয়াৰ' এই ধ্বনি মাধৱ বেজবৰুৱাই কেইবা দশকৰো আগতে দিছিল। অথচ তেতিয়া আজিৰ দৰে ইমান জটিল অর্থনৈতিক সংকট হোৱা নাছিল। তেতিয়াই অসমীয়া ল'ৰাই চাকৰি পোৱাৰ বাবে, দেশ-বিদেশৰ খবৰ পোৱাৰ বাবে 'ষ্টুডেণ্টচ ইনফৰমেশ্যন বুৰ' এটা খুলিছিল।

মাধৱ বেজবৰুৱাই সাহিত্যৰ সেৱা কৰিছিল। অসমীয়া সাহিত্যৰ যুগস্রষ্টা লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী'ৰ সুললিত সুৰ কলিকতা মহানগৰীৰ টালিগঞ্জৰ এটি কোণৰপৰা মাধৱ বেজবৰুৱাই পুনৰ বজাইছিল। মাধৱ বেজবৰুৱাই ভ্ৰমণ-কাহিনী লিখিছিল, 'ঘৰুৱা জীৱনত দদাইদেও লক্ষ্মীনাথ' নামেৰে খুড়াদেৱেকৰ জীৱনী লেখিছিল।

ঠিক আজিৰ দিনটোত প্ৰকাণ্ড অট্টালিকা, শাৰী শাৰী গছ, ৰঙা কৃষ্ণচূড়াই সুশোভিত কৰা জালুকবাৰীত অৱস্থিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মৰ ইতিহাস মনত পেলোৱাৰ লগে লগে মনত পৰিযায় মাধৱ বেজবৰুৱাৰ কথা। তেখেতে 'এপইচীয়া পুঁজি'ৰে জন্ম-বেদনা আৰম্ভ হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আজি শৈশৱ পাৰ হ'ল। মাধৱ বেজবৰুৱাৰ ইচ্ছা, আশা, বহুতৰ দৰে দৰিদ্ৰ জনতাৰ 'এপইচাটোৰে' গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম হওক, কোনো কোটিপতিৰ লাখটকাৰ দানেৰে নহয়। অসমৰ অসমীয়া মানুহৰ নিজা তেজেৰে গঢ়া গুৱাহাটী. বিশ্ববিদ্যালয়। তেতিয়া সেইসকল লোকে উত্তৰ-পূবৰ সকলৰ ওপৰত প্ৰচুৰ আশা-আকাঙ্খা ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাতনি মেলিছিল। এই বিশ্ববিদ্যালয়ৰ বাবে অশেষ কষ্ট, অক্লান্ত শ্ৰম কৰিছিল মাধৱ বেজবৰুৱাই। অত্যধিক শাৰীৰিক

কষ্টত স্বাস্থ্যৰ অৱনতি ঘটিলে। তেওঁ যক্ষ্মাৰোগত আক্ৰান্ত হ'ল। চিকিৎসাৰ বাবে মাদ্ৰাজলৈ গ'ল। ক্ৰমাৎ ৰোগ বেছি হৈ আহিল।

....

অক্টোবৰ মাহ, শৰৎকাল। হঠাৎ ক'লা মেঘে আকাশ ছাটি ধৰিলে। এটা বাতৰি অসম বিয়পি গ'ল। "মাধৱ বেজবৰুৱা আৰু নাই।" মাধৱ বেজবৰুৱাৰ অকাল মৃত্যু হ'ল। 'অকাল মৃত্যু' এই দুটা শব্দই শানিত অস্ত্ৰৰ দৰে অসমীয়া মানুহক বহুবাৰ আঘাত কৰিছে। প্ৰচুৰ সম্ভাৱনাৰে আনন্দৰাম বৰুৱা আহিছিল, অসমীয়া মানুহৰ নাম জগতত বিলাবলৈ, ক্ৰুৰ কালৰ পাকচক্ৰত তেওঁ আঁতৰি গ'ল। ঠিক তেনেকৈ আঁতৰি গ'ল অমূল্য বৰুৱা, গণেশ গগৈ। আমাৰ মাধৱ বেজবৰুৱাও আঁতৰি গ'ল তেনেকৈয়ে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'মাধৱ বেজবৰুৱা' ছাত্ৰনিবাসত স্বৰ্গীয় বেজবৰুৱাৰ তৈলচিত্ৰখনি উন্মোচন উপলক্ষ্যে এই প্ৰবন্ধটি যুগুত কৰা হৈছিল। 'দৈনিক অসম'ত (২ আহিন শনিবাৰ ১৮৯২ শক) প্ৰকাশিত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা শ্ৰীগুণীন্দ্ৰ হাজৰিকাই এই প্ৰবন্ধটি দি কৃতাৰ্থ কৰিছে। এয়া নতুন পুৰুষৰ আন এটি আলোচনাৰ দিশ ডেকা বেজবৰুৱাৰ জীৱনীলৈ।

"আজি আমি আমাৰ ওপৰত আত্ম-বিশ্বাস আৰু আত্ম-মৰ্য্যাদাৰ প্ৰতি সন্মান ৰাখিব নোৱাৰাৰ ফলতেই আমাৰ এনে দুৰৱস্থা হ'বলগীয়া হৈছে।

নিজৰ ঘৰতে আলহীক পীৰা পাৰি দি নিজেই পিছত আলহীৰ ওচৰত আহি ভিখাৰীৰ অৱস্থাত পৰিণত হ'বৰ উপক্ৰম হৈছে।"

—ডেকা বেজবৰুৱা

মাধৱচন্দ্ৰ বেজবৰুৱা

হৰিবিলাস হাজৰিকা

মাধৱ বেজবৰুৱাক প্ৰথম খিণ্ডত থকাতে লগ পাইছিলোঁ। পৰিচয় ঘটিছিল মইও এজন সমাজসেৱী হিচাবে। সেইদিনা তেখেতৰ লগত আছিল মহেন্দ্ৰনাথ ডেকাফুকনদেৱ। 'দলদোপ' 'হেন্দোল্‌দোপ' শব্দেৰে খিণ্ডৰ বক্ষ নিনাদিত কৰিছিল। মই সেই যাত্ৰাৰ পিছতে মনে মনে মোৰ কেইজনমান সহকৰ্মীৰ সৈতে গৈ পালোঁ খিণ্ডৰ মাধৱদেৱ নাট্যমন্দিৰ—জীৰ্ণ শীৰ্ণ অৱস্থাত। ডেকা ফুকন আৰু বেজবৰুৱাই সেই সভাৰ অন্তত ঠিক কৰিলে পিছদিনা পুৱা সেই নাট্যমন্দিৰৰ কামত লাগিব। আমি যি কেইজন নাট্যসমিতিৰ সভ্য আৰু সমাজকৰ্মী আছিলোঁ প্ৰতিশ্ৰুতি দিলোঁ। পিছদিনা ডেকাফুকন আৰু বেজবৰুৱা পাছি-কোৰ লৈ সাজু। লগতে আমিও প্ৰায় ৫০ জনমান ডেকা লৰা।

ভাটিবেলা আকৌ দেশৰ কাম। "উদ্দেশ্য সাধনকিম্বা শৰীৰ পতন" এই মহামন্ত্ৰৰে প্ৰত্যেকেই উল্লাসিত উৎকৰ্ষিত হৈ ক্ৰমাৎ বেজবৰুৱাৰ সান্নিধ্যলৈ ওচৰ চাপি আহিলোঁ। সময় মনত নাই যদিও সম্ভৱতঃ ১৯৩৭ চন নাইবা ৩৮ চন মান হ'ব। তাৰ পিছত আহিল গ্ৰুপিঙৰ কথা। অসমক চি (C) গ্ৰুপত পেলোৱাৰ চেষ্টা, অৰ্থাৎ বঙ্গদেশৰ লগত সাঙুৰি থোৱা। ৰায়চৌধুৰীৰ নেতৃত্বত গ্ৰুপিঙৰপৰা আঁতৰি আহিবলৈ জনসাধাৰণৰ সক্ৰিয় সহযোগত আগভাগ ললে ডেকা বেজবৰুৱাই, লগতে আমিও।

তাৰ পিছত ১৯৪১ চনৰ পিয়লৰ কাম। অসমত অসমীয়াভাষী লোকৰ সংখ্যা কম কৰাৰ প্ৰচেষ্টা; চেঞ্চাচ কমিশ্যনাৰ কে. পি. ডব্লিও. মাৰাৰ। কামৰ আগভাগ ললে বেজবৰুৱাই। সদলবলে ওলাই গলোঁ। গাঁৱে-ভূঞে প্ৰচাৰ চলালোঁ, কামত কৃতকাৰ্য্যতা লাভ কৰিলোঁ। এই কামত আগবাঢ়ি আহিছিল ডেকা

---

* ধনবাহাদুৰ সোণাৰ কোহিমাৰ নেপালী ডেকা আৰু সেইসময়ৰ ডেকা বেজবৰুৱাৰ সহকৰ্মী।

বেজবৰুৱাৰ লগত ধনবাহাদুৰ* সোণাৰ; ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ঘূৰি ফুৰিলোঁ দুই-তিন মাহ। সোণাৰ ভাইটিৰ নেপালী ভাষাৰ বক্তৃতাত আপ্লুত হলোঁ।

১৯৪১ চনৰ পিয়লৰ কামত দিহিঙে-দিপাঙে ঘূৰি ফুৰাৰ কথা স্মৰণীয় হৈ থাকিব। সেই সময়ত বেজবৰুৱাৰ লগৰীয়া বা সহকৰ্মী আছিলোঁ—কেশৱানন্দ নেওগ, মই, ঁবলোৰাম ডেকাবৰা, ৰজনীকান্ত, কৃষ্ণৰাম বৰদলৈ আদি ইয়াৰ স্থানীয় সমাজকৰ্মীসকল। ঁবলোৰাম ডেকাবৰাক তেওঁলোকেই 'ডেকাবৰা' উপাধি প্ৰদান কৰিছিল। ডেকাবৰা এজন সাধাৰণ চাকৰিয়াল; চেটেলমেণ্ট্ অফিচত কাম কৰে। অৱশ্যে ডেকাবৰা আৰু বেজবৰুৱাৰ এটা গাঢ় সমন্ধ গঢ়ি উঠিছিল। সেই সময়তে তেখেতে বাঁহী পুনৰুজ্জীৱিত কৰে কলিকতাৰপৰা। ইয়াৰ কামত সহায় কৰিবৰ বাবে খিঙৰপৰা শ্ৰীপদ্মৰাম বৰা আৰু শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামীক বেজবৰুৱাই সম্পূৰ্ণ নিজা দায়িত্বত কলিকতালৈ লৈ যায়। শেষলৈ গোস্বামীদেৱে এম. এ. পাচ কৰি আৰু পদ্ম বৰাই দিল্লীৰ ৰেডিও কেন্দ্ৰত অসমীয়া হিচাবে চাকৰিৰ প্ৰথম সুবিধা পায়।

* * * *

১৯৪২ চনত মই আৰু নেওগ ৰাজনৈতিক কৰ্মী হিচাবে সেই সময়ৰ চৰকাৰৰ নজৰত পৰোঁ আৰু প্ৰায় এবছৰ কাল আমি অজ্ঞাতবাস কৰিব লগীয়া হোৱাত বেজবৰুৱাদেৱৰ সকলো প্ৰকাৰ সংস্পৰ্শৰ পৰা আঁতৰি পৰোঁ। তাৰ পিছত, অৱশ্যে চন তাৰিখ মনত নাই। অসমত বিশ্ববিদ্যালয়ৰ অভাৱৰ কথাই বেজবৰুৱাক আকৰ্ষণ কৰে বাৰুকৈয়ে। সেয়েহে ঘৰ-দুৱাৰ, লৰা-তিৰোতাৰ মমতা ত্যাগ কৰি বিশ্ববিদ্যালয়ৰ বাবে অৰ্থ সংগ্ৰহত ব্যাকুল হৈ অসমৰ চুকে-কোণে, দিহিঙে-দিপাঙে অনাই বনাই ফুৰাত ক্ৰমান্বয়ে বেজবৰুৱাৰ স্বাস্থ্যৰ হানি হবলৈ ধৰে। মই বহুবাৰ বেজবৰুৱাক তেখেতৰ স্বাস্থ্যৰ প্ৰতি সজাগ হবলৈ কওঁতে তেখেতে মোক কৈছিল "আগৰৱালাদেৱ* আপুনি এগৰাকী ধীৰ স্থিৰ আৰু টনকিয়াল ব্যক্তি, সেইবাবেই আপোনাক ইয়াৰ উত্তৰত ইয়াকেই কব খোজোঁ যে আপোনাৰ যেনেকৈ দেশ-সেৱাৰ বাবে আশাসুধীয়া চেষ্টা আছে, কোনো প্ৰকাৰ কাৰ্পণ্য নাই, মোৰো ঠিক সেইদৰে বিশ্ববিদ্যালয়ৰ অভাৱৰ কথাটো মৰ্মে মৰ্মে হৃদয়ত বাজি উঠিছে। সেই বাবেই মই জীৱন পণ কৰিছোঁ—হয় অসমত বিশ্ববিদ্যালয় গঢ়িম, নহয় শৰীৰ পাত কৰিম। মোক কোনেও এই

কামত হকা-বধা কৰাৰ বিনিময়ত মই মাথোন আপোনাসকলোৰেপৰা সকলো প্ৰকাৰে সহায়-সহযোগ পাওঁ, তাকেই কামনা কৰোঁ আগৰৱালা।"

বেজবৰুৱাদেৱে প্ৰথম সাক্ষাতৰ পৰাই মোক 'আগৰৱালা' বুলি সম্বোধন কৰিছিল। অইন কি তেখেতে কলিকতা বা বিভিন্ন ঠাইৰপৰা মোলৈ লিখা চিঠিৰ ঠিকনাতো আগৰৱালা বুলিয়েই লিখিছিল। বোধহয় হৰিবিলাস নামটোৰ *আগৰৱালাৰ উপাধিটো জড়িত কাৰণে তেখেতে তেনেকৈ কৰলৈ ভাল পাইছিল। সেয়া '৪২' চনৰ গণ-আন্দোলনে শাম কাটিলে, কিন্তু বিশ্ববিদ্যালয়ৰ বাবে অৰ্থ সংগ্ৰহ অবিৰাম গতিত চলি থাকিল। ইহাতে বেজবৰুৱা ক্ৰমাৎ পৰি আহিল। অইনকি তেখেতৰ মাহেকীয়া আলোচনী বাঁহীও অনিয়মীয়া হৈ পৰিল।

সঁচাকৈয়ে বেজবৰুৱাৰ কথা আৰু অধিককৈ লিখিব নোৱাৰি দুখ পালোঁ। তেখেতৰ কথা মনত পৰিলে এতিয়াও শোকে খুন্দা মাৰি ধৰে।

---

* হৰিবিলাস আগৰৱালাদেৱৰ নামৰ স্মৃতিত তেখেতে হাজৰিকাকো আগৰৱালা বুলি ভাল পাইছিল। —সম্পাদক

থিতৰ আজীৱন সমাজসেৱী শ্ৰীহৰিবিলাস হাজৰিকাদেৱে দিয়া মূল টোকাৰপৰা এই প্ৰবন্ধ যুগুত কৰা হৈছে।

মাধৱ তৰ্পন

১৯৪৬ চনৰ মে' মাহৰ শেষৰ পিনে আমি কলিকতা এৰোঁ। আহোতে ধৰমতলা ষ্ট্ৰীটত ডেকাফুকনক এবেলি লগধৰি আহিলোঁ। কলিকতাত থকা কালতে ডেকাবেজৰ লগত ডেকাফুকনৰ ঘৰলৈও কেইবা বেলিও গৈছিলোঁ। তাতেই 'মাধৱ আৰু মহেন্দ্ৰ'ৰ মিলনবন্ধন 'ভ্ৰাতৃত্ব' আৰু পৰস্পৰৰ শ্ৰদ্ধা-প্ৰীতিৰ উমান পাই আহিছিলোঁ। ডেকাফুকনৰ সোদৰোপম 'ভ্ৰাতৃ' মাধৱৰ প্ৰতি ডেকাফুকন আৰু তেখেতৰ পত্নী শ্ৰীযুতা ফুকননীৰ স্নেহৰ ধাৰা আকাশীগঙ্গাৰ দৰে পুণ্যপ্ৰৱাহিনী গতিৰে বৈ আহিছিল।

মাধৱ বেজবৰুৱাদেৱৰ মৃত্যুৰ বাতৰি পাই আমি হতাশ হৈ পৰোঁ। কি কৰোঁ কি নকৰোঁকৈ বাতৰি পোৱাৰ পিছতে ডেকাফুকনলৈকে চিঠি এখন লিখা হ'ল,—তাৰ পিছত শ্ৰীযুতা উষা বেজবৰুৱা, পদ্ম বৰা আৰু পৰিয়ালৰ বাকী দুই এজনলৈ। চিঠিৰ উত্তৰত ডেকাফুকনে লিখিলে ঃ—

61, Dharamtalla St.
Calcutta, 9th Dec. 1946

ম মৰ ইব্ৰাহীম ভাই,

পোষ্টকাৰ্ডটি পাই মই পৰম আনন্দ পোৱাৰ লগে লগে এটা মহা সমস্যাত পৰিছোঁ। শ্ৰীমান পদ্ম বৰাৰ মুখে শ্ৰীমান মাধৱৰ বিয়োগৰ বাতৰি পোৱাৰ পিছতে মই গতানুগতিক পন্থা অনুসৰি মাধৱৰ সোঁৱৰণি স্বৰূপে এটি কবিতা লিখিবলৈ আৰম্ভ কৰিছিলোঁ। কিন্তু শেহলৈকে সেই কবিতাটি সম্পূৰ্ণ কৰিব নোৱাৰিলোঁ। কিয় নোৱাৰিলোঁ বা এতিয়ালৈকে পৰা নাই, সেই কথা তলত লিখিম। মই লিখা পংক্তি কেইটা ইয়াতে তুলি দিলোঁ।*

---

* "এইখিনি লিখি থাকোঁতেই আজি ২৭/৬/৭২ তাৰিখে বাতৰি পালোঁ যে শ্ৰদ্ধেয় ডেকাফুকন নগাঁৱত অসুখত পৰি আছে। চিকিৎসাৰ বাবে গুৱাহাটীলৈ অনাৰ কথা। (ইতিমধ্যে ডেকাফুকনকো আমি হেৰুৱালোঁ)
সম্পাদক

'মাধৱ'

অসমক যথাৰ্থতে যেয়ে ভাল পায়,
অসমীক দেহে-কেহে যেয়ে সেৱা কৰে,
তেনেটিক কিয় বাৰু কপটীয়া কালে
অবাবতে অকালতে আচম্বিতে হৰে?

পুৰণি বুৰঞ্জী বাৰু কাতি কৰি থওঁ,
নতুনৰ জীৱনৰ লুটিয়াওঁ পাত,
অকালতে বিয়োগৰ লেখ লওঁতেই,
লেখনীয়ে কাকতত হেৰুৱাই বাট।

কৰ্মবীৰ, চন্দ্ৰনাথ অকালতে গ'ল
লক্ষ্মীধৰে অকালতে মেলানি মাগিলে,
কবিবৰ গণেশৰ ও অকাল প্ৰয়াণ,
যৌৱনতে সাহিত্যৰ কঁকাল ভাগিলে।

দহে জনা যতজন তাৰো দহ গুণে,
অসমীৰ সু-সন্তান অকালতে গ'ল,
সঙ্গীতৰ, সাহিত্যৰ, কৱিতাৰ সভা,
যৌৱনৰ জ্যোতিহীনা মৰিশালী হ'ল।

মাধৱ অক্লান্ত কৰ্মী, সাহিত্য সাৰথি
ভগা বাঁহী তুলি লৈ বজালা দুনাই,
জঁয়পৰা অসমক সজীৱ কৰিলা,
[illegible]ননীৰ জয়গান সঘনে শুনাই।

সাহিত্যৰ অধিকাৰী লক্ষ্মীনাথে নিজে,
শৈশৱতে সেৱামন্ত্ৰ সঁপিলে কাণত,
কৈশোৰতে "অসমৰ উন্নতি সাধিম"
এই গুৰু সঙ্কল্পক বান্ধিলা প্ৰাণত।

যৌৱনত গুৱাহাটী পালাহি যেতিয়া,
কলেজত পঢ়োঁ বুলি লগালাহি নাম,
তেতিয়াও চিনাকিৰ লগা নাই বান্ধ,
ভাবিলোঁ—মাধৱানন্দ আছে, লগ পাম।

যিদিনা ককাইদেউ সূৰ্য্য ভূঞাদেৱে,
তোমাৰ চিনাকি দিলে কৰ্মযোগী বুলি,
হেৰা পোৱা ভাই যেন লাগিল মনত,
বৰাগীৰ বুকু পাতি লঁলো ৰঙে তুলি।

তাৰেপৰা অতদিন হৰিষে বিষাদে,
দুটি ভাই লগে সঙ্গে যাপিলোঁ জীৱন,
সভাথলি, বিহুতলি; স্বদেশে বিদেশে,
অসমৰ হকে তুমি দিলা কত ৰণ।

—ডেকাফুকন

ইয়াতেই স্বভাৱকবি অসমৰ ডেকাফুকন বা 'ম-না-ফ' মিঞা তথা মহেন্দ্ৰনাথ ডেকাফুকনদেৱৰ মাধৱ বেজবৰুৱাদেৱৰ মৃত্যুৰ বাতৰি পাই লিখা কবিতাৰ পংক্তি হেৰাই গ'ল। শোকে খুন্দা মাৰি ধৰিলে। আজি কেইদিনমান আগলৈকে আৰু তেওঁক 'মাধৱ'ৰ বিষয়ে লিখিবলৈ হাতত কলম লোৱাব নোৱাৰিলোঁ। ডেকাফুকনক বহু বছৰৰ মূৰত (প্ৰায় কুৰি বছৰৰ পিছত) এদিন নগাবঁৰ কাছাৰী ঘৰৰ পদুলিমুখত দেখা পালোঁ। এখন ভগা চাইকেলত এডাল নাল লগোৱা বাঢ়নী বন্ধা; গাত নতুন ধৰণৰ সাজ-পাৰ। কলিকতাৰ ধৰমতলা ষ্ট্ৰীটৰ ৰাজপুৰী-সদৃশ্য বাসভৱনত যিয়ে এবাৰ মহেন্দ্ৰনাথ ডেকাফুকনক

দেখিছিল, তেওঁ আজি হতবাক হৈ মুখলৈ চাই থকাত আৰু আচৰিত হোৱাত কৌতুহল এৰো নাছিল। মুখলৈ চাই থাকি চিনি পাই বুকুত সাৱটি ধৰি কলে—"মাধৱ নাই; মই অকলে চাফ্ কৰি ফুৰিছোঁ।" কাছাৰী ঘৰৰ লোকে বেঢ়ি ধৰিলে আৰু দুজন 'বলিয়া' ককাই-ভাই দুয়ো দুফালে গুচি গ'ল। কাৰো কোনো পৰিচয়ৰ বাবে কোনেও আৱশ্যাক বোধ নকৰিলে।

সঁচাকৈয়ে ডেকাফুকন মাধৱ বেজবৰুৱাৰ বিয়োগত বৰ বিচলিত হৈ পৰে। আনকি শেষলৈকে মাধৱৰ শোকত ম্ৰিয়মান হৈ থাকি জীৱনৰ গতি-পথে অভিনৱ ৰূপ ললে।

"স্মৰণ কৰা মাত্ৰেই মোৰ মনত যিজন এনেদৰে জীৱন্ত হৈ পৰে, যাৰ নাম মুখেৰে উচ্চাৰণ কৰাৰ লগে লগে মোৰ সমগ্ৰ জগতে পৰিবৰ্তিত এখনি পুৰণি বিহুতলী সভাথলীৰ ৰূপ গ্ৰহণ কৰে; মোৰ কাণত মাধৱৰ সেই আৱেগময়, আশাবাদী কথাবিলাক দুনাই ধ্বনিত হবলৈ ধৰে, চিনেমাৰ চিত্ৰৰ দৰে। মাধৱৰ কৰ্মজীৱনৰ দিনবিলাক চকু মুদিলেও দেখা পাওঁ, মেলিলেও দেখা পাওঁ, যাৰ চাইকিক প্ৰেজেন্‌চ্ (Psychic presence) মোৰ ওচৰত এটা নিৰ্ঘাট সত্য, তেনে মাধৱৰ 'বিয়োগত' বিলাপ কৰা মোৰ পক্ষে অসম্ভৱ। মাধৱৰ 'বিয়োগ' সম্পৰ্কে মোৰ কোনো সাক্ষাৎ জ্ঞান নাই। গতিকেই মোৰ মনত মাধৱ 'আছে' আৰু 'থাকিব' মোৰ জীৱন-কালৰ প্ৰতি মুহূৰ্ত্ততে। ইহকালৰপৰা মাধৱক পৰলোকলৈ এৰি দিব নোৱাৰোঁ।

* * *

'ভ্ৰাতৃ' 'ডেকাবেজ'ৰ শোকত ম্ৰিয়মান হোৱা ডেকাফুকনৰ ইয়াতোকৈ আৰু অধিক শোক-গাঁথা আমি আশা কৰিব নোৱাৰোঁ। এয়া প্ৰাণৱন্ত স্নেহৰ অফুৰন্ত বিলাপ; তাক ভাষাৰে, কথাৰে, অনুভূতিৰে ৰূপ দিব কোনে বাৰু?

* * *

"অসমৰ ডেকা-গাভৰুহঁতক জনাই দিয়ক গৈ যে শৰীৰমন্ত মাধৱতকৈ অশৰীৰী মাধৱৰ প্ৰভাৱ লক্ষগুণে অধিক। দেহধাৰী মাধৱৰ প্ৰচণ্ড সাধনাৰ তাৎপৰ্য্য যিবিলাকে বুজিবলৈ সমৰ্থ নহল—আকৌ মাধৱৰ কৰ্ম-যোগৰ কথা

সুঁৱৰি মাধৱে হাল বাই থোৱা মাটিদৰা মৈয়াবলৈ লাগি যাওক।—

আপুনিও মোৰ মানত মাধৱেৰে যুৰীয়া ভাই—গতিকে মোৰ অন্তৰৰ ভাব নিশ্চয় বুজি পাইছে। আপুনি মাথোন শ্ৰীমতী উষা আইদেউক সহায় কৰিব যাতে শোক কৰি মাধৱক নেহেৰুৱায়। মাধৱে আৰু কলম নধৰে; আপুনিয়েই সময় পালে ধৰিব। শেষত আমাৰ দুয়োৰে মৰম লব। ইতি

আপোনাৰ

মহেন্দ্ৰনাথ ডেকাফুকন"

আজি ডেকাফুকনো আমাৰ মাজত নাই। কেবাবাৰো তেখেতক লগ ধৰিছিলোঁ—ধিঙত, নগাঁৱত—মঙ্গলদৈত। চিঠি-পত্ৰও লিখিলোঁ কেবাখনো। কিন্তু 'মাধৱ বেজবৰুৱাদেৱৰ জীৱনী' গ্ৰন্থত তেখেতৰবাৰা অন্য একো লিখাব নোৱাৰি চিঠিৰ আকাৰে আমালৈ লিখা এই কবিতা আৰু কথা-কেবাৰিৰে সান-মিহলিটো ইয়াত আঁৰি দিলোঁ। সম্পাদক

"মাধৱ! অক্লান্ত কৰ্মী সাহিত্য-সাৰথি,
ভগা বাঁহী তুলি লই বজালা দুনাই—,
জঁয়পৰা অসমক সজীৱ কৰিলা
জননীৰ জয়-গাঁথা সঘনে শুনাই!!"

ডেকাফুকন

মাধৱ বেজবৰুৱা

বাঁহীৰ সম্পাদক মাধৱচন্দ্ৰ বেজবৰুৱাৰ ভৰ ডেকা কালতে মৃত্যু হোৱাত অসমৰ চালুকীয়া সাংবাদিক-জগতে এজন উৎসাহী কৰ্মী হেৰুৱালে। ঘোৰ আৰ্থিক অনাটন আৰু নিৰুৎসাহত পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত যুঁজি মাধৱ বেজবৰুৱাই বাঁহীক জীয়াই ৰাখিবলৈ যি কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল তাৰ ৰিজনি এই দেশত সৰহ নাই। বাঁহীৰ গধুৰ বোজা মূৰত লৈয়ো বেজবৰুৱাই গুৰিৰেপৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে যি কঠোৰ পৰিশ্ৰম কৰিছিল তাক অসমৰ সকলোৱেই জানে। তেওঁ আছিল বিশ্ববিদ্যালয়ৰ প্ৰচাৰ সম্পাদক; কিন্তু নিজৰ কামৰ উপৰিও ধন সংগ্ৰহৰ কামতো তেওঁ আগভাগ লৈছিল। বিশ্ববিদ্যালয়ৰ কাৰণে কৰা কঠোৰ পৰিশ্ৰমৰ ফলত তেওঁৰ শৰীৰ ভাগি পৰিল, সেয়েই তেওঁক অকাল-মৃত্যুৰ মুখলৈ টানি নিলে। মাধৱ বেজবৰুৱাৰ ৰাজনৈতিক মতবাদ বহুতো সময়ত প্ৰচলিত মতামতৰ লগত নিমিলিছিল; আমাৰো বহুতো ক্ষেত্ৰত তেওঁৰ লগত মতভেদ আছিল। কিন্তু আমি সদায় অনুভৱ কৰিছিলোঁ যে মাধৱ বেজবৰুৱাৰ মতৰ বিভিন্নতাৰ কাৰণ আছিল অসমৰ দুৰৱস্থাৰ প্ৰতি তেওঁৰ তীব্ৰ অনুভূতি। তেওঁৰ ৰাজনৈতিক দৃষ্টি-ভঙ্গীৰ সীমাবদ্ধতাৰ মূলত আছিল অসমৰ প্ৰতি ভালপোৱাৰ তীব্ৰতা, অনা-অসমীয়াৰ প্ৰতি বিদ্বেষ নহয়। তেওঁৰ সোঁৱৰণীৰ প্ৰতি আমাৰ শ্ৰদ্ধা আৰু তেওঁৰ সন্তপ্ত পৰিয়াললৈ আন্তৰিক সমবেদনা জনালোঁ।

শ্ৰী দেৱকান্ত বৰুৱা

সম্পাদকীয়—অসমীয়া

২ কাতি, ১৮৬৪ শক।

মাধৱ চন্দ্ৰ বেজবৰুৱা

অসমৰ ভাগ্যৰ এক যুগ-সন্ধিক্ষণত অক্লান্ত দেশকৰ্মী মাধৱ বেজবৰুৱাক হেৰুৱাৰ লগা হোৱাটো অসমীয়াৰ দুৰ্ভাগ্যৰ আৰু এক নতুন অধ্যায়। এটি এটিকৈ অসমীয়াৰ যুঁজাৰু কৃতী সন্তান কিজনক অকালতে বুকু শুদা কৰি কাঢ়ি লৈ যোৱাত যেন কোনোবা গোপন হাতৰ ষড়-যন্ত্ৰ সক্ৰিয় হৈ কাৰ্য্যকৰী হৈ যাব লাগিছে। আনন্দৰাম বৰুৱাৰ দিন ধৰি যি কেইজন ডেকাই দেশ আৰু জাতিৰ কাৰণে সৰ্বস্ব ত্যাগ কৰি আগবাঢ়ি আহিছে—তাৰ সকলো কেইজনৰ মৰণে আধৰুৱা কামৰ মাজৰপৰাই কাঢ়ি লৈ গৈছে। ঁলক্ষ্মীধৰ শৰ্মা, ঁডঃ ময়িদুল ইছলাম বৰা, ঁনলিনী বৰুৱা, ঁগণেশ গগৈ, ঁঅমূল্য বৰুৱাৰ অপূৰণীয় অভাৱ পূৰণ নৌহওঁতেই মাধৱ বেজবৰুৱায়ো বিদায় ললে।

অশেষ দুৰ্য্যোগৰ মাজেদি বাঁহীৰ পুনঃ প্ৰাণ-প্ৰতিষ্ঠাৰ চেষ্টাৰ কামত অক্লান্ত শ্ৰম, ছাত্ৰ আন্দোলনৰ আৰু ঐক্যৰ নিৰ্ভীক সংগ্ৰাম, অসম সাহিত্য সভাৰ উদ্যোগ-আয়োজন আৰু গুৱাহাটী বিশ্ববিদ্যালয় প্ৰসঙ্গ যেতিয়াই উত্থাপিত হব তেতিয়াই অসমবাসীয়ে কৃতজ্ঞতা সহকাৰে মাধৱ বেজবৰুৱাৰ ভাগ্যৰ কথা, শ্ৰমৰ কথা আৰু নিৰ্ভীক আদৰ্শৰ কথা সুঁৱৰি গৌৰৱ অনুভৱ কৰিব।

যুদ্ধৰ হেঁচাত 'আৱাহন'ৰ দৰে সুপ্ৰতিষ্ঠিত আলোচনী যেতিয়া বন্ধ হোৱাৰ উপক্ৰম হল, তেতিয়া অসমীয়া সাহিত্যৰ ধাৰাক জীৱন্ত ৰখাৰ গুৰু দায়িত্ব মাধৱ বেজবৰুৱাই লৈছিল। সাহিত্য ক্ষেত্ৰত বেজবৰুৱাৰ অৱদান খুব বেচি নহব পাৰে, কিন্তু অসম সাহিত্য সভাৰ লগত তেওঁৰ সম্বন্ধ আৰু বাঁহীৰ পুনঃ প্ৰকাশৰ কাৰণে তেওঁৰ অধ্যৱসায়ৰ স্মৃতি অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে নতশিৰে সুঁৱৰিব।*

বেজবৰুৱাৰ অদম্য আত্মবিশ্বাস আৰু দৃঢ় মনোবল অসমীয়া ডেকা-প্ৰাণৰ নমস্য।

উদাৰ-হৃদয় বেজবৰুৱাক হেৰুৱাই অসম দুখীয়া হ'ল। আমি মৃত আত্মাৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। লগতে এৰি যোৱা উষাদেৱী বেজবৰুৱা আৰু তেওঁৰ পুত্ৰ ৰাণালৈ আমাৰ অন্তৰৰ সমবেদনা জনাইছোঁ।

বৰ্তমান উষাদেৱী বেজবৰুৱালৈ সদৌ অসমীয়া ৰাইজৰ কৰ্তব্য হ'ল— বাঁহীখন সঞ্জীৱিত কৰি লক্ষ্মীনাথ বেজবৰুৱা আৰু মাধবৰ আধৰুৱা আদৰ্শক পূৰ্ণতা লাভ কৰাত সহায় কৰা।

চৈয়দ আব্দুল মালিক

সম্পাদকীয় ঃ পয়গাম; প্ৰথম বছৰ, ষষ্ঠ সংখ্যা।

---

* মালিক চাহাবৰ ভাষাৰে আমিও "ডেকাবেজক অসমীয়া ভাষাসাহিত্যৰ বুৰঞ্জীয়ে সুঁৱৰিব বুলি আশা ৰাখিলোঁ। বিশেষকৈ দুৰ্য্যোগৰ দিনকেইটাত অসমীয়া আলোচনী এখন জীয়াই ৰাখিবলৈ কৰা প্ৰচেষ্টাৰ কথা আমি দুই-একে পাহৰি গলেও "মাধব বেজবৰুৱাই অভিযোগ কৰিবলৈ নাইবা মনত পেলাই দিবলৈ আৰু আমাৰ মাজলৈ ওভতি নাহে—যোৱাসকলৰ কোনোৱে অহা নাই।

এম্ ইব্ৰাহীম আলি

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মালিক চাহাবকো আমি হেৰুৱালো।

মাধৱ বেজবৰুৱালৈ মনত পৰি

আব্দুছ ছাত্তাৰ

মাধৱ বেজবৰুৱা বয়সত আমাতকৈ বহুত ওপৰত। আগৰ দিনত ডাঙৰীয়া শ্ৰেণীৰ সম্ভ্ৰান্তলোকৰ দৰে পাগ মৰা মানুহজনেই যে 'ডেকাবেজ' সেই কথাটো মই জানোঁ—১৯৩৯ চনত গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলত পঢ়ি থাকোঁতেই। ১৯৪১ চনত জয়জয়তে এই ডেকাবেজৰ লগত কথা পাতিবলৈ সুবিধা ঘটিছিল গুৱাহাটীত ডঃ ঁবিৰিঞ্চিকুমাৰ বৰুৱা ডাঙৰীয়াৰ বাস-ভৱনত। এবাৰ ১৯৪৩ চনত তেওঁৰ ঘৰতে মোক দেখুৱাই আমাৰ শ্ৰদ্ধেয় অধ্যাপক ডঃ বৰুৱাদেৱে মাধৱ বেজবৰুৱাদেৱক কৈছিল—"চাওক বেজবৰুৱা এওঁৱেই ছাত্তাৰ। কটনিয়ানৰ নতুন সম্পাদক। ভৱিষ্যতে এওঁলোকেই অসমৰ সাহিত্য গঢ়িব নহয়! কথা পাতক!" মোৰ কিন্তু বৰ লাজ লগা যেন লাগিল। কিন্তু বেজবৰুৱাই কোৱা এতিয়াও মনত আছে—"বৰ ভাল কথা, ডেকা ল'ৰাৰ দ্বাৰা হে কাম হয় দেই। সাহিত্য চৰ্চাত লাগি থাকিবা।" তাৰ পিছত দুয়োৱে লগত কথা পাতিলোঁ। কিন্তু কি কথা পাতিলোঁ আজি আৰু একো মনত পৰা নাই। মাধৱ বেজবৰুৱাই সম্পাদনা কৰা মাহেকীয়া নে সাপ্তাহিক কোনোবা এখন বাঁহীত এটা মাত্ৰ সৰু প্ৰবন্ধ লিখিছিলোঁ—"শঙ্কৰদেৱৰ ভাষাৰ ওপৰত"।

ঁমাধৱ বেজবৰুৱা ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাৰ কাৰণে অসমৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰাৰ কথা জানোঁ। স্বৰ্গীয় গোপীনাথ বৰদলৈ, ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ঁমাধৱ বেজবৰুৱাই নিজে যোৰহাটৰ বহুতো গণ্যমান্য লোকৰ ঘৰে ঘৰে গুৱাহাটী বিশ্ববিদালয়ৰ সাহায্যৰ বাবে বৰঙণি বিচাৰি ফুৰা দেখিছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাতাসকলৰ ভিতৰত ঁবেজবৰুৱাও নিঃসন্দেহে এজন আগ শাৰীৰ ব্যক্তি।

ডেকাবেজে কোৱাৰ দৰে "সাহিত্য চৰ্চাত লাগি থাকিবা" বোলা কথাষাৰ

এতিয়াও কাণত বাজি আছে আৰু কিবা হওক নহওক সুকীয়া কথা, কিন্তু সাহিত্য চৰ্চাত লাগি আছোঁ। মনতে ভাবোঁ—তেতিয়াৰ এজন অক্লান্ত কৰ্মীলোকৰ ব্যক্তিত্বৰ প্ৰভাৱে হয়তো এই কথাষাৰে মোৰ তেতিয়াৰ চঞ্চল মনত অজানিতে ৰেখাপাত কৰিছিল। হয়তো বাঁহীৰ সম্পাদক আৰু এজন আশাশুধীয়া সাহিত্যিকৰপৰা ওলোৱা কথাষাৰে জীৱনত যেন ফুল-চন্দন পৰাদি পৰিল; সেয়ে সাহিত্য চৰ্চা এৰা নাই।

মাধৱ বেজবৰুৱাৰ জীৱনী প্ৰচাৰ হওক আৰু এইজন উৎসাহী সাহিত্যানুৰাগী ব্যক্তিৰ জীৱনে উঠি অহা ডেকা চামক কৰ্ম-প্ৰেৰণা যোগাওক।

আমাৰ অনুৰোধক্ৰমে শ্ৰদ্ধাঞ্জলি লিখি পঠিয়াইছে যোৰহাটৰপৰা অধ্যক্ষ আনন্দচ ছাত্তাৰ চাহাবে।

সম্পাদক

গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মকথা আৰু মাধৱচন্দ্ৰ বেজবৰুৱা

প্ৰীতি বৰুৱা

গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৯৮ চনতে আঢ়ৈকুৰি বছৰৰ ডেওনা পাৰ হৈছে। এই দীঘলীয়া সময়ছোৱাত প্ৰৱেশিকাৰ পৰা স্নাতকোত্তৰলৈকে শ শ ছাত্ৰ-ছাত্ৰীয়ে এই বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা লাভ কৰি ওলাইছে। কিন্তু সেইসকলৰ ভিতৰত কমসংখ্যকেহে অসমত বিশ্ববিদ্যালয় স্থাপনৰ ইতিহাস আৰু তাৰ লগত কিমানৰ ত্যাগ, নিষ্ঠা আৰু স্বপ্ন জড়িত আছে সেই কথা জানে।

অসমত এখন কলেজ স্থাপন কৰিবলৈকো অসমীয়া মানুহে দীঘলীয়াকৈ যুঁজিবলগীয়া হৈছিল। ১৯০১ চনত অসমৰ প্ৰথমখন কলেজ 'কটন কলেজ' স্থাপনৰ ইতিহাসে সেই কথা স্মৰণীয় কৰিছে। সেইদৰে গুৱাহাটীত অসমৰ প্ৰথম বিশ্ববিদ্যালয় স্থাপনৰ বাবে হোৱা জনজাগৰণৰ এক দীঘলীয়া ইতিহাস আছে। অসমত বিশ্ববিদ্যালয় স্থাপন হোৱাৰ আগলৈকে অসমৰ মাধ্যমিক শিক্ষাকে ধৰি উচ্চ শিক্ষা কলিকতাৰ লগত সাঙোৰ খাই আছিল। ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰিচালনাৰ ভাৰ ভাৰত চৰকাৰে বংগ চৰকাৰৰ হাতত অৰ্পণ কৰাৰ প্ৰস্তাৱ তোলে। তেতিয়াই এনে অৱস্থাত অসমৰ শিক্ষাক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হ'ব বুলি আশংকা কৰা হৈছিল। তেতিয়াই অসমৰ ব্যৱস্থাপক সভাত ৰায় বাহাদুৰ ফণীধৰ চলিহাই অসমত সুকীয়া বিশ্ববিদ্যালয় লাগে বুলি প্ৰস্তাৱ দাঙি ধৰে আৰু ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাই সমৰ্থন দিছিল। কিন্তু সেই দাবী উপেক্ষা কৰি অসমৰ শিক্ষাক কলিকতাৰ লগতে সাঙুৰি থোৱা হ'ল। বংগেদেশৰ বিধানসভাত মাধ্যমিক শিক্ষা বিল এখনো উত্থাপন কৰা হৈছিল। এই বিলখন 'পাছ' হ'লে বংগদেশৰ স্কুলবোৰ মাধ্যমিক শিক্ষা বৰ্ড এখনৰ অধীনলৈ যাব।

তেতিয়া সেই সময়ৰ কটন কলেজৰ অধ্যাপক আশ্ৰফ আলীয়ে 'বাঁহী'ত এটা প্ৰশ্ন উত্থাপন কৰিছিল—এই বিল পাছ হ'লে অসমৰ হাইস্কুলবোৰৰ অৱস্থা কি হ'ব? কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত থাকিবনে? এই চিঠিখনৰ প্ৰশ্নটো 'বাঁহী'ৰ সম্পাদক মাধৱচন্দ্ৰ বেজবৰুৱাই ৰাইজৰ আগলৈ দি গভীৰভাৱে চিন্তা কৰিবলৈ অনুৰোধ জনালে 'বাঁহী'ৰ জৰিয়তে। এই বিষয়ে প্ৰচাৰত তেখেত তৎপৰ হৈ উঠিল।

১৯১৭ চনতেই শিৱসাগৰত বহা 'আছাম এছ'চিয়েচনৰ অধিৱেশনত' সত্যনাথ বৰাই তেখেতৰ অভিভাষণত অসমত সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ আৱশ্যকতাৰ কথা যুক্তিপূৰ্ণভাৱে দাঙি ধৰিছিল।

১৯২৮ চনত 'গুৱাহাটী একতা সভা'ৰ অধিৱেশনত দৈৱচন্দ্ৰ তালুকদাৰেও এনে প্ৰস্তাৱ উত্থাপন কৰিছিল। কিন্তু সেই সময়ত সমজুৱাসকলে এনে প্ৰস্তাৱ কাৰ্যকাৰিতাত সন্দেহহে প্ৰকাশ কৰিলে। কিন্তু সেই বছৰতে (১৯২৮) তেজপুৰত বহা 'অসম ছাত্ৰ সন্মিলন'ৰ ত্ৰয়োদশ অধিৱেশনত একেটা প্ৰস্তাৱকে সমজুৱাই তুমুল হৰ্ষধ্বনিৰে আদৰণি জনালে। সৰ্বসন্মতভাৱে প্ৰস্তাৱটো গ্ৰহণ কৰা হয়। সেই সভাত সভাপতি আছিল দেশভক্ত তৰুণৰাম ফুকন।

ইয়াৰ পাচত ১৯৩২ চনত কলিকতাত অসমীয়া ছাত্ৰসকলৰ দ্বাৰা স্থাপিত হোৱা 'Assamese students' Welfare League' নামৰ অনুষ্ঠানটোৱে অসমীয়া ভাষা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এটা বিশেষ পদক্ষেপ লৈছিল। ছাৰ আশুতোষ মুখোপাধ্যায়ে 'ইণ্ডিয়ান ভাৰ্ণেকুলাৰ' বিভাগত অসমীয়া ভাষাক স্থান দিছিল যদিও, প্ৰথমে ই 'subsidiery language' হিচাপেহে ঠাই পাইছিল। অসমীয়া ছাত্ৰৰ এই অনুষ্ঠানটোৰ উদ্যোগতে অসম চৰকাৰ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত আবেদন-নিবেদন কৰি অসমীয়া ভাষাক Principal language কৰাত সফলকাম হৈছিল।

১৯৩২ চনতে এই অনুষ্ঠানটোৰ সংগীত শাখাৰ প্ৰথম অধিৱেশনত আন্তৰ্জাতিক খ্যাতিমন্ত পণ্ডিত বিনয় কুমাৰ সৰকাৰে মুখ্য অতিথিৰ ভাষণত কৈছিল, "অসমীয়া ৰাইজৰ সৰ্বপ্ৰথম কৰ্তব্য হৈছে কিছু পৰিমাণে প্ৰাদেশিক হৈ অসমীয়া জাতিটোক আন আন উন্নত জাতিৰ সমকক্ষ কৰি গঢ়ি তোলাৰ আদৰ্শ

লোৱাটো।”

আকৌ ১৯৩৫ চনৰ সাত এপ্ৰিলত এই অনুষ্ঠানেই আনন্দৰাম বৰুৱাৰ শেষ শয়নৰ স্থান বালিগঞ্জত ছায়েন্স কলেজৰ সন্মুখত ‘আনন্দৰাম বৰুৱা সৌৱৰণী’ ফলক এখন স্থাপিত কৰিবলৈ লৈছিল। সেই ফলকখনৰ উদ্বোধন কৰিছিল কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য দেৱপ্ৰসাদ সৰ্বাধিকাৰীয়ে। ভাষণত তেখেতে কৈছিল, ‘অসমত শিক্ষাকেন্দ্ৰ আৰু জ্ঞান-বিস্তৃতিৰ কাৰণে এখন সুকীয়া বিশ্ববিদ্যালয়ৰ নিতান্ত প্ৰয়োজন। মই কোনো ভেদ-ভাবত এনে কথা কোৱা নাই। অসমৰ সুকীয়া ভাষা, সাহিত্য, অভাৱ-অভিযোগ আৰু সুকীয়া সমস্যাবোৰলৈ চাই কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সকলো আশা কৰা বৃথা। এই বিষয়ে তুমুল আন্দোলন চলোৱা উচিত।”

অসমত ইতিমধ্যে ১৯১৭ চনৰ পৰা ১৯২৮ চনলৈকে বিভিন্ন সভা সমিতিত অসমত বিশ্ববিদ্যালয় স্থাপনৰ হকে প্ৰস্তাৱ লৈ মানুহৰ মনত বিশ্ববিদ্যালয়ৰ বিষয়ে চিন্তাৰ উদ্ৰেক কৰা হৈছিল। কলিকতীয়া ছাত্ৰৰ এই Welfare league অনুষ্ঠাটোৱেই অসমত বিশ্ববিদ্যালয় স্থাপনৰ প্ৰথম সোপানটো গঢ়িলে বুলিব লাগে। লীগৰ প্ৰধান উদ্যোক্তাসকলেই ‘গুৱাহাটী বিশ্ববিদ্যালয়’ স্থাপনৰ আদি-শক্তি বুলিও ক'ব পাৰি। এইসকল হ'ল—মাধৱচন্দ্ৰ বেজবৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱা, জীৱনৰাম ফুকন, কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী, চিদানন্দ দাস, ৰোহিনী বৰুৱা, মধুসূদন দাস, হিতেন্দ্ৰ কুমাৰ বৰুৱা, কুমুদাভিৰাম দাস, যোগেন শইকীয়া আদি অসমীয়া ছাত্ৰসকল আৰু সেই সময়ৰ কলিকতা প্ৰবাসী বিশিষ্ট অসমীয়াসকল। এই ‘ৱেলফেয়াৰ লীগ'ৰ অধিবেশন এখনৰ প্ৰস্তাৱ অনুযায়ী মাধৱচন্দ্ৰ বেজবৰুৱাক লীগৰ তৰফৰ পৰা অসমত ৰাইজৰ মাজত জাগৰণ সৃষ্টি কৰি সবল জনমত গঠনৰ বাবে পঠোৱা হ'ল। তেখেতে প্ৰচণ্ড গতিত গোটেই অসম ভ্ৰমণ কৰি সভা-সমিতি পাতি সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা বিশ্ববিদ্যালয়ৰ বাবে দাবী জনাই অসম চৰকাৰলৈ আবেদন পঠিওৱাৰ ব্যৱস্থা কৰিলে।

মাধৱচন্দ্ৰ বেজবৰুৱাই সমগ্ৰ অসমত ‘এছামীজ ষ্টুডেণ্টচ এছ'চিয়েচন'ৰ হৈ এইদৰে বিশ্ববিদ্যালয় স্থাপনৰ দাবীৰ প্ৰচাৰক হৈ জোৱাৰ অনাৰ পিচতেই

১৯৩৪ চনত নগাঁৱত খান বাহাদুৰ কুতুবুদ্দিন আহমদৰ সভাপতিত্বত বহা সভাতো প্ৰস্তাৱ লোৱা হয় আৰু এই দাবীৰ সমৰ্থনত আন্দোলন চলাবলৈ মহীচন্দ্ৰ বৰাক সম্পাদক পাতি এখন কমিটি গঠন কৰা হয়। 'অসম বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কমিটী'।

১৯৩৫ চনৰ ত্ৰিশ এপ্ৰিল তাৰিখে 'অসম এছ'চিয়েচন' আৰু 'অসম সংৰক্ষিণী সভা'ৰ উদ্যোগত গুৱাহাটীৰ কাৰ্জন হ'ল (বৰ্তমানৰ নবীনচন্দ্ৰ বৰদলৈ হল)ত গোপীনাথ বৰদলৈৰ সভাপতিত্বত গোটেই অসমৰ প্ৰতিনিধিক লৈ এখন ডাঙৰ সভা হয়। এই সভাতে গোপীনাথ বৰদলৈক ছেক্ৰেটাৰী পাতি 'ইউনিভাৰ্ছিটি কমিটী' এখন গঠন কৰা হয়।

এইদৰে এইবোৰ অনুষ্ঠানৰ কৰ্মতৎপৰতাত বিশ্ববিদ্যালয়ৰ দাবীত অসমৰ মানুহ একমুঠ হ'ল। 'বিশ্ববিদ্যালয় আন্দোলনে' ব্যাপক ৰূপ ধাৰণ কৰিলে। ১৯৩৫ চনৰ বাৰ মে' তাৰিখত গোটেই অসমতে বিভিন্ন কাৰ্যসূচীৰে 'অসম বিশ্ববিদ্যালয় দিবস' পালন কৰা হৈছিল। বিভিন্ন কাকত-পত্ৰত এই আন্দোলনক সমৰ্থন কৰি নানাজনে প্ৰবন্ধ-পাতি লিখিছিল। মাধৱচন্দ্ৰ বেজবৰুৱা এই বিষয়ত অন্যতম আছিল। কলিকতাত থকা অসমীয়া ছাত্ৰ আৰু বিশিষ্ট অসমীয়া লোকৰ মাজত বিশ্ববিদ্যালয় আন্দোলনৰ চিন্তা বিয়পাই দিয়াত 'মাধৱচন্দ্ৰই গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। কলিকতাৰ টালিগঞ্জত থকা বাঁহী প্ৰেছৰ পৰাই প্ৰচাৰ পুস্তিকাও ছপা কৰি পঠিয়াইছিল। অথচ সেই সময়ত তেখেতৰ আৰ্থিক অনাটনে চৰম অৱস্থা পাইছিলগৈ। প্ৰেছত দিনে-নিশাই মেচিনৰ কাম কৰাৰ পৰা সকলো কাম বেজবৰুৱাই প্ৰায় বেছিভাগ সময়তেই নিজেই কৰিছিল। সেই সময়ত তেখেতৰ একমাত্ৰ ধ্যান-জ্ঞান আছিল অসমত বিশ্ববিদ্যালয় স্থাপন। 'বাঁহী' প্ৰেছটো চলাবলৈ আৰু কাকতখন ছপাবলৈকো তেখেত গভীৰ অৰ্থ সংকটত পৰি আছিল। তথাপি 'বাঁহী' আৰু বিশ্ববিদ্যালয়ৰ চিন্তাত কোনো হতাশাৰ স্থান নাছিল। কৈছিল 'বাঁহী' জীয়াই থাকিলে ময়ো জীয়াই থাকিম।' আৰু বিশ্ববিদ্যালয় স্থাপন নোহোৱালৈকে মই নমৰো।'

অসমত বিশ্ববিদ্যালয় দিবস পালনৰ স্বতঃস্ফুৰ্ত উদ্দীপনাই অসম কাউন্সিলৰ মে-জুন অধিবেশনত এটা প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ বাধ্য কৰায়। অসমৰ

অৱসৰপ্ৰাপ্ত শিক্ষাধিকাৰ মিঃ কানিংহামক অসমত বিশ্ববিদ্যালয় স্থাপন সম্বন্ধে আঁচনি প্ৰস্তুত কৰিবলৈ তিনি মাহৰ বাবে কামত নিযুক্তি দিয়ে, কিন্তু কানিংহাম চাহাবৰ ৰিপ'ৰ্ট অসমীয়া মানুহৰ স্বাৰ্থ আৰু সন্মানৰ পৰিপন্থী হোৱাত সমগ্ৰ দেশজুৰি প্ৰবাদৰ ঢৌ উঠিল। অৱশ্যে অসম চৰকাৰে বিশ্ববিদ্যালয় স্থাপনৰ যৌক্তিকতা মানি ল'লে। কিন্তু এই বিষয়ত কাৰ্যকৰী ব্যৱস্থা তেতিয়াও নহ'ল। এসময়ত অসমত কলেজ স্থাপনৰ আন্দোলনত যিদৰে স্থান নিৰ্ণয়ৰ ক্ষেত্ৰত বহুতো বাদ-বিসম্বাদৰ সৃষ্টি হৈছিল, সেইদৰে অসম বিশ্ববিদ্যালয়ৰ স্থানৰ প্ৰশ্নটোৱেও বাদ-প্ৰতিবাদৰ সৃষ্টি কৰিছিল।

যেই হওক, বিশ্ববিদ্যালয়ৰ স্থাপনৰ কথাটোৱে এটা সুনিৰ্দিষ্ট ৰূপ ল'লে ১৯৪৪ চনতহে। সেই সময়ত গোপীনাথ বৰদলৈ ৰাজনৈতিক অন্তৰীণ বন্দী হৈ আছিল। বৰদলৈ আৰু অৱসৰপ্ৰাপ্ত শিক্ষাধিকাৰ শৰৎ চন্দ্ৰ গোস্বামী সেই চনতে কলিকতালৈ গৈছিল। তেখেতসকলে কলিকতাপ্ৰবাসী স্বৰ্গীয় অম্বিকানাথ বৰাদেৱৰ ঘৰত অসমীয়া লোকক লৈ এখন সভা পাতে। সেই সভাত এইসকলৰ উপৰি হলিৰাম ডেকা, কুলধৰ চলিহা, যাদৱ চন্দ্ৰ চলিহা, জ্ঞাননাথ বৰা, ভৱেশ চন্দ্ৰ বৰুৱা, দীননাথ শৰ্মা প্ৰমুখ্যে অন্যান্য বিশিষ্ট লোকসকলৰ লগতে উপস্থিত আছিল মাধৱচন্দ্ৰ বেজবৰুৱাও।

সেই সভাত প্ৰস্তাৱ লোৱা হয় (১) অসমত এখন বেচৰকাৰী বিশ্ববিদ্যালয় অচিৰে হ'ব লাগে, (২) এই বিশ্ববিদ্যালয়ৰ নাম হ'ব গুৱাহাটী বিশ্ববিদ্যালয় আৰু (৩) এই বিশ্ববিদ্যালয় ৰেচিডেন্সিয়েল আৰ্হিৰ কৰি গঢ়ি তোলাৰ লক্ষ্য আগত ৰাখি কাম কৰাৰ নীতি ল'ব লাগে। এই সভাতে 'প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰচাৰ বিভাগ' এটা সাময়িকভাৱে গঠন কৰি মাধৱচন্দ্ৰ বেজবৰুৱা আৰু হৰেন কলিতাক তাৰ দায়িত্বত ৰখা হ'ল। এই দায়িত্ব লৈয়েই মাধৱচন্দ্ৰই ১৯৪৪ চনত শিৱসাগৰত বহা অসম সাহিত্য সভাৰ বৈঠকৰ লগত এখন সাধাৰণ সভা পাতি কলিকতাৰ সভাৰ সিদ্ধান্ত ৰাইজক জানিবলৈ দিয়ে।

শিৱসাগৰৰ কালীপ্ৰসাদ মেম'ৰিয়েল হল'ত অনুষ্ঠিত (পহিলা অক্টোবৰ ১৯৪৪) এই সভাখনৰ সভাপতি আছিল ৰায় বাহাদুৰ বেণুধৰ ৰাজখোৱা। সেই সভাত এখন সাময়িকভাৱে ট্ৰাষ্ট বোৰ্ড গঠন কৰা হৈছিল। গোপীনাথ বৰদলৈক

সভাপতি আৰু শৰৎ চন্দ্ৰ গোস্বামীক সম্পাদক আৰু ছাৰ মহম্মদ ছাদুল্লা, খান বাহাদুৰ চৈয়দুৰ ৰহমান, কৃষ্ণকান্ত সন্দিকৈক সদস্যৰূপে লৈ এই বোৰ্ডখন গঠন কৰা হৈছিল।

১৯৪৪ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীতো এখন প্ৰতিনিধিমূলক সভা পাতিবলৈ লওঁতেই সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰ মৃত্যু হোৱাত নিৰ্দিষ্ট তাৰিখতে সভা পাতি এখন নতুন ট্ৰাষ্ট বোৰ্ড গঠন কৰা হ'ল। গোস্বামীৰ ঠাইত ফকৰুদ্দিন আলী আহমেদক সম্পাদক পতা হ'ল। ট্ৰাষ্ট বোৰ্ডৰ গুৱাহাটীত এটি কেন্দ্ৰীয় কাৰ্যালয় খোলা হৈছিল। ইয়াৰ দায়িত্বত মহেশ্বৰ নেওগক ৰখা হ'ল।

ইতিমধ্যে পুঁজি সংগ্ৰহৰ কাম আৰম্ভ কৰা হৈছিল। ৰোহিনীকুমাৰ চৌধুৰী, গোপীনাথ বৰদলৈ, ডাঃ ভুবনেশ্বৰ বৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱাকে ধৰি কেইবাগৰাকী অক্লান্ত কৰ্মীয়ে সমগ্ৰ অসম ঘূৰি পুঁজি সংগ্ৰহ অভিযানত লাগিল। মাধৱচন্দ্ৰ বেজবৰুৱাও আছিল অন্যতম। তেখেত প্ৰচাৰৰ দায়িত্বত আছিল যদিও পুঁজি সংগ্ৰহত গোপীনাথ বৰদলৈৰ লগত এই কামত দেহে-কেহে লাগিছিল। অসমৰ এনে কোনো গাঁও-ভুঁই অগম্য ঠাই নাই য'লৈ এবাৰলৈ হলেও মাধৱচন্দ্ৰই বিশ্ববিদ্যালয়ৰ বাণী লৈ মানুহৰ দুৱাৰত থিয় হোৱাগৈ নাছিল। ভৰবাৰিষাতো মাজুলীৰ দৰে অঞ্চললৈকো গৈছিল। মুঠতে, অসমত বিশ্ববিদ্যালয় স্থাপনৰ সপোন দেখি, আনকো অহৰহ সেই সপোন দেখুৱাই দেহ-মন সপোনক বাস্তৱায়িত কৰাৰ গি অসীম কৰ্মোদ্যম ডেকাবেজ মাধৱচন্দ্ৰই দেখুৱাই থৈ গ'ল তাৰ তুলনা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত দুটা নাম ওতপ্ৰোতভাৱে জড়িত থাকিব— লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু ডেকাবেজ মাধৱচন্দ্ৰ।

এটা কথা গৌৰবেৰে স্মৰণ কৰিবলগীয়া যে বিশ্ববিদ্যালয় পুঁজিলৈ প্ৰথম দানৰ প্ৰতিশ্ৰুতি আহিছিল এখন গাঁৱৰ পৰা— নগাঁৱৰ থিং অঞ্চলৰ কাননগো মৌলবী জামালউদ্দিন আহমদৰ পৰা। ৫০০ টকা।

কলিকতীয়া ছাত্ৰৰ কল্যাণকামী অনুষ্ঠানৰ দেশপ্ৰেমিক, সুস্থ জাতীয়তাবাদী চিন্তাধাৰাৰে পুষ্ট ডেকাশক্তি আৰু সেই শক্তিয়ে উদ্বুদ্ধ কৰা অসমৰ চিন্তাশীল আৰু দায়িত্বশীল ব্যক্তিসকলৰ ঐকান্তিক চেষ্টাত এদিন অসমৰ সুকীয়া বিশ্ববিদ্যালয়ৰ সপোন বাস্তৱায়িত হ'ল। ১৯৪৮ চনৰ ছাব্বিশ জানুৱাৰীত

আনুষ্ঠানিকভাৱে 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ প্ৰতিষ্ঠা হ'ল। এই মহতী সংগ্ৰামৰ বহুতো সৈনিকে দেশ স্বাধীন হোৱা আৰু স্বাধীন দেশত নিজা বিশ্ববিদ্যালয় স্থাপন হোৱা দেখিবলৈ নাপালে। সেইসকলৰ ভিতৰত আটাইতকৈ দুৰ্ভগীয়া হ'ল ডেকাবেজ মাধৱচন্দ্ৰ। এই আন্দোলনত দেহালৈ নাচাই জাৰ-জহ-বাৰিষাৰ অপৰিসীম পৰিশ্ৰম কৰি কৰি সেই দিনত প্ৰায় দুৰাৰোগ্য যক্ষ্মাৰোগত আক্ৰান্ত হৈ সুদূৰ মদনাপল্লীৰ আৰোগ্যৱৰমত মৃত্যুবৰণ কৰিলে। চৌবিশ বছৰীয়া পত্নী ঊষা বেজবৰুৱা আৰু দুবছৰীয়া অজান শিশুপুত্ৰৰ চৌপাশে তেতিয়া নিঃসীম অন্ধকাৰ। পৰিয়ালৰ সকলোটি শোকত ম্ৰিয়মান। নিজলৈ, নিজৰ ল'ৰা-তিৰোতালৈ নাচাই দেশকে সৰ্বহ বুলি সাবটি লোৱা ডেকাবেজে পৰম বিশ্বাসেৰে কৈছিল— 'আমি দেশক চালে, দেশেও আমাক চাব।'

দেশৰ এই জাতীয়তাবাদী, তেজাল ডেকাজনৰ পৰিয়ালক কোনেও চোৱা নাছিল। অসীম ধৈৰ্য, আত্মসন্মানবোধত অটল 'Life is Duty' বুলি গ্ৰহন কৰা ঊষা বেজবৰুৱাই কাৰো পৰাই সহায় আশা নকৰি এক সম্ভ্ৰমপূৰ্ণ জীৱনযাপন কৰি গ'ল। সোণৰ পদক অৰ্জন কৰি সুখ্যাতিৰে মেট্ৰিক পাছ কৰিও সাংসাৰিক অস্থিৰতাৰ বাবে বি এ পৰীক্ষা দিব নোৱাৰিও ভগ্নমনোৰথ নহৈ স্বামী ডেকাবেজৰ 'বাঁহী'ৰ সম্পাদনাত সহায় কৰাৰ পৰা প্ৰেছৰ সকলো কামতে সহযোগ কৰিছিল। স্বামীৰ মৃত্যুৰ পাচত অসীম ধৈৰ্যৰে পঢ়া-শুনা কৰি দৰ্শন আৰু সংস্কৃত বিষয় লৈ বি এ পাছ কৰিছিল। পাচত গুৱাহাটী বিশ্ববিদ্যালয় মডেল স্কুলৰ শিক্ষয়িত্ৰীৰ বাবে ইণ্টাৰভিউ দিছিল, সেই চাকৰিটো পোৱাৰ সৌভাগ্যও তেওঁৰ নহ'ল। "আমি দেশক চালে, দেশেও আমাক চাব"— দেশৰ মানুহৰ প্ৰতি এনে প্ৰগাঢ় বিশ্বাসৰ এয়া যেন নিৰ্মম পৰিহাসহে। ষাঠিৰ দশক পাৰ নৌহওঁতেই বিশ্ববিদ্যালয়ে মাধৱচন্দ্ৰ বেজবৰুৱাৰ আত্মদান পাহৰি গ'ল। ডেকাবেজৰ স্মৃতি তৰ্পণ উপলক্ষে ১৯৭৪ চনত সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাই কৈছিল ঃ বৰেণ্যসকল ক্ৰমাৎ বিস্মৃতিৰ অন্তৰালত বিলীন হৈ যোৱাটো আমাৰ দেশৰ এটা বেয়া পৰম্পৰা হৈ পৰিছে। মহৎ লোকক আমি স্মৰণ কৰিব নেজানো। 'তেওঁলোকে যিবোৰ ভাল কাম কৰি গ'ল, সেইবোৰৰ সম্পৰ্কে আমাৰ স্পষ্ট ধাৰণা একো নাই। চৰকাৰী তালিকভুক্ত মুক্তিযুঁজাৰুকেইজন আৰু

সাহিত্যিকপেঞ্চনাৰকৈইজনৰ বাহিৰেও যেন আন কোনো দেশসেৱক নাছিল বা নাই তেনে নহয়। আছে, বহুত আছে। কিন্তু ভিন্নক্ষেত্ৰত। সেইসকলৰ ভিতৰত ডেকাবেজ মাধৱচন্দ্ৰও অন্যতম।"

মাধৱচন্দ্ৰ বেজবৰুৱা ৰসৰাজ বেজবৰুৱাৰ ককায়েক বিনন্দ বেজবৰুৱাৰ দ্বিতীয় পুত্ৰ। মহাপুৰুষ মাধৱদেৱৰ তিথিৰ দিনটোতে (১৯১২ চনত) জন্মগ্ৰহণ কৰাৰ বাবেই নাম পাইছিল মাধৱচন্দ্ৰ। তেখেতৰ মৃত্যু হৈছিল লক্ষ্মীপূজাৰ দিনা ১৯৪৬ চনত। মাত্ৰ চৌত্ৰিশ বছৰীয়া জীৱন কালটোত মাধৱচন্দ্ৰই জাতীয়তাবাদী চিন্তাৰে যিবোৰ কাম কৰিছিল সেইবোৰে অসমীয়া মানুহৰ মনত বিশেষকৈ তৰুণসৰ্কলৰ মনত বিপুল আলোড়ন তুলিব পাৰিছিল। ডেকাবেজৰ অসমীয়া জাতীয়তাৰ প্ৰতি থকা আবেগ ভাৰতীয় জাতীয়তাৰ বিৰোধী নাছিল। এখন উন্নত ভাৰতবৰ্ষত নিঃকিন নিশকতীয়া অসমৰ মৰ্যাদাপূৰ্ণ স্থান থাকিব নোৱাৰে। সেয়ে তেওঁৰ চিন্তাত প্ৰথমতেই আছিল অসমৰ উন্নতি। অসম আৰু অসমীয়াৰ বিৰুদ্ধে কোনো বিৰূপ মন্তব্য সহ্য কৰা তেখেতৰ বাবে অসম্ভৱ কথা আছিল। এনেবোৰ ক্ষেত্ৰত ডেকাবেজে কালৈকো পৰোৱা নকৰিছিল। এবাৰ ৰঙিয়াৰ এখন জনসভাত সেই সময়ৰ কংগ্ৰেছ সভাপতি জৱাহৰলাল নেহেৰুক ডেকাবেজে কৈছিল যে কংগ্ৰেছে অসমৰ কথা উপযুক্তভাৱে বিবেচনা নকৰে। কথাষাৰ শুনি নেহেৰুজীয়ে তেওঁৰ স্বভাৱগত খঙেৰেই কৈছিল— তোমালোকে উদাৰ দৃষ্টিভংগী ল'ব লাগে। একে খঙেৰেই মাধৱচন্দ্ৰই উত্তৰ দিছিল— 'We do not want to see the congress Flag flutters upon the deadbodies of Assamese People.' খঙেৰে কথাষাৰ কৈয়ে তেওঁ আঁতৰি গৈছিল। নেহেৰুৱে পাচত হাতবাউল দি তেওঁক মাতি আনি বঢ়াই-বুজাই শান্ত কৰি তেওঁৰ লগত বহু সময় ধৰি আলোচনা কৰিছিল। নেহৰুলৈ আগবঢ়াই দিয়া অটগ্ৰাফৰ বহীখনত নেহৰুৱে লিখি দিছিল— 'Live dangerously'।

মাধৱচন্দ্ৰই ১৯৩০ চনত কটন কলেজৰ ছাত্ৰ হৈ থকা সময়ত স্বাধীনতা সংগ্ৰামৰ আহ্বানতো সঁহাৰি নিদি পৰা নাছিল। এবাৰ কটনিয়ানসকলক কলেজত সোমোৱাৰ পৰা বাধা দিবলৈ কৰা পিকেটিঙত ডেকাবেজে নেতৃত্ব ল'লে। অধ্যক্ষ টমচন চাহাবে শৃংখলা ভংগৰ আশংকাত কঠোৰভাৱে তেখেতক বাট এৰি

আঁতৰি যাবলৈ আদেশ দিলে। দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ ডেকাবেজ এখোজো নাতৰি নিৰ্ভীকভাৱে থিয় দি থাকিল। “Do you know what is the reward for this? Rustication from the college.” নিৰ্বিকাৰ ডেকাবেজৰ উত্তৰ আছিল, “Thankfully accepted.”

সাহসিকতাৰ এনে অজস্ৰ উদহৰণ ডেকাবেজৰ জীৱনত অলেখ আছিল। সকলো সময়তে এক যৌৱন-দীপ্ত সজীৱতাৰ পৰিপূৰ্ণ সত্তা যেন আছিল তেখেত। এইজন ডেকাবেজে ‘বাঁহী’ পুনৰ্জীৱিত কৰি জাতীয়তাবাদৰ চিন্তাৰে অসমবাসীক সদাসচেতন কৰি ৰাখিবৰ প্ৰয়াস কৰিছিল। আৰ্থিক অসচ্ছলতা সত্ত্বেও জাতীয় কৰ্তব্য বুলি ‘বাঁহীখন জীয়াই ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। দদাইদেৱেক লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনখনো তেখেতেই ছপাই উলিয়াইছিল। ‘দদাইদেউ লক্ষ্মীনাথ’ নামেৰে বেজবৰুৱাৰ জীৱনীও লেখিছিল। সেই সময়ৰ অসমৰ চালুকীয়া সাংবাদিকতাত ডেকাবেজৰ অৰিহণা গৌৰৱময় আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত ‘আৱাহন’ৰ দৰে প্ৰতিষ্ঠিত আলোচনীও বন্ধ হোৱাৰ উপক্ৰম হোৱাৰ সময়তো অসীম আত্মবিশ্বাসেৰে জাতীয় দায়িত্ব বুলি ‘বাঁহী’ক সঞ্জীৱিত কৰাৰ প্ৰচেষ্টা দুঃসাহস বুলিয়ে ক’ব লাগিব। কিন্তু দুঃসাহসৰ দুৰ্গম পথক ভয় নকৰি জয় কৰাৰ প্ৰতিজ্ঞাই আছিল ডেকাবেজৰ চৰিত্ৰ।

মাধৱচন্দ্ৰ বেজবৰুৱাৰ অকাল মৃত্যুত ‘অসমীয়া’ৰ সম্পাদক দেৱকান্ত বৰুৱাই সম্পাদকীয় টোকাত লিখিছিল— ‘বাঁহীৰ সম্পাদক মাধৱচন্দ্ৰ বেজবৰুৱাৰ ভৰ ডেকাকালতে মৃত্যু হোৱাত অসমৰ চালুকীয়া সাংবাদিক জগতে এজন উৎসাহী কৰ্মী হেৰুৱালে। ঘোৰ আৰ্থিক অনাটন আৰু নিৰুৎসাহত পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত যুঁজি মাধৱ বেজবৰুৱাই বাঁহীক জীয়াই ৰাখিবলৈ যি কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল তাৰ ৰিজনী এই দেশত সৰহ নাই। ‘বাঁহী’ৰ গধুৰ বোজা মূৰত লৈয়ো বেজবৰুৱাই গুৰিৰে ’পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে যি কঠোৰ পৰিশ্ৰম কৰিছিল তাক অসমৰ সকলোৱে জানে।......: বিশ্ববিদ্যালয়ৰ কাৰণে কৰা কঠোৰ পৰিশ্ৰমৰ ফলত তেওঁৰ শৰীৰ ভাগি পৰিল, সেয়েই তেওঁক অকাল মৃত্যুৰ মুখলৈ টানি নিলে। মাধৱ বেজবৰুৱাৰ ৰাজনৈতিক মতবাদ বহুতো সময়ত প্ৰচলিত মতামতৰ লগত নিমিলিছিল... কিন্তু আমি সদায় অনুভৱ কৰিছিলোঁ

যে মাধৱ বেজবৰুৱাৰ মতৰ বিভিন্নতাৰ কাৰণ আছিল অসমৰ দুৰবস্থাৰ প্ৰতি তেওঁৰ তীব্ৰ অনুভূতি। তেওঁৰ ৰাজনৈতিক দৃষ্টিভংগীৰ সীমাবদ্ধতাৰ মূলত আছিল অসমৰ প্ৰতি ভালপোৱাৰ তীব্ৰতা, অনা-অসমীয়াৰ প্ৰতি বিদ্বেষ নহয়।"

এইগৰাকী মাধৱচন্দ্ৰ বেজবৰুৱাক গুৱাহাটী বিশ্ববিদ্যালয়ৰ আঠৈকুৰি বছৰীয়া জয়ন্তী কালত স্মৰণ কৰা প্ৰতিজন অসমীয়াৰে কৰ্তব্য। মাধৱচন্দ্ৰ বেজবৰুৱা আছিল জ্বলন্ত স্বদেশপ্ৰেমৰ এটি উজ্জ্বল দীপশিখা। দেশ আছিল তেওঁৰ হৃদয়দেৱতা আৰু স্বদেশপ্ৰেমহে আছিল ধৰ্ম। অসমৰ আজিৰ দুৰ্দিনত এনে কৰ্তব্যনিষ্ঠা আৰু নিভাঁজ দেশপ্ৰেমৰে প্ৰয়োজন হৈছে। যৌৱনৰ প্ৰতীক স্বৰূপ ডেকাবেজৰ আদৰ্শই নতুন প্ৰজন্মক উদ্বুদ্ধ কৰক— এয়ে কামনা। (কোনোবাই এখন পূৰ্ণাংগ জীৱনী ৰচনা কৰি মাধৱচন্দ্ৰ বেজবৰুৱাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাব বুলি আশা কৰিব নোৱাৰিনে?)

টোকা ঃ প্ৰবন্ধটি অসমীয়া প্ৰতিদিনৰ ২০০০ চনৰ পূজা সংখ্যাত প্ৰকাশিত হৈছিল।

বাঁহীযুগৰ কৰ্মবীৰ
মাধৱচন্দ্ৰ বেজবৰুৱা

অৱনীন্দ্ৰ বৰা

আত্ম বিস্মৰণশীল অসমীয়া জাতি। অসমীয়া জাতিৰ বাবে যেন বৰ্ত্তমানেই সৰ্বস্ব, অতীত প্ৰাণহীন, মৃত। অতীতৰ প্ৰতি অসমীয়াৰ যেন কোনো আকৰ্ষণ নাই, কোনো শ্ৰদ্ধা নাই। অতীতবিহীন বৰ্ত্তমানৰ অস্তিত্বই বা ক'ত? অতীতৰ মহাপ্ৰাণ ব্যক্তিসকলৰ জীৱন জোৰা সাধনাৰ সমল লৈয়েইতো বৰ্ত্তমান ভাষা-সাহিত্য আৰু জাতীয় জীৱনৰ গতি-প্ৰবাহ অব্যাহত হৈ আছে। কিন্তু অতীতক মনত পেলাবলৈ অতীতলৈ ঘূৰি চাবলৈ আমাৰ আহৰি নাই। আমাৰ এনে বিস্মৰণশীলতাৰ বাবেই অসম-মাতৃৰ অলেখ কৃতী সন্তানৰ পৰিচয় আৰু জীৱন-বৃত্ত পাহৰণিৰ বুকুত হেৰাই গৈছে। এনে এগৰাকী বিস্মৃতপ্ৰায় অসম-মাতৃৰ কৃতী সন্তান হ'ল—বাঁহীযুগৰ কৰ্মবীৰ মাধৱ চন্দ্ৰ বেজবৰুৱা।

আধুনিক অসমীয়া সাহিত্যত 'আৱাহন'ৰ পিছতেই যি দুখন আলোচনীয়ে যথেষ্ট সংখ্যক লেখক-লেখিকাৰ সৃষ্টি কৰি সাহিত্য চৰ্চ্চাৰ বহল পৰিবেশ ৰচনাত উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে, সেই দুখন আলোচনীৰ এখন 'বাঁহী'। আনখন 'জয়ন্তী'। বাঁহীৰ প্ৰতিষ্ঠাতা আৰু আদি-সম্পাদক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ পিচত বাঁহীৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিছিল লোকনায়ক অমিয় কুমাৰ দাস, ৰসৰাজৰ ভতিজাক মাধৱ চন্দ্ৰ বেজবৰুৱা আৰু তেওঁৰ সুযোগ্যা সহধৰ্মিনী ঊষা বেজবৰুৱাই । মুনীন বৰকটকী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যও মাহেকীয়া আৰু সাদিনীয়া বাঁহীৰ সম্পাদনাৰ লগত জড়িত আছিল। বেণুধৰ শৰ্মাই 'বেজবৰুৱাৰ বাঁহী' প্ৰবন্ধত কৈছে, 'অসমীয়া সাহিত্য জগতত নতুন যুগ প্ৰবৰ্ত্তন কৰোঁতা, 'কায়াকল্প' ব্ৰতত ব্ৰতী হৈ মহাপুৰুষ সকলৰ বিমল বৈষ্ণৱ ধৰ্মত 'ন-দীপিতি ঢালি দিওঁতা আৰু অসমীয়া জাতিৰ খাৰ-গুলী, ধেনুকাঁড়

যোগাওঁতা মাহেকীয়া কাকতখনেই বাঁহী কাকত' 'নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে' মন্ত্ৰৰ আৰিয়া লগাই মাহেকীয়া আলোচনীৰূপে (পিচলৈ সাদিনীয়া ৰূপেও) আত্মপ্ৰকাশ কৰা বাঁহীয়ে কেইবাটাও দিশতে নতুনত্বৰ দাবী কৰিব পাৰে। 'কাহুদী আৰু খাৰলি', 'গাভৰুমেল', 'সাময়িক জগৎ', 'বিশ্বসাহিত্যত ভুমুকি', 'অকণমানিৰ চ'ৰা (পৰিচালিকা-ডালিমী বাইদেউ) 'বৰবৰুৱাৰ বিতচকু'ৰ লেখীয়া বিভিন্ন শিতান সন্নিবিষ্ট কৰি বাঁহীয়ে ভাবোদ্ৰেককাৰী প্ৰবন্ধ-নিবন্ধৰ নব্য চিন্তাৰ দুৱাৰ মুকলি কৰি গৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাৰ প্ৰচাৰ আৰু প্ৰসাৰতা বাঁহীৰ ভূমিকা অবিস্মৰণীয়। 'গ্ৰন্থ সমালোচনা' শিতানৰ অৰ্ন্তভুক্তি বাঁহীৰ আন এটা উল্লেখযোগ্য দিশ। ২৬শ বছৰ প্ৰথম সংখ্যা (১৮৬১ শক) বাঁহীত সম্পাদকে লিখিছে। "আমাৰ অসমীয়া পুথিৰ প্ৰকৃত সমালোচনা আজিলৈকে ভালদৰে হোৱাই নাই বুলিলেও বেছি কোৱা নহয়। আমাৰ গ্ৰন্থকাৰ আৰু পাঠকসকলে যদি পৰস্পৰ পুথি অনা-নিয়া কৰি বাঁহীত তাৰ যথাযোগ্য সমালোচনা কৰে অসমীয়া সাহিত্যৰ এটা ডাঙৰ অভাৱ পুৰ হ'ব। বাঁহীয়ে সমালোচনাৰ কাৰণে পুথি পালে আগধৰি তাৰ জাননী দি সুধীসকলৰ সমালোচনা আহ্বান কৰি যথাসাধ্য নিজেও যোগ্যলোকৰ হতুৱাই সমালোচনা কৰাই দিবলৈ চেষ্টা কৰিব।" সম্পাদকৰ এই কথাখিনিৰ পৰাই বাঁহীয়ে লেখক, গ্ৰন্থকাৰ আৰু পঢ়ুৱৈ সমাজৰ লগত সহৃদয়তা স্থাপন কৰিবলৈ কেনেভাৱে চেষ্টা কৰিছিল তাৰ উমান পোৱা যায়। এনে এখন ঐতিহ্যমণ্ডিত আলোচনী বাঁহীত পৰৱৰ্তীকালৰ (ৰসৰাজ বেজবৰুৱাৰ পিচত) গুৰি ধৰোতা আৰু বাঁহীক মাধ্যমৰূপে লৈ অসমীয়া জাতিৰ জীৱনৰ ভেটি নিৰ্মাণ কৰিবলৈ সচেষ্ট হোৱা ডেকা বেজবৰুৱাক পাহৰিব পাৰি জানো?

বাঁহীযুগৰ ক্লান্তিহীন কৰ্মবীৰ মাধৱ চন্দ্ৰ বেজবৰুৱা আছিল বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি। একেধাৰে এগৰাকী স্পষ্টবাদী সাংবাদিক, সুলেখক, ভ্ৰমণবিদ, সাহিত্য-সংস্কৃতিৰ সুদক্ষ সংগঠক আৰু সৰ্বোপৰি অকৃত্ৰিম দেশপ্ৰেমেৰে উদ্বুদ্ধ আত্মনিৰ্ভৰশীল জাতীয় নেতা। একুৰি পোন্ধৰ বছৰীয়া চুটি জীৱনকালত বেজবৰুৱাই ভাষা-সাহিত্য আৰু জাতীয় জীৱনৰ সমৃদ্ধিৰ হকে কৰি যোৱা কামৰ তুলনা নাই। এই সন্দৰ্ভত কেইবাটিও দিশত দি যোৱা বৈশিষ্ট্যপূৰ্ণ অৱদানৰ

বাবে মাধৱচন্দ্ৰ বেজবৰুৱা সৰ্বকালৰ বাবেই এজন স্মৰণীয় ব্যক্তি।

যাঁহীৰ এজন যোগ্য সম্পাদকৰূপেই নহয় অসমীয়া সাংবাদিকতাৰ একালৰ অন্যতম ধাৰক আৰু বাহক ৰূপেও মাধৱ চন্দ্ৰ বেজবৰুৱাক আমি মনত ৰাখিব লাগিব। কলিকতা বিশ্ববিদ্যালয়ৰ বি...এল ডিগ্ৰীধাৰী বেজবৰুৱাই জীৱিকা নিৰ্বাহৰ বাবে ওকালতি বা চৰকাৰী চাকৰি কৰিব পাৰিলেহেঁতেন। কোনোটোকে নকৰিলে। সুখ আৰু ভোগৰ সকলো পথ পৰিহাৰ কৰি দেশ সেৱাকে জীৱনৰ ব্ৰত কৰি ল'লে আৰু সাংবাদিকতাৰ চিন্তা-চৰ্চাও তেওঁৰ দেশ সেৱাৰেই অবিভাজ্য অঙ্গ হৈ পৰিল। কলিকতাত অনুষ্ঠিত 'বাতৰি কাকতৰ সম্পাদক সন্মিলন'ত অসমৰ সাংবাদিক আৰু সাংবাদিকতা সম্পৰ্কীয় সমস্যা সমূহ আলোচনাৰ বাবে দাঙি ধৰিছিল। ব্যক্তিগতভাৱেও প্ৰধান প্ৰধান বাতৰি কাকতবোৰৰ সম্পাদক সকলৰ লগত আলাপ-আলোচনা কৰিছিল। জীৱনৰ শেষ মুহূৰ্ত্তলৈকে তেওঁ সদৌ ভাৰত বাতৰি কাকত সন্মিলনৰ সদস্য, সদৌ ভাৰত সাংবাদিক সংস্থাৰ সদস্য, সদৌ ভাৰত সাংবাদিক সংস্থাৰ সদস্য, অসম চৰকাৰৰ প্ৰেছ উপদেষ্টা সমিতি, পাঠ্যপুথি বাছনি সমিতি আৰু অসম সাহিত্য সভাৰ সদস্যৰূপে থাকি বাণীদেৱীৰ সেৱা কৰি গৈছে। আজিৰ সাংবাদিকসকলে এই কথা পাহৰাটো সমীচীন হবনে বাৰু!

কলিকতাত অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ প্ৰতিষ্ঠাৰ বাবে বেজবৰুৱাই একালত যি প্ৰচেষ্টা চলাইছিল সেই কথাও স্মৰণযোগ্য। কলিকতাত বেজবৰুৱাৰ বাসস্থান আছিল অসমৰ সকলো ঠাইৰে লোকৰ মিলন ক্ষেত্ৰ। বেজবৰুৱা আছিল অসমৰ পৰা কলিকতালৈ যোৱা বিভিন্ন লোকৰ আলাপ-আলোচনাৰ সঙ্গী, বন্ধু, পৰামৰ্শদাতা। কলিকতাত অসমীয়াৰ মাঘ বিহু পালন আৰু ভোজৰ প্ৰথম প্ৰচলন কৰে বেজবৰুৱাই। মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিথি পালনৰো তেওঁ আছিল অন্যতম উদ্যোক্তা। কলিকতাৰ বোটানিকেল গাৰ্ডেনত বিহু সন্মিলন আৰু কলিকতাৰ বিভিন্ন ঠাইত আনন্দৰাম বৰুৱা, নবীন বৰদলৈ, তৰুণৰাম ফুকনৰ স্মৃতি সভা আদিৰ আয়োজন কৰি বেজবৰুৱাই গুণীজনৰ স্মৃতিচাৰণৰো পথ প্ৰশস্ত কৰি গৈছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা আৰু প্ৰসাৰত বেজবৰুৱাৰ ক্লান্তিহীন প্ৰচেষ্টা তেওঁৰ কৰ্মবহুল জীৱনৰ এটা অতিশয় মহত্বপূৰ্ণ স্মৰণীয় অধ্যায়।

প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালযৰ বাবে পুঁজি সংগ্ৰহৰ উদ্দেশ্যে তেওঁ বাঁহীৰ যোগেদি যৎপৰোনাস্তি চেষ্টা চলাইছিল। 'বাঁহী বিশ্ববিদ্যালয়ৰ পুঁজি' নামৰ এখন আঁচনিও তেওঁ প্ৰৱৰ্ত্তন কৰিছিল। বিশ্ববিদ্যালয় স্থাপনৰ কামত অবিৰতভাৱে বিভিন্ন ঠাইত ঘূৰি ফুৰোঁতে অত্যধিক পৰিশ্ৰমৰ বাবে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে, তেওঁ দুৰাৰোগ্য যক্ষ্মা ৰোগত আক্ৰান্ত হয়। শয্যাশায়ী হৈ থাকোতেও তেওঁ অসমৰ জাতীয় জীৱনৰ কথাকেই চিন্তা কৰিছিল। অতিশয় অসুস্থ অৱস্থাতো তেওঁ গুৱাহাটী বিশ্ববিদ্যালয় ট্ৰাষ্ট ব'ৰ্ডৰ কৰ্মকৰ্তা সকলৰ লগত চিঠি-পত্ৰৰ আদান প্ৰদান কৰিছিল।

'আৱাহন'ত ধাৰাবাহিক ভাবে 'বাঁহী'ত প্ৰবাশ পোৱা ভ্ৰমণ কাহিনী আৰু প্ৰকাশিত 'ৰণশিঙা' উপন্যাস বেজবৰুৱাৰ সাহিত্য প্ৰতিভাৰ নিদৰ্শন। কলেজীয়া ছাত্ৰ অৱস্থাতেই তেওঁ ভাৰতৰ বিভিন্ন স্থান, বিশেষকৈ সমুদ্ৰতীৰ আৰু পাৰ্বত্য অঞ্চল ভ্ৰমণ কৰিছিল। তেওঁৰ ভ্ৰমণ কাহিনী সমূহ তেওঁৰ দুঃসাহসিক পৰ্যটনৰ আনন্দময় অভিজ্ঞতাৰেই প্ৰতিচ্ছবি। ঐতিহাসিক সমল আৰু সামাজিক ৰীতি-নীতিৰ বৰ্ণনাৰে এই ভ্ৰমণ কাহিনীবোৰ সজীৱ। দেশভক্ত তৰুণৰাম ফুকনৰ চিকাৰ কাহিনীবোৰৰ দৰে মাধৱ বেজবৰুৱাৰ ভ্ৰমণ-কাহিনীবোৰো অসমীয়া সাহিত্যৰ মূল্যৱান সম্পদ।

"মই মোৰ দেশৰ কাৰণে একোৱেই কৰিব নোৱাৰিলো" বুলি ৰোগ শয্যাতে বেজবৰুৱাই আক্ষেপ কৰিলেও প্ৰকৃতাৰ্থত দেশৰ কাৰণে তেওঁ বহুখিনি কামেই কৰি গ'ল। দেশৰ কথা চিন্তা কৰি কৰিয়েই তেওঁ দাক্ষিণাত্যৰ আৰোগ্য ভৱনত স্বাস্থ্য নিবাসত ১৯৪৬ চনৰ ১১ অক্টোবৰত জীৱন-লীলা সামৰিলে। বেজবৰুৱাৰ অকাল-বিয়োগত অসমবাসী মৰ্মাহত হ'ল। বাঁহীয়ে লিখিলে, "বেজবৰুৱাৰ বিয়োগত অসমে এখন কথা ক'ব পৰা মুখ, কাম কৰিব পৰা দুখন হাত আৰু ঘূৰি ফুৰিব পৰা ক্লান্তিহীন এজন কৰ্মবীৰ হেৰুৱালে।" ১৪ অক্টোবৰত শিৱসাগৰৰ সকলো দল আৰু সম্প্ৰদায়ৰ প্ৰায় চাৰিশ লোকৰ সমাবেশত কালীপ্ৰসাদ স্মৃতি মণ্ডপত অনুষ্ঠিত শোক-সভাত সভাপতিৰ ভাষণত কবি যতীন্দ্ৰনাথ দুৱৰাই কৈছিল, "মাধৱ আছিল উৎসাহৰ একুৰা জুই। মাধৱে কাম নোহোৱাকৈ থাকিব নোৱাৰে। কামৰ বাগীত নিজৰ খোৱা-বোৱা, জিৰণি সকলোকে

জলাঞ্জলি দিছিল। মাধৱে অসমৰ বাহিৰৰ অন্য প্ৰদেশৰ মানুহে তেওঁৰ চিনাকি ল'ব খুজিলে বুকু ফিন্দাই কৈছিল—স্বাধীন অসমৰ শেষ ৰাজধানী সেই ৰংপুৰৰ মই। তেওঁ অসমৰ ৰংঘৰ, কাৰেংঘৰ, জয়দ'ল, শিৱসাগৰৰ পুখুৰী দ'লৰ ফটো বিলাক বিদেশলৈ যাওঁতে সদায় লগত লৈ গৈছিল আৰু অন্য প্ৰদেশৰ লোকক দেখুৱাই গৰ্ব অনুভৱ কৰিছিল।" পলিটেকনিকৰ ছাত্ৰ ইউনিয়নে পতা শোকসভাত বেজবৰুৱাৰ সহপাঠী বুৰঞ্জীবিদ ভুবন চন্দ্ৰ সন্দিকৈয়ে কৈছিল "বেজবৰুৱাদেৱৰ মৃত্যুত দুখুনী অসম আইৰ বহুত মনৰ আশা অপূৰণ হৈ থাকিল। যাৰ অন্তৰাত্মা দেশৰে আহ্বানত কান্দি উঠে, তাৰ কাণত ব্যক্তিগত কোনো ওজৰ-আপত্তি নপৰশে। সেই কাৰণেই বেজবৰুৱাই ব্যক্তিগত সুখ বা স্বাৰ্থলৈ পিঠি দি দুখুনী অসমৰ সেৱাত লাগিছিল। তেওঁ যি কৰি গৈছে আমাৰ ডেকাসকলে তাকে অনুসৰণ কৰিলে মৃতকে শান্তি লাভ কৰিব।" এজন সতীৰ্থই আন এজন সতীৰ্থৰ বিয়োগত কোৱা কথা কেইআষাৰৰ প্ৰাসঙ্গিকতা আজিও আছে বুলি ভাবো।

লক্ষ্মীনাথ বেজবৰুৱাৰ মৰমৰ বাঁহীক মাধৱ বেজবৰুৱাই কিমান নিষ্ঠাৰে, কিমান আন্তৰিকতাৰে গতিশীল কৰি ৰাখিছিল মাহেকীয়া আৰু সাদিনীয়া বাঁহী নপঢ়িলে অনুভৱ কৰিব পৰা নাযায়। আৰ্থিক ভাৱে ক্ষতিগ্ৰস্থ হৈও, মহাযুদ্ধৰ দিনতো পতি-পত্নী উভয়ে বাঁহীৰ সুৰ নিস্তব্ধ হ'বলৈ দিয়া নাছিল। ৰোগত শয্যাশায়ী হৈ থাকোতে আৰ্থিকভাৱে সহায় কৰিবলৈ আগবাঢ়ি অহা সকলক বেজবৰুৱাই কৈছিল "মোক সহায় কৰাতকৈ বাঁহীকহে সহায় কৰক।" এনে কথা আজিৰ কোনো পত্ৰিকা সম্পাদকে ক'বনে বাৰু?

এইজনেই হ'ল এসময়ৰ ছাত্ৰ সন্মিলনৰ নেতা কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষা শিক্ষা প্ৰবৰ্ত্তনৰ পথিকৃৎ, গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ কাণ্ডাৰী, তথ্যানুসন্ধানী ভ্ৰমণ কাহিনীৰ ৰচয়িতা, ৰসৰাজ বেজবৰুৱাৰ উত্তৰাধিকাৰী সুযোগ্য সম্পাদক বাঁহীপ্ৰাণ মাধৱ চন্দ্ৰ বেজবৰুৱা।

বাঁহী যুগৰ এই অক্লান্ত কৰ্মবীৰগৰাকীৰ স্মৃতি-ৰক্ষাৰ সন্দৰ্ভত এক সুদীৰ্ঘ কালৰ ব্যৱধানত আমি কি কৰিলোঁ? গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম সাহিত্য সভাই কি কৰিলে? সাহিত্যিক ইব্ৰাহীম আলীয়ে বেজবৰুৱাৰ জীৱনৰ কিছু কিছু

তথ্য পোহৰলৈ অনাৰ বাহিৰে আমাৰ বুৰঞ্জী লেখক, আলোচক আৰু বুদ্ধিজীৱী মহলে কি কৰিলে? চিন্তনীয় বিষয় যে অদ্যাবধি প্ৰকাশিত অসমীয়া সাহিত্যৰ কোনো এখন বুৰঞ্জীতে বেজবৰুৱাৰ জীৱন আৰু ব্যক্তিত্বৰ ওপৰত আলোকপাত কৰা হোৱা নাই। ডঃ মহেশ্বৰ নেওগে 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' আৰু ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত'ত বেজবৰুৱাৰ নামো উল্লেখ কৰিছে মাত্ৰ। এই দুগৰাকী কৃতবিদ্য পণ্ডিতৰ পৰাও বেজবৰুৱাৰ দৰে এজন ব্যক্তিয়ে যথাযোগ্য স্বীকৃতি নোপোৱাটো দুখৰ কথা।

অসমৰ জাতীয় জীৱনৰ সন্ধিক্ষনত ভাষা, সাহিত্য, শিক্ষা, সংস্কৃতি আৰু সাংবাদিকতাৰ সংগ্ৰাম যজ্ঞত পৰম নিষ্ঠা আৰু গভীৰ ঐকান্তিকতাৰে ব্ৰতী হৈ সৰ্বস্ব ত্যাগেৰে জীৱন আহুতি দিয়া বাঁহী যুগৰ এই অসামান্য কৰ্মবীৰ গৰাকীৰ আদৰ্শ জীৱন-গাথা অতীতৰ বুকুতেই নিমজ্জিত হৈ ৰ'ব নেকি?

১৯৯৩ চনৰ ১০ অক্টোবৰ তাৰিখে 'দৈনিক অসম' কাকতত প্ৰকাশ পোৱা এই প্ৰবন্ধটি শ্ৰীযুত বৰাৰ সন্মতি সাপেক্ষে প্ৰকাশ কৰা হ'ল।

মাধৱচন্দ্ৰ বেজবৰুৱা

আনন্দ চন্দ্ৰ বেজবৰুৱা

মাধৱৰ ১৯১২ চনৰ ভাদ মাহৰ কৃষ্ণা পঞ্চমী মাধৱদেৱৰ তিথিৰ দিনাই জন্ম হয় আৰু সেই কাৰণে তাৰ নাম মাধৱ বেজবৰুৱা ৰাখিছিল। সৰুৰে পৰা স্বাধীন চেতিয়া ভয় নাইকিয়া আছিল। সেই সময়ত শিক্ষাবিদ স্বৰ্গীয় গোবিন্দ বেজবৰুৱা স্কুল চাবলৈ আহি আমাৰ ঘৰত থাকে। তেখেতক আমি বৰ ভয় কৰিছিলো, সি কিন্তু নিৰ্ভয়ে তেখেতৰ লগত কথা-বতৰা হৈছিল। গোবিন্দ বেজবৰুৱাই ভজা পিঠাগুৰি বৰ ভাল পাইছিল আৰু সেই সূত্ৰতে মাধৱক সদায় পিঠাগুৰি আৰু এৱা গাখীৰৰ জলপান লাগিছিল। বহুতে কৈছিল যে সৰুতে পিঠাগুৰি খোৱাৰ বাবে মাধৱৰ দেহৰ গঠন দীঘল ধুনীয়া হৈছিল। সৰুতে লগৰ ল'ৰাবিলাকৰ নেতা হিছাপে ধেমালি আদি কৰিছিল আৰু আমাৰ মুখ্যমন্ত্ৰী চলিহাৰ সমবয়সীয়া আছিল। বোধকৰো চলিহা ১৯১২ চনত জন্ম হৈছিল।

১৯১২ চনত মই কলেজত থকাত ঘৰত বুঢ়া দেউতাকক দিগদাৰি নকৰাকৈ সি নিজেই গৈ গভৰ্ণমেণ্ট স্কুলত পৰীক্ষা দি নাম লগায়। সৰুৰে পৰা সদায় দেহ পৰিচালনা, কুস্তি আদি কৰিছিল আৰু নাইডুৰ কুস্তি আদি দিনৌ কৰিছিল।

স্কুলত ক'তো নোৰোৱাকৈ প্ৰথম বিভাগতে ১৯২৯ চনত পাছ কৰি কটন কলেজত নাম লগায়। এই সময়তে বন্ধৰ সময়ত তেওঁৰ লগত অন্য এজন ল'ৰাৰ সৈতে আহি কুস্তি কৰি শকত লোৰ শিকলি চিঙা আজিও মনত আছে, আৰু সেই শিকলি বৰ্তমানে মোৰ ঘৰত ভড়ালৰ তলা মৰাত ব্যৱহাৰ কৰা হৈছে।

১৯২৯ কি ১৯৩০ চনত শিৱসাগৰৰ মহকুমাধিপতি আই মজিদ চাহাবে শিৱসাগৰৰ পুখুৰীপাৰৰ দৌৰ পতা দৌৰত মাধৱ অকল প্ৰথম হোৱাই নাছিল, তেওঁৰ দ্বিতীয়জনৰ লগত প্ৰায় আধাফাল ব্যৱধানত আহিছিল আৰু 'কাপ'

পাইছিল। দুখৰ বিষয় সেই প্ৰতিযোগিতা আৰু ভৱিষ্যতে নহ'ল।

মাধৱ প্ৰথমতে কংগ্ৰেছৰ কাৰ্যৱলীৰ লগত অনুপ্ৰাণিত হৈছিল। কলেজত থাকোতে অসমৰ বিশেষ সমস্যা দেখি অসমৰ স্বাৰ্থ ৰক্ষাৰ্থে দেহপ্ৰাণ সপি দিছিল। শ্ৰীযুত মহেন্দ্ৰ নাথ ডেকাফুকন আদিৰ সৈতে ডেকাৰ দল গঠন কৰি ডেকাবেজ ডেকা ফুকন নাম লৈ সংগঠন কৰিছিল আৰু অসমৰ সকলো কথাতে ভাগ লৈছিল। ১৯৩০ চনৰ নগাঁৱৰ পূৰ্ণ বানত ভাগ লৈ সাঁতুৰি লগত ডেকা দললৈ বানবিধ্বস্ত অঞ্চলত নিজৰ জীৱন বিপন্ন কৰি নগাঁৱৰ ৰাইজৰ প্ৰিয় ভাজন হৈছিল আৰু নগাঁৱৰ খিং এলেকাত এটা দল সংগঠম কৰি দেশৰ কাম কৰিছিল। সেই সময়ত খিঙৰ এছ্ ডি চি আলতাফ আহমেদে গঠনমুলক কাম কৰিবলৈ তেওঁৰ নামত কিছু মাটিত ছেটেল কৰিছিল বুলি সহকৰ্মী এজন শ্ৰীবলোৰাম ডেকাবড়াৰ পৰা জানিছিলো।

১৯২৯ চনত গৰমৰ বন্ধত ঘৰলৈ নাহি কোনো খবৰ নিদি নামমাত্ৰ হাতত থকা পইছাসহ লাহোৰ কংগ্ৰেছলৈ গৈছিল। আনপিনে খবৰ নাপাই মাতৃ নুমলীয়া সন্তানৰ কাৰণে ব্যাকুল। কংগ্ৰেছ্ হৈ যোৱাৰ পাছত হাতত পইছা নোহোৱাত সেই সময়ৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক ডঃ সত্যপালক লগ ধৰি ধাৰে টকা লৈ ঘৰ পায়হি। পিছত সেই টকা মই পঠাই দিওঁ।

সেইদৰেই ১৯৩০ চনত ঘৰত কোনো খবৰ নিদিয়াকৈ পূজাৰ বন্ধত ঘৰলৈ নাহি কৰবালৈ গুছি যায়। ৩/৪ মাহ ঘৰত কোনো খবৰ নাই। আকৌ মাতৃয়ে কান্দিকাতি প্ৰায় পাগল। এই যাত্ৰাত তেওঁ দক্ষিণাত্যত কে'প কমেৰুণ পৰ্যন্ত ভ্ৰমণ কৰে। কেনেকৈ টকা-পইছা নোহোকৈ গোটেই দাক্ষিশাত্য ভ্ৰমণ কৰিলে বাহুল্য বিৱৰণ বোধহয় 'আৱাহনত' ধাৰাবাহিকভাবে প্ৰকাশ হৈছিল। সেইফালে অনেক দেৱদেৱীৰ মন্দিৰত বিনা পইছাত খোৱাবোৱা কৰিব পাৰি। তেওঁ এইদৰে অনেক মন্দিৰে মন্দিৰে ঘূৰি ফুৰিছিল। মাধৱ ১৯৩২ চনত বি. এ. পাছ কৰি গুৱাহাটীত ল'কলেজত নাম লগায়। ঘৰৰ অৱস্থা বৰ ভাল নোহোৱাত বি এ লৈকে মই পঢ়োৱাত আৰু সেই সময়ত ব্যৱসায়ত মই নতুন দেখি তেওঁ বি এল পঢ়োতে মোৰ পৰা কোনো পইছা নল'লে। মোৰ বিধৱা বাই দুৰ্গেশ্বৰীৰ গুৱাহাটীৰ ঘৰত থাকি নিজে কামবন আদি কৰি তেওঁৰ নিজৰ খৰচ উলিয়াইছিল। গুৱাহাটীত তেওঁ বাতৰি কাকতৰ এজেন্সী লৈছিল। মাধৱে ১৯৩৭ চনত

তেজপুৰত শ্ৰীমতী উষাক বিয়া কৰাইছিল।

নিয়মমতে আইন পাছ কৰি মই মতাটো ওকালতি ব্যৱসায় কৰিবলৈ নাহি কলিকতালৈ গ'লগৈ। তাত স্বৰ্গীয় চন্দ্ৰ কমল বেজবৰুৱাৰ প্ৰেৰণাত প্ৰথমতে তেওঁৰ ঘৰত থাকি আৰু তেওঁৰ আৰ্থিক সহায়েৰে মাহেকীয়া 'বাঁহী' উলিয়ায়। এই সময়তে তেওঁ প্ৰায়েই অসমলৈ আহি অসমৰ নানাৰকম সমস্যাত ভাগ লৈছিল। এবাৰ পণ্ডিত জবাহৰলাল নেহেৰু অসমলৈ আহোতে কংগ্ৰেছত অসমৰ স্বাৰ্থ ভালকৈ ৰক্ষা হোৱা নাই বুলি দলেবলে বৰপেটা ষ্টেছনত ৰাতি ট্ৰেইনত লগ ধৰি পণ্ডিতজীৰ লগত তৰ্ক কৰে।

কলিকতাত থাকি যেতিয়া মহাযুদ্ধৰ সময়ত অসমত বাতৰি কাগজ নাইকিয়া হ'ল তেতিয়া তেওঁ বাঁহী পষেকীয়া কৰি ভাৰতৰ বাতৰি কাকতৰ জগতত অসমৰ নাম ৰাখিছিল তেওঁ ভাৰতবৰ্ষৰ বাতৰি কাকত সন্মিলনত যোগ দিছিল আৰু তাৰ কাৰ্যকৰী সমিতিৰ সভ্য আছিল।

যুদ্ধৰ অজুহাতৃত 'অসমীয়া' কাকতখন বন্ধ হোৱাত মাধৱে মৰসাহ কৰি সাদিনীয়া 'বাঁহী' উলিয়ায় আৰু লগে লগে মৰসাহ দি এটা ছপাখানাও পাতি লয় (কলিকতাৰ তালিগঞ্জত)।

ইয়াৰ বাহিৰেও এখন দৈনিক বাতৰি কাকতৰ আৰু সকলো খবৰেৰে সাদিনীয়া আলোচনী পত্ৰ উলিয়াবলৈ মনস্থ কৰি শ্ৰীশ্ৰী দক্ষিণপটীয়া আৰু শ্ৰীশ্ৰীআউনিআটীয়া সত্ৰাধিকাৰ প্ৰভু সকলৰ পৰা আশিষ নিৰ্মালী লাভ কৰিছিলো বুলি তেওঁৰ 'বিশেষ যোজনা'ত ৩২শ বছৰ শাৰদীয়া সংখ্যা বাঁহীত লিখি থৈ গৈছে। আৰু লেখিছে যে ইতিমধ্যে তেওঁৰ স্বাস্থ্য একেবাৰে ভাগি যোৱাত প্ৰথম পৰিকল্পনাটো বাদ দি; দ্বিতীয় কাৰ্যটো হাতত লৈ সাহিত্যৰথী স্বৰ্গীয় বেজবৰুৱা জন্মোৎসৱৰ লগে লগেই মাহেকীয়া আৰু সাদিনীয়া বাঁহী দুয়োখন একেলগে কৰি সেই আলোচনী আকাৰত সাঁচত কৰি সাদিনীয়া বাঁহী উলিয়ায়। কিন্তু ঈশ্বৰৰ ইচ্ছা তেওঁৰ ভগা স্বাস্থ্য আৰু ভাগিলে।

মাধৱৰ কাগজত তেওঁ কাকো ৰেহাই নিদিছিল। ১৯৪৪/৪৬ চনত বৃটিছ জাহাজ এখনে ভাৰতীয় যাত্ৰীক জাহাজত নিবলৈ আমান্তি হয় আৰু শেষত নিজৰ যাবতীয় কাম নিজে কৰিলেহে তলৰ শ্ৰেণীত নিবলৈ মান্তি হোৱাত প্ৰায় তিনিশ মান যাত্ৰী যাবলৈ অমান্তি হয় (সৰহভাগ ছাত্ৰ)। তেতিয়া মাধৱৰ অন্তৰংগ বন্ধু এজনৰ এই অৱস্থা হোৱাত বাঁহীত বৰ কটু সমালোচনা কৰে।

সেই সমালোচনা পাই উক্ত বন্ধুৰ ক'কায়েকৰ হঁতে (যাৰপৰা মাধৱে যথেষ্ট সহায় আৰু উৎসাহ পাইছিল) বাঁহীৰ লগত সকলো সম্বন্ধ ছেদ কৰে।

তেওঁ ভাৰতীয় জাৰ্ণালিষ্ট এছচিয়েছনৰ সভাপতি আদি কৰ্মকতাৰ লগত লাগি অসমীয়া এজন ল'ৰা সংবাদসেৱাৰ শিক্ষা দিবলৈ ঠিক কৰি যোৰহাটৰ শ্ৰীযুত বীৰেণ ভট্টাচাৰ্যক লগত নি বাঁহীত সহকাৰী সম্পাদক কৰে। কিন্তু কি দুৰ্ভাগ্য যে স্বৰ্গীয় মাধৱ সাংঘাটিক বেমাৰত পৰি শয্যাশায়ী হোৱাত সেই কাম হৈ নুঠিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ তেওঁ এজন প্ৰতিষ্ঠাতা। স্বৰ্গীয় গোপীনাথ বৰদলৈ, স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামী আদিৰ লগত লগ হৈ নিজৰ পইছাৰে ছাপা আদি কৰি নাখাই নবৈ গোটেই অসম (মাজুলী সৈতে) ঘূৰিপকি ফুৰি যক্ষ্মাৰোগত আক্ৰান্ত হয়। তেওঁৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুদান সকলোৰে জনাজাত। শ্ৰীযুত মহেশ্বৰ নেওগক লগত লৈ গুৱাহাটীত অফিচপাতি নেতাসকলৰ নিৰ্দেশত সুচাৰুৰূপে কাম চলায়।

১৯৪৫ চনৰ ভাদমাহৰ মাধৱদেওৰ তিথি কৰি ওলাই আহি হঠাতে স্বৰ্গীয় মাধৱৰ চিঠি পাওঁ। সি লিখিছিল ... মোৰ কাঁহ হোৱাত ডাক্তৰক দেখুৱাত যক্ষ্মা আক্ৰান্ত বুলি কৈছে। মোক চিকিৎসা ব্যৱস্থা ল'বৰ কাৰণে মাতিলে। দুদিনৰ পিছত মই গৈ তালিগঞ্জৰ ২০৩ নং ৰাচা ৰডৰ বাঁহী অফিচ পাওগৈ। সেই সময়ত একেলগে শ্ৰীযুত বীৰেণ ভট্টাচাৰ্য, শ্ৰীপদ্মধৰ বড়া (মেনেজাৰ) শ্ৰীমতী কাবু (প্ৰিন্টাৰ) আৰু মোৰ বোৱাৰীক পাও। স্বৰ্গীয় বৰদলৈ ডাঙৰীয়াৰ চেষ্টাত মাদ্ৰাজৰ মদন পল্লি চেনেটৈৰিয়ামত এটা ছিট পাওঁ। তাত এবছৰমান থাকি প্ৰথমতে ভাল হৈ ৰিলিজ হৈ ১৯৪৬ চনৰ লক্ষ্মী পূৰ্ণিমাত তাতে স্বৰ্গী হয়। সেই সময়ত তাৰ পৰিবাৰ শ্ৰীমতী উষা লগত আছিল।

মই সেই এবছৰত ৩ বাৰ তালৈ যাও আৰু প্ৰায় লগত থাকো। সেই সময়ত মাত্ৰ স্বৰ্গীয় মাধৱৰ দুটা চিন্তা সদাই আছিল। বুধবাৰে বাঁহীখন সদায় মদন পল্লী পাব লাগে। যেতিয়াই নাপায় তাৰ খোৱা বোৱা নাই, চিন্তা, যিদিনা পায় সেইদিনাহে শান্ত হয়।

ইয়াতে সদায় বিশ্ববিদ্যালযৰ চিন্তা, অনবৰত এই বিষয়ে লিখালিখি, শেষত আজিও মোৰ মনত আছে যে তেওঁৰ মৃত্যুৰ কিছুদিন আগতে স্বৰ্গীয় বৰদলৈৰ পৰা চিঠি পাই যে বিশ্ববিদ্যালয় হ'বই আৰু তেতিয়া সি চিঞৰি উঠি

কয়, 'এতিয়াহে মই শান্তিত মৰিব পাৰিম'। আজিও এই কথাই মোৰ কাণত বাজি আছে।

স্বৰ্গীয় মাধৱে কন্যা হোৱাৰ ছোৱালী চাবৰ কাৰণে ভয় নকৰিছিল আৰু দেখাদেখিকৈ পুষ্পিতা কন্যা ১৯৩৭ চনত বিবাহ কৰি সেই খবৰ কাগজত উলিয়াইছিল।

মোৰ দুৰ্ভাগ্য যে ২/৩ মাহ লগত থাকি মৃত্যুৰ সময়ত মই নাপালো। হঠাৎ পূজাৰ নবমীৰ দিনা তাঁৰবাৰ্তা পালো। দশমীৰ দিনা যাবলৈ ঠিক কৰাত নবমীৰ দিনা ৰাতিৰ পৰা ল'ৰা-ছোৱালী চাৰিটাৰে বমি আদি হোৱাত ডাঃ জগন্নাথ বৰুৱাক মাতি আনিলো। তেওঁ নানা চেষ্টা কৰি বমি বন্ধ কৰি মোক যাবলৈ ক'লে। মই দশমীৰ দিনা যাত্ৰা কৰো। নগাঁৱত বৰপানী, কোনোমতে লাগে লাগে গৈ সন্ধ্যাৰ পিছত একাদশীৰ দিনা গুৱাহাটী পালোগৈ। সেইদিনা ডাঃ ভূবনেশ্বৰ বৰুৱাৰ ছোৱালী দুজনী আনিবলৈ মদনপল্লিলৈ শ্ৰীযুত গুৰু প্ৰসাদ বৰুৱা যাব, ময়ো লগত যোৱা কথা। মই নোপোৱাত তেওঁলোক গ'লগৈ। মই সেইদিনা গুৱাহাটীত থাকি পিছদিনা গ'লো আৰু লক্ষ্মীপূজাৰ দিনা (শুকুৰবাৰ) মাদ্ৰাজ পাওঁ। তাত শ্ৰীমান ডাঃ মাখন বেজবৰুৱাই মোক নি তেওঁৰ ঘৰত ৰাখি পিছদিনা শনিবাৰে মদনপল্লিলৈ যাত্ৰা কৰো। দেওবাৰে ষ্টেছনত নামি এটা ঘোৰা গাড়োৱালৰ (আগতে মোক চিনি পায়) পৰা সেই সাংঘাটিক খবৰ পাও। শ্ৰীযুত গুৰুপ্ৰসাদ বৰুৱাই পালেগৈ।

তেওঁৰ বেমাৰত বেছিদিন মদনপল্লিত থাকিব লগা হোৱাত বিশ্ববিদ্যালয় কমিটীৰ সভাপতিও সম্পাদক যথাক্ৰমে বৰদলৈ আৰু ফকৰুদ্দিন আলি আহমেদে ৰাইজৰ পৰা টকা তুলি দিয়া প্ৰস্তাৱ কৰিছিল। এই কথা গম পাই মাধৱে প্ৰত্যাখ্যান কৰি তেওঁ বিনাকক জনাই দিছিল।

স্বৰ্গীয় আনন্দ চন্দ্ৰ বেজবৰুৱা স্বৰ্গীয় মাধৱ চন্দ্ৰ বেজবৰুৱাৰ ককায়েক আছিল আৰু প্ৰবন্ধটো আনন্দ চন্দ্ৰ বেজবৰুৱা জীয়াই থাকোতে লেখা আৰু হুবহু তেখেতে লেখামতে প্ৰকাশ কৰা হ'ল। আনন্দ চন্দ্ৰ বেজবৰুৱাৰ ১৯৮৩ চনত মৃত্যু হৈছিল।

প্ৰবন্ধটো 'আজিৰ অসম' কাকতৰ ১০ অক্টোবৰ ১৯৯৮ চনৰ সংখ্যাত প্ৰকাশ হৈছিল।

বেজবৰুৱাৰ বংশাৱলী

(ক)



*অনন্ত কন্দলি ঘৰে যাৰ জন্ম হৈল অনুবৰ পূজাৰী তাহাৰ নাম বৈল।। পৰম বিশিষ্ট বিপ্ৰ গুণে অতিশয়। তান সুতা ঠানেশ্বৰী বিবাহিলা মই।।

আভিধানিক হেমচন্দ্ৰ বৰুৱাৰ বংশলতা
(খ)

জগন্নাথ বৰভঁৰালী বৰুৱা (নিৰঞ্জন বেজবৰুৱাৰ পুত্ৰ)

↓

কমলাকান্ত খঙীয়া ফুকন

↓

গংগাই বৰভাণ্ডাৰ বৰুৱা

↓

মধুৰাম বেজবৰুৱা*

↓ ↓ ↓

হেমচন্দ্ৰ বৰুৱা   তুলসীৰাম   কমল

---

* কোনো কোনো বংশলতাত এই নামটো উল্লেখ পোৱা নাযায়। — সম্পাদক

মাধৱচন্দ্ৰ বেজবৰুৱাৰ মাতৃ-কুল পৰিচয় (বংশাৱলী)

(খ)



পৰিশিষ্ট (গ)

A MEMORANDUM PRESENTED TO PANDIT JAWAHARLAL NEHRU, PRESIDENT OF THE INDIAN NATIONAL CONGRESS BY THE ASSAMESE DEKA DAL (THE YOUNG ASSAMESE ASSOCIATION) ON HIS VISIT TO ASSAM.

GAUHATI, ASSAM
The 28th November, 1937

Dear Panditji,

It is not often that we in Assam get the benefit of any first hand advice and directions from any political leader of all-India fame, much less from a President of Indian National Congress It is, therefore, natural that we will be looking forward to your Assam tour with considerable expectations and hope regarding the solution of at least some of our much vexed problems of provincial and inter-provincial importance Your visit to Assam at this juncture is thousand times more welcome to us all in view of the fact that issues on some of these problems have been precipitated by the recent decisions of the Assam Legislative Assembly, while others still await their decision one way or the other

·We must tell you at the outset that it will not be doing justice to Assam if you consider Assam as one of the many Provinces of India in the same sense as the Punjab, United Province or Bengal are Indian Provinces Assam has become a

part of India only since 1826, prior to which Assam was a separate country governed by independent kings, having practically no connection with the rest of India and inhabited by a race, whose culture and civilisation had grown quite independent of and separate from the culture and civilisation of the rest of India.

When the English first came to Assam they found the country sparsely polulated and in a state of chaos, due to the inhuman and barberous atrocities of the Burmese invaders preceding their occupation. The ramnent of Assamese nation then were destitude and homeless. What the Nation needed most at that hour and for a few decades thereafter, in order to recoup its balance from the stunning shock of the Burmese atrocities, were peace and order and freedom from external competition, which however the commercially minded British People were, it seemed, not in a mood to allow us to have.

British occupation of Assam was almost immediately followed by (a) free gift of vast tracts of revenue-free land for special cultivation of English Companies, (b) special trading and commercial facilities to Marwardis and (c) free hand regarding court languages and languages in educational institutions to the Bengalis. The British bureaucracy then was fully conscious of the necessity of purchasing the moral support of all non-Assamese whoever cared to come over the Assam by showing various just and unjust mostly unjustfavours on them in order to strengthen its domination over the Assamese.

(*a*) Almost free grift of tracts of revenue-free land to British Companies, together with results of research and other works done at the Government expense, gave rise to the tea industry in Assam. Tea being the only large and important industry in Assam, the Government became fully dominated by it and "Planters Raj" has uptill now remained as a synonym for the Assam Government.

Striking a balance between what the tea industry has given to Assam and the harm it has caused to Assamese Nationalism, is a task, we do not propose to undertake at present. But it must be said that the tea industry having recruited its labourers from amongest the aboriginal of India such as the Santhals, Bhills, Kols and Gonds etc. and the industry having allowed a standard of living for the labourers as low as human ingenuity could invent without taking the risk of killing them, the general standard of living of the mass of the people of the whole Province went very very indeed.

(This made labour cheap while amenities of life remained as costly as before.)

Tea also brought in a complicated problem into the body politic of mass in the matter of most of villages formed by ex-tea-garden labourers. Socially, they remained outcastes as they had been working in the tea gardens, education, they never had any, for generations, and politically they continued to be an unwieldly mass impervious to all nations of civic life.

(*b*) Secondly, the Marwardis who followed on the wake of the military forces, first penetrating into the depths of Assam, completed their net-work of origination pervading into every remote village in less than half a century. The tact and crafts of the Marwardis, have not left a single Assamese family out of their clutches The total debt of the people of Assam almost entirely to these Marwardi-traders and money-lenders amount to the colosal sum of forty-four crores of rupees.

(*c*) Thirdly, Bengalis who came to Assam most as Government officers and clerks, started hoax that Assamese was a coloqual dialect of Bengali. Whoever amongst the Assamese wanted to get employment under the Government and became a *Bhadralog* had first to take to Bengali way of life and speaking. The continued for about half-a-century and it

is with great efforts that the Assamese language could be made to get entrance into the Government educational institutions in Assam.

A few decades thereafter, simultaneously, with the launching of the non co-operation movement, in which the Assamese Nation had joined almost to a man, a steady and silent movement was noticeable amongst the people of Eastern-Bengal both Hindus and Musalmans, to come and settle the waste lands of Assam. The compiler of a Census Report of 1931 likens it to the movement of a vast body of ants These immigrants "Mymensinghias" as they are all in Assam, opened out vast tracts of land and settled in almost all the districts of Assam. The following table from the 1931 Census Report will speak for itself:

Table showing number of persons born in Bengal in each District of the Assam Valley in 1911, 1921 and 1931.

Total population in 1931	Districts	1911	1921	1931
8,83,000	Goalpara	77 (ms 34)	151 (ms 78)	170 (ms 80)
9,77,000	Kamrup	4 (ms 1)	44 (ms 30)	131 (ms 91)
5,85,000	Darrang	7 (ms 1)	20 (ms 12)	41 (ms 30)
5,63,000	Nowgaon	4 (ms 1)	58 (ms 52)	120 (ms 108)
9,33,000	Sibsagar	14 (ms –)	14 (ms –)	12 (ms –)
7,25,000	Lakhimpur	14 (ms –)	14 (ms –)	19 (ms 3)

(ms,–Mymensingias)

The Assamese people did not protest against these inroads as they thought it to be a natural course and further as they were confident that these Mymensingias would become naturalised in Assam taking up Assamese language and Assamese ways of life in the course of one or, at most, two

generations.

But it appears now, that forces other than the natural causes of continuous mass immigration and emmigrantion have been at play all through these long years silent expansion of the Bengalis. For, no less a person that Babu Ramananda Chatterjee has come forward with a declaration that Assam is a Bengali-speaking province. Even if we do not take the vituperations of the Bengali Press into accoount yet we cannot but take serious declaration of the notes of the declaration of the emminent Bengali leaders in this connection.

The children of the Mymensinghia immigrants were and are still being educated in Assamese schools. But of late, the Bengali Hindu residents of Assam proper, who have, by the way always stood against the forces of Indian Nationalism in Assam, have organised what they term as a 'Domiciled and Settlers' Association', through which they have been incesantly propagating amongst the Mymensinghia settlers the idea of separateness from the Assamese and have been demanding Bengali schools for the Mymensinghia children. Indeed, the volume of this anti-Assamese movement reached such an intensity that Sir Michael Keane, the late Govornor of Assam, as a parting kick to the Assamese nation opened two Bengali High Schools in the heart of Assam proper in teeth of vehement oppositions from all sections of Assamese people. It will be readily seen from the above that these are moves to transform whole of Assam into a colony of Bengal with Bengali preponderance.

The writer of the Census Report for 1931 says-"It will be of intense interest whether the Assamese lenguage itself will be able in the future to defend itself against a new powerful invader in the shape of Bengali which, with the coming of the Eastern Bengal settlers has established itself firmly, in all the districts of lower and central Assam." Again, 'the most important event in the province during the last 25 years-an event moreover, which

seems likely to alter parmanently the whole of Assam and to destroy surely, more surely than did the Burmese invaders of 1820, the whole structure of the Assamese culture and civilisation has been the invasion of the vast hoards of landhungry Bengali immigrants mostly Muslims from the districts of Eastern Bengal and in particular from Mymensingh.

The one other gift of the British Bureaucracy of Assam was the inclusion of the Bengali spaking district of Sylhet in the province. Economically, Sylhet is a deficit district. Geographically, it is a natural part of Bengal and is separated from Assam proper by a long and continuous range of impenetrable hills Socially, the people, both Hindus and Mussalmans are Bengalis. And Politically, they are at loggerheads with the Assamese interests. The probabilities are that as there has never been a Hindu-Moslem problem in Assam, the bureaucracy wanted to create at least an Assamese-Bengali problem for purposes of imperial domination.

So the present position is this :-

1. European Planters continue to dominate and materially influence the provincial politics of Assam to such an extent as to make it impossible to take any beneficial measures for the amelioration of the labourers.

2. The poverty and indebtedness of the Assamese to the Marwadis appear to be almost beyond redemption.

3. The Bengali language and civilisation have invaded the very home of the Assamese nation.

4. The idea of converting Assam into a colony of Bengal has almost been materialised.

5. The Assamese have been reduced to the position of a minority community in Assam where the domiciled Bengali Hindus, Mymensinghia immigrants and Sylhetees-both Hindus and Mussalmans combine to stand against the interests of the

Assamese

6 Now that we are being ruled by the majority this unholy alliance will continue to dominate and to work against the interest of the Assamese nation for ever thereafter

Now, how is the Assamese young man to proceed in this crisis? No doubt, he can, as he has been doing for so many years in the past, join the Congress and fight British imperialism for bringing in Swaraj for India. But he feels that in the existing state of things "the temple of Swaraj when it is built on the bank of the Brahmaputra, will be built on the tomb of The Assamese nation " That is an eventuality he is *not* prepared to face. He has got to find out a place for his Assamese nation under the *sun* at any cost, within the Congress if possible.

We enumerate below the steps we consider necessary to be taken immediately in order to save the Assamese nation from utter annihilation .–

1. Transfer of Sylhet to Bengal.

2. Total stoppage of Bengali continuous mass immigration to Assam Valley for purpose of permanent settlement for a period of 20 years.

3. Strict naturalisation laws for the Bengali immigrants resident in the Assam Valley.

4. Outlawing all anti-Assamese organisations in the Assam Valley.

5. Moratorium for agricultural indebtedness for a period of 10 years or more, and

6. Abolishing the planting block in the legislature. Will the Congress help us in our efforts, or will it stand by, while the Assamese nation is wiped our of existence inch by inch?

The only alternative to the above what we can think of is that we should get separated from India as Burma has does

The Burmese as a nation to stand against the inroads made by the Indians. It is therefore, no wonder that the Assamese nation finds itself today on the verge of a precipice If the rest of India given the Assamese the protection they so sorely need to-day they will grow up to be a strong and useful part of its body-politic, if not, either they will have not cut themselves asunder or remain a canker in India's body-politic and a brake on a wheel of its progress

We carve your indulgence for taking up so much of your valuable time and we hope we have not inconvenienced you in any way by introducing these problems before you, which must have remained unknown to you so long

We thank you most sincerely for your kindness

Yours faithfully,
MADHAB CHANDRA BEZBAROA,
on behalf of Assamese Deka' Dal
(*Assamese Youth League*)

পৰিশিষ্ট (ঘ)

বিশ্ববিদ্যালয় সংক্রান্তত মতামত

"........কলিকাতায় সূর্য্য না উঠিলে আজ আসামে প্রভাত হইবে না। আৰ কতদিন আসা অবস্থায় থাকিবে ......। আসামে বিশ্ববিদ্যালয় হওয়া নিতান্ত আবশ্যক।" (—কাউন্সিলৰ বক্তৃতাৰপৰা)

বাবু বসন্তকুমাৰ দাস, এম্-এস-চি

"অসমত আমাক যে এটা সুকীয়া বিশ্ববিদ্যালয় লাগে এইটো নিশ্চয় কথা। আজি পালে আমি কালিলৈ বাট চাব নোখোজোঁ। অসম এখন সুকীয়া প্রদেশ, তাত এটা বিশ্ববিদ্যালয় নাই, এইটো বৰ লাজৰ কথা। পৃথিবীৰ একোখন সৰু দেশ বা প্রদেশত এটাতকৈ সৰহ বিশ্ববিদ্যালয় আছে। বিশ্ববিদ্যালয় প্রত্যেক দেশতে বিদ্যাৰ কেন্দ্র। কেন্দ্রীভূত বিদ্যাজ্যোতিষ্কৰপৰা চাৰিউদিশত প্রচাৰিত জ্যোতিত দেশ বিদ্যা-গৌৰবেৰে বিমণ্ডিত হয়। নিজৰ মাক আৰু মাহী-মাকৰ ভিতৰত যেনে প্রভেদ, নিজৰ দেশৰ বিশ্ববিদ্যালয় আৰু বিদেশী বিশ্ববিদ্যালয়ৰ ভিতৰত এনে প্রভেদ। মই বুকু ফিন্দাই ভবিষ্যৎ বাণী কৰিব পাৰোঁ যে সুকীয়াকৈ নিজৰ বিশ্ববিদ্যালয় পালে, পাঁচ বছৰৰ ভিতৰতে অসমে আশাতীতৰূপে উন্নতিৰ বাটত আগুৱাব। অসমে সুকীয়াকৈ পোৱা কটন কলেজেই ইয়াৰ উদাহৰণ।" ("অসম বিশ্ববিদ্যালয় দিন" পালন কৰিবলৈ আহ্বান কৰোতা "আচামিজ ষ্টুডেণ্টচ্ ওৱেলফেয়াৰ লীগ'ৰ সভ্যসকলৰ শলাগ লৈ ঈশ্বৰৰ চৰণত খাটো যেন তেওঁলোকৰ স্বপ্ন সফল হয়")

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়া

"......The Educational destiny of our province is roped in with the University of Calcutta which is controlled by the Govt.

of Bengal. Hence research activities in Assam have to be conducted by individual workers in the face of enormous difficulties, while in a University they receive all the necessary facilities from the permanent and stable organisations maintained for the purpose. Investigations into the past history of India or of a particular province form part of the normal activities of a University. Higher academic degrees, promotions and even continuance in an acacdemic positon cannot be expected without some intrinsic achievement in the field of original research. Fame and preferential treatment accompanied by material gain supply the necessary incentive for original work in all provinces blessed with Universities. In every centre of learning there is an atmosphere of scholarship, and frequent consultations between co-workers can be held, thus avoiding unnecessary loss of time in going through the spade-work. Treatises compiled by scholars are published at the expense of the Universities in the usual course of business. Materials are collected under Universities auspices for which the individual worker may even expect some remuneration".

".......But here in Assam the research worker is hampered by disadvantages. He works single handed. Half his life is spent in doing the spade work. The loan of books or records from distant libraries involves interminable correspondence. He collects his materials at his own expense; prepares transcript and digests at his own expense too"

(Extract from the Govt. of Assam, Dept. of Historical and Antiquarian Studies, Bulletin No. 2, 1934.)

".......The urgency of securing within the Province the means of adequate and direct control over higher Education, need no emphasis. It is said Assam cannot afford to have a University of its own; it cannot afford not to have one."

(Extract from the Report of the acting Director of Public Instruction, 1931-33).

"........The natural desire of the Assamese people to have a University of their own will, I am sure, receive universal support".

C.V.RAMAN, KT. M.A., PH.D., D.SC., LLD. F.R.S., N.L.

"........Assam wanted a separate University for it has its own problems and requirements and traditions, which a huge institution like the Calcutta University could not serve.......".

DEVA PRASAD SARBADHIKARY,

A former Vice-Chancellor of the Calcutta University

(Extract from speech delivered at the unveiling ceremony of a tablet in memory of the late Anundoram Barooah.)

"........We are afraid, however, that as small as it may be the new autonomous provinces will desire and strive to have their own Universities and not rely on Educational half-marks from other provinces. Pigmies to them will be preferable to 'foreign' giants".

".........As we have said to us it seems inevitable that with the new constitution Assam will have her own University.........."

STAR OF INDIA, FRIDAY, 3RD MAY, 1935.

"I see the question of establishing an Assam University is being agitated in the Assam Legislative Council and Brahmaputra Valley.

Assam needs a University of her own, to become as much autonomous as is possible under the next reforms.

The question whether she can pay for a well developed University need not detar us now. A beginning may be made and that is possible even with her poor and limited resources– if the University do not undertake to offer Post-Graduate or Professional Studies in all subjects which an old and developed University like that of Calcutta, give".

SIR SYED MUHAMMED SAADULLA, KT.
Ex-Finance Member, and Ex-Minister of Education, Govt. of Assam, the present Chief Minister of Assam

" ..... Govt. accepted the position that there should be a University for Assam whatever be the opinion of some of the Surma Valley members........If the Surma Valley members want to remain under the Calcutta University........there is no reason why Assam Valley people should not have a University.– (Council Proceedings).

HON'BLE ABDUL HAMID,
Ex-Minister for Education, Assam

"I support the idea of a separate University for Assam provided its head quarters are located in the Assam Valley and adequate steps are taken for recognition of the claims of Assamese language. The establishment of regional Universities on a linguistic basis has been a prominent Educational feature of our times, and the recent proposals to start a Kerala and Maharashtra University illustrate the tendency".

PRINCIPAL. K. K. HANDIQUE. M.A. (Cal. et. Oxon),
Jorhat.

" The need of a University in Assam cannot be overestimated Apart from its controlling and directing influences over its feeder Institutions it affords to the nation a Centre of highest learning and Culture

"Assam is a virgin field of research in the dominion of history and chronology, anthology and ethnology, epigraphy and linguistic survey "

" The atmosphere of research and keenness of devotion to the advancement of knowledge can be made only by the ideals of a living University

" A part from other things the boon a University confers upon an individual–as emphasised by Lord Reading and Lord Irwin in their addresses to the first two Inter University Conferences in India, is that if a University does its work really well it tends to give a man three things of great value to the community, a balanced judgement, a balanced character, and an increased will to act for the good of both himself and his fellow "

DR M I BORAH, M A, B L, PH D (Lond)

(Extract from the Presidential address delivered to the Assam Student Conference held at Jorhat in 1934)

UNIVERSITY FOR ASSAM

M P urges early establishment

In a letter to the Secretary, Assamese Students' Welfare League, Calcutta on the question of a separate University for Assam Sir Walter Smiles, M P, Black burn (formerly Chairman of the Assam Branch of Indian Tea Association etc., wrote in 1935 –I am in sympathy with your desire to establish a seperate University for the Province of Assam

Next year it will be the responsibility of the new Govt of Assam to decide upon their Education Policy

Though I expect to see an extension of Primary and Secondary Education then, I am sure the ideal of a University for Assam will not be forgotton"

Assam Sectt (C)
SHILLONG
4/8/1972,

ডেকাবেজৰ **Autograph-ৰ** পৰা বা স্বাক্ষৰ সংগ্ৰহ

"Live dangerously"

Nov 3, 1937 JAWAHARLAL NEHRU

"পৰৰ দুখ পতিয়াবলৈ শিকা—তেহে তোমাৰ দুখ কমিব।"—

গুৱাহাটী শ্ৰীতৰুণৰাম ফুকন

৯ই কাতি ১৯৪১।

"ঢেঁকীটোৰ এমূৰে তুমি উঠি আছা, সিমূৰে তোমাৰ মাতৃভূমি। তুমি ওপৰলৈ উঠিলে মাতৃভূমি তললৈ যাব। মাতৃভূমি ওপৰলৈ তুলিব খুজি যদি তুমি তোমাক সৰুটি কৰি তললৈ নিয়া।"—

কলিকতা শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৩৪/১ বালিগঞ্জ চাৰকুলাৰ ৰোড

"অসমীয়া জাতিটোক বোকোচাত লৈহে আমি আগবাঢ়িব লাগিব। আমাৰ জাতিৰ বলশক্তি ঘাইকৈ বেহা-বেপাৰৰ ওপৰতে নিৰ্ভৰ কৰিছে, কাৰণ এয়ে জগতৰ সকলো জাতিৰ সৰ্ব্বস্ব।"

কলিকতা

৩ ৩৬/৩৫ শ্ৰীজ্ঞাননাথ ৰৰা

"মুখেৰে দেশোদ্ধাৰ কৰাৰ দিন নাই। হাতে কামে লগা হব লাগে। তোমাৰ দেশসেৱাৰ ব্ৰত যেন অনতিপলমে কাৰ্য্যত ফলিয়ায়।"—

নগাওঁ শ্ৰীপদ্মনাথ গোহাঞিবৰুৱা

অসম সংৰক্ষিণী সন্মিলনী

১১/৯/৫৭ শঁক।

"স্বদেশপ্ৰেম যি জাতিৰ নাই তাকে মৰা জাতি বোলে। তেনে জাতি চিৰকাল পৰৰ গোলাম হৈ ভৱিষ্যতে বংশ বিলোপ কৰে যে ভুল নাইকিয়া কথা।"

গুৱাহাটী শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য

৬/৫/৩৬

"তিৰোতাৰ শিক্ষা বহুল পৰিমাণে প্ৰচাৰ হোৱাটো নিতান্ত আৱশ্যক। তাৰ লগতে পালনৰ অৰ্থে অহোপুৰুষাৰ্থ কৰিব লাগে।"—

ডিব্ৰুগড় শ্ৰীৰত্নকুমাৰী ৰাজখোৱানী

৭/১১/৩৬

"Regeneration of Assam depends on the youngmen of Assam They may be few in number, but if they are sincere and fearless, and labour hard in every field of life's work, that will be enough. ...... "

Camp Gauhati. S. C GOSWAMI.

"Remember, Manipur is keenly related to the Assamese from time immemorable It is your bounden duty to keep that relation unrellied for ever, and it is at your hands that the future imancipation of mother Assam entirely lies. ...."

Imphal Dr. LAREN SING

Manipur State

25-10-33

Gold trustly belong to the world because you dig it out of the earth

25-10-33 ABDUL HAMID

"There is no higher religion than truth"

Camp Gauhati M K GANDHI
14-3-33

"We seek for Truth and Beauty over the whole world It is here at our doors

9th June, 1932 C V RAMAN

"Trust in God and fear not"

1-7-32 J BAROOAH

"To be sincere is to live really"

28-9-32 B R THOMAS

'Man does no live by bread alone'

Gauhati, Assam S K BHUYAN
6-4-1937

"Think well of a man, he will be better still"

Assam I MAZID
25-10-33

To my Assamese Brother,

Your motto should be "Assam and Assamese people"

Dibrugarh BENUDHAR RAJKHOWA
7-4-36

ডেকাবেজ,

তোমাৰ বেজৰ জোলোঙাটো ভালকৈ লবা। ৰুগ্না অসমী আইক তোমাৰ সুচিকিৎসাৰ গুণত স্বাস্থ্যৱতী গুণবতী আৰু ৰূপৱতী কৰি তুলিবা।

তেজপুৰ · **শ্ৰীবিষ্ণুপ্ৰসাদ ৰাভা**

ৰঙালী বিহু শঙ্কৰাব্দ

'হিয়া উবুৰিয়াই আশীৰ্ব্বাদ কৰিছোঁ ভগবানে জয় আৰু যশস্যা দিয়ক।'

গুৱালপাৰা **শ্ৰীহৃদ্দেশ্বৰ বৰঠাকুৰ**

৭/৪/৩৮ ইং

"যথেচ্ছসি তথা কুৰু"—গীতা

ৰজনীকান্ত বৰদলৈ

২৫/৩/৩৮

যি কামকে কৰোঁ যি ভাৱকে ভাবোঁ
যি কথাকে কওঁ ভাই
তাৰে গুটি পৰি শস্য গজিব
আনিব লাগিব দাই—

শ্ৰীআনন্দচন্দ্ৰ আগৰৱালা

২/১১/১৭

পৰিশিষ্ট (ঙ)

বিশ্ববিদ্যালয় প্ৰতিষ্ঠা আন্দোলন
প্ৰথম দানৰ প্ৰতিশ্ৰুতি

অসমীয়া মুছলমানৰ আশাশুধীয়া সমৰ্থনৰ নিদৰ্শন
বিশ্ববিদ্যালয় পুঁজিলৈ গাঁৱৰ পৰাই প্ৰথম দান

নগাঁৱৰ ঢিং চাৰ্কেলৰ কাননগু মৌঃ জামালউদ্দিন আহমদ চাহাবে প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে ৫০০ (পাচশ) টকা দান দিবলৈ স্বীকাৰ কৰিছে বুলি প্ৰচাৰ বিভাগে জনাইছে। অবশ্যে তেখেতে এই টকা ৬ মাহৰ ভিতৰত আদায় দিব। আমি তেখেতক এই সৎ নিদৰ্শনৰ নিমিত্তে ধন্যবাদ জনাইছোঁ।

বুলেটিন নং-৪ প্ৰচাৰ বিভাগ

'বাঁহী' প্ৰেছ, টলিগঞ্জ।

অসমীয়া সাংবাদিক সন্মিলন

মিনতি,

অসমত অসমীয়াৰ সাংবাদিক সন্মিলন এখন নথকাৰ কাৰণে অসমীয়া সাংবাদিক তথা অসমীয়া ৰাইজৰ কত কথা যথেষ্ট প্ৰচাৰ আৰু প্ৰতিবিধানৰ অভাৱত অমীমাংসিত হৈ যাব লগা হৈছে তাক আপোনাসকলে নজনা নহয়। এইবাৰ সদৌ ভাৰত সাংবাদিক সন্মিলনত অসমৰ কথা ওলাওঁতে ভাৰতৰ অইন অইন প্ৰদেশৰ দৰে অসমতো এখন উপদেশক সমিতি গঠন কৰিবৰ অৰ্থে দুজন প্ৰতিনিধি অলপতে অসমলৈ পঠোৱাৰ মীমাংসা কৰা হৈছে। সেই

প্ৰতিনিধিসকল আহি অসমত এখন উপদেশক সমিতি গঠন কৰি লোৱাৰ আগতে অসমীয়া সাংবাদিকসকলে গোটখাই নিজৰ সন্মিলনখন পুনৰ্গঠন কৰি লোৱা একান্ত দৰকাৰ।

সেই উদ্দেশ্যৰেই এই এপ্ৰিল মাহৰ ভিতৰতে গুৱাহাটীতে অসমীয়া সাংবাদিকসকলক লৈ এখনি সন্মিলনী পাতিবলৈ আমি ভাবিছো। সেই উদ্দেশ্যৰে আপোনাসকলৰ মতামত আৰু উপদেশ আশা কৰিলো। আমাক অনতিপলমে আপোনাসকলৰ মতামত জনাই বাধিত কৰিব। সন্মিলনীৰ তাৰিখ পিছত জনোৱা হব। ইতি—

বিনীত

শ্ৰীমাধৱচন্দ্ৰ বেজবৰুৱা (কলিকতা)

শ্ৰীসতীশচন্দ্ৰ কাকতী (গুৱাহাটী)

শ্ৰীপ্ৰভাতচন্দ্ৰ বৰুৱা (তেজপুৰ)

পৰিশিষ্ট (চ)

ডেকাবেজৰ এখনি শেষ চিঠি (আমালৈ)

U.M.T. Sanatorium
S.W. 44 3.12.45

মৰমৰ ইব্ৰাহিম,

তোমাক সিদিনা কলিকতাত পায়ো ভালদৰে কথা হব নোৱাৰি এনে বেয়া লাগি আছিল। মই ইয়ালৈ আহোতে ৰেলত যি কষ্ট পাই আহিলোঁ সি মোক এমাহ বিছনাত পেলাই ৰাখিলে। কলিৰ পৰাহে অলপ গাটো ভাল পাইছোঁ। চিকিৎসা চলিছে—ভালদৰেই ফল দিছে। ভগৱানে কৰিলে সোনকালেই যাব পাৰিম বুলি ভাবোঁ। অৱশ্যে তেওঁ যদি মোক সোনকালে আৰোগ্য কৰি নিয়াৰ দৰ্কাৰ যেন দেখেহে। মই সকলো ভগৱানৰ ওপৰতে পেলাই দিছোঁ।

অসমৰ খবৰ একো পোৱা নাই। সেই কাৰণে মনটো বেয়া লাগি আছে। পদ্মক দঢ়াই দঢ়াই কৈ আহিও খবৰ কাগজ এখন এতিয়ালৈকে পোৱা নাই। বাঁহী ওলাই আছে। নবৌৰেৰাৰ চিঠি পাইছোঁ। তেজপুৰতে আছে। যদি পাৰে এবাৰ ইয়ালৈ মাতিছোঁ। কি সুবিধা কৰিব পাৰে এথোন।

বাঁহীলৈ প্ৰবন্ধ পঠাই থাকিবা। মৰম লবা। ইতি—

তোমাৰ
মাধৱ দাদা

To

M. Ibrahim Ali
Area HQ., M. C.
Parbatipur
North Bengal

পরিশিষ্ট (ছ)

Sambalpur
13. 4. 37

কল্যাণীয়েষু,

তোমার ১০/৪/৩৭ তারিখের চিঠি, এবং তার সঙ্গে [illegible] [illegible], এবং [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]।

[illegible] [illegible] [illegible]। [illegible] [illegible]। [illegible] [illegible] [illegible] [illegible]।

[illegible] [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible]।

[illegible]

[illegible]

সবিনয় [illegible]

[illegible] এই চিঠিখানি [illegible]

[illegible] তোমার চিঠিখানি পাইলাম।

তুমি যদি কাশী [illegible]

[illegible] হয়। [illegible]

[illegible] হয়। তুমি [illegible]

[illegible]

হবে। [illegible] তোমাকে [illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

শ্রীযুত সুরেশ আর শ্রীযুত চন্দ্রকমল

[illegible]

[illegible] পাইলাম। [illegible]

শ্রী [illegible]